Assamese/অসমীয়া

सत्यमेव जयते

# ৰাষ্ট্ৰীয় শিক্ষা নীতি 2020


## শিক্ষা মন্ত্ৰালয়

## ভাৰত চৰকাৰ

| অধ্যায় | বিষয় | পৃষ্ঠা |
|---|---|---|
| | অৱতৰণিকা | 3 |
| | **ভাগ I: বিদ্যালয় শিক্ষা** | |
| 1. | প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা: শিকণৰ ভেটি | 7 |
| 2. | প্ৰাথমিক আখৰজ্ঞান আৰু সংখ্যাজ্ঞানঃ শিকণৰ এক তৎকালীন আৰু পূৰ্বাকাংক্ষিত প্ৰয়োজনীয়তা | 9 |
| 3. | বিদ্যালয় ত্যাগৰ ঘটনা হ্ৰাসকৰণ আৰু সকলো পৰ্যায়তে শিক্ষাৰ সাৰ্বজনীন উপলব্ধকৰণ | 11 |
| 4. | বিদ্যালয়ৰ পাঠ্যক্ৰম আৰু শিক্ষাসুলভতা: শিক্ষাত সামগ্ৰিকতা, সংলগ্নকৰণ, উপভোগ্যতা আৰু সংযোগকৰণ | 12 |
| 5. | শিক্ষক | 22 |
| 6. | সমতা আৰু অন্তৰ্ভুক্তিমূলক শিক্ষা: সকলোৰে বাবে শিক্ষা | 27 |
| 7. | বিদ্যালয় চৌহদত ফলপ্ৰসু সম্পদ আৰু প্ৰভাৱী প্ৰশাসনীয় ব্যৱস্থা | 31 |
| 8. | মানদণ্ড নিৰূপণ আৰু বিদ্যালয় শিক্ষাৰ মূল্যায়ন | 34 |
| | **ভাগ II - উচ্চ শিক্ষা** | |
| 9. | উচ্চ মানদণ্ডৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় : ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাটোৰ বাবে এক নতুন আৰু অভিলাষী ব্যৱস্থা | 36 |
| 10. | প্ৰতিষ্ঠানমূলক পুনৰগঠন আৰু সমন্বয় | 38 |
| 11. | এক সংহত আৰু বহুমুখী শিক্ষাৰ দিশত | 40 |
| 12. | শিক্ষাৰ্থীৰ বাবে শিকণৰ অনুকুল পৰিৱেশ আৰু সমৰ্থন | 42 |
| 13. | অনুপ্ৰাণিত, সামৰ্থ্যবান আৰু সক্ষম শিক্ষক | 45 |
| 14. | উচ্চ শিক্ষাৰ সমতা আৰু অন্তৰ্ভুক্তি | 46 |
| 15. | শিক্ষক শিক্ষা | 47 |
| 16. | বৃত্তিগত শিক্ষাৰ পুনৰ্ধাৰণা | 49 |

| | | |
|---|---|---|
| 17. | এটা ৰাষ্ট্ৰীয় গৱেষণা ন্যাসৰ জৰিয়তে সকলো ক্ষেত্ৰতে গুণগত মানৰ বিদ্যায়তনিক গৱেষণাৰ বাবে উৎসাহ বৃদ্ধি | 50 |
| 18. | উচ্চ শিক্ষা পৰিচালনা পদ্ধতিৰ পৰিৱৰ্তন | 52 |
| 19. | উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ফলপ্ৰসু প্ৰশাসন আৰু নেতৃত্ব | 54 |
| **ভাগ III - অন্যান্য গুৰুত্বপূৰ্ণ ক্ষেত্ৰ** | | |
| 20. | বৃত্তিমুখী শিক্ষা | 55 |
| 21. | প্ৰাপ্তবয়স্ক শিক্ষা আৰু জীৱনজোৰা শিকণ | 57 |
| 22. | ভাষা, কলা আৰু সংস্কৃতিৰ বিকাশমূলক পৰিকল্পনা | 59 |
| 23. | প্ৰযুক্তিৰ ব্যৱহাৰ আৰু একত্ৰীকৰণ | 62 |
| 24. | অনলাইন আৰু ডিজিটেল শিক্ষা: প্ৰযুক্তিৰ কাৰ্যকৰী প্ৰয়োগৰ নিশ্চিতি | 65 |
| **ভাগ IV – ইয়াৰ ৰূপায়ণ** | | |
| 25. | কেন্দ্ৰীয় উপদেষ্টা পৰিষদৰ সৱলীকৰণ | 67 |
| 26. | পুঁজিৰ বিনিয়োগ: সকলোৰে বাবে গুণগত আৰু সহজলভ্য শিক্ষা | 67 |
| 27. | ৰূপায়ণ | 69 |
| | প্ৰয়োগ হোৱা সংক্ষিপ্ত শব্দৰূপৰ তালিকা | 70 |

## অৱতৰণিকা

মানৱ সমাজৰ সম্ভাৱনীয়তা, সামাজিক ন্যায়নিষ্ঠতা আৰু ৰাষ্ট্ৰীয় বিকাশক পৰিপূৰ্ণ ৰূপত আগবঢ়াই নিয়াটোৱেই হ'ল প্ৰকৃত শিক্ষা। মানসম্পন্ন, সাৰ্বজনীন শিক্ষাপ্ৰদান কাৰ্যই ভাৰতীয় শিক্ষা ব্যৱস্থাক আধাৰ প্ৰদান কৰিব আৰু অৰ্থনৈতিক বিকাশ, সামাজিক ন্যায় আৰু সমতা, বৈজ্ঞানিক অগ্ৰসৰতা, ৰাষ্ট্ৰীয় সংহতি আৰু সাংস্কৃতিক সংৰক্ষণৰ কাৰ্যব্যৱস্থাই ভাৰতবৰ্ষক বিশ্বৰ নেতৃস্থানত অধিষ্ঠিত কৰিব। উচ্চ মানসম্পন্ন সাৰ্বজনীন শিক্ষা ব্যৱস্থা আৰু ব্যক্তি, সমাজ, ৰাষ্ট্ৰ আৰু বিশ্বৰ বিকাশৰ বাবে উন্নত মেধাযুক্ত সমল বৃদ্ধিকৰণেই আমাৰ দেশ আগবাঢ়ি যোৱাৰ মূলমন্ত্ৰ। অহা দশকত ভাৰতবৰ্ষ বিশ্বৰ ভিতৰতে যুৱশক্তিৰ উপলব্ধতাৰ দিশৰ পৰা প্ৰথম দেশ হিচাপে পৰিগণিত হ'ব আৰু আমাৰ দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিব এই যুৱশক্তিক প্ৰদান কৰা শিক্ষাৰ ওপৰত।

বিশ্বৰ শিক্ষা বিকাশৰ কাৰ্যসূচীয়ে 2030 চনৰ ভিতৰত সকলো আৰ্থ-সামাজিকভাৱে পিছপৰা লোক (SDG4)ৰ বিকাশৰ লক্ষ্য (Goal 4) ধাৰ্য কৰিছে। 2030 চনৰ ভিতৰত সকলোৰে বাবে স্থায়ী, ব্যাপক আৰু ন্যায়সংগত মানসম্পন্ন শিক্ষা প্ৰদান আৰু জীৱনজোৰা শিক্ষাৰ সুবিধা প্ৰদানৰ কাৰ্যসূচী ভাৰতবৰ্ষই 2015 চনতেই গ্ৰহণ কৰিছে। এনে এক মহান লক্ষ্যত উপনীত হ'বলৈ আৰু শিকণকাৰ্যক উৎসাহিত কৰিবলৈ হ'লে আমাৰ বৰ্তমানৰ সমগ্ৰ শিক্ষা ব্যৱস্থাৰে পুনৰগঠনৰ প্ৰয়োজন। এই কাৰ্য সম্পন্ন হ'লেহে আৰ্থ-সামাজিকভাৱে পিছপৰা লোক (SDG4)ৰ বিকাশৰ লক্ষ্য (Goal 4) ধাৰ্য কৰা কাৰ্যসূচীত উল্লিখিত স্থায়ী বিকাশ সম্ভৱ হৈ উঠিব।

বিশ্বৰ জ্ঞান অন্বেষণৰ দৃশ্যপট ক্ষীপ্ৰ গতিৰে পৰিৱৰ্তন হ'বলৈ ধৰিছে। বিজ্ঞান আৰু প্ৰযুক্তিৰ নাটকীয় বিকাশ, যেনে, তথ্যভাণ্ডাৰৰ বিস্তাৰণ, যান্ত্ৰিক শিকণ আৰু কৃত্ৰিম বোধৰ বিকাশে ভালেমান প্ৰশিক্ষণৰ প্ৰয়োজন নোহোৱা কৰ্মক্ষেত্ৰৰ কাৰ্য যান্ত্ৰিকভাৱে সম্পাদন কৰাটো সম্ভৱ কৰি তুলিছে। এইবাবে বিজ্ঞান, সমাজবিজ্ঞান আদি কলা বিষয়তো বিশেষভাৱে গণিতবিদ্যা, কম্পিউটাৰ বিজ্ঞান, তথ্যবিজ্ঞান আদি ভিন ভিন ক্ষেত্ৰত দখল থকা সুপ্ৰশিক্ষিত লোকৰ প্ৰয়োজন হৈছে। জলবায়ুৰ পৰিৱৰ্তন, বৰ্ধিত প্ৰদূষণ, প্ৰাকৃতিক সম্পদৰ দুৰ্ব্যৱহাৰৰ ফলত হোৱা পৰিৱৰ্তনৰ বাবে আমি বিশ্বৰ শক্তি, জল, খাদ্য, অনাময় আদি ব্যৱস্থাৰ প্ৰয়োজনীয়তাক পুৰণ কৰিবলৈ আমাক বিশেষকৈ জীৱবিদ্যা, ৰসায়নবিদ্যা, পদাৰ্থবিদ্যা, কৃষিবিজ্ঞান, জলবায়ু বিজ্ঞান আৰু সমাজবিদ্যাৰ জ্ঞানেৰে পৰিপুষ্ট নতুন ধৰণৰ দক্ষ শ্ৰমিকৰ প্ৰয়োজন। ক্ৰমাগতভাৱে বৃদ্ধি পোৱা মহামাৰী তথা অতিমাৰীৰ পৰিপ্ৰেক্ষিতত সংক্ৰমক ৰোগ নিৰাময়কৰণ আৰু প্ৰতিষেধকৰ বিকাশ আৰু বিভিন্ন সামাজিক বিষয়ত গুৰুত্ব প্ৰদানৰ বাবে বহু বিষয়ৰ শিকণৰ জৰিয়তে সহযোগিতাৰে কৰা গৱেষণা কাৰ্যৰ আহ্বান কৰা হৈছে। এখন উন্নত দেশ হিচাপে আৰু অৰ্থনৈতিক দিশত শীৰ্ষৰ তিনিখন দেশৰ মাজৰ এখন দেশ ৰূপে স্বীকৃতি লাভ কৰিবলৈ সমাজবিদ্যা আৰু কলা বিষয়ৰ প্ৰয়োজনীয়তা উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে।

প্ৰকৃততে ক্ষীপ্ৰগতিৰে সলনি হোৱা নিযুক্তিৰ দৃশ্যপট আৰু বিশ্ব পৰিৱেশৰ জটিল ক্ষেত্ৰখনত কেৱল শিকণকাৰ্য সম্পন্ন কৰাটোৱেই নহয়, শিশুসকলে কেনেকৈ শিকিব লাগে তাক শিকাটোহে অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। সেইবাবে বৰ্তমানৰ পৰিৱৰ্তনমুখী সমাজত কম বিষয়বস্তুৰ জৰিয়তে কেনেকৈ চিন্তাশক্তিৰ বিকাশ ঘটাব পাৰি আৰু বিশ্লেষণাত্মক দৃষ্টিভংগীৰে সমস্যাৰ সমাধান কৰিব পাৰি, কেনেধৰণে সৃষ্টিশীলতা আৰু বহুবিষয়ক শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াৰ বিকাশ ঘটাব পাৰি, উদ্ভাৱনী শক্তিৰ বিকাশ ঘটাব পাৰি সেই দিশতহে শিক্ষা ব্যৱস্থাই গতি কৰিব লাগে। শিক্ষাদান শৈলী অধিক অভিজ্ঞতামূলক, সামগ্ৰিক, সংহতিপূৰ্ণ, কৌতুহলোদ্দীপক, আৱিষ্কাৰ বিষয়ক, শিক্ষাৰ্থীমুখী, আলোচনাধৰ্মী আৰু শিথিল আৰু নিশ্চিতভাৱে আমোদজনক কৰি তোলা প্ৰয়োজন। পাঠ্যক্ৰমত প্ৰাথমিক কলা, হস্তশিল্প, মানৱীয় প্ৰমূল্য, খেল-ধেমালি, শাৰীৰিক যোগ্যতা, ভাষা, সাহিত্য, সংস্কৃতি আৰু প্ৰমূল্য সংযুক্ত হোৱাতো অতি প্ৰয়োজন আৰু ইয়াৰ লগতে, শিক্ষাৰ্থীৰ সৰ্বাংগীন বিকাশৰ বাবে বিজ্ঞান আৰু গণিত বিষয়কো সংযুক্ত কৰিব লাগে আৰু শিক্ষাক অধিক ব্যৱহাৰযোগ্য, চাৰিওদিশ সামৰিব পৰা আৰু শিক্ষাৰ্থীক সম্পূৰ্ণ কৰি তুলিব লাগে। শিক্ষাই নিশ্চিতভাৱে চৰিত্ৰ গঠন কৰিব লাগে, যাতে শিক্ষাৰ্থীসকল ন্যায়পৰায়ণ, বিৱেকবান, দয়ালু আৰু সহমৰ্মী হৈ উঠে, একে সময়তে তেওঁলোকে যাতে নিজকে কৰ্মক্ষেত্ৰৰ বাবে উপযুক্ত কৰি তুলিব পাৰে তাৰ প্ৰতিও লক্ষ্য ৰখা উচিত।

শিশুৰ প্ৰাৰম্ভিক অৱস্থাৰ পৰিচৰ্যাৰ পৰা উচ্চ শিক্ষালৈকে বৰ্তমানৰ ব্যৱস্থাত থকা পাৰ্থক্যসমূহ নোহোৱা কৰিবৰ বাবে আৰু উচ্চতম মানদণ্ড, সমতা আৰু সংহতি ৰক্ষা কৰিবলৈ প্ৰচলিত ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ সংস্কাৰ সাধন কৰাৰ প্ৰয়োজন।

সকলো পৰ্যায়ৰ আৰ্থ-সামাজিক অৱস্থাৰ পৰা অহা শিক্ষাৰ্থীৰ বাবে উচ্চ মানসম্পন্ন শিক্ষা প্ৰদানৰ জৰিয়তে 2040 চনলৈ ভাৰতীয় শিক্ষা ব্যৱস্থাক অদ্বিতীয় ৰূপত প্ৰতিষ্ঠা কৰাৰ লক্ষ্য হাতত ল'ব লাগিব।

ৰাষ্ট্ৰীয় শিক্ষানীতি হ'ল একবিংশ শতিকাৰ প্ৰথম নীতি যিখনে আমাৰ দেশৰ বহুতো বিকাশশীল ক্ষেত্ৰক স্পৰ্শ কৰাৰ লক্ষ্য ৰাখিছে। ভাৰতীয় পৰম্পৰাগত প্ৰমূল্যক গঢ় দিয়া আৰু নতুন ব্যৱস্থাৰ সৃষ্টি কৰাৰ অৰ্থে এই নীতিত সকলো দিশৰে, যেনে, প্ৰশাসনীয় ব্যৱস্থাৰ লগতে শিক্ষা প্ৰণালীৰ পৰিচালনা আৰু গঠন, পুনৰীক্ষণ আৰু শুধৰণি কৰি একবিংশ শতিকাৰ (SDG4) অভিলাষী লক্ষ্য গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতিত প্ৰতিগৰাকী ব্যক্তিৰে সৃজনশীল শক্তিৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। যেনে, শিক্ষাক কেৱল বোধ শক্তি বিকাশ, সাক্ষৰতা আৰু সংখ্যা গণনা আৰু উচ্চ পৰ্যায়ৰ বোধশক্তিৰ বিকাশৰ দ্বাৰা বিশ্লেষণাত্মক চিন্তা আৰু সমস্যা সমাধান কৰিব পৰা শক্তিৰ বিকাশৰ আহিলা স্বৰূপেই নহয়, সামাজিক, নৈতিক আৰু আবেগিক আৰু শৃংখলাবদ্ধতা সৃষ্টিকো এই শিক্ষানীতিৰ মূল আদৰ্শ ৰূপে গ্ৰহণ কৰা হৈছে।

ভাৰতবৰ্ষৰ প্ৰাচীন উন্নত জ্ঞানৰ ঐতিহ্যই হৈছে এই নীতিৰ পথ প্ৰদৰ্শক। জ্ঞান, প্ৰজ্ঞা আৰু সত্য আহৰণক ভাৰতীয় চিন্তা আৰু দৰ্শনে সদায় মানৱ জীৱনৰ উচ্চতম লক্ষ্য হিচাপে গ্ৰহণ কৰি আহিছে। প্ৰাচীন ভাৰতবৰ্ষত শিক্ষাৰ উদ্দেশ্য কেৱল জ্ঞান আহৰণ আৰু বিশ্বত মানুহ জীয়াই থকাৰ প্ৰস্তুতি বা বিদ্যালয়ৰ চাৰিবেৰৰ বাহিৰৰ জীৱনটো বুলিয়েই ধৰা হোৱা নাছিল, বৰং জ্ঞানে মানুহৰ পৰিপূৰ্ণ আত্মমুক্তিৰ ধাৰণাকহে প্ৰতিফলিত কৰিছিল। তক্ষশীলা, নালন্দা, বল্লৱী আদি বিশ্বমানৰ প্ৰাচীন শিক্ষানুষ্ঠানত উচ্চতম পৰ্যায়ৰ বহুবিষয়ক শিক্ষা প্ৰদানৰ ব্যৱস্থাৰ লগতে সমাজৰ বিভিন্ন পটভূমিৰ ক্ষেত্ৰত গৱেষণাৰ বাবে বিভিন্ন দেশৰ গৱেষকক শিক্ষা প্ৰদান কৰা হৈছিল। ভাৰতীয় শিক্ষা ব্যৱস্থাই চৰক, শুশ্ৰুত, আৰ্যভট্ট, বৰাহমিহিৰ, ভাস্কৰাচাৰ্য, ব্ৰহ্মগুপ্ত, চাণক্য, চক্ৰপাণি, দত্ত, মাধৱ, পাণিনি, পতঞ্জলি, নাগাৰ্জুন, গৌতম, পিংগল, শংকৰদেৱ, মৈত্ৰেয়ী, গাৰ্গী, তিৰুভল্লুৱাৰ আদিৰ দৰে মহান পণ্ডিতৰ সৃষ্টি কৰিছিল। আৰু বহুতো এনে মহান ব্যক্তিৰ ভিতৰত বহু পণ্ডিতে গণিতবিদ্যা, জ্যোতিৰ্বিদ্যা, ধাতুবিদ্যা, চিকিৎসাবিদ্যা আৰু শল্য-চিকিৎসা, অসামৰিক অভিযন্তা, স্থাপত্য, নৌজাহাজ নিৰ্মাণ আৰু পৰিচালন, যোগ, কলাবিদ্যা, দবা আদি বিভিন্ন ক্ষেত্ৰত প্ৰভূত অৰিহণা আগবঢ়াই গৈছে। উত্তৰাধিকাৰ সূত্ৰে পোৱা বিশ্ব ঐতিহ্যৰ অংশস্বৰূপ এই সম্পদসমূহ প্ৰদৰ্শনৰ বাবে কেৱল পৰিচৰ্যা আৰু সংৰক্ষণ কৰাটোৱেই একমাত্ৰ উদ্দেশ্য নহয়, শিক্ষা ব্যৱস্থাৰ মাধ্যমেদি এইসমূহৰ বিষয়ে প্ৰচুৰ গৱেষণা, বিকাশ সাধন, আৰু নতুন ধৰণে প্ৰয়োগৰ প্ৰয়োজন।

শিক্ষকসকলেই শিক্ষা ব্যৱস্থাৰ প্ৰাথমিক সংশোধনৰ মুখ্য কাৰক হোৱা প্ৰয়োজন। নতুন শিক্ষানীতিয়ে সকলো পৰ্যায়তে শিক্ষক সমাজক পুনৰ-প্ৰতিষ্ঠা কৰি সমাজত অতি প্ৰয়োজনীয় আৰু সন্মানজনক মৰ্যাদা প্ৰদান কৰিব, কাৰণ তেওঁলোকেই প্ৰকৃতাৰ্থত উত্তৰসুৰী নাগৰিক নিৰ্মাণ কৰিব। ইয়াৰ বাবে শিক্ষক সমাজক শক্তিশালী কৰি তেওঁলোকে যাতে নিজৰ দায়িত্ব যথা সম্ভৱ সুচাৰুৰূপে আৰু সফলতাৰে সম্পন্ন কৰিব পাৰে তাক নিশ্চিত কৰা অতি প্ৰয়োজন। শিক্ষক সমাজৰ জীৱন-প্ৰণালী, সন্মান, মৰ্যাদা, স্বায়ত্বতা নিশ্চিত কৰাৰ বাবে নতুন শিক্ষানীতিয়ে সকলো স্তৰৰে শিক্ষাবৃত্তিৰ বাবে যাতে আটাইতকৈ উপযুক্ত মেধাবী লোকৰ আগমন ঘটে তাৰ ব্যৱস্থা কৰিব আৰু ই শিক্ষাৰ মান নিয়ন্ত্ৰণৰ প্ৰাথমিক পদ্ধতি আৰু উপযুক্ততা নিৰ্ণয় কৰিব। নতুন শিক্ষানীতিয়ে বাসস্থান নিৰ্বিশেষে ঐতিহাসিকভাৱে প্ৰান্তীয়, উপেক্ষিত, প্ৰতিনিধিত্বহীন শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীক মানসম্পন্ন শৈক্ষিক সুবিধা প্ৰদান কৰিব। শিক্ষাই হ'ল উৎকৃষ্ট সমৰূপতা প্ৰদানকাৰী আৰু আৰ্থ-সামাজিক সমবিতৰণ ব্যৱস্থা, সংযোজক, সমতা স্থাপনৰ বাবে উৎকৃষ্ট মাধ্যম। এই প্ৰকাৰৰ সকলো শ্ৰেণীৰ লোকে পৰম্পৰাগতভাৱে পাই অহা অসুবিধাবোৰৰ বিপৰীতে সকলো স্তৰৰ লোকক এই শ্ৰেষ্ঠ শিক্ষা ব্যৱস্থাই বিভিন্ন সুনিৰ্দিষ্ট সুবিধা প্ৰদান কৰাটো নিশ্চিত কৰিব।

এই উপাদানবোৰে ৰাষ্ট্ৰৰ উন্নত বিবিধতা আৰু সাংস্কৃতিক বৈচিত্ৰ ৰক্ষাৰ বাবে সকলো প্ৰকাৰৰ স্থানীয় আৰু সামগ্ৰিক প্ৰয়োজনীয়তা পুৰণৰ ব্যৱস্থা কৰিব। ভাৰতীয় জ্ঞান আৰু বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু প্ৰযুক্তিগত প্ৰয়োজনীয়তা পুৰণ কৰিবলৈ, ইয়াৰ সৰ্বোৎকৃষ্ট কলা, ভাষা আৰু জ্ঞানৰ পৰম্পৰা আৰু ভাৰতবৰ্ষৰ যুৱশক্তিৰ শক্তিশালী মূল্যবোধ সঞ্চাৰণ কৰি ৰাষ্ট্ৰসত্বাৰ প্ৰতি গৌৰৱবোধ সৃষ্টি, আত্মবিশ্বাস বৃদ্ধি, আত্মবোধৰ বিকাশ, সহযোগিতাৰ মনোভাব আৰু সংহতি সৃষ্টি কৰাটোৱেই অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

## পূৰ্বকৃত নীতি

পূৰ্বৰ শিক্ষানীতি ৰূপায়ণৰ প্ৰধান গুৰুত্বপূৰ্ণ দিশ আছিল প্ৰৱেশকৰণ আৰু সমদৰ্শিতা। 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ অসম্পূৰ্ণ কাৰ্যসূচীসমূহ 1992 চনত পৰিৱৰ্তন কৰি (ৰাষ্ট্ৰীয় শিক্ষানীতি 1986/92) উপযুক্তভাৱে এই নীতিত অন্তৰ্ভুক্ত কৰা হৈছে। শেহতীয়া 1986/92ৰ নীতিৰ পৰৱৰ্তী কালৰ এক উল্লেখযোগ্য পদক্ষেপ হ'ল বিনামূলীয়া আৰু বাধ্যতামূলক শিশু শিক্ষা আইন - 2009, যি সাৰ্বজনীন প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ বাবে আইনী আধাৰ প্ৰদান কৰিছে।

## এই নীতিৰ মূল তত্ত্ব

শিক্ষা ব্যৱস্থাৰ প্ৰধান উদ্দেশ্যই হ'ল, যুক্তিসন্মত চিন্তা আৰু কাৰ্য কৰিব পৰা, দয়াপৰায়ণ আৰু সমমৰ্মীতা থকা, সাহসী আৰু উদ্যমী, বৈজ্ঞানিক মানসিকতা থকা, ন্যায়পৰায়ণতা আৰু মূল্যবোধ সম্পন্ন সৃষ্টিশীল কল্পনাশক্তিৰে পৰিপূৰ্ণ সৎ ব্যক্তিৰ বিকাশ সাধন কৰা। আমাৰ সংবিধানত উল্লেখ থকাৰ দৰে ইয়াৰ লক্ষ্যই হ'ল কৰ্মৰত, উৎপাদনক্ষম আৰু অৰিহণা যোগাব পৰা ব্যক্তিৰ দ্বাৰা সমদৰ্শী, সকলো দিশকে সামৰিব পৰা এখন সমাজ নিৰ্মাণ কৰা।

এখন উৎকৃষ্ট শিক্ষানুষ্ঠানৰ অৰ্থ হ'ল এনে এক স্থান, য'ত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ প্ৰতি আহ্লাদ আৰু আন্তৰিকতা থকা বুলি, নিজকে নিৰাপদ বুলি আৰু উৎসাহ-উদ্দীপনাৰে ভৰা শিকণৰ পৰিৱেশ এটা লাভ কৰে বুলি অনুভৱ কৰে আৰু যি স্থান বিশাল পৰিসৰযুক্ত শিক্ষা প্ৰদান, সকলো প্ৰকাৰৰ সুব্যৱস্থা আৰু শিক্ষণ সমল সকলোৰে বাবে পৰ্যাপ্ত হয়। এই ধৰণৰ মানসম্পন্ন ব্যৱস্থাৰ সৃষ্টি কৰাটো সকলো শিক্ষানুষ্ঠানৰ লক্ষ্য হোৱা উচিত। তত্ৰাচ, একে সময়তে শিক্ষাৰ সকলো স্তৰৰ মাজত আৰু সকলো শিক্ষানুষ্ঠানৰ মাজত সংহতি আৰু সহযোগিতা থকাও অতীৱ প্ৰয়োজন।

সামগ্ৰিকভাৱে শিক্ষা ব্যৱস্থা আৰু স্বতন্ত্ৰ শিক্ষানুষ্ঠানসমূহত তলত উল্লেখ কৰা প্ৰাথমিক আদৰ্শসমূহ থকাতো প্ৰয়োজন -

- শিক্ষক সমাজৰ লগতে অভিভাৱকৰ সচেতনতা জগাই তুলি **প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰে স্বকীয় গুণসমূহৰ স্বীকৃতি-প্ৰদান, চিনাক্তকৰণ** আৰু স্বকীয় যোগ্যতাত উৎসাহ যোগাই বিদ্যায়তনিক আৰু অনাবিদ্যাতনিক ক্ষেত্ৰসমূহত ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ সাধন;
- তৃতীয় শ্ৰেণীলৈকে **প্ৰাথমিক সাক্ষৰতা আৰু সংখ্যাজ্ঞান** আহৰণ কৰাত আটাইতকৈ বেছি গুৰুত্ব প্ৰদান;
- ছাত্ৰ-ছাত্ৰীসকলৰ স্বকীয় পাৰদৰ্শিতা অনুসৰি শিক্ষাৰ্থীয়ে তেওঁলোকৰ শিক্ষণ পাঠ্যক্ৰম আৰু পথৰ বাছনি কৰি জীৱনৰ বাটত অগ্ৰসৰ হোৱাৰ বাবে **শিথিলতা প্ৰদান;**
- ক্ষতিকাৰক স্তৰ নোহোৱা কৰিবলৈ আৰু বিভিন্ন শিকণ বিষয়ৰ মাজত সমাযোজন সম্ভৱ কৰিবলৈ কলা আৰু বিজ্ঞান শাখা, পাঠ্যক্ৰম আৰু পাঠ্যক্ৰম বহিৰ্ভূত বিষয়, বৃত্তিমুখী আৰু বিদ্যায়তনিক শাখাৰ মাজত কোনো ধৰণৰ **স্পষ্ট বিভাজন নাথাকিব;**
- বহুধাবিভক্ত বিশ্বত জ্ঞানৰ সংহতি আৰু সম্পৰ্ক স্থাপন নিশ্চিত কৰাৰ বাবে প্ৰাকৃতিক বিজ্ঞান, সমাজ বিজ্ঞান, কলা, মানৱবিদ্যা আৰু খেল আদি **ভিন্ন বিষয়যুক্ত** আৰু **সামগ্ৰিক শিক্ষা** প্ৰদান;
- পৰীক্ষাৰ বাবে শিক্ষাগ্ৰহণ আৰু মুখস্থবিদ্যাৰ বিপৰীতে **ধাৰণা আধাৰিত বোধশক্তিৰ বিকাশত গুৰুত্ব প্ৰদান;**
- যুক্তিসন্মত সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজনীয় **সৃষ্টিশীলতা আৰু বিশ্লেষণাত্মক চিন্তাৰ বিকাশ** সাধন;
- দয়া, আনৰ প্ৰতি সন্মান, স্বচ্ছতা, সৌজন্যতা, গণতান্ত্ৰিক মনোভাব, সেৱাৰ মনোভাব, ৰাজহুৱা সম্পত্তিৰ প্ৰতি সন্মান, বৈজ্ঞানিক মানসিকতা, স্বাধীন মনোভাৱ, দায়িত্ববোধ, সমূহীয়া মনোভাৱ আৰু ন্যায় আদিৰ দৰে মূল্যবোধ আৰু **মানৱীয়তা আৰু সাংবিধানিক প্ৰমূল্য** সৃষ্টি;
- শিক্ষণ আৰু শিকণত **ভাষাৰ শক্তি আৰু বহুভাষিকতাৰ বিকাশ সাধন;**


- যোগাযোগ, সহযোগিতা, একেলগে কাম কৰাৰ মানসিকতা আৰু ৰঙিয়াল স্বভাৱ আদিৰ দৰে **জীৱন-কেন্দ্ৰিক ব্যৱহাৰিক শিক্ষা** প্ৰদান;
- বৰ্তমানৰ প্ৰশিক্ষণ কেন্দ্ৰবোৰত চলি থকা সংখ্যাগত মান নিৰূপণৰ বিপৰীতে **নিয়মিত গঠনাত্মক মান নিৰূপণ**ৰ ওপৰত গুৰুত্ব প্ৰদান;
- ভাষাগত বাধা নোহোৱা কৰিবলৈ শাৰীৰিকভাৱে বিশেষ ছাত্ৰ-ছাত্ৰী আৰু শৈক্ষিক পৰিকল্পনা আৰু পৰিচালনাৰ বাবে শিক্ষণ-শিকণত **প্ৰযুক্তিৰ বিস্তৃত প্ৰয়োগ;**
- শিক্ষা যে এক সমৱৰ্তী বিষয়, সেয়া মনত ৰাখি সকলো পাঠ্যক্ৰম, শিক্ষণ পদ্ধতি আৰু নীতিৰ ক্ষেত্ৰত **বিভিন্নতা আৰু স্থানীয় বিষয়ৰ প্ৰতি সন্মান প্ৰদৰ্শন;**
- সকলো ছাত্ৰ-ছাত্ৰী যাতে শিক্ষা ব্যৱস্থাত তিষ্ঠি থাকিব পাৰে, তাৰ বাবে শিক্ষা সম্পৰ্কীয় সকলো ধৰণৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত **সম্পূৰ্ণ ন্যায়পৰায়ণতা আৰু সমদৰ্শিতা** প্ৰদৰ্শন;
- শিশুৰ প্ৰাৰম্ভিক পৰিচৰ্যা আৰু বিদ্যালয় শিক্ষাৰ পৰা উচ্চ শিক্ষালৈকে **শিক্ষা ব্যৱস্থাৰ সকলো স্তৰতে পাঠ্যক্ৰমৰ সমধৰ্মিতাৰ বজাই ৰখা**ৰ নিশ্চিতি;
- **শিক্ষক আৰু শিক্ষাগুৰুসকল হ'ল শিক্ষণ পদ্ধতিৰ হৃৎপিণ্ড -** শিক্ষকৰ নিযুক্তি, নিয়মিত বৃত্তিগত বিকাশ, যোগাত্মক কৰ্ম-পৰিৱেশ আৰু চাকৰিৰ অৱস্থাৰ প্ৰতি দৃষ্টি প্ৰদান;
- **কৰ্তৃত্বশীলতা প্ৰদান, ভাল প্ৰশাসন ব্যৱস্থা** আৰু **স্বায়ত্বৰ** মাজেৰে, **উদ্ভাৱনী শক্তি** আৰু বাহিৰা বুদ্ধি প্ৰয়োগৰ প্ৰতি উৎসাহিত কৰাৰ লগতে পৰীক্ষণ আৰু সকলোৰে দৃষ্টিগোচৰ হোৱাকৈ **স্বচ্ছতা, সংহতি, সমল ব্যৱহাৰৰ** উপযুক্ততা বৃদ্ধি কৰি **'প্ৰাণোজ্জ্বল কিন্তু দৃঢ়' শিক্ষা ব্যৱস্থাৰ** প্ৰৱৰ্তন;
- অতি উন্নত মানৰ শিক্ষা ব্যৱস্থা আৰু ইয়াৰ বিকাশৰ বাবে **উচ্চ পৰ্যায়ৰ গৱেষণা কাৰ্য** সমানে প্ৰয়োজনীয়;
- স্থায়ী গৱেষণা কাৰ্যৰ উন্নতি নিয়মিত পুনৰীক্ষণ, শিক্ষা বিশেষজ্ঞৰ দ্বাৰা **নিয়মিত মান নিৰ্ধাৰণৰ ব্যৱস্থা** প্ৰচলন;
- **মূলাধাৰ আৰু ভাৰতবৰ্ষৰ ঐতিহ্যযুক্ত** আৰু সম্পদশালী, বৈচিত্ৰপূৰ্ণ, প্ৰাচীন আৰু আধুনিক সংস্কৃতিৰ জ্ঞান পদ্ধতি আৰু পৰম্পৰা সংপৃক্ত শিক্ষানীতি;
- **শিক্ষা হ'ল জনসাধাৰণৰ সেৱা;** মানসম্পন্ন শিক্ষা লাভ প্ৰতিগৰাকী শিশুৰ প্ৰাথমিক অধিকাৰ হিচাপে গণ্য কৰা উচিত;
- **এক শক্তিশালী, জীৱন্ত ৰাজহুৱা শিক্ষা পদ্ধতিৰ** লগতে ব্যক্তিগত আৰু সমাজৰ অংশগ্ৰহণৰ বাবে উৎসাহ প্ৰদান আৰু সুবিধা প্ৰদান কৰিবলৈ **পৰ্যাপ্ত পৰিমাণ বিনিয়োগকৰণ;**

## নীতিখনৰ ভৱিষ্যত পৰিকল্পনা

ৰাষ্ট্ৰীয় শিক্ষানীতিখনে ভাৰতীয় মূলাধাৰ শিক্ষা ব্যৱস্থাৰ আধাৰত সকলোৰে বাবে উচ্চমানৰ শিক্ষা প্ৰদানৰ দ্বাৰা ভৱিষ্যতৰ ভাৰতক দীৰ্ঘম্যাদী ৰূপত নায্যতাৰে আৰু সমাজৰ স্পন্দনশীল জ্ঞানৰ জৰিয়তে পোনপটীয়া পৰিৱৰ্তনৰ পোষকতা কৰিছে যি ভাৰতবৰ্ষক বিশ্বমানৰ জ্ঞানৰ আধাৰ ৰূপে প্ৰতিষ্ঠা কৰিব। আমাৰ শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিয়ে শিক্ষাৰ্থীসকলৰ মাজত এক ভাৰতবৰ্ষৰ বান্ধোনেৰে মৌলিক কৰ্তব্য আৰু সাংবিধানিক প্ৰমূল্যৰ প্ৰতি গভীৰ অনুভৱ আৰু সন্মানৰ ভাৱ জগাই তুলিব আৰু পৰিৱৰ্তনশীল সমাজত নিজৰ কৰ্তব্য আৰু দায়বদ্ধতাৰ প্ৰতি সজাগ কৰি তুলিব। এই নীতিৰ ভৱিষ্যত পৰিকল্পনা ৰূপে শিক্ষাৰ্থীসকলৰ মাজত এগৰাকী ভাৰতীয় হোৱাৰ বাবে গৌৰৱবোধৰ সৃষ্টি কৰিব। ই কেৱল ভাৱনাতে আৱদ্ধ নেথাকি উৎসাহ, মেধা, আচৰণ, জ্ঞানৰ বিকাশ, দক্ষতা, প্ৰমূল্য আৰু স্পৃহাৰ সৃষ্টিৰ দ্বাৰা মানৱ অধিকাৰৰ প্ৰতি দায়বদ্ধতা, দীৰ্ঘম্যাদী বিকাশ আৰু জীৱন আৰু বিশ্ব চৰাচৰৰ প্ৰতি শুভচিন্তাৰ উন্মেষ ঘটাই এক বিশ্ব নাগৰিকৰ নিৰ্মাণ কৰিব।

# ভাগ I : বিদ্যালয় শিক্ষা

এই নীতিয়ে প্ৰচলিত 10+2 পদ্ধতিৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাই নতুন শিক্ষণ পদ্ধতি আৰু পাঠ্যক্ৰমক 3ৰ পৰা 18 বছৰ বয়সলৈ সামৰি 5+3+3+4 আৰ্হিত তলত দিয়া ধৰণে পুনৰগঠন কৰিছে-




বৰ্তমানে 1ম শ্ৰেণী 6 বছৰ বয়সৰ পৰা আৰম্ভ হোৱাৰ বাবে 3-6 বছৰ বয়সৰ শিশুক 10+2 আৰ্হিয়ে সামৰিব পৰা নাই। নতুন 5+3+3+4 পদ্ধতিত 3 বছৰৰ শিশুকো "প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা"ৰ শক্তিশালী ভেটিত সামৰি লোৱা হৈছে। ইয়াৰ লক্ষ্য হৈছে ভাল সামগ্ৰিক শিকণ, বিকাশ আৰু সুচাৰু ৰূপে উন্নতি সাধন কৰা।

## 1. প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা: শিকণৰ ভেটি

1.1. সামগ্ৰিকভাৱে 85% মগজুৰ বিকাশ 6 বছৰ বয়সৰ পূৰ্বেই সাধন হয়। মানসিক স্বাস্থ্যৰ বিকাশ আৰু শ্ৰীবৃদ্ধিৰ বাবে এই সময়চোৱাত উপযুক্ত পৰিচৰ্যাৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰা প্ৰয়োজন। বৰ্তমানে বিশেষকৈ আৰ্থ-সামাজিকভাৱে পিছপৰা সমাজৰ পৰা অহা কোটি কোটি শিশুৰ বাবে মানসম্পন্ন প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা (ECCE) উপলব্ধ নহয়। শিশুসকলক এনে শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্ত কৰিবলৈ আৰু শিক্ষা ব্যৱস্থাক উজ্জীৱিত কৰি তুলিবলৈ প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাত উপযুক্ত বিনিয়োগ ঘটাব লাগিব। সাৰ্বজনীন মানসম্পন্ন প্ৰাৰম্ভিক শিশুৰ বিকাশ, পৰিচৰ্যা আৰু শিক্ষা প্ৰদানৰ লক্ষ্যত যিমান সম্ভৱ সোনকালে উপনীত হ'ব লাগিব। সকলো ছাত্ৰ-ছাত্ৰীকে সামৰিব পৰাকৈ শিক্ষা প্ৰদানৰ লক্ষ্য 2030 চনৰ পিছলৈ যাব নোৱাৰিব।

1.2. প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা হ'ব আদৰ্শগতভাৱে শিথিল, বহুমুখী, বহুস্তৰীয়, খেল-ধেমালি-কেন্দ্ৰিক, কাৰ্যভিত্তিক আৰু নায়তাৰ ভেটিত গঢ়ি উঠা শিকণ পদ্ধতি। ইয়াত আখৰৰ তুলনা, ভাষা, সংখ্যাজ্ঞান, গণনা, ৰং, আকৃতি, অন্তৰ্ভাগত আৰু বহিৰ্ভাগত খেলা খেল, খেলিমেলিকৈ থকা বস্তু সজোৱা খেল আৰু যুক্তিসংগত চিন্তন, সমস্যা-সমাধান, ছবি অঁকা, আৰু অন্যান্য ভাৰ্চুৱেল কলা, হস্তকলা, নাটক, পুতলানাচ, সংগীত আৰু গতিশীলতাৰ দৰে

বিষয়সমূহ সংযুক্ত কৰা হ'ব। ইয়াৰ সৈতে সামাজিক যোগ্যতা, অনুভূতিশীলতা, ভাল আচৰণ, ভদ্ৰতা, মূল্যবোধ, ব্যক্তিগত আৰু সামাজিক স্বচ্ছতা, সমূহীয়া কৰ্ম, সহযোগিতা আদিও অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ সামগ্ৰিক লক্ষ্য হৈছে শাৰীৰিক আৰু অংগ সঞ্চালনৰ বাবে স্নায়ৱিক বিকাশ, বোধশক্তিৰ বিকাশ, সামাজিক-আনুভূতিক-প্ৰমূল্যৰ বিকাশ, সাংস্কৃতিক, কলাত্মক বিকাশ আৰু যোগাযোগ আৰু প্ৰাৰম্ভিক ভাষা প্ৰয়োগ, অক্ষৰজ্ঞান আৰু সংখ্যাজ্ঞানৰ বিকাশ সাধন।

1.3. NCERTৰ দ্বাৰা দুটা স্তৰত প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ আৰ্হি (NCPFECCE) প্ৰস্তুত কৰি উলিওৱা হ'ব, যেনে, 0-3 বছৰলৈ এটা উপ-আৰ্হি আৰু 3-8 বছৰলৈ আনটো উপ-আৰ্হি ওপৰত উল্লেখ কৰা নিৰ্দেশনাৰ আধাৰত প্ৰস্তুত কৰি উলিওৱা হ'ব। বিশেষকৈ, শিশুৰ পৰিচৰ্যা আৰু শিক্ষাৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত যুগ যুগ ধৰি প্ৰচলিত হৈ অহা পৰম্পৰাগত কলা, সাধুকথা, পদ্য, খেল, গীত আৰু বহুতো বিষয় ইয়াত অন্তৰ্ভুক্ত কৰা হ'ব। এই আৰ্হিয়ে শিক্ষানুষ্ঠানৰ লগতে অভিভাৱকসকলকো বাট দেখুৱাব।

1.4. সমগ্ৰ দেশতে উচ্চ মানসম্পন্ন সাৰ্বজনীন প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ এই ব্যতিক্ৰমী লক্ষ্য পৰ্যায়ক্ৰমে উপলব্ধ কৰা হ'ব। বিশেষকৈ আৰ্থ-সামাজিক ক্ষেত্ৰত পিছপৰা জিলা আৰু অঞ্চলবোৰৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হ'ব। "প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা"ৰ পৰিসৰত স্বতন্ত্ৰভাৱে চলি থকা ক্ষেত্ৰসমূহ, যেনে, (ক) স্বতন্ত্ৰভাৱে চলি থকা অংগনবাড়ী (খ) অংগনবাড়ীৰ সৈতে সংযুক্ত প্ৰাথমিক বিদ্যালয়সমূহ, (গ) বৰ্তমানে চলি থকা প্ৰাথমিক বিদ্যালয়সমূহৰ সৈতে সংযুক্ত 5-6 বছৰলৈ সামৰা প্ৰাক্-প্ৰাথমিক বিদ্যালয়/শাখাসমূহ (ঘ) প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ যিবোৰ স্বতন্ত্ৰ প্ৰাক্–বিদ্যালয় অনুষ্ঠানত কৰ্মী বা শিক্ষক নিযুক্তি দিয়া আছে আৰু পাঠ্যক্ৰম, শিক্ষণপ্ৰণালী চলি আছে সেইবোৰলৈ ইয়াক শক্তিশালীভাৱে সম্প্ৰসাৰিত কৰা হ'ব।

1.5. প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা সাৰ্বজনীনভাৱে উপলব্ধ আৰু শক্তিশালী কৰিবলৈ অংগনবাড়ী কেন্দ্ৰসমূহৰ ব্যৱস্থা উচ্চ মানসম্পন্ন কৰা হ'ব, খেল-ধেমালিৰ সামগ্ৰী যোগান ধৰা হ'ব, উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মী বা শিক্ষকৰ নিযুক্তি দিয়া হ'ব। সকলো অংগনবাড়ী কেন্দ্ৰতে উপযুক্ত নিৰ্গমন ব্যৱস্থা, সুন্দৰ আৰ্হি, শিশু উপযোগী আৰু শিক্ষাৰ উপযুক্ত পৰিৱেশ থকা ভালদৰে নিৰ্মাণ কৰা ঘৰ থাকিব। অংগনবাড়ী কেন্দ্ৰবোৰত ক্ষেত্ৰ-ভ্ৰমণৰ ব্যৱস্থা থাকিব আৰু শিশুসকলে এই অংগনবাড়ীৰ পৰা প্ৰাথমিক স্তৰলৈ যাতে সুন্দৰভাৱে পৰিক্ৰমণ কৰিব পাৰে তাৰ বাবে ওচৰৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক সাক্ষাত কৰাৰ ব্যৱস্থা থাকিব। অংগনবাড়ীসমূহ আৰু সংযোজিত বিদ্যালয় বা বিদ্যালয় ক্ষেত্ৰৰ অনুষ্ঠান পাৰস্পৰিকভাৱে সম্পূৰ্ণ সংযুক্ত হৈ থাকিব।

1.6. ভবা হয় যে, 5 বছৰ বয়সৰ আগতে শিশু একোটাই গ্ৰহণ কৰা "প্ৰস্তুতি শ্ৰেণী" বা "বালভাটিকা"(এইটো প্ৰথম শ্ৰেণীৰ পূৰ্বে) শিক্ষাৰ বাবে প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ যোগ্যতা থকা শিক্ষকৰ প্ৰয়োজন। প্ৰস্তুতি শ্ৰেণীত শিশুৰ বোধশক্তিৰ বিকাশ, কাৰ্যকাৰিতা, আৰু যিকোনো মানসিক-শাৰীৰিক আৰু প্ৰাৰম্ভিক আখৰ জ্ঞান আৰু সংখ্যাজ্ঞান প্ৰদানৰ বাবে শিকণ কাৰ্য খেল-ধেমালি আধাৰিত হোৱা বাঞ্চনীয়। মধ্যাহ্ন-ভোজনৰ ব্যৱস্থাও প্ৰস্তুতি-শ্ৰেণীৰ পৰা প্ৰাথমিক বিদ্যালয়লৈ উন্নীত কৰা প্ৰয়োজন। বৰ্তমানে অংগনবাড়ী পদ্ধতিত স্বাস্থ্য পৰীক্ষা আৰু শাৰীৰিক বৃদ্ধিৰ বাবে যি পৰ্যৱেক্ষণৰ ব্যৱস্থা আছে, তাক প্ৰাথমিক পৰ্যায়তো উপলব্ধ কৰা প্ৰয়োজন।

1.7. অংগনবাড়ী কেন্দ্ৰসমূহৰ প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ বাবে উচ্চ মান সম্পন্ন শিক্ষকৰ প্ৰথমটো গোট প্ৰস্তুত কৰিবলৈ NCERTয়ে প্ৰস্তুত কৰি উলিওৱা পাঠ্যক্ৰম/পাঠ্যক্ৰম পদ্ধতিৰ আধাৰত অংগনবাড়ী কেন্দ্ৰসমূহত বৰ্তমানৰ কৰ্মী তথা শিক্ষকসকলক পদ্ধতিগতভাৱে প্ৰশিক্ষণ প্ৰদান কৰি উপযুক্ত কৰি তোলা হ'ব। উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ বা তাতোধিক শিক্ষাগত অৰ্হতাসম্পন্ন অংগনবাড়ী কৰ্মী তথা শিক্ষকক "প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা"ৰ বাবে 6 মহীয়া প্ৰশিক্ষণ প্ৰদান কৰি প্ৰমাণ পত্ৰ দিয়া হ'ব আৰু যিসকল উচ্চতৰ মাধ্যমিকতকৈ তলৰ অৰ্হতাসম্পন্ন, তেওঁলোকক প্ৰাৰম্ভিক আখৰজ্ঞান, সংখ্যাজ্ঞান আৰু অন্যান্য প্ৰয়োজনীয় দিশসমূহ সামৰি 1 বছৰীয়া ডিপ্লমা পাঠক্ৰমৰ প্ৰশিক্ষণ দিয়া হ'ব। বৰ্তমানে চলি থকা কাৰ্যসূচীত কোনো অসুবিধাৰ সৃষ্টি নোহোৱাকৈ প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা ব্যৱস্থাৰ

অৰ্হতা আহৰণ কৰিবলৈ এই পাঠ্যক্ৰম DTH চেনেল আৰু স্মাৰ্টফোনৰ জৰিয়তে ডিজিটেল/ দূৰসংযোগী পাঠ্যক্ৰম পদ্ধতিৰ দ্বাৰা প্ৰদান কৰা হ'ব। অংগনবাড়ী কৰ্মী তথা শিক্ষকৰ প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা পদ্ধতিৰ বাবে প্ৰদান কৰা প্ৰশিক্ষণ বিদ্যালয় শিক্ষা বিভাগৰ অধীনস্থ ''ক্লাষ্টাৰ ৰিচ'ৰ্চ কেন্দ্ৰ''ৰ দ্বাৰা পৰ্যৱেক্ষণ কৰা হ'ব আৰু নিয়মিত পৰীক্ষণৰ বাবে মাহত অন্ততঃ একোটাকৈ সংযোগী-পাঠদান অনুষ্ঠিত কৰা হ'ব। পৰৱৰ্তী কালত ৰাজ্য চৰকাৰে ''প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা'' ব্যৱস্থাৰ বাবে বিভিন্ন স্তৰ অনুসৰি পেছাদাৰী প্ৰশিক্ষণ, পৰ্যৱেক্ষণ-পদ্ধতি আৰু কৰ্মজীৱন চিনাক্তকৰণ আদিৰ জৰিয়তে, পেছাগতভাৱে অৰ্হতাসম্পন্ন শিক্ষক গোটৰ সৃষ্টি কৰিব। এই শিক্ষণ-গোটৰ প্ৰাৰম্ভিক পেছাদাৰী প্ৰস্তুতি আৰু নিয়মিত পেছাগত বিকাশৰ (Continuous Professional Development - CPD) বাবে প্ৰয়োজনীয় সা-সুবিধাৰ ব্যৱস্থা কৰিব।

1.8. জনগোষ্ঠী অধ্যুষিত এলেকাত প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা ব্যৱস্থাই আশ্ৰমশালা স্থাপন কৰিব আৰু সকলো বিকল্প শিক্ষা পদ্ধতি পৰ্যায়ক্ৰমে সংযোগ কৰিব। আশ্ৰমশালাত প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা ব্যৱস্থা সংযুক্ত আৰু ৰূপায়ণ কৰাৰ প্ৰক্ৰিয়া ওপৰত উল্লেখ কৰাৰ সৈতে সদৃশ হ'ব।

1.9. প্ৰাক্–প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰাথমিক বিদ্যালয়লৈ শিক্ষা ব্যৱস্থা ক্ৰমাগতভাৱে চলাটো নিশ্চিত কৰিবলৈ আৰু শিক্ষাৰ মৌলিক উদ্দেশ্যৰ প্ৰতি দৃষ্টি ৰাখিবলৈ ''প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা''ৰ অধীনত থকা পাঠ্যক্ৰম আৰু শিক্ষণ-পদ্ধতি মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক থাকিব। প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ পৰিকল্পনা আৰু প্ৰয়োগ কাৰ্য মানৱ সম্পদ বিভাগ, মহিলা আৰু শিশু বিকাশ বিভাগ (WCD), স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ (HFW) আৰু জনজাতি পৰিক্ৰমাৰ মন্ত্ৰালয়সমূহৰ যুটীয়া সহযোগত সম্পাদন কৰা হ'ব। নিয়মীয়া সহায়ৰ বাবে আৰু ''প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা''ক বিদ্যালয় শিক্ষাৰ সৈতে সম্পৰ্কিত কৰিবলৈ এটা বিশেষ যুটীয়া ''টাস্ক ফ'ৰ্চ'' গঠন কৰা হ'ব।

## 2. প্ৰাথমিক আখৰজ্ঞান আৰু সংখ্যাজ্ঞানঃ শিকণৰ এক তৎকালীন আৰু পূৰ্বাকাংক্ষিত প্ৰয়োজনীয়তা

2.1. পঢ়া আৰু লিখাৰ সক্ষমতা আৰু সংখ্যাৰ প্ৰাথমিক কাৰ্যৰ জ্ঞানৰ ভৱিষ্যত-স্কুলীয়া শিক্ষা আৰু জীৱনজোৰা শিক্ষাৰ বাবে পূৰ্বাকাংক্ষিত প্ৰয়োজনীয়তা আছে। তথাচ, বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ বিভিন্ন ক্ষেত্ৰ অধ্যয়নৰ ফলাফলে বৰ্তমান শিকণৰ সমস্যাকে প্ৰতিফলিত কৰে: বৰ্তমানে প্ৰাথমিক শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্ত আনুমানিক 5 কোটিতকৈও অধিক বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰে প্ৰাথমিক আখৰজ্ঞান আৰু সংখ্যাজ্ঞান, যেনে, পঢ়া, সাধাৰণ পাঠ বুজা, আৰু ভাৰতীয় সংখ্যাৰ প্ৰাথমিক যোগ-বিয়োগৰ জ্ঞান নাই।

2.2. সকলো শিশুৰ বাবে সংখ্যা আৰু আখৰৰ প্ৰাথমিক জ্ঞান প্ৰদানৰ বাবে ই এক অতি জৰুৰী ৰাষ্ট্ৰীয় মিচন হৈ পৰিছে। ইয়াৰ বিভিন্ন ক্ষেত্ৰত স্পষ্ট লক্ষ্যৰে সৈতে আতি কম দিনৰ ভিতৰতে ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন হৈ পৰিছে। (সকলো ছাত্ৰ-ছাত্ৰীয়েই 3য় স্তৰলৈ প্ৰাথমিক সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ শিক্ষা গ্ৰহণ কৰিব)। 2025 চনৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰাকৈ প্ৰাথমিক বিদ্যালয়ৰ বাবে সাৰ্বজনীনভাৱে প্ৰাথমিক আখৰ আৰু সংখ্যাৰ ধাৰণা আহৰণ কৰিব পৰা কাৰ্যক অতি বেছি গুৰুত্ব প্ৰদান কৰা হৈছে। নীতিখনৰ আনবোৰ বিষয় তেতিয়াহে ফলপ্ৰসু হ'ব, যেতিয়া আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পঢ়া, লিখা আৰু গণনাৰ প্ৰাথমিক জ্ঞান আয়ত্ব কৰিব পাৰিব। অগ্ৰাধিকাৰৰ ভিত্তিত ইয়াৰ শেষলৈকে মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা ''ৰাষ্ট্ৰীয় প্ৰাথমিক আখৰ আৰু সংখ্যাজ্ঞান মিচন'' গঠন কৰা হ'ব। একেদৰে ৰাজ্য/কেন্দ্ৰীয় শাসিত ৰাজ্যৰ চৰকাৰে 2025 চনৰ ভিতৰত সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিবলৈ আৰু ইয়াৰ বিকাশ সুক্ষ্মভাৱে পৰ্যৱেক্ষণ কৰিব পৰাকৈ, প্ৰাথমিক বিদ্যালয়ৰ বাবে সাৰ্বজনীনভাৱে প্ৰয়োগ কৰি প্ৰাৰম্ভিক সাক্ষৰতা আৰু সংখ্যাজ্ঞান, স্তৰ অনুসৰি নিৰ্দিষ্ট কৰা লক্ষ্যত উপনীত হোৱাকৈ অতি সোনকালে এখন প্ৰায়োগিক পৰিকল্পনা প্ৰস্তুত কৰি উলিয়াব।

2.3. প্ৰথমতে, অতি সোনকালে, বিশেষকৈ অনগ্ৰসৰ অঞ্চলসমূহত, শিক্ষকৰ অনুপাতে সংখ্যাধিক ছাত্ৰ-ছাত্ৰী থকা অঞ্চলসমূহ বা অধিক সাক্ষৰতা থকা অঞ্চলসমূত শিক্ষকৰ খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা কৰা হ'ব। স্থানীয় শিক্ষকৰ নিযুক্তি অথবা স্থানীয় ভাষাৰ জ্ঞান থকা শিক্ষকৰ নিযুক্তিত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। ছাত্ৰ-শিক্ষকৰ

অনুপাত 30:1 হোৱাটো নিশ্চিত কৰা হ'ব আৰু আৰ্থ-সামাজিকভাৱে পিছপৰা অঞ্চলসমূহত ই 25:1 হ'ব। প্ৰাথমিক সাক্ষৰতা আৰু সংখ্যাজ্ঞান ফলপ্ৰসুভাৱে প্ৰয়োগ কৰিবলৈ শিক্ষকসকলৰ নিয়মিত প্ৰায়োগিক বিকাশৰ বাবে প্ৰশিক্ষণ, উৎসাহ আৰু সাহায্য প্ৰদান কৰা হ'ব।

2.4. পাঠ্যক্ৰমৰ দিশত, প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা মাধ্যমিক বিদ্যালয় পৰ্যায়লৈ প্ৰাথমিক সাক্ষৰতা আৰু সংখ্যাজ্ঞান, বিশেষকৈ পঠন, লিখন কথন, প্ৰাথমিক হিচাপ-নিকাচ, প্ৰাথমিক গণিত আৰু গাণিতিক চিন্তা আদি দিশত পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ বাবে বিশেষ দৃষ্টি দিয়া হ'ব। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে যাতে ব্যক্তিগত স্তৰতো শিক্ষা গ্ৰহণ কাৰ্য সুকলমে সম্পন্ন কৰিব পাৰে তাৰ বাবে শক্তিশালী আৰু নিৰবিচ্ছিন্নভাৱে ইয়াৰ গঠনগত/গ্ৰহণযোগ্যতা থকা যোগসূত্ৰ আৰু নিৰীক্ষণৰ ব্যৱস্থা কৰা হ'ব। ছাত্ৰ-ছাত্ৰীক উৎসাহ আৰু প্ৰেৰণা যোগাবলৈ প্ৰতিদিনে বিশেষ কালাংশ আৰু প্ৰতি বছৰে নিয়মিতভাৱে বিষয়ৰ সৈতে সম্পৰ্কিত বিভিন্ন কাৰ্যসূচীৰ ব্যৱস্থা কৰা হ'ব। প্ৰাথমিক সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ শিক্ষা পদ্ধতিত বিশেষ গুৰুত্ব প্ৰদানৰ বাবে শিক্ষকৰ শিক্ষা আৰু প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰমৰ আৰ্হি পুনৰ প্ৰস্তুত কৰা হ'ব।

2.5. বৰ্তমানে প্ৰথম শ্ৰেণীৰ শিক্ষা গ্ৰহণৰ বাবে নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীক সাৰ্বজনীনভাৱে প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা ব্যৱস্থাই সামৰি ল'ব নোৱাৰাৰ বাবে বেছিভাগেই প্ৰথম কেইসপ্তাহমানৰ ভিতৰতে পিছ পৰি ৰোৱা দেখা যায়। সেইবাবে, সকলো ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ যোৱাৰ প্ৰস্তুতি নিশ্চিত কৰিবলৈ, 1ম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে তিনিমহীয়া মধ্যকালীন খেল-ধেমালি আধাৰিত ''বিদ্যালয় প্ৰস্তুতি মাপাংক'' নিৰ্ধাৰণ কৰা হ'ব। ইয়াত বিভিন্ন কাৰ্য, আখৰ, ধ্বনি, শব্দ, ৰং, আকাৰ, আৰু সংখ্যা অন্তৰ্ভুক্ত কৰা হ'ব আৰু এই ব্যৱস্থাৰ সৈতে অভিভাৱক আৰু আনুসাংগিক গোটৰ সহযোগত NCERT আৰু SCERTয়ে এই মাপাংক প্ৰস্তুত কৰি উলিয়াব।

2.6. প্ৰাথমিক সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ এটা ৰাষ্ট্ৰীয় সমল-ভাণ্ডাৰ প্ৰস্তুত কৰা হ'ব আৰু ই ডিজিটেল ইনফ্ৰাষ্ট্ৰাক্চাৰ এণ্ড ন'লেজ শ্বেয়াৰিং (চমুকৈ দীক্ষা)ত উপলব্ধ কৰি তোলা হ'ব। এই সমলবোৰ শিক্ষকৰ শিকণৰ আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ আৰু শিক্ষক-ছাত্ৰৰ ভাষিক বাধা আঁতৰাবলৈ প্ৰযুক্তিক যোগসূত্ৰৰ দৰে ব্যৱহাৰ কৰা হ'ব।

2.7. বৰ্তমানৰ শিকণৰ সমস্যাৰ কাৰণে, শিক্ষকসকলৰ সহায়ক হোৱাকৈ সাৰ্বজনীন প্ৰাৰম্ভিক সাক্ষৰতা আৰু সংখ্যাজ্ঞান শিকণৰ সকলো উপযুক্ত পদ্ধতিৰ অনুসন্ধান কৰা হ'ব। প্ৰতিগৰাকী সমকক্ষ ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত শিকণ অতি ফলপ্ৰসু হোৱা বুলি বিশ্বৰ বিভিন্ন অধ্যয়নে প্ৰমাণ কৰিছে। সেইবাবে, সুৰক্ষাৰ দিশটো আগত ৰাখি, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ তত্ত্বাৱধানত এনে সমবৰ্গীয় ছাত্ৰ-ছাত্ৰীৰ বাবে আনন্দদায়ক হোৱাকৈ আৰু স্ব-ইচ্ছাৰে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কৰা এনে শিকণ পদ্ধতি গ্ৰহণ কৰা হ'ব। ইয়াৰ উপৰিও স্থানীয় সমাজ তথা ইয়াৰ বাহিৰৰ প্ৰশিক্ষিত স্বেচ্ছাসেৱকক লৈ বিস্তৃতভাৱে এই মিচন লোৱা হ'ব। সমাজৰ প্ৰতিগৰাকী শিক্ষিত লোকে এগৰাকী ছাত্ৰ বা লোকক পঠন কাৰ্য কেনেদৰে কৰিব লাগে তাক শিকোৱাৰ দায়িত্ব গ্ৰহণ কৰিব পাৰে, এনে কাৰ্যই দেশৰ শিক্ষা ব্যৱস্থাৰ অতি দ্ৰুতভাৱে পৰিৱৰ্তন কৰিব। ৰাজ্যসমূহে এনে সমগোত্ৰীয় শিক্ষণ গোট গঠন কৰিবলৈ কিছুমান আৰ্হি উদ্ভাৱন কৰিব পাৰে আৰু লগতে শিক্ষাৰ্থীৰ সহায়ক হোৱাকৈ প্ৰাৰম্ভিক সাক্ষৰতা আৰু সংখ্যাজ্ঞান শিকণৰ এই ৰাষ্ট্ৰব্যাপী আৰম্ভ কৰা মিচনত অন্য কিছুমান কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

2.8. সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপভোগ্য আৰু অনুপ্ৰেৰণামূলক পাঠ্যপুথি প্ৰস্তুত (প্ৰয়োজন অনুসৰি প্ৰযুক্তিৰ সহায়ত) কৰাৰ লগতে উচ্চ মানসম্পন্ন অনুবাদৰ জৰিয়তে সকলো স্থানীয় ভাষাতে পাঠ্যপুথি প্ৰস্তুত কৰি সেইবোৰ বিদ্যালয় আৰু স্থানীয় পুথিভঁৰালত সহজলভ্য কৰা হ'ব। দেশৰ সকলো স্থানতে কিতাপ পঢ়াৰ সংস্কৃতি গঢ়ি তুলিবলৈ ৰাজহুৱা আৰু বিদ্যালয়ৰ পুথিভঁৰালৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। বিশেষকৈ গ্ৰামাঞ্চলত বিদ্যালয় বহিৰ্ভুত সময়সমূহত ব্যৱহাৰ কৰিব পৰাকৈ বিদ্যালয় পুথিঁভৰাল স্থাপন কৰা হ'ব আৰু বিস্তৃত পুথি অধ্যয়ন সুচল কৰিবলৈ আৰু পৰ্যাপ্ত সুবিধা প্ৰদান কৰিবলৈ পুথি-ক্লাবসমূহক সংযোগ কৰা হ'ব। এখন ৰাষ্ট্ৰীয় পুথি উন্নয়ন নীতি প্ৰস্তুত কৰা হ'ব আৰু ভৌগোলিক, ভাষা, স্তৰ আৰু ক্ষেত্ৰ নিৰ্বিশেষে কিতাপৰ সহজলভ্যতা, গুণগত মান আৰু পঠনযোগ্যতা নিশ্চিত কৰা হ'ব।

2.9. শিশুসকল যেতিয়ালৈকে পুষ্টিহীন আৰু প্ৰতিকুল পৰিৱেশত থাকিব তেতিয়ালৈকে তেওঁলোকে উপযুক্তভাৱে পঢ়া-শুনা কৰিব নোৱাৰিব। সেইবাবে শিশুসকলৰ পুষ্টি আৰু সুস্বাস্থ্যৰ (মানসিক স্বাস্থ্যক সামৰি) বাবে পুষ্টিকৰ খাদ্যৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে বিদ্যালয়ৰ সৈতে উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত সামাজিক কৰ্মী, পৰামৰ্শদাতা আৰু সমাজৰ অন্য লোকক জড়িত কৰা হ'ব। ইয়াৰ উপৰিও বিভিন্ন গৱেষণাত এইটো স্পষ্টকৈ প্ৰকাশ পাইছে যে, বোধশক্তিৰে অধ্যয়ন কৰাৰ বাবে পুৱাৰ আহাৰৰ ব্যৱস্থা বিশেষভাৱে ফলপ্ৰসু আৰু ই শিশুৰ অধ্যয়ন কাৰ্যৰ বাবে অতি গুৰুত্বপূৰ্ণ। সেইবাবে মধ্যাহ্ন ভোজনৰ লগতে সাধাৰণ অথচ পুষ্টিকৰ আহাৰ পুৱাৰ আহাৰ ৰূপে ব্যৱস্থা কৰা হ'ব। য'ত ৰন্ধা আহাৰৰ ব্যৱস্থা কৰিব পৰা নাযায়, তাত বাদাম বা গুৰ মিহলি বুটমাহ অথবা স্থানীয় ফল-মূল যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ব। প্ৰতিগৰাকী শিশুৰে নিয়মিত স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব আৰু সকলো শিশুৰে বিদ্যালয়ত 100% বেমাৰ প্ৰতিৰোধ ক্ষমতা ৰক্ষাৰ দিশটো পৰ্যৱেক্ষণৰ বাবে স্বাস্থ্য-পত্ৰৰ (হেল্থ কাৰ্ড) ব্যৱস্থা কৰা হ'ব।

## 3. বিদ্যালয় ত্যাগৰ ঘটনা হ্ৰাসকৰণ আৰু সকলো পৰ্যায়তে শিক্ষাৰ সাৰ্বজনীন উপলব্ধকৰণ

3.1. বিদ্যালয়ত শিশুৰ নামভৰ্তি আৰু উপস্থিতি নিশ্চিতকৰণ বিদ্যালয় শিক্ষাৰ এটা প্ৰধান লক্ষ্য। সৰ্ব শিক্ষা অভিযান (বৰ্তমান সমগ্ৰ শিক্ষা) আৰু শিক্ষাৰ অধিকাৰ আইনে বিগত কিছু বছৰৰ পৰা ভাৰতীয় শিক্ষা ব্যৱস্থাৰ প্ৰাথমিক শিক্ষাখণ্ডত নামভৰ্তিৰ ক্ষেত্ৰত প্ৰায় সাৰ্বজনীন ৰূপ লাভ কৰাত এক বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তথাপি বিদ্যালয় পদ্ধতিত শিশুসকল টিকি থকাৰ ক্ষেত্ৰত কিছুমান জটিল সমস্যাৰ কথা বিভিন্ন তথ্যত প্ৰকাশ পাইছে। ষষ্ঠৰ পৰা অষ্টম স্তৰলৈ সামগ্ৰিক নামভৰ্তিৰ অনুপাত (GER) 90.9% হোৱাৰ বিপৰীতে, নৱমৰ পৰা একাদশ-দ্বাদশলৈ ইয়াৰ পৰিমাণ আছিল 79.3% আৰু 56.5%, ইয়াৰ পৰা দেখা যায় যে পঞ্চম আৰু বিশেষকৈ অষ্টম শ্ৰেণীৰ পৰা বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা ত্যাগ কৰে। 1917-18 চনত NSSOৰ দ্বাৰা সপ্তম বাৰৰ বাবে ঘৰে ঘৰে কৰা জৰীপত প্ৰকাশ পাইছে যে, 6ৰ পৰা 17 বছৰ বয়সৰ বিদ্যালয় বহিৰ্ভুত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা 3.22 কোটি। 2030 চনৰ ভিতৰত এই সকলো ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ পৰিবেশলৈ ঘূৰাই অনা আৰু বিদ্যালয় ত্যাগ কৰাৰ প্ৰৱণতা ৰোধ কৰি বিদ্যালয়ত 100% নামভৰ্তিৰ লক্ষ্য ধাৰ্য কৰা হৈছে। প্ৰাক্–বিদ্যালয়ৰ পৰা দ্বাদশ পৰ্যায়লৈ, বৃত্তিমূখী শিক্ষাৰ লগতে মানসম্পন্ন সামগ্ৰিক শিক্ষা ব্যৱস্থাৰ জৰিয়তে সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে শিক্ষাগ্ৰহণ কৰিব পাৰে তাৰ বাবে এক সমূহীয়া ৰাষ্ট্ৰীয় প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব।

3.2. বিদ্যালয় ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীক ঘূৰাই আনিবলৈ আৰু বিদ্যালয় ত্যাগৰ প্ৰৱণতা ৰোধ কৰিবলৈ সামগ্ৰিকভাৱে দুটা প্ৰচেষ্টা হাতত লোৱা হ'ব। প্ৰাক্–প্ৰাথমিক স্তৰৰ পৰা দ্বাদশ শ্ৰেণীলৈ সকলো স্তৰতে ছাত্ৰ-ছাত্ৰীয়ে যাতে সুৰক্ষিত আৰু সুসংহত শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে কাৰ্যকৰী আৰু পৰ্যাপ্ত সা-সুবিধাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰিও, প্ৰতিটো স্তৰতে স্থায়ী প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ নিযুক্তি প্ৰদান কৰাৰ লগতে এইটো নিশ্চিত কৰা হ'ব যে, সা-সুবিধাৰ ক্ষেত্ৰত বিদ্যালয়সমূহত কোনো ধৰণৰ পাৰ্থক্য নাথাকে। চৰকাৰী বিদ্যালয়সমূহৰ বিশ্বাসযোগ্যতা আৰু নিৰ্ভৰযোগ্যতা পুনৰুদ্ধাৰ কৰা হ'ব আৰু ইতিমধ্যে স্থাপিত বিদ্যালয়সমূহক উন্নীত আৰু সম্প্ৰসাৰণ কৰা হ'ব, যি অঞ্চলত এনে বিদ্যালয় নাই, তেনে স্থানত অতিৰিক্ত মানসম্পন্ন বিদ্যালয় স্থাপন কৰা হ'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে যাতে সুচলতাৰে মানসম্পন্ন শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰ বাবে সুৰক্ষিত যাতায়ত, ছাত্ৰ-ছাত্ৰীৰ আবাস, বিশেষকৈ ছাত্ৰী-নিবাস স্থাপন কৰা হ'ব। বিভিন্ন কাৰণত শিক্ষা ত্যাগ কৰা আৰু পমুৱা শ্ৰমিকৰ ল'ৰা-ছোৱালীক শিক্ষাৰ সুবিধা নিশ্চিত কৰিবৰ বাবে কিছুমান বিকল্প আৰু উদ্ভাৱনী শিক্ষা কেন্দ্ৰ সাধাৰণ সমাজৰ সৈতে সম্পৰ্ক ৰক্ষাৰ্থে প্ৰতিষ্ঠা কৰা হ'ব।

3.3. দ্বিতীয়তে, বিদ্যালয়সমূহৰ সামগ্ৰিক অংশগ্ৰহণৰ বাবে ছাত্ৰ-ছাত্ৰীৰ যোগসূত্ৰ সাৱধানতাৰে বিচাৰ কৰা হ'ব, একেদৰে তেওঁলোকৰ শিকণ যোগ্যতাৰ স্তৰ সুক্ষ্মভাৱে বিচাৰ কৰা হ'ব আৰু এইখিনি কৰিবলৈ- (ক) তেওঁলোকে বিদ্যালয়ত নামভৰ্তি কৰিব লাগিব আৰু (খ) শিক্ষা ত্যাগ কৰা আৰু শিক্ষাগ্ৰহণত পিছ পৰা ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ পুনৰ ঘূৰি আহিবলৈ উপযুক্ত সুযোগ লাভ কৰিব লাগিব। প্ৰাৰম্ভিক স্তৰৰ পৰা দ্বাদশ অৰ্থাৎ 18 বছৰ বয়সলৈ নায্য আৰু মানসম্পন্ন শিক্ষা দানৰ বাবে উপযুক্ত সা-সুবিধা প্ৰদান কৰিব লাগিব। পৰামৰ্শদাতা আৰু সমাজকৰ্মীক বিদ্যালয়ৰ সৈতে সংযুক্ত কৰা হ'ব আৰু শিক্ষকে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি কাম কৰিব লাগিব আৰু

বিদ্যালয়ত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি আৰু শিকণ নিশ্চিত কৰিবলৈ শিক্ষকসকল সমাজৰ মাজলৈ যাব লাগিব। ৰাজ্য আৰু জিলা পৰ্যায়ত শাৰিৰীকভাৱে বাধাগ্ৰস্ত লোকসকলৰ সৱলীকৰণৰ সৈতে জড়িত সামাজিক অনুষ্ঠান/সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ প্ৰশিক্ষিত আৰু অৰ্হতাসম্পন্ন সমাজকৰ্মীসকলে এই গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰাত সহায় কৰিব পৰাকৈ ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় শাসিত চৰকাৰে হাতত লোৱা বিভিন্ন সৃজনীমূলক ব্যৱস্থাৰ মাধ্যমেৰে সংযুক্ত কৰা হ'ব।

3.4. এবাৰ যদি সা-সুবিধাসমূহ আৰু এই অংশগ্ৰহণ নিশ্চিত হয়, তেতিয়া ছাত্ৰ-ছাত্ৰীৰ মানদণ্ড বজাই ৰখাটোৱেই মূল বিষয় হ'ব, যাৰ বাবে তেওঁলোকে (বিশেষকৈ ছোৱালী আৰু আৰ্থ-সামাজিকভাৱে পিছপৰা গোট) বিদ্যালয়ত উপস্থিত হোৱাৰ আগ্ৰহ নেহেৰুৱাব। যিসমূহ অঞ্চলত শিক্ষা ত্যাগৰ হাৰ উচ্চ, তেনে স্থানত স্থানীয় ভাষা জনা শিক্ষকসকলক বিশেষ সুবিধা প্ৰদান কৰি নিযুক্তি দিয়া পদ্ধতিৰ প্ৰয়োজন। একেদৰে, পাঠ্যক্ৰমৰ এনেদৰে বিভাজন কৰিব লাগে যাতে ই অধিক আকৰ্ষণীয় আৰু ফলপ্ৰসু হয়।

3.5. সকলো ছাত্ৰ-ছাত্ৰীক শিকণৰ সুবিধা প্ৰদান কৰিবলৈ, বিশেষকৈ আৰ্থ-সামাজিকভাৱে পিছপৰা শ্ৰেণীৰ (SEDG) প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰি বিদ্যালয় শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰা হ'ব। ইয়াৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় পদ্ধতিতে বিভিন্ন শিকণ প্ৰণালী অন্তৰ্ভুক্ত কৰা হ'ব। যিসকল যুৱশ্ৰেণীৰ লোকে বিদ্যালয়ত উপস্থিত থাকি আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিব পৰা নাই, সেইসকলৰ বাবে ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় প্ৰতিষ্ঠা কৰি মুক্ত আৰু দূৰশিক্ষা (ODL) উপলব্ধ কৰি তোলা হ'ব। ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় (NIOS) অনুষ্ঠানে পূৰ্বৰ পৰা প্ৰদান কৰি অহা পাঠ্যক্ৰমৰ উপৰিও তলত উল্লেখ কৰা পাঠ্যক্ৰমসমূহ প্ৰদান কৰিব: আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ 3য়, 4ৰ্থ আৰু 8ম স্তৰৰ সমপৰ্যায়ৰ ক, খ আৰু গ পৰ্যায়ৰ পাঠ্যক্ৰম; মাধ্যমিক শিক্ষা প্ৰণালীৰ সমপৰ্যায়ৰ 10ম আৰু 12শ; বৃত্তিগত শিক্ষাৰ পাঠ্যক্ৰম আৰু প্ৰাপ্তবয়স্ক শিক্ষা আৰু জীৱন-বিকাশৰ পাঠ্যক্ৰম। ৰাজ্যসমূহে নতুনকৈ প্ৰতিষ্ঠিত অথবা পূৰ্বপ্ৰতিষ্ঠিত ৰাজ্যিক মুক্ত বিদ্যালয়সমূহ (SIOS) সৱলীকৰণ সম্ভৱ কৰি আঞ্চলিক ভাষাসমূহতো এই শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব।

3.6. স্থানীয় সাংস্কৃতিক ভৌগোলিক আৰু জনসংখ্যামূলক বিভিন্নতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি চৰকাৰী আৰু জনহিতৈষী বেচৰকাৰী অনুষ্ঠানক বিদ্যালয় প্ৰতিষ্ঠাৰ সুবিধা প্ৰদান কৰা হ'ব আৰু বিদ্যালয়ৰ বিকল্প আৰ্হি প্ৰস্তুত কৰাৰ বাবে অনুমোদন দিয়া হ'ব আৰু বিদ্যালয়ৰ প্ৰয়োজনীয়তাক কম বাধাযুক্ত কৰা হ'ব। নিৰেশতকৈ বহিৰ্প্ৰকাশৰ গুণগত মানদণ্ডৰ আধাৰত শিকণৰ ফলশ্ৰুতিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। নিৰেশৰ নীতি-নিৰ্দেশনা নিৰ্দিষ্ট ক্ষেত্ৰত সীমাবদ্ধ হ'ব, এই বিষয়ে 8 নং অধ্যায়ত ব্যাখ্যা আগবঢ়োৱা হৈছে।

3.7. বিদ্যালয়ত শিক্ষা প্ৰদান কৰিব পৰাকৈ সমাজৰ লোক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ স্বেচ্ছামূলকভাৱে বিভিন্ন ক্ষেত্ৰত জড়িত কৰাৰ প্ৰচেষ্টা কৰা হ'ব, যেনে, এজনৰ সৈতে এজনৰ শিক্ষা, সাক্ষৰতাৰ শিক্ষা, অতিৰিক্ত সহায়ৰ বাবে কালাংশ, শিক্ষাবিদৰ বাবে শিক্ষাদানৰ সহায়তা কাৰ্য আৰু পথ প্ৰদৰ্শন কাৰ্য, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনৰ বাবে পথ প্ৰদৰ্শন কাৰ্য আৰু ছাত্ৰ-ছাত্ৰীৰ পৰিচালনা ইত্যাদি। ইয়াৰ বাবে উৎসাহী আৰু উপযুক্ত জ্যেষ্ঠ নাগৰিকৰ সহায়, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ ব্যক্তিক উপযুক্তভাৱে উলিয়াই অনা হ'ব।

## 4. বিদ্যালয়ৰ পাঠ্যক্ৰম আৰু শিক্ষাসুলভতা: শিক্ষাত সামগ্ৰিকতা, সংলগ্নকৰণ, উপভোগ্যতা আৰু সংযোগকৰণ

### বিদ্যালয়ৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ 5+3+3+4 আৰ্হিত পুনৰ্গঠন

4.1. গ্ৰহণযোগ্যতা আৰু বিকাশৰ বাবে উপযুক্ততাৰ প্ৰয়োজনত আৰু বিভিন্ন স্তৰৰ শিক্ষাৰ্থীৰ বিকাশৰ প্ৰতি দৃষ্টি আৰু বয়সৰ সৈতে সংগতি ৰাখি পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ গঠনৰ পৰিসীমা 3-8, 8-11, 11-14 আৰু 14-18, এই ধৰণে কৰা হৈছে। সেইবাবে বিদ্যালয় শিক্ষাৰ পাঠ্যক্ৰম আৰু শিক্ষা পদ্ধতি 5+3+3+4, এই ধৰণে নিৰ্ধাৰণ কৰা হৈছে। প্ৰাৰম্ভিক স্তৰক সংযুক্ত কৰি (দুটা অংশত, যেনে- অংগনবাড়ী/প্ৰাক্-বিদ্যালয়ৰ 3 বছৰ + 1ম আৰু 2য় স্তৰত

থকা প্ৰাথমিক বিদ্যালয়, এই দুয়োটা স্তৰে 3-8 বছৰ বয়সলৈ সামৰিব। প্ৰস্তুতি স্তৰ (3য়-5ম শ্ৰেণী 8-11 বছৰ বয়সলৈ সামৰিব), আৰু মাধ্যমিক স্তৰত (9-12 স্তৰক 14ৰ পৰা 18 বছৰ বয়সলৈ দুটা ভাগত ভাগ কৰা হৈছে, যেনে, প্ৰথমটো 9 আৰু 10ক সামৰি আৰু দ্বিতীয়টো 11 আৰু 12)।

4.2. প্ৰাৰম্ভিক স্তৰত পাঁচ বছৰ ধৰা হৈছে। এই স্তৰৰ শিক্ষা শিথিল, বহুস্তৰীয়, খেল-ধেমালি/কাৰ্য আধাৰিত আৰু ইয়াৰ পাঠ্যক্ৰম আৰু শিক্ষণ প্ৰণালী 1.2. উপ-অধ্যায়ত উল্লেখ কৰা ধৰণে হ'ব। ভিন্ন বিষয়ক শিক্ষাৰ সৈতে মাধ্যমিক স্তৰৰ বিষয় আধাৰিত শিক্ষণ পদ্ধতি আৰু পাঠ্যক্ৰমৰ আধাৰত উচ্চ মাধ্যমিক শিক্ষাই চাৰি বছৰ সামৰি ল'ব। শিক্ষাৰ প্ৰস্তুতি স্তৰ তিনি বছৰীয়া হ'ব। ই খেল-ধেমালি, আৱিষ্কাৰমূলক আৰু কাৰ্যমূখী শিক্ষণ পদ্ধতি আৰু পাঠ্যক্ৰমৰ শৈলী প্ৰাৰম্ভিক স্তৰৰ দৰে হ'ব। ইয়াৰ সৈতে কিছুমান লঘু পাঠ অন্তৰ্ভুক্ত কৰা হ'ব। ইয়াৰ লগতে শিক্ষণ পদ্ধতি অধিক আনুষ্ঠানিক আৰু বিষয়সমূহত অন্তৰ্ভুক্ত জ্ঞানৰ শক্তিশালী ভেটি নিৰ্মাণৰ বাবে পঠন, লিখন, কথন, শাৰীৰিক শিক্ষা, চিত্ৰকলা, ভাষা, বিজ্ঞান আৰু গণিতৰ দৰে বিষয়সমূহ কথোপকথনৰ দ্বাৰা চলাই নিয়া হ'ব। মধ্য স্তৰৰ শিক্ষা তিনি বছৰীয়া হ'ব। ই প্ৰাৰম্ভিক স্তৰৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ দৰেই হ'ব, কিন্তু বিষয় শিক্ষকৰ শিকণ আৰু প্ৰতিটো বিষয়ৰে বিমূৰ্ত ধাৰণা প্ৰদানৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীয়ে যাতে বিজ্ঞান, গণিত, কলা, সমাজ বিজ্ঞান আৰু মানৱ বিজ্ঞানৰ ধাৰণা আয়ত্ব কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি দিয়া হ'ব। বিষয় শিক্ষক অথবা বিশেষ বিষয়ৰ বিপৰীতে ইয়াত প্ৰতিটো বিষয়ৰে সম্পৰীক্ষামূলক শিকণ, বিভিন্ন বিষয়ৰ মাজত থকা সম্পৰ্ক আদিৰ বিষয়ে জ্ঞান প্ৰদানৰ প্ৰতি আগ্ৰহী কৰি তোলাত গুৰুত্ব প্ৰদান কৰা হ'ব। মাধ্যমিক স্তৰ চাৰি বছৰীয়া হ'ব। ইয়াত ভিন্ন বিষয়ৰ অধ্যয়নৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা হ'ব আৰু এই স্তৰত বিষয় সাপেক্ষ শিক্ষণ পদ্ধতি মধ্যস্তৰৰ আৰ্হিত প্ৰস্তুত কৰা হ'ব। কিন্তু ইয়াত বিষয়ৰ অধিক গভীৰলৈ যোৱাৰ লগতে বিশ্লেষণাত্মক চিন্তা, জীৱনবোধৰ প্ৰতি আগ্ৰহ আৰু ছাত্ৰ-ছাত্ৰীৰ বিষয় বাছনিত অধিক শিথিলতা ৰখা হ'ব। প্ৰয়োজন সাপেক্ষে, বিশেষ বিশেষ ছাত্ৰ-ছাত্ৰীৰ বাবে 10 শ্ৰেণীৰ পাছত প্ৰচলিত পদ্ধতিত আগবাঢ়ি যোৱাৰ সুবিধা থাকিব আৰু বিশেষ বিদ্যালয়ৰ লগতে 11-12 স্তৰত থকা বৃত্তিমুখী শিক্ষা আৰু অন্যান্য শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীয়ে পুনৰ এই পদ্ধতিত অন্তৰ্ভুক্ত হ'ব পাৰিব।

4.3. ওপৰত উল্লেখ কৰা স্তৰসমূহ সম্পূৰ্ণৰূপে পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ আধাৰত ছাত্ৰ-ছাত্ৰীৰ বোধশক্তি বিকাশৰ বাবে প্ৰয়োগ কৰা হ'ব। ইয়ে প্ৰতিটো স্তৰৰে শিক্ষণ আৰু শিকণ প্ৰক্ৰিয়াক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্তৰৰ সৈতে ভাৰসাম্য প্ৰদান কৰিব, কিন্তু ইয়াৰ বাবে ব্যৱহাৰিক সাধনসমূহৰ সমান্তৰাল পৰিৱৰ্তনৰ প্ৰয়োজন নহ'ব।

## শিক্ষাৰ্থীৰ বাবে সামগ্ৰিক শিক্ষা

4.4. সকলো স্তৰতে পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ পৰিৱৰ্তন কৰি এই শিক্ষণ পদ্ধতিক গ্ৰহণ কৰাৰ সামগ্ৰিক আৰু গুৰুত্বপূৰ্ণ কাৰণ হ'ল, কেনেকৈ শিকিব লাগে সেইটো শিকা, আৰু বৰ্তমানৰ শিক্ষা ব্যৱস্থাত থকা মুখস্থবিদ্যাৰ দ্বাৰা শিক্ষাগ্ৰহণ পদ্ধতিৰ পৰা আঁতৰত থকা। শিক্ষাৰ লক্ষ্য কেৱল বোধশক্তিৰ বিকাশতেই সীমাবদ্ধ নহয়, ইয়াত চৰিত্ৰৰ গঠন আৰু 21শ শতিকাৰ বাবে সামগ্ৰিক আৰু দক্ষতাযুক্ত পূৰ্ণ বিকশিত ব্যক্তি গঢ়ি তোলাও এই শিক্ষা পদ্ধতিৰ লক্ষ্য। প্ৰকৃতপক্ষে, জ্ঞান হ'ল গভীৰত অৱস্থান কৰা সম্পদ আৰু শিক্ষাই মানুহৰ অভ্যন্তৰত থকা এই গুণৰাশিক অভিব্যক্ত কৰে। এই জটিল লক্ষ্যত উপনীত হ'বলৈ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ সকলোবোৰ দিশ নতুকৈ সজোৱা হ'ব আৰু ইয়াৰ ত্ৰুটি বিচ্যুতিবোৰ আঁতৰোৱা হ'ব। প্ৰাক বিদ্যালয়ৰ পৰা উচ্চ শিক্ষা পৰ্যন্ত প্ৰতিটো স্তৰতে থকা বিভিন্ন ক্ষেত্ৰৰ বিশেষ দক্ষতা আৰু প্ৰমূল্য বিচাৰি উলিয়াই তাক শিক্ষাৰ সৈতে সংযুক্ত আৰু সমাযোজিত কৰা হ'ব। শিক্ষণ আৰু শিকণ পদ্ধতিৰ সংযোগৰ জৰিয়তে এই দক্ষতা আৰু প্ৰমূল্যসমূহ একাত্ম কৰিবলৈ পাঠ্যক্ৰম বিধি আৰু আদান-প্ৰদানৰ পদ্ধতিৰ বিকাশ ঘটোৱা হ'ব। শিশুৰ প্ৰাৰম্ভিক অৱস্থা আৰু বিদ্যালয় শিক্ষাত প্ৰয়োগ কৰিব পৰাকৈ এই দক্ষতাসমূহ NCERTয়ে চিনাক্ত কৰিব আৰু আদান-প্ৰদান পদ্ধতিৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম বিধিত ইয়াক অন্তৰ্ভুক্ত কৰিব।

## অতি প্ৰয়োজনীয় শিকণ আৰু যুক্তিনিষ্ঠ চিন্তাৰ বিকাশৰ বাবে পাঠ্যক্ৰমৰ বিষয় হ্ৰাসকৰণ

4.5. যুক্তিনিষ্ঠ চিন্তা আৰু অধিক সামগ্ৰিক, জিজ্ঞাসা-যুক্ত, আলোচনা আধাৰিত, আৰু বিশ্লেষণ আধাৰিত শিকণৰ সুবিধা উপলব্ধ কৰিবৰ বাবে প্ৰতিটো বিষয়ৰে পাঠৰ পৰিমাণ হ্ৰাস কৰা অতি প্ৰয়োজন। নিৰ্ধাৰিত পাঠসমূহে মুখ্য ধাৰণা, বুদ্ধি, প্ৰয়োগ কৌশল আৰু সমস্যা সমাধান কৰিব পৰা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। শিক্ষণ-শিকণ কাৰ্য অধিক পাৰস্পাৰিক ক্ৰিয়াৰ জৰিয়তে হ'ব, প্ৰশ্ন কৰা কাৰ্যক উৎসাহ যোগোৱা হ'ব, অভিজ্ঞতাধৰ্মী শিকণ পদ্ধতি প্ৰয়োগ কৰিবলৈ শ্ৰেণীসমূহত নিয়মিতভাৱে অধিক ধেমালিপূৰ্ণ, সৃষ্টিশীল, উদ্ভাৱনী কাৰ্যৰ জৰিয়তে প্ৰদান কৰা হ'ব।

## অভিজ্ঞতাসম্ভূত শিকণ

4.6. সকলো স্তৰতে অভিজ্ঞতাসম্ভূত শিকণ পদ্ধতি গ্ৰহণ কৰা হ'ব। ইয়াৰ সৈতে হাতে-কামে কৰা শিক্ষা, কলা সংযোগী শিক্ষা, ক্ৰীড়া সংযোগী শিক্ষা, মানসম্পন্ন শিক্ষা পদ্ধতিৰ দৰে সকলো বিষয়তে বহুতৰ মাজত গল্প কথনৰ পদ্ধতিৰে শিক্ষাদান কাৰ্য ইয়াত অন্তৰ্ভুক্ত হোৱাৰ লগতে বিভিন্ন বিষয়ৰ মাজৰ সম্পৰ্ক দেখুওৱা হ'ব। শিকণৰ ফলশ্ৰুতিৰ সৈতে আহৰণৰ পাৰ্থক্য নোহোৱা কৰিবলৈ শ্ৰেণীকোঠাৰ আদান-প্ৰদান দক্ষতা আধাৰিত শিকণ আৰু শিক্ষালৈ সলনি কৰা হ'ব। পৰীক্ষণ পদ্ধতিক (শিকণৰ ধৰণে, শিকণৰ প্ৰতি, শিকণৰ বাবে) শ্ৰেণীত প্ৰদান কৰা প্ৰতিটো বিষয়ৰে বিষয় ভিত্তিক শিকণ ফলাফলৰ উপযুক্ততা আৰু শৃংখলাবদ্ধতাৰ সৈতে সংযুক্ত কৰা হ'ব।

4.7. কলা-সংযোগ হ'ল একপ্ৰকাৰ পাৰস্পৰিক পাঠ্যক্ৰম পদ্ধতি। ইয়াক বিভিন্ন ধৰণে আৰু ভিন ভিন বিষয়ৰ শিকণৰ সৈতে বিভিন্ন ৰূপত প্ৰয়োগ কৰিব পাৰি। অভিজ্ঞতাসম্ভূত শিকণৰ অংশ হিচাপে কলা-সংযোগী শিক্ষা শ্ৰেণীকোঠাৰ আদান-প্ৰদানত আমোদ দিয়াৰ সৈতেই কেৱল সম্পৰ্কিত কৰা নহয়, বৰঞ্চ ই ভাৰতীয় কলা-সংস্কৃতিৰ মিলনৰ জৰিয়তে ভাৰতীয় আদৰ্শগত বৈশিষ্ট্যক সংৰক্ষণ কৰিব। কলা-সংযোগী শিক্ষা ব্যৱস্থাই শিক্ষা আৰু সংস্কৃতিৰ মাজত যোগসূত্ৰ স্থাপন কৰিব।

4.8. ক্ৰীড়া-সংহতি হ'ল আন এটা ভিন্ন-পাঠক্ৰমধৰ্মী শিক্ষণ পদ্ধতি। এই পদ্ধতিত বিভিন্ন স্থানীয় খেল-ধেমালি সংযোগৰ দ্বাৰা সহযোগিতা, নিজে আগভাগ লোৱা, নিজৰ শৃংখলা, লগে-ভাগে কাম কৰা, দায়িত্ববোধ, নাগৰিকত্ববোধ আদি গুণৰ বিকাশ ঘটে। ক্ৰীড়া-সংযুক্ত শিকণ কাৰ্য শ্ৰেণীকোঠাৰ মাজলৈ আনিব পাৰি। ই ছাত্ৰ-ছাত্ৰীৰ মনত আজীৱন শাৰীৰিকভাৱে সক্ষম হৈ থকাৰ মনোভাব যোগাই তুলিব আৰু আনুসাংগিক দক্ষতাৰ লগতে ''সক্ষম ভাৰত''ৰ আন্দোলনক সফল কৰি তুলিব। ক্ৰীড়াক শিক্ষাৰ সৈতে সংযুক্ত কৰাৰ প্ৰয়োজনীয়তা হ'ল, ই শাৰীৰিক আৰু মানসিক সুস্বাস্থ্যৰ লগতে বোধশক্তিৰ বিকাশতো সহায় কৰি সামগ্ৰিক শিক্ষাৰ ধাৰণাক সফল কৰি তুলিব।

## পাঠ্যক্ৰম বাছনিৰ শিথিলতাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী দায়িত্বশীলতা বৃদ্ধি

4.9. নিজৰ জীৱনৰ বাট নিৰ্মাণ আৰু জীৱনৰ পৰিকল্পনা নিৰ্ধাৰণ কৰিব পৰাকৈ ছাত্ৰ-ছাত্ৰীক সক্ষম কৰি তুলিবলৈ মাধ্যমিক বিদ্যালয়ৰ পৰ্যায়ত, বিশেষকৈ শাৰীৰিক শিক্ষা, কলা আৰু হস্তকলা, আৰু বৃত্তিমুখী দক্ষতা আহৰণ কৰিবলৈ, পাঠ্যক্ৰম বাছনিৰ ক্ষেত্ৰত শিথিলতা প্ৰদান কৰা হ'ব। মাধ্যমিক বিদ্যালয়ৰ শিক্ষাত সামগ্ৰিক বিকাশ আৰু বিষয় বাছনিৰ বিস্তৃতিয়ে এটা নতুন মৰ্যাদা লাভ কৰিব। কলা, মানৱবিদ্যা আৰু বিজ্ঞানৰ মাজত পাঠ্যক্ৰম সম্বন্ধীয় বিষয়, পাঠ্যক্ৰম বহিৰ্ভূত বিষয় আৰু পাঠ্যক্ৰম সহযোগী বিষয় বুলি কোনো বিশেষ বিভাজন নাথাকিব। সেইদৰে বৃত্তিগত আৰু বিদ্যায়তনিক শাখা বুলিও কোনো বিভাজন নেথাকিব। বিজ্ঞান, মানৱ বিদ্যা আৰু গণিতৰ লগতে শাৰীৰিক শিক্ষা, কলা আৰু হস্ত-কলা আৰু বৃত্তিমুখী দক্ষতাকো বিষয় হিচাপে বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব আৰু কোনবোৰ বিষয় কোনটো স্তৰৰ বাবে আকৰ্ষণীয় আৰু সুৰক্ষিত হ'ব তাৰ প্ৰতি লক্ষ্য ৰখা হ'ব।

4.10. বিদ্যালয় শিক্ষাৰ চাৰিওটা স্তৰৰ প্ৰতিটোতে বিভিন্ন ৰাজ্যত সম্ভৱ হোৱাকৈ ষান্মাসিক পদ্ধতিলৈ পৰিৱৰ্তন কৰিব বা কম সময়ৰ মাপাংক (Module) পদ্ধতি গ্ৰহণ কৰিব পাৰে বা অধিক বিষয়ৰ সুবিধা প্ৰদান কৰিবলৈ আৰু শিথিলতা প্ৰদান কৰিবলৈ এদিন এৰি এদিন তেনে পাঠ্যক্ৰমৰ পাঠদান কৰিব পাৰে। ৰাজ্যসমূহে এই শিথিলতা নিশ্চিত কৰিবলৈ

আৰু কলা, বিজ্ঞান, মানৱবিদ্যা, ভাষা, ক্ৰীড়া, আৰু বৃত্তিমূখী বিষয়ৰ এই সুবিস্তৃত সুবিধা প্ৰদানৰ লক্ষ্যত উপনীত হ'বলৈ বিভিন্ন পদ্ধতি উদ্ভাৱন কৰিব পাৰে।

**বহুভাষিকতা আৰু ভাষাৰ শক্তি**

4.11. সকলোৰে অৱগত যে ল'ৰা-ছোৱালীয়ে নিজৰ ঘৰুৱা বা মাতৃভাষাতহে অগতানুগতিক ধাৰণাবোৰ আয়ত্ব কৰিব পাৰে। স্থানীয় সমাজত ঘৰুৱা ভাষাকেই মাতৃভাষা হিচাপে কথিত ৰূপত ব্যৱহাৰ হয়, তথাপি বহুভাষিক পৰিয়ালত পৰিয়ালৰ অন্য সদস্যই ব্যৱহাৰ কৰা ভাষাও ঘৰুৱা ভাষা হিচাপে প্ৰয়োগ হ'ব পাৰে, যিটো মাতৃভাষা বা স্থানীয় ভাষাতকৈ পৃথক হ'ব পাৰে। য'ত সম্ভৱ হয়, কমেও 5ম স্তৰলৈ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে, কিন্তু 8ম স্তৰ আৰু তাৰ ওপৰলৈ ঘৰুৱা ভাষা/মাতৃভাষা/স্থানীয় ভাষা/আঞ্চলিক ভাষাত শিক্ষা প্ৰদান কৰাত অগ্ৰাধিকাৰ দিব লাগে। ইয়াৰ পৰৱৰ্তী স্তৰত সম্ভৱপৰ ঠাইসমূহত ঘৰুৱা/স্থানীয় ভাষাক এটা বিষয় হিচাপে পঢ়োৱাৰ ব্যৱস্থা চলি থাকিব লাগে। এই নিয়ম ব্যক্তিগত আৰু চৰকাৰী উভয় প্ৰকাৰৰ বিদ্যালয়ৰ বাবে প্ৰযোজ্য হ'ব। বিজ্ঞানকে ধৰি উচ্চ মানসম্পন্ন পাঠ্যপুথি সকলো ঘৰুৱা ভাষা/মাতৃভাষাত উপলব্ধ কৰোৱা হ'ব। শিশুৱে কোৱা ভাষা আৰু শিকণৰ ভাষাৰ মাজত থকা সকলো পাৰ্থক্য নোহোৱা কৰাটো নিশ্চিত কৰিবলৈ সকলো প্ৰকাৰৰ প্ৰচেষ্টা সোনকালেই গ্ৰহণ কৰা হ'ব। ঘৰুৱা/মাতৃভাষাত পাঠ্যপুথিৰ অনুপলব্ধতাৰ ক্ষেত্ৰত, যিমান দূৰ সম্ভৱ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ যোগাযোগৰ ভাষা ৰূপে ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা ভাষা ব্যৱহাৰ কৰিব লাগিব। শিক্ষকসকলক দ্বিভাষী শিক্ষণ-শিকণ সমল সংযোগ কৰি দ্বিভাষী পদ্ধতি প্ৰয়োগ কৰাত উৎসাহ যোগোৱা হ'ব। সকলো ছাত্ৰ-ছাত্ৰীকে সকলো ভাষাৰ উচ্চ মানদণ্ডৰ শিক্ষা প্ৰদান কৰা হ'ব। ভাষা এটা শিকাবলৈ বা শিকিবলৈ ই শিক্ষাৰ মাধ্যম নহ'লেও হয়।

4.12. বিভিন্ন গৱেষণা কৰ্মই এইটো স্পষ্টকৈ দেখুৱাইছে যে, শিশুৱে 2ৰ পৰা 8 বছৰ বয়সৰ ভিতৰত ক্ষীপ্ৰতাৰে ভাষা আয়ত্ব কৰিব পাৰে আৰু বহুভাষিকতাই শিশুসকলৰ বোধশক্তিৰ বিকাশত বিশেষভাৱে সহায় কৰে। প্ৰাৰম্ভিক স্তৰৰ পৰা শিশুসকলক বিভিন্ন ভাষাৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব (অৱশ্যে, মাতৃভাষাত বিশেষ গুৰুত্ব দিয়া হ'ব)। সকলো ভাষাই উপভোগ্য আৰু কথোপকথনৰ জৰিয়তে শিকোৱা হ'ব আৰু আৰম্ভণি স্তৰত কিছু পৰিমাণে লিখন কাৰ্যৰ দ্বাৰা, 3য় শ্ৰেণী তথা তাতোকৈ ওপৰৰ স্তৰত ভাষাৰ দক্ষতা বিকাশৰ বাবে প্ৰাৰম্ভিক পঠন আৰু আৰু লিখন কাৰ্য মাতৃভাষাত সম্পাদন কৰা হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ ভাৰতবৰ্ষতে আঞ্চলিক ভাষাৰ বাবে বুজন সংখ্যক ভাষা-শিক্ষকৰ ব্যৱস্থা কৰিব আৰু বিশেষকৈ, ভাৰতীয় সংবিধানৰ স্বীকৃত অষ্টম অনুসূচীত অন্তৰ্ভুক্ত সকলো ভাষাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব। ভাৰতীয় ভাষাৰ অধ্যয়ন প্ৰক্ৰিয়াক উৎসাহ যোগাবলৈ, আৰু ত্ৰিভাষিক সূত্ৰৰ সফল প্ৰয়োগৰ বাবে ৰাজ্য, বিশেষকৈ বিভিন্ন ক্ষেত্ৰৰ ৰাজ্যসমূহে শিক্ষকৰ পাৰস্পৰিক আদান-প্ৰদানৰ বাবে দ্বিপাক্ষিক চুক্তি সম্পাদন কৰিব।

4.13. সাংবিধানিক সুবিধা, জনসাধাৰণৰ আশা-আকাংখ্যা, অঞ্চল তথা ৰাষ্ট্ৰীয় অখণ্ডতা, ৰাষ্ট্ৰীয় সংহতি ৰক্ষা আদিৰ বাবে বহুভাষিকতাৰ বিকাশৰ প্ৰতি দৃষ্টি ৰাখি ত্ৰিভাষিক সুত্ৰৰ প্ৰয়োগ প্ৰক্ৰিয়া চলি থাকিব। তথাপি, ত্ৰিভাষিক সূত্ৰ প্ৰয়োগত যথেষ্ট শিথিলতা থাকিব আৰু কোনো ৰাজ্যতে কোনো ভাষা বলপূৰ্বক জাপি দিয়া নহ'ব। এই তিনিটা ভাষা কি হ'ব, সেইটো ৰাজ্য, ক্ষেত্ৰ আৰু নিশ্চিতভাৱে ছাত্ৰ-ছাত্ৰীয়ে নিৰ্ধাৰণ কৰিব, কিন্তু ইয়াৰ ভিতৰত দুটা ভাৰতীয় ভাষা হ'ব লাগিব। যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে তিনিটা ভাষাৰ কোনো এটা ভাষা সলনি কৰিব বিচাৰে তেন্তে তেওঁ 6ম বা 7ম শ্ৰেণীৰ পৰা ইয়াক গ্ৰহণ কৰিব পাৰিব, মাধ্যমিক স্তৰ সমাপ্ত কৰালৈকে তেওঁলোকে তিনিটা ভাষাৰ (ইয়াৰে এটা ভাৰতীয় ভাষা সাহিত্যৰ পৰ্যায়লৈ) প্ৰাথমিক দক্ষতা আয়ত্ব কৰিব পাৰিব।

4.14. ছাত্ৰ-ছাত্ৰীয়ে যাতে ঘৰুৱা ভাষা/মাতৃভাষা আৰু ইংৰাজী ভাষাত চিন্তা কৰিব আৰু ক'ব পাৰে তাৰ বাবে গণিত আৰু বিজ্ঞান বিষয়ত উচ্চ মানসম্পন্ন দ্বিভাষী পাঠ্যক্ৰম আৰু শিকণ সামগ্ৰী প্ৰস্তুত কৰাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা হাতত লোৱা হ'ব।

4.15. বিশ্বৰ সকলো উন্নত দেশত নিজা ভাষা, সংস্কৃতি আৰু পৰম্পৰাত শিক্ষা গ্ৰহণ কৰা কাৰ্য ক্ষতিকাৰক হোৱা নাই, বৰঞ্চ ই শৈক্ষিক, সামাজিক আৰু প্ৰযুক্তিগত দিশত সহায়ক হোৱাহে দেখা গৈছে। ভাৰতীয় ভাষাসমূহ বিশ্বৰ ভিতৰতে অতি সম্পদশালী, বিজ্ঞানসন্মত, শুৱলা, আৰু অতি প্ৰকাশক্ষম ভাষা। বহু পুৰণি আৰু আধুনিক সাহিত্য (গদ্য আৰু পদ্য উভয়), কথাছবি, সংগীত আদিৰ বিষয়ে তথ্য এই ভাষাসমূহত লিপিবদ্ধ হৈ আছে। ভাৰতীয় ৰাষ্ট্ৰীয় সংহতি আৰু সাংস্কৃতিক বিকাশৰ বাবে সকলো যুৱক-যুৱতীয়ে ৰাষ্ট্ৰৰ সম্পদশালী আৰু ভাষিক সৌন্দৰ্য আৰু তেওঁলোকৰ ভাষাত নিহিত হৈ থকা সাহিত্যিক সমলবোৰৰ বিষয়ে সজাগ আৰু সচেতন হোৱা প্ৰয়োজন।

4.16. সেইবাবে ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ‘‘ভাৰতবৰ্ষৰ ভাষা’’ বিষয়ে আমোদজনক/কাৰ্যভিত্তিক প্ৰকল্প, যেনে, ‘‘এক ভাৰত, শ্ৰেষ্ঠ ভাৰত’’ আদিত যোগদান কৰিব লাগে। এই ধৰণৰ প্ৰকল্প/কাৰ্যৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰধান ভাৰতীয় ভাষাসমূহৰ সাধাৰণ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আৰু আখৰমালা আৰু লিপিৰ বিজ্ঞানসন্মত সজ্জা, সাধাৰণ ব্যাকৰণগত বৈশিষ্ট্য, সংস্কৃত আৰু অন্যান্য ধ্ৰুপদী ভাষাসমূহৰ পৰা ব্যুৎপন্ন শব্দাৱলী আৰু লগতে এই ভাষাসমূহৰ মাজত থকা উল্লেখনীয় একাত্মতাৰ বিষয়ে শিকাৰ লগতে পাৰস্পাৰিক প্ৰভাৱৰ বিষয়েও জানিব পাৰিব। লগতে তেওঁলোকে কোনটো ভৌগোলিক অঞ্চলত কোনটো ভাষা ব্যৱহাৰ হয় সেই সম্পৰ্কে জ্ঞান আহৰণ কৰাৰ লগতে জনগোষ্ঠীয় ভাষাসমূহৰ বৈশিষ্ট্য আৰু গঠন সম্পৰ্কে জানিব পাৰিব। মূল ভাৰতীয় ভাষাবোৰত ব্যৱহাৰ হোৱা সাধাৰণ বাক্য, শব্দগুচ্ছ আৰু বাক্য আদিৰ বিষয়েও তেওঁলোকে শিকিব পাৰিব আৰু (উপযুক্ত অনুবাদৰ জৰিয়তে) প্ৰতিটো ভাষাৰে উন্নত মানসম্পন্ন সাহিত্যৰ বিষয়ে কিছু পৰিমাণে হ’লেও জানিব পাৰিব। এনে ধৰণৰ কাৰ্যই সংহতিৰ ধাৰণাৰ গঢ় দিব আৰু ভাৰতবৰ্ষৰ সুন্দৰ সাংস্কৃতিক ঐতিহ্য আৰু বিভিন্নতাৰ ধাৰণা আনি দিব। ই ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত বসবাস কৰা লোকৰ মাজত যোগসূত্ৰৰ কাম কৰিব।

4.17. ভাৰতীয় ধ্ৰুপদী ভাষা আৰু সাহিত্যৰ গুৰুত্ব, প্ৰয়োজনীয়তা আৰু সৌন্দৰ্যৰ দিশটো উলাই কৰিব নোৱাৰি। ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত সংস্কৃত ভাষাটো এটা গুৰুত্বপূৰ্ণ ভাষা হিচাপে অন্তৰ্ভুক্ত হৈছে। গ্ৰীক আৰু লেটিন ভাষাৰ সাহিত্যক একেলগ কৰিলে কৰিলে পোৱা সমলতকৈও সংস্কৃত সাহিত্যৰ ভঁৰাল অধিক চহকী। ইয়াৰ ভিতৰত বিভিন্ন সময়ত বিভিন্ন ধৰ্মমতৰ লগতে ধৰ্ম-নিৰপেক্ষ তথা সমাজৰ বিভিন্ন স্তৰ আৰু বিভিন্ন ক্ষেত্ৰৰ পণ্ডিতে ৰচনা কৰা গণিতশাস্ত্ৰ, দৰ্শন, ব্যাকৰণ, সংগীত, ৰাজনীতি, ঔষধ, স্থাপত্য, ধাতুবিদ্যা, নাটক, কবিতা, কাহিনীকথন আৰু বহুতো সংস্কৃত সাহিত্যৰ সমল বিদ্যমান (ইয়াক সংস্কৃত জ্ঞান পদ্ধতি হিচাপে জনা যায়)। সেইবাবে ত্ৰিভাষা সূত্ৰ সম্পৰ্কে প্ৰাপ্ত মতামত আৰু ছাত্ৰ-ছাত্ৰীৰ মতৰ আধাৰত বিদ্যালয় আৰু উচ্চ-শিক্ষাৰ সকলো পৰ্যায়তে সংস্কৃত ভাষা প্ৰদান কৰা হ’ব। এই ভাষাটো আকৰ্ষণীয় আৰু ব্যৱহাৰিক তথা সমসাময়িক কালৰ সৈতে মিলাকৈ সংস্কৃত জ্ঞান পদ্ধতিৰ মাজেৰে শিক্ষাদান কৰা হ’ব আৰু বিশেষকৈ ধ্বনিতাত্ত্বিক আৰু উচ্চাৰণ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হ’ব। প্ৰাৰম্ভিক আৰু মধ্য স্তৰত সংস্কৃত পাঠ্যপুথিসমূহ সৰল আৰু মানসম্পন্ন ৰূপত প্ৰস্তুত কৰি সংস্কৃত ভাষাৰ জৰিয়তেই ভাষাটোৰ শিক্ষা প্ৰদান কৰা হ’ব।

4.18. ভাৰতবৰ্ষ অন্য ধ্ৰুপদী ভাষা যেনে, তামিল, তেলুগু, কানাড়া, মালায়ালম আৰু ওড়িয়া সাহিত্যতো চহকী। এই ধ্ৰুপদী ভাষাসমূহৰ লগতে, পালি, পাৰ্চী আৰু প্ৰাকৃত ভাষাত ৰচিত বিভিন্ন সাহিত্যিক সমল সমৃদ্ধতা, আনন্দ আৰু প্ৰকাশৰ বাবে সংৰক্ষণ কৰা অতি প্ৰয়োজন। ভাৰতবৰ্ষ এখন সম্পূৰ্ণ উন্নত দেশ হিচাপে পৰিগণিত হ’বলৈ পৰৱৰ্তী প্ৰজন্মই ভাৰতবৰ্ষৰ এই সুন্দৰ আৰু সুবিশাল ধ্ৰুপদী সাহিত্যৰ প্ৰতি আকৰ্ষিত হ’ব লাগিব। সংস্কৃতৰ লগতে তামিল, তেলুগু, মালায়ালম, কানাড়া, উড়িয়া, পালি, পাৰ্চী আৰু প্ৰাকৃত আদি অন্য ধ্ৰুপদী ভাষা আৰু সাহিত্যৰ সমল বিদ্যালয়ত উপলব্ধ হোৱাৰ লগতে এইসমূহ ব্যৱহাৰিক আৰু উদ্ভাৱনী পদ্ধতিৰে অনলাইন পাঠ্যক্ৰম ৰূপে উপলব্ধ হ’ব লাগিব, আৰু ইয়াৰ ফলত এই ভাষাসমূহ জীৱন্ত আৰু সজীৱ হৈ থাকিব।

4.19. শিশুসকলৰ বিকাশৰ বাবে আৰু এই সম্পদশালী আৰু কলাসন্মত ভাষাসমূহৰ সংৰক্ষণৰ বাবে কম পক্ষেও দুটা ধ্ৰুপদী ভাষা চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে শিকাৰ বাবে, আৰু লগতে এই ভাষাসমূহৰ সাহিত্য ব্যৱহাৰিক পদ্ধতিৰে প্ৰযুক্তিৰ সহায়ত 6-12 স্তৰলৈ অৰ্থাৎ মধ্যম স্তৰৰ পৰা মাধ্যমিক আৰু তাৰ পৰৱৰ্তী পৰ্যায়লৈ শিকাৰ বাবে বিকল্প ব্যৱস্থা থাকিব।

4.20. ছাত্ৰ-ছাত্ৰীসকলৰ নিজা আগ্ৰহত, বিশ্বৰ সংস্কৃতি আৰু বিভিন্ন দিশৰ জ্ঞানলাভৰ বাবে মাধ্যমিক স্তৰত বিভিন্ন ভাৰতীয় ভাষাৰ লগতে, ইংৰাজী, কোৰিয়ান, জাপানী, থাই, ফৰাচী, জাৰ্মান, স্পেনীয়, পৰ্টুগীজ আৰু ৰুছ ভাষা শিকাৰ উন্নত ব্যৱস্থা থাকিব।

4.21. ভাষা-শিক্ষা উদ্ভাৱনী আৰু ব্যৱহাৰিক পদ্ধতিৰ দ্বাৰা সম্পন্ন কৰা হ'ব। ইয়াৰ সৈতে বিভিন্ন সাংস্কৃতিক বিষয়ৰ, যেনে কথাছবি, থিয়েটাৰ, কাহিনীকথন, কবিতা আৰু সংগীতৰ বিভিন্ন "এপ" প্ৰস্তুত কৰা হ'ব আৰু ইয়াৰ সৈতে সম্পৰ্কিত ব্যৱহাৰিক জীৱনৰ অন্যান্য বিষয়ও সংলগ্ন কৰা হ'ব। এইদৰে ভাষাৰ শিকণ এটা ব্যৱহাৰিক পদ্ধতিৰে আগবঢ়াই লৈ যোৱা হ'ব।

4.22. ভাৰতীয় চিহ্ন-ভাষাক (ISL) সমগ্ৰ ভাৰততে মান্যতা প্ৰদান কৰা হ'ব আৰু বধিৰ লোকৰ বাবে মানসম্পন্ন পাঠ্যক্ৰমৰ বিকাশ কৰা হ'ব। সম্ভৱস্থলত, স্থানীয় চিহ্ন-ভাষাক সন্মান সহকাৰে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব।

## অতি প্ৰয়োজনীয় বিষয়, দক্ষতা আৰু যোগ্যতাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তি

4.23. বৰ্তমানৰ ক্ষিপ্ৰ গতিত পৰিৱৰ্তন হোৱা সমাজৰ বাবে উত্তম, সফল, উদ্ভাৱনী শক্তিসম্পন্ন, গ্ৰহণযোগ্য আৰু উৎপাদনশীল ছাত্ৰ-ছাত্ৰী নিৰ্মাণৰ বাবে নিৰ্দিষ্ট বিষয়, দক্ষতা আৰু যোগ্যতাৰ ভিত্তিত তেওঁলোকক বিষয় বাছনিৰ দিশটো শিথিল কৰি সুবিধা প্ৰদান কৰা হ'ব। ভাষাজ্ঞানৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক বৈজ্ঞানিক মানসিকতা, বাস্তৱসম্পন্ন চিন্তা, সৃষ্টিশীলতা, শাৰীৰিক শিক্ষা, সক্ষমতা, সুস্থতা আৰু ক্ৰীড়া, সামূহিকতাৰ মনোভাৱ আৰু দলবদ্ধ কৰ্ম, সমস্যা সমাধান আৰু যুক্তিসন্মত চিন্তা, বৃত্তিমূলক সুবিধা আৰু দক্ষতাৰ বিকাশ, ডিজিটেল সাক্ষৰতা, কোডিং আৰু কম্পিউটাৰমূলক চিন্তা-চৰ্চা, নীতিসিদ্ধতা আৰু নৈতিক বিচাৰ জ্ঞান আৰু মানবীয় আৰু সাংবিধানিক প্ৰমূল্যবোধ, লিংগ স্পৰ্শকাতৰতা, মৌলিক কৰ্তব্য, নাগৰিকত্বৰ দক্ষতা আৰু প্ৰমূল্য, বীজাণুমুক্ততা আৰু স্বাস্থ্য বিধিসন্মততা, ভাৰতবৰ্ষৰ সম্বন্ধে জ্ঞান, পৰিৱেশ সচেতনতা, সাম্প্ৰতিক ঘটনাৱলী আৰু স্থানীয় নাগৰিকে মুখামুখি হোৱা জটিল বিষয়সমূহ, ৰাজ্য আৰু ৰাষ্ট্ৰ আৰু সামগ্ৰিকভাৱে বিশ্বৰ জ্ঞান উপলব্ধ কৰা হ'ব।

4.24. সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিভিন্ন স্তৰত উপযুক্ত হোৱাকৈ প্ৰয়োজনীয় সাম্প্ৰতিক সময়ত প্ৰচলিত বিষয় যেনে কৃত্ৰিম বোধ (Artificial Intelligence), আৰ্হি চিন্তন (Design Thinking) সামগ্ৰিক স্বাস্থ্য, জৈৱিক জীৱন ধাৰণ (Organic Living), পৰিৱেশ সম্বন্ধীয় শিক্ষা, বিশ্ব নাগৰিকত্ব শিক্ষা (Global Citizenship Education - GCED) আদি বিভিন্ন দিশত দক্ষতা বিকাশ কৰিব পৰা শিক্ষাৰ বাবে সুনিৰ্দিষ্ট পাঠ্যক্ৰম প্ৰস্তুত কৰি উলিওৱা হ'ব।

4.25. গণিতবিদ্যা আৰু গাণিতীয় চিন্তা ভাৰতবৰ্ষৰ ভৱিষ্যতৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কৃত্ৰিম বোধ, যান্ত্ৰিক শিকণ আৰু তথ্য বিজ্ঞান আদি বিভিন্ন ক্ষেত্ৰ আৰু বৃত্তিৰ জগতত ভাৰতৰ ভৱিষ্যত আৰু ভাৰতে গ্ৰহণ কৰিবলগীয়া নেতৃত্বৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব। সেইবাবে গণিতবিদ্যা আৰু কম্পিউটাৰমূলক চিন্তাক শিক্ষাৰ প্ৰাথমিক স্তৰৰ পৰা বিদ্যালয় শিক্ষাৰ সকলো স্তৰতে বিশেষ গুৰুত্ব প্ৰদান কৰা হ'ব আৰু বিভিন্ন উদ্ভাৱন-পদ্ধতিৰ সৈতে সংযুক্ত প্ৰহেলিকা-খেল আদিয়ে গণিতমূলক চিন্তাক অধিক উপভোগ্য আৰু আকৰ্ষণীয় কৰি তুলিব। কোডিং কৰা কাৰ্য মধ্যম স্তৰৰ পৰাই সংযুক্ত কৰা হ'ব।

4.26. 6মৰ পৰা 8ম স্তৰলৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে হাতৰ-কামৰ পাঠ্যক্ৰম গ্ৰহণ কৰিব। ই বৃত্তিগত হস্তশিল্প যেনে, কাঠৰ কাম, বিদ্যুৎ বিষয়ৰ কৰ্ম, ধাতু-কৰ্ম, বাগিছা স্থাপন, মাটিৰ পাত্ৰ তৈয়াৰ কাৰ্য আদিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ৰ জ্ঞান আয়ত্ব কৰাত সহায়ক হ'ব। এই বিষয়ত স্থানীয় প্ৰয়োজনীয়তাৰ ভিত্তিত ৰাজ্যসমূহে বা স্থানীয় সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিব। 6মৰ পৰা 8ম স্তৰৰ বাবে NCERTয়ে এক ব্যৱহাৰ-আধাৰিত পাঠ্যক্ৰম প্ৰস্তুত কৰি উলিওৱাৰ লগতে NCFSE, 2020-21ৰ আৰ্হি তৈয়াৰ কৰিব। 6মৰ পৰা 8ম স্তৰলৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে 10 দিন কিতাপ বিহীন কালাংশত উপস্থিত থাকিব। ইয়াত তেওঁলোকে স্থানীয় বৃত্তিমূলক দিশৰ বিশেষজ্ঞ-কৰ্মী যেনে, কাঠমিস্ত্ৰী, বাগিছা স্থাপনত

বিশেষভাৱে অৰ্হতাসম্পন্ন লোক, মাটিৰ পাত্ৰ তৈয়াৰ কৰোঁতা আৰু কলা-কুশলীৰ সৈতে কাম কৰিব। বন্ধৰ দিনসমূহকো সামৰি 6মৰ পৰা 12শ স্তৰলৈকে সমধৰ্মী বৃত্তিগত শিক্ষাৰ পাঠক্ৰম ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা হ'ব। বৃত্তিগত পাঠ্যক্ৰম অনলাইন পদ্ধতিৰ জৰিয়তেও প্ৰদান কৰা হ'ব। গোটেই বছৰটোত বিভিন্ন বিকাশমুখী শিক্ষা, য'ত কলা, কৌশলযুক্ত খেল, ক্ৰীড়া আৰু বৃত্তিগত কাৰ্য সংযুক্ত কিতাপ-বিহীন দিনবোৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগাব। ছাত্ৰ-ছাত্ৰীসকলৰ অভিজ্ঞতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ বাহিৰৰ বিভিন্ন স্থান, ঐতিহাসিক সমল, সাংস্কৃতিক আৰু পৰ্যটন স্থানসমূহলৈ ভ্ৰমণৰ ব্যৱস্থা কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক স্থানীয় শিল্পী, ভাস্কৰ্য শিল্পীৰ সৈতে সম্পৰ্কিত কৰি তোলা হ'ব আৰু ওচৰৰ গাঁও, মৌজা, জিলা, ৰাজ্য স্তৰত থকা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহলৈ লৈ যোৱা হ'ব।

4.27. "ভাৰতীয় জ্ঞান"ৰ সৈতে প্ৰাচীন ভাৰতীয় জ্ঞানভাণ্ডাৰ আৰু আধুনিক ভাৰতলৈ ইয়াৰ অৱদান আৰু সফলতা, প্ৰত্যাহ্বান, আৰু ভাৰতবৰ্ষৰ ভৱিষ্যত আশা-আকাংখ্যাৰ স্পষ্ট ধাৰণাৰ লগতে শিক্ষা, স্বাস্থ্য, পৰিবেশ আদিৰ শিক্ষা প্ৰদান কৰা হ'ব। উপযুক্ততাৰ ভিত্তিত বিদ্যালয় পাঠ্যক্ৰমৰ মাজেৰে এই উপাদানবোৰ সঠিক ৰূপত সংযোগ কৰা হ'ব। বিশেষকৈ জনগোষ্ঠীয় জ্ঞান, খিলঞ্জীয়া আৰু পৰম্পৰাগত শিকণ প্ৰণালীক ভাৰতীয় জ্ঞান পদ্ধতিয়ে সামৰি ল'ব আৰু ইয়াত গণিতবিদ্যা, জ্যোতিৰ্বিদ্যা, দৰ্শন, যোগ, স্থাপত্যকলা, ঔষধ সম্পকীয় বিদ্যা, কৃষি, অভিযান্ত্ৰিক বিদ্যা, ভাষাবিজ্ঞান, সাহিত্য, ক্ৰীড়া, খেল-ধেমালিৰ লগতে প্ৰশাসন, ৰাজনীতি, সংৰক্ষণ আদি দিশবোৰো অন্তৰ্ভুক্ত হ'ব। জনগোষ্ঠীয় নৃ-চিকিৎসাবিদ্যা, বন-পৰিচালনা, পৰম্পৰাগত (জৈৱিক) কৃষি উৎপাদন, প্ৰাকৃতিক কৃষি উৎপাদন, আদি বিশেষ পাঠ্যক্ৰম হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব। ভাৰতীয় জ্ঞান পদ্ধতিৰ এক আকৰ্ষণীয় পাঠ্যক্ৰম মাধ্যমিক স্তৰত ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব। বিভিন্ন পাঠ আৰু বিষয় শিকণৰ বাবে বিদ্যালয়ত স্থানীয় খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। পাঠ্যক্ৰমৰ উপযুক্ত সময়ত প্ৰাচীন আৰু আধুনিক ভাৰত, বিজ্ঞান আৰু অন্য বিষয়ৰ সৈতে সম্পৰ্ক থকা বিভিন্ন ব্যক্তিৰ প্ৰেৰণাদায়ক দিশ সম্বলিত তথ্যচিত্ৰ প্ৰদৰ্শন কৰা হ'ব। সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ৰাজ্য ভ্ৰমণ কৰিবলৈ উদগণি যোগোৱা হ'ব।

4.28. ছাত্ৰ-ছাত্ৰীসকলক কিশোৰ অৱস্থাতে 'কি কাৰ্য কৰাটো শুদ্ধ' সেই সম্পৰ্কে শিক্ষা প্ৰদান কৰা হ'ব আৰু ন্যায়সংগত সিদ্ধান্ত গ্ৰহণৰ বাবে যুক্তিসন্মত আৰ্হি প্ৰদান কৰা হ'ব। পৰৱৰ্তী কালত, ইয়াক ঠগ-প্ৰৱঞ্চনা, উৎপীড়ণ, কুম্ভীলক বৃত্তি আদিৰ পৰা আঁতৰত থাকি, সহনশীলতা, সাম্যভাব, সহমৰ্মিতা আদি গুণৰ বিকাশত গুৰুত্ব প্ৰদান কৰা হ'ব। ইয়াৰ উপৰিও শিশুসকলে যাতে নিজৰ মাজত ন্যায়পৰায়ণতাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিব পৰা গুণৰ বিকাশ ঘটাবলৈ সক্ষম হয়, সেয়া নিশ্চিত কৰি চাৰিত্ৰিক/ন্যায়পৰায়ণতাৰ মূল্যবোধক নিজৰ জীৱনৰ সকলো দিশতে প্ৰয়োগ কৰিবলৈ উৎসাহিত কৰা হ'ব। এইসমূহ ন্যায়সংগত বিষয়ৰ সৈতে পৰম্পৰাগত ভাৰতীয় মূল্যবোধ আৰু সকলো প্ৰাথমিক মানৱীয় আৰু সাংবিধানিক প্ৰমূল্য (যেনে, সেৱা, অহিংসা, স্বচ্ছতা, সত্য, নিষ্কাম কৰ্ম, শান্তি, ত্যাগ, সহনশীলতা, বিভিন্নতা, উপযুক্ত আচৰণ, লিংগ স্পৰ্শকাতৰতা, জ্যেষ্ঠজনৰ প্ৰতি সন্মান, যিকোনো পৰিৱেশৰ পৰা অহা সকলো মানুহৰ প্ৰতি আৰু তেওঁলোকৰ যোগ্যতাৰ প্ৰতি সন্মান প্ৰদৰ্শন, পৰিৱেশৰ প্ৰতি সন্মান প্ৰদৰ্শন, সহায়ৰ মনোভাব, বিনয় গুণ, ধৈৰ্য, ক্ষমা, সহমৰ্মিতা, স্বদেশপ্ৰেম, গণতান্ত্ৰিক দৃষ্টিভংগী, সংহতি, দায়বদ্ধতা, ন্যায়, স্বাধীনতা, সাম্য আৰু ভাতৃত্ববোধ আদি) সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত বিকশিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে ভাৰতীয় পৰম্পৰাত উপলব্ধ পঞ্চতন্ত্ৰ, জাতক, হিতোপদেশ আৰু অন্যান্য আকৰ্ষণীয় আৰু প্ৰেৰণাদায়ক কাহিনী পঢ়াৰ সুবিধা লাভ কৰিব আৰু বিশ্ব সাহিত্যত এইসমূহ প্ৰভাৱ সম্পৰ্কে শিকিব পাৰিব। ভাৰতীয় সংবিধানৰ নিৰ্বাচিত অংশ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰাটো আৱশ্যকীয় ৰূপে গণ্য কৰা হ'ব। প্ৰতিৰোধমূলক স্বাস্থ্য, মানসিক স্বাস্থ্য, উত্তম পুষ্টি, ব্যক্তিগত আৰু ৰাজহুৱা পৰিচ্ছন্নতা, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত কৰিবলগীয়া কাম আৰু প্ৰাথমিক চিকিৎসাকে সামৰি স্বাস্থ্য সম্পৰ্কীয় সাধাৰণ শিক্ষা আৰু লগতে সুৰা, ধঁপাত আৰু অন্য নিচাযুক্ত পদাৰ্থই স্বাস্থ্যৰ ওপৰত পেলাব পৰা নেতিবাচক প্ৰভাৱসমূহৰ বিষয়ে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব।

4.29. ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষাক প্ৰকৃতপক্ষে সমন্বিত, প্ৰাসংগিক, উপযুক্ত, আকৰ্ষণীয় কৰি তুলিবলৈ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰা সকলো পাঠ্যক্ৰম আৰু শিক্ষণ প্ৰণালীক সংস্কৃতি, পৰম্পৰা, ঐতিহ্য, জনবিশ্বাস, ভাষা, দৰ্শন, ভূগোল, প্ৰাচীন আৰু সমসাময়িক জ্ঞান, সামাজিক আৰু বিজ্ঞানসন্মত প্ৰয়োজনীয়তা, খিলঞ্জীয়া আৰু পৰম্পৰাগত শিক্ষণ পদ্ধতিৰ দিশত

ভাৰতীয় আৰু স্থানীয় মূল্যবোধৰ ওপৰত আধাৰিত কৰি নতুনকৈ সজোৱা হ'ব। শিক্ষণৰ বাবে নিৰ্বাচিত গল্প, কলা, খেল, ক্ৰীড়া, উদাহৰণ আদি ভাৰতীয় আৰু স্থানীয় ভৌগলিক পৰিৱেশৰ ওপৰত আধাৰিত হ'ব আৰু এনে শিক্ষাই ধাৰণা, বিমূৰ্ত-ধাৰণা আৰু সৃজনীশীলতা নিশ্চিত কৰিব তুলিব।

## বিদ্যালয় শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পাঠ্যক্ৰম প্ৰণয়ন আৰ্হি (National Curriculum Framework for School Education - NCFSE)

4.30. ৰাষ্ট্ৰীয় শিক্ষানীতি 2020ৰ আধাৰত পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তাৰ ভিত্তিত ৰাজ্য চৰকাৰ, মন্ত্ৰী, কেন্দ্ৰীয় চৰকাৰৰ উপযুক্ত বিভাগ আৰু অন্যান্য বিশেষজ্ঞ সমিতি লগতে বিভিন্ন আনুসাংগিক ক্ষেত্ৰৰ লোকৰ সৈতে কৰা আলোচনা অনুসৰি বিদ্যালয়ৰ বাবে সম্যক ৰূপত প্ৰস্তুত কৰি উলিয়াবলগীয়া ৰাষ্ট্ৰীয় পাঠ্যক্ৰম প্ৰণয়ন আৰ্হি 2020-21 (National Curricular Framework for School Education, NCFSE 2020-21)ৰ দায়িত্ব SCERTয়ে গ্ৰহণ কৰিব। এই পাঠ্যক্ৰম সকলো আঞ্চলিক ভাষাতেই উপলব্ধ হ'ব। মূল পাঠ্যক্ৰমৰ কথা মনত ৰাখি এই NCFSC নথি প্ৰতি 5-10 বছৰত একোবাৰকৈ সংশোধন আৰু উন্নীত কৰা হ'ব।

### ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ সৈতে স্থানীয় বিষয় আৰু উপাদান

4.31. বিদ্যালয় পাঠ্যক্ৰমত সমান্তৰালভাৱে বিষয়ৰ হ্ৰাস কৰা আৰু শিথিলতা অনা হ'ব আৰু মুখস্থবিদ্যাৰ পৰিৱৰ্তে গঠনাত্মক শিক্ষণৰ দিশত গুৰুত্ব প্ৰদান কৰা হ'ব। অতি প্ৰয়োজনীয় প্ৰধান বিষয় (আলোচনা, বিশ্লেষণ, উদাহৰণ আৰু প্ৰয়োগ) ৰাষ্ট্ৰীয় স্তৰৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি অন্তৰ্ভুক্ত কৰা হ'ব, কিন্তু একে সময়তে সুক্ষ্ম বিৱৰণ বহন কৰা আৰু সহায়কাৰী বুলি অনুভৱ কৰা পাঠ্যবস্তু স্থানীয় বিষয় আৰু প্ৰয়োজনীয়তাৰ আধাৰত অন্তৰ্ভুক্ত কৰা হ'ব। য'ত সম্ভৱ হয়, বিদ্যালয় আৰু শিক্ষকেও ৰাষ্ট্ৰীয় আৰু স্থানীয় বিষয় থকা পাঠ্যপুথিৰ মাজৰ পৰা পাঠ্যপুথি পচন্দ কৰিব পাৰিব, যাতে তেওঁলোকে শিক্ষণ পদ্ধতিৰ গভীৰলৈ গৈ শিকণ কাৰ্য কৰিব পাৰে, আৰু যিবিলাক পাঠ্যপুথি ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ বাবে প্ৰয়োজন বুলি অনুভৱ কৰে।

4.32. পাঠ্যপুথিৰ খৰচ যাতে ছাত্ৰ-ছাত্ৰীৰ বাবে বোজা হৈ নপৰে তাৰ বাবে প্ৰকাশ/ছপা খৰচক ধৰি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষণ প্ৰক্ৰিয়াৰ বাবে ইয়াৰ মূল্য ন্যুনতম হিচাপত ধাৰ্য কৰা হ'ব। SCERTৰ সহযোগত NCERTয়ে উচ্চ মানসম্পন্ন পাঠ্যপুথি প্ৰকাশ কৰিব। বিশেষজ্ঞৰ সহায়ত উচ্চ মানসম্পন্ন অতিৰিক্ত পুথি প্ৰণয়ন কৰিবলৈ চৰকাৰী-জনহিতৈষী অনুষ্ঠানসমূহৰ মাজত সহযোগিতাৰ সৃষ্টি কৰা হ'ব আৰু এই পাঠ্যপুথিসমূহ যাতে নুন্যতম খৰচত প্ৰস্তুত কৰা হয় তাৰ প্ৰতি দৃষ্টি ৰখা হ'ব। ৰাজ্য চৰকাৰে ৰাজ্যৰ উপাদান সম্বলিত প্ৰয়োজনীয় পাঠ আৰু নিজা পাঠ্যক্ৰম প্ৰস্তুত কৰি উলিয়াব (যিমানদূৰ সম্ভৱ NCERTৰ আধাৰত)। এই কাম কৰোঁতে এটা দিশ মনত ৰাখিব লাগিব যে NCERTৰ পাঠ্যক্ৰম ৰাষ্ট্ৰীয়ভাৱে গ্ৰহণযোগ্য হ'ব। উচ্চ মানসম্পন্ন শিকণৰ বাবে সকলো আঞ্চলিক ভাষাতে তেনে পাঠ্যপুথি উপলব্ধ কৰাৰ দিশত অগ্ৰাধিকাৰ দিয়া হ'ব। সঠিক সময়ত বিদ্যালয়ত পাঠ্যপুথি উপলব্ধ কৰিবলৈ সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব। বোজা লাঘৱৰ বাবে আৰু পৰিৱেশ সংৰক্ষণৰ ওপৰত দৃষ্টি ৰাখি সকলো পাঠ্যপুথি ডাউনলোড কৰিব পৰাকৈ সকলো ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় শাসিত চৰকাৰ আৰু NCERTয়ে উপলব্ধ কৰি তুলিব।

4.33. পাঠ্যকৰ্ম আৰু শিক্ষণ পদ্ধতিৰ উপযুক্ত পৰিৱৰ্তনৰ যোগেদি বিদ্যালয়ৰ কিতাপৰ বোজা পাতল কৰিবলৈ NCERT আৰু SCERTয়ে ব্যৱহাৰিক পদক্ষেপ গ্ৰহণ কৰিব।

### ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ পৰীক্ষণ পদ্ধতিৰ পৰিৱৰ্তন

4.34. বৰ্তমানৰ বিদ্যালয়ৰ পৰীক্ষা পদ্ধতিত সংখ্যাগত আৰু মুখস্থবিদ্যাৰ দ্বাৰা প্ৰাথমিক পৰীক্ষণকাৰ্য চলাৰ পৰিৱৰ্তে, নিয়মিত সৃজনমূলক হ'ব। ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ বাবে ই অধিক যোগ্যতাভিত্তিক হোৱাৰ লগতে পৰীক্ষাসমূহ উচ্চ পৰ্যায়ৰ দক্ষতা প্ৰকাশক, যেনে, বিশ্লেষণ, জটিল চিন্তন আৰু ধাৰণাগত স্পষ্টতা থকা হ'ব লাগিব। পৰীক্ষা পদ্ধতিৰ প্ৰাথমিক

উদ্দেশ্য শিকণ হোৱা উচিত। ই ছাত্ৰ-ছাত্ৰীসকলক বিশেষভাৱে সহায় কৰিব আৰু নিয়মিত পুণৰাবৃত্তিৰে ছাত্ৰ-ছাত্ৰীসকলৰ শিকণ পদ্ধতিৰ বিকাশৰ ঘটোৱা হ'ব। ইয়ে সকলো স্তৰৰে পৰীক্ষা পদ্ধতিৰ অন্তৰ্নিহিত আদৰ্শ হ'ব।

4.35. ছাত্ৰ-ছাত্ৰীসকলৰ জৰিয়তে অভিভাৱকক দিয়া প্ৰগতি-পত্ৰৰ আৰ্হি ৰাজ্য চৰকাৰ/কেন্দ্ৰীয় শাসিত চৰকাৰে ৰাষ্ট্ৰীয় পৰীক্ষণ কেন্দ্ৰ (National Assessment Centre - NAC) NCERT আৰু SCERTৰ তত্বাৱধানত পুনৰপ্ৰস্তুত কৰিব। প্ৰগতি-পত্ৰ সামগ্ৰিক, 360°, বিবিধ বিষয়ক সামৰি লোৱা হ'ব লাগিব, যাতে ই বিস্তৃত প্ৰগতিৰ দিশ প্ৰতিফলিত কৰাৰ লগতে প্ৰতিগৰাকী শিক্ষাৰ্থীৰে বোধাত্মক, কাৰ্যক্ষমতাসূচক আৰু মানসিক-শাৰীৰিক স্বকীয় বৈশিষ্ট্য প্ৰকাশক হ'ব লাগিব। শিক্ষকৰ মূল্যাংকনৰ উপৰিও স্ব-মূল্যাংকন, লগৰীয়া ছাত্ৰ-ছাত্ৰীৰ মূল্যাকংন, শিকণ, জটিল খেলৰ সমাধান, গুৰুত্বপূৰ্ণ কাৰ্যত অংশগ্ৰহণ, সমূহীয়া কাম, মৰ্যাদা আদি প্ৰকল্পভিত্তিক প্ৰগতিৰ আধাৰত মূল্যাংকন কৰা হ'ব। সামগ্ৰিক প্ৰগতিপত্ৰই বিদ্যালয় আৰু ঘৰৰ সৈতে উল্লেখযোগ্য সংযোগ স্থাপন কৰিব আৰু শিক্ষা পদ্ধতিত অভিভাৱকৰ কৰ্মৰ সৈতে বিদ্যালয়ৰ সম্পৰ্ক ঘটিব আৰু ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক শিক্ষাত অৰিহণা যোগাব। এই প্ৰগতি-পত্ৰই শিক্ষক আৰু অভিভাৱকক বিভিন্ন বিষয়ে জ্ঞান দিব আৰু ই শ্ৰেণীকোঠাৰ বাহিৰত ছাত্ৰ-ছাত্ৰীক কেনেধৰণে সহায় কৰিব লাগে সেই বিষয়ে অৱগত কৰাব। কৃত্ৰিম বোধ চক্টৱেৰৰ বিকাশ সাধন কৰিব পৰা যাব। এইবোৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰি বিদ্যালয়ত তেওঁলোকৰ শিকণৰ তথ্য, অভিভাৱক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে যোগাযোগমূলক প্ৰশ্নসূচীৰ জৰিয়তে বিকাশৰ গতি নিৰ্ণয় কৰিব পৰা যাব। এই কাৰ্য ছাত্ৰ-ছাত্ৰীসকলৰ যোগ্যতা, ভালপোৱা বিষয়, তেওঁলোকে প্ৰকাশ কৰা বিষয় আদিৰ তথ্য যোগান ধৰি ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰিব পৰা যাব।

4.36. বৰ্তমানৰ মাধ্যমিক স্তৰৰ শিক্ষা সংসদৰ পৰীক্ষা, প্ৰৱেশ পৰীক্ষাই প্ৰশিক্ষণ কেন্দ্ৰ কিছুমানৰ সৃষ্টি কৰাৰ দ্বাৰা প্ৰকৃত শিক্ষাৰ বাবে মূল্যবান সময় নষ্ট কৰি পৰীক্ষাৰ প্ৰস্তুতিৰ আৰু প্ৰশিক্ষণৰ নামত মাধ্যমিক স্তৰৰ ছাত্ৰ ছাত্ৰীৰ যথেষ্ট ক্ষতি কৰিছে। এনে পৰীক্ষাই ছাত্ৰ-ছাত্ৰীক ভাৱিষ্যতৰ শিক্ষা পদ্ধতিত অতি গুৰুত্বপূৰ্ণ বুলি বিৱেচিত শিথিলতাপূৰ্ণ আৰু নিজে বিষয় বাছনি কৰাৰ সুবিধাৰ পৰিৱৰ্তে এটা নিৰ্দিষ্ট আৰু অতি ঠেক গণ্ডীৰ বিষয়ৰ মাজত শিক্ষা লাভ কৰিবলৈ বাধ্য কৰে।

4.37. 10ম আৰু 12শ স্তৰৰ শিক্ষা সংসদৰ পৰীক্ষা চলি থাকিব। প্ৰশিক্ষণ শ্ৰেণীসমূহ নোহোৱা কৰিবলৈ শিক্ষা সংসদৰ পৰীক্ষা আৰু প্ৰৱেশ পৰীক্ষাৰ পদ্ধতি সলনি কৰা হ'ব। বৰ্তমানৰ মূল্যাংকন পদ্ধতিৰ ক্ষতিকাৰক ফলাফলসমূহ দূৰ কৰিবলৈ শিক্ষা-সংসদৰ পৰীক্ষাবোৰৰ আৰ্হি সামগ্ৰিক বিকাশৰ বাবে পুনৰপ্ৰস্তুত কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পচন্দৰ ভিত্তিত বিভিন্ন বিষয় লৈ শিক্ষা-সংসদৰ পৰীক্ষা দিব পাৰিব। শিক্ষা-সংসদৰ পৰীক্ষাবোৰ 'সহজ' হ'ব। ইয়াৰ অৰ্থ হ'ল, তেওঁলোকে মাহ মাহ ধৰি প্ৰশিক্ষণ লোৱাতকৈ তেওঁলোকৰ প্ৰাথমিক আৰু প্ৰধান যোগ্যতাসমূহ পৰীক্ষা কৰা হ'ব। বিদ্যালয়ৰ শ্ৰেণীসমূহত প্ৰাথমিক প্ৰচেষ্টা চলোৱা যিকোনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ব পাৰিব আৰু শিক্ষা-সংসদৰ পৰীক্ষাত অতিৰিক্ত বিষয়ত ভাল ফল দেখুৱাব পাৰিব। শিক্ষা-সংসদৰ 'উচ্চ-স্তৰ'ৰ পৰীক্ষা আঁতৰোৱা হ'ব। যদি বিচাৰে, সকলো ছাত্ৰ-ছাত্ৰীয়ে এটা বছৰত দুটা সময়ত পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব, তাৰে এটা মূল পৰীক্ষা হোৱাৰ বিপৰীতে আৰু আনটো তেওঁলোকৰ নিজা উন্নতিৰ বাবে হ'ব।

4.38. অধিক শিথিলতা, ছাত্ৰ-ছাত্ৰীৰ পচন্দৰ আৰু দুটা-প্ৰচেষ্টাৰ উত্তম পদ্ধতি আৰম্ভ কৰাৰ লগতে সকলো শিক্ষা-সংসদৰ পৰীক্ষা পদ্ধতিৰ প্ৰাথমিক পৰিৱৰ্তন সাধন কৰা হ'ব। পাঠ্যক্ৰমৰ হেঁচা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰভাৱ হ্ৰাস কৰাৰ বাবে শিক্ষা-সংসদে তেওঁলোকৰ পৰীক্ষা পদ্ধতিৰ বাবে উপযুক্ত আৰ্হি প্ৰস্তুত কৰিব। ইয়াৰ সম্ভাৱনীয় কিছুমান হ'ল: বাৰ্ষিক/ষান্মাসিক/গুণাত্মক অংশত ভাগ কৰা শিক্ষা-সংসদৰ পৰীক্ষা কম বস্তুনিষ্ঠ কৰি মাধ্যমিক পৰ্যায়ত প্ৰথম স্তৰ শেষ হোৱাৰ লগে লগে পৰৱৰ্তী পাঠ্যক্ৰম আৰম্ভ কৰিব পাৰি, যাতে ই পৰীক্ষাৰ হেঁচা সমানে বিতৰণ কৰিব আৰু চাপ কমোৱাৰ লগতে উচ্চ-স্তৰৰ পৰীক্ষাৰ চাপ কমাব; গণিত বিষয়কে আৰম্ভ কৰি সকলো বিষয়ৰ মূল্যাংকন দুটা স্তৰত কৰিব পাৰি; এটা স্তৰত সাধাৰণ স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যাংকন আৰু এটা উচ্চ স্তৰৰ মূল্যাংকন আৰু নিৰ্দিষ্ট বিষয়ৰ শিক্ষা সংসদৰ পৰীক্ষা দুটা অংশত পঞ্জীয়ন কৰিব পাৰি- এটা অংশ বহু পচন্দযুক্ত বস্তুনিষ্ঠ প্ৰশ্ন আৰু আনটো বৰ্ণনাত্মক প্ৰকাৰৰ।

4.39. ওপৰত উল্লেখ কৰা অনুসৰি শিক্ষকসকলে বিভিন্ন স্তৰ, যেনে, SCERT মূল্যাংকন বোৰ্ড, প্ৰস্তাৱিত নতুন ৰাষ্ট্ৰীয় মূল্যাংকন কেন্দ্ৰ আদিৰ সৈতে আলোচনা কৰি NCFSE 2020-21ৰ সৈতে সংযোগ কৰিবলৈ NCERTয়ে নতুন নিৰ্দেশাৱলী 2022-23 চনৰ ভিতৰত প্ৰস্তুত কৰি উলিয়াব।

4.40. কেৱল 10ম আৰু 12শ স্তৰৰ সমাপ্তিৰ ক্ষেত্ৰতেই নহয়, ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক, অধ্যক্ষ, আৰু সমগ্ৰ বিদ্যালয় ব্যৱস্থাৰ বিকাশৰ পৰিকল্পনা আৰু শিক্ষণ-শিকণৰ বিকাশৰ বাবে শিক্ষা পৰিক্ৰমাৰ প্ৰগতিৰ গতিবিধিৰ খতিয়ান ৰাখিবলৈ 3য়, 5ম আৰু 8ম স্তৰৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে উপযুক্ত কৰ্তৃপক্ষই পৰীক্ষা ল'ব পাৰিব। মুখস্থ বিদ্যাৰ পৰিৱৰ্তে পৰীক্ষাসমূহত প্ৰাথমিক শিকণৰ ফলাফল প্ৰধান ধাৰণা আৰু জ্ঞানৰ আধাৰত ৰাষ্ট্ৰীয় আৰু স্থানীয় পাঠ্যক্ৰমৰ ভিত্তিত বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পৰাকৈ উচ্চ পৰ্যায়ৰ দক্ষতা আৰু জ্ঞানৰ ব্যৱহাৰিক প্ৰয়োগৰ আধাৰত মূল্যাকন কৰা হ'ব। 3য় স্তৰৰ পৰীক্ষা বিশেষকৈ প্ৰাথমিক সাক্ষৰতা, সংখ্যাজ্ঞান আৰু আন আন প্ৰাথমিক দক্ষতাৰ ভিত্তিত লোৱা হ'ব। বিদ্যালয় পৰীক্ষা পদ্ধতিৰ ফলাফল বিদ্যালয় শিক্ষাৰ বিকাশৰ বাবে প্ৰয়োগ কৰা হ'ব। ইয়াৰ সৈতে বিদ্যালয়ৰ প্ৰতি সমাজৰ মনোভাৱ, ছাত্ৰ-ছাত্ৰীৰ ফলশ্ৰুতি আৰু নিয়মিত পৰ্যৱেক্ষণ আৰু বিকাশ সংযুক্ত হৈ থাকিব।

4.41. মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ অধীনত এখন মানক-প্ৰতিষ্ঠা সমিতি হিচাপে ৰাষ্ট্ৰীয় মূল্যাংকন কেন্দ্ৰ 'পৰখ' (Performance Assessment, Review, and Analysis of Knowledge for Holistic Development) প্ৰতিষ্ঠা কৰা হ'ব। ই ভাৰতবৰ্ষৰ ৰাজ্যিক বিকাশ জৰীপ (State Achievement Survey - SAS) আৰু ৰাষ্ট্ৰীয় বিকাশ জৰীপৰ (National Achievement Survey - NAS) অধীনস্থ দেশৰ শিকণ বিকাশৰ পৰ্যবেক্ষণৰ বাবে সকলো স্বীকৃতিপ্ৰাপ্ত স্কুল-বোৰ্ডৰ ছাত্ৰ-ছাত্ৰীৰ মূল্যাংকন আৰু পৰীক্ষণৰ ক্ষেত্ৰত পৰীক্ষণ পদ্ধতিৰ সলনি আৰু 21 শতাব্দীৰ প্ৰয়োজনীয় দক্ষতা বিকাশ কৰিবলৈ নীতিখনত উল্লিখিত উদ্দেশ্য সফল কৰিব। কেন্দ্ৰই স্কুলবোৰ্ডসমূহক নতুন মূল্যাংকন প্ৰণালী আৰু শেহতীয়া গৱেষণা, স্কুল-বোৰ্ডসমূহৰ সৈতে সহযোগিতা কৰিবলৈ পৰামৰ্শ দিব। ইয়াৰ উপৰিও স্কুল বোৰ্ডসমূহৰ মাজত উত্তম অনুশীলনসমূহ ভাগ-বতৰা কৰা, আৰু সকলো স্কুল বোৰ্ডৰ শিক্ষাৰ্থীসকলৰ মাজত এক সমস্থানীয় শৈক্ষিক মানদণ্ড নিশ্চিত কৰাৰ ক্ষেত্ৰত ই এক মাধ্যমৰ কাম কৰিব।

4.42. বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষাৰ আদৰ্শও একে হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ এজেন্সিয়ে উচ্চ পৰ্যায়ৰ সাৰ্বজনীন যোগ্যতা পৰীক্ষা প্ৰদানৰ বাবে কাম কৰিব। ইয়াৰ লগতে বিজ্ঞান, মানৱবিদ্যা, কলা, আৰু বৃত্তিমূলক আদি উমৈহতীয়া বিষয়বোৰৰ পৰীক্ষা বছৰত কমেও দুবাৰকৈ অনুষ্ঠিত হ'ব। পৰীক্ষাসমূহত ধাৰণাগত বোধ আৰু জ্ঞানৰ প্ৰয়োগ কৰাৰ ক্ষমতাৰ পৰীক্ষা কৰা হ'ব। ই এই পৰীক্ষাসমূহৰ বাবে প্ৰশিক্ষণ লোৱা কাৰ্যক নোহোৱা কৰিব। পৰীক্ষাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিষয় বাছনি কৰিব পাৰিব আৰু প্ৰতিখন বিশ্ববিদ্যালয়ে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত বিষয় পৰ্যৱেক্ষণ কৰিব আৰু নিজৰ নিজৰ আগ্ৰহ আৰু মেধাৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি কৰিব। স্নাতক আৰু প্ৰাক্-স্নাতক পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষা আৰু উচ্চ শিক্ষাৰ জলপানি প্ৰদানৰ ক্ষেত্ৰত ক্ষেত্ৰত NTAই প্ৰধান, বিশেষজ্ঞ আৰু স্বয়ংশাসিত অনুষ্ঠান হিচাপে কাম কৰিব। ছাত্ৰ-ছাত্ৰী, বিশ্ববিদ্যালয় আৰু কলেজৰ বোজা উল্লেখযোগ্যভাৱে হ্ৰাস কৰিবলৈ শ শ বিশ্ববিদ্যালয়ে নিজাকৈ অনুষ্ঠিত কৰা প্ৰৱেশ পৰীক্ষাৰ পৰিৱৰ্তে পৰীক্ষাক উচ্চ মানসম্পন্ন, বিস্তৃত আৰু শিথিল  কৰি তুলিবলৈ NTAই বেছিভাগ বিশ্ববিদ্যালয়ৰ উমৈহতীয়া প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিব। ই বিশ্ববিদ্যালয় আৰু কলেজসমূহৰ নামভৰ্তিৰ পৰীক্ষণৰ ক্ষেত্ৰত উত্তৰণ ঘটাব।

### জন্মগত প্ৰতিভাসম্পন্ন/বিশেষ মেধাসম্পন্ন বিশেষ ছাত্ৰ-ছাত্ৰীৰ বাবে সহায়তা

4.43. প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰে কিছুমান অন্তৰ্নিহিত প্ৰতিভা থাকে। এই প্ৰতিভা আৱিষ্কাৰ কৰি ইয়াৰ পৰিচৰ্যা, উৎসাহ প্ৰদান কৰা আৰু বিকাশ সাধন কৰা প্ৰয়োজন। যিসকল ছাত্ৰ-ছাত্ৰীয়ে এনে আগ্ৰহ আৰু প্ৰৱণতা প্ৰকাশ কৰে, তেওঁলোকক উৎসাহিত কৰা প্ৰয়োজন। এনে মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ স্বীকৃতিৰ বাবে আৰু তেওঁলোকক উৎসাহিত কৰিবলৈ শিক্ষকৰ শিক্ষাত কিছুমান পদ্ধতি সংযোগ কৰা হ'ব। জন্মগত প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বিকাশৰ বাবে ল'বলগীয়া ব্যৱস্থাৰ নিৰ্দেশাৱলী NCERT আৰু NCTEয়ে প্ৰস্তুত কৰিব। B.Ed. পাঠ্যক্ৰমতো জন্মগত প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ পাঠক্ৰম অন্তৰ্ভুক্ত কৰিব পাৰি।

4.44. বিশেষ প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ স্বতন্ত্ৰ বিকাশ আৰু তেওঁলোকক উৎসাহিত কৰিবৰ বাবে শিক্ষকসকলে অতিৰিক্ত সমলৰ যোগান ধৰিব। বিষয়কেন্দ্ৰিক আৰু প্ৰকল্পভিত্তিক ক্লাব, চক্ৰ স্থাপনত উৎসাহ যোগাব আৰু বিদ্যালয়, বিদ্যালয়-গোট, জিলা আৰু তাতোকৈ বহল পৰ্যায়লৈ আগবঢ়াই নিবলৈ উৎসাহ প্ৰদান কৰিব। উদাহৰণস্বৰূপে, বিজ্ঞান চক্ৰ, গণিত চক্ৰ, সংগীত আৰু নাটক চক্ৰ, তাৰ্কিক চক্ৰ, ক্ৰীড়া চক্ৰ, পৰিৱেশ সংঘ, স্বাস্থ্য আৰু সুস্বাস্থ্য সংঘ, যোগ সংঘ ইত্যাদি বহুতো। আৰ্থ-সামাজিকভাৱে পিচপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন বিষয়ত বিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ বাবে আবাসীক গ্ৰীষ্মকালীন শিৱিৰ অনুষ্ঠিত কৰা হ'ব। সমগ্ৰ দেশকে সামৰি আটাইতকৈ ভাল ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক আকৰ্ষণ কৰিবৰ বাবে ইয়াৰ বাছনি প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে মেধাৰ ভিত্তিত হোৱা লগতে সম্পূৰ্ণ ৰূপে ন্যায়সংগত কৰি তোলা হ'ব।

4.45. সমগ্ৰ দেশতে বিদ্যালয় পৰ্যায়ৰ পৰা আঞ্চলিক পৰ্যায়লৈ, আঞ্চলিক পৰ্যায়লৈ পৰা ৰাজ্যিক পৰ্যায়লৈ আৰু ৰাজ্যিক পৰ্যায়ৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈ সুস্থ সহযোগিতাৰে বিভিন্ন বিষয়ৰ অলিম্পিয়াড আৰু প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। এই প্ৰতিযোগিতাসমূহত যাতে সকলো স্তৰৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে তাৰ প্ৰতি মনোযোগ দিয়া হ'ব। বহুল অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে গ্ৰাম্য অনগ্ৰসৰ অঞ্চলত আঞ্চলিক ভাষাত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে যত্ন কৰা হ'ব। ৰাজহুৱা আৰু ব্যক্তিগত বিশ্ববিদ্যালয়ৰ লগতে আগশাৰীৰ অনুষ্ঠান যেনে IIT, NIT আদিকো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় অলিম্পিয়াডৰ মেধা-আধাৰিত ফলাফলসমূহক ব্যৱহাৰ কৰাৰ বাবে উৎসাহিত কৰা হ'ব আৰু অন্য আনুসংগিক ৰাষ্ট্ৰীয় কাৰ্যক্ৰমৰ ফলাফল নামভৰ্তিৰ এটা চৰ্ত হিচাপে বিবেচনা কৰিব।

4.46. যেতিয়া ইণ্টাৰনেট সংযোগ আৰু স্মাৰ্টফোন প্ৰতিখন বিদ্যালয় আৰু/অথবা ঘৰত উপলব্ধ হ'ব তেতিয়া কুইজ সংযুক্ত অনলাইন এপ, প্ৰতিযোগিতা, মূল্যাংকন, পাঠ্য সামগ্ৰীৰ উন্নীতকৰণ কৰা আৰু বিভিন্নজনৰ আগ্ৰহ জনোৱাৰ বাবে অনলাইন সমাজৰ বিকাশ সাধন কৰা হ'ব আৰু এই সকলো পদক্ষেপৰ বিকাশ সাধন কৰিলে অভিভাৱক আৰু শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সমূহীয়া কাৰ্য ভালদৰে পৰ্যৱেক্ষণ কৰিব পাৰিব। অনলাইন পাঠ্যক্ৰম আৰু অনলাইন পাঠ্যক্ৰমৰ সমল প্ৰয়োগৰ জৰিয়তে শিক্ষণ, শিকণ পদ্ধতিৰ বিকাশ সাধন কৰিবলৈ বিদ্যালয়সমূহত স্মাৰ্ট শ্ৰেণীকোঠাৰ বিকাশ সাধন কৰা হ'ব।

## 5. শিক্ষক

5.1. শিক্ষকসকলেই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক গঢ় দিয়ে, সেইবাবেই তেওঁলোক হ'ল জাতিৰ ভাৱিষ্যত। এই মহান কাৰ্যৰ বাবেই আমাৰ দেশত শিক্ষকসকল সমাজৰ আটাইতকৈ সন্মানীয় ব্যক্তি হিচাপে পৰিগণিত হৈছিল। আটাইতকৈ অধ্যয়নশীল আৰু ভাল ব্যক্তিসকলেই শিক্ষকতা কৰিছিল। সমাজে শিক্ষক বা গুৰু প্ৰদান কৰে, যি তেওঁলোকৰ জ্ঞান, দক্ষতা আৰু মূল্যবোধ ছাত্ৰ-ছাত্ৰীৰ মাজত উবুৰিয়াই দিয়ে। শিক্ষকৰ শিক্ষাৰ মানদণ্ড, নিযুক্তি, চাকৰি, চাকৰিৰ অৱস্থা আৰু কৰ্তৃত্ব যেনেকুৱা হ'ব লাগিছিল, বৰ্তমান তেনেকুৱা হৈ থকা নাই আৰু একেদৰে শিক্ষকৰ মান আৰু অনুপ্ৰেৰণা বিচৰা ধৰণে মানসম্পন্ন হোৱা নাই। আটাইতকৈ ভাল আৰু উপযুক্ত ব্যক্তিক শিক্ষকতাৰ বৃত্তিলৈ আনিবলৈ হ'লে শিক্ষকতা বৃত্তিয়ে উচ্চপৰ্যায়ৰ সন্মান আৰু মৰ্যাদা ৰক্ষা কৰাটো প্ৰয়োজন। আমাৰ জাতি আৰু শিশুসকলৰ সুস্থ-সৱল ভৱিষ্যত নিশ্চিত কৰিবলৈ শিক্ষকৰ মনত অনুপ্ৰেৰণা জগোৱা আৰু কৰ্তৃত্ব প্ৰদানৰ প্ৰয়োজন।

### শিক্ষকৰ নিযুক্তি আৰু কাৰ্যব্যৱস্থাত অন্তৰ্ভুক্তি

5.2. সমগ্ৰ দেশতে 4 বছৰীয়া সমন্বিত B.Ed. পাঠ্যক্ৰম অধ্যয়ন কৰিবলৈ মেধাভিত্তিক জলপানিৰ ব্যৱস্থা কৰিব লাগে, যাতে অতি মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী, বিশেষকৈ গ্ৰাম্য আৰু পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকতা বৃত্তি গ্ৰহণ কৰিবলৈ আগ্ৰহী হৈ পৰে। গ্ৰাম্য অঞ্চলত বিশেষ মেধাভিত্তিক জলপানিৰ ব্যৱস্থা কৰি B.Ed. পাঠ্যক্ৰম সম্পূৰ্ণ হোৱাৰ পাছত নিজৰ স্থানীয় অঞ্চলতে যাতে বৃত্তিগত নিযুক্তিৰ সুবিধা লাভ কৰে। এনে জলপানিৰ ব্যৱস্থাই স্থানীয় লোকৰ বাবে বিশেষকৈ মহিলাসকলৰ বাবে নিযুক্তিৰ সুবিধা আনি দিব আৰু স্থানীয় ভাষা ক'ব পৰা তেনে ছাত্ৰ-ছাত্ৰীয়ে সেই অঞ্চলত এক আদৰ্শ দাঙি ধৰি সেৱা আগবঢ়াব পাৰিব। গ্ৰাম্যাঞ্চলত, বিশেষকৈ যি স্থানত মানসম্পন্ন শিক্ষকৰ অভাৱ সেইবোৰ

অঞ্চলত শিক্ষকতা বৃত্তি গ্ৰহণ কৰোৱাৰ বাবে পদক্ষেপ লোৱা হ'ব। যিসকলে বিদ্যালয়ৰ ওচৰত বা চৌহদত থাকিব তেওঁলোকৰ বাবে বিশেষ মানধনৰ ব্যৱস্থা কৰা হ'ব বা গৃহ-বানচ বৃদ্ধি কৰা হ'ব।

5.3. ছাত্ৰ-ছাত্ৰীয়ে যাতে শিক্ষকসকলক এগৰাকী আদৰ্শ ব্যক্তিৰূপে লাভ কৰে তাৰ বাবে শিক্ষকৰ বদলিৰ দৰে ক্ষতিকাৰক ব্যৱস্থা বিলুপ্ত কৰা হ'ব। বদলিৰ ব্যৱস্থাটো ৰাজ্য/কেন্দ্ৰীয় শাসিত ৰাজ্যৰ চৰকাৰে বিশেষ পৰিস্থিতিত উপযুক্ততাৰ ভিত্তিত এক সুগঠিত ৰূপত নিৰ্ধাৰণ কৰিব।

5.4. বিষয় আৰু শিক্ষণ প্ৰণালীৰ আধাৰত উন্নত সমল সংযোগ কৰি শিক্ষকৰ যোগ্যতা পৰীক্ষা (TETসমূহ) শক্তিশালী কৰা হ'ব। বিদ্যালয় শিক্ষাৰ (প্ৰাথমিক, প্ৰস্তুতিৰ স্তৰ, মাধ্যমিক আৰু উচ্চ মাধ্যমিক) আদি সকলো স্তৰলৈ টেট পদ্ধতি বিস্তাৰিত কৰা হ'ব। বিষয় শিক্ষকৰ বাবে টেট অথবা NTA পৰীক্ষা নিৰ্দিষ্ট বিষয়ৰ যোগ্যতাক নিযুক্তিৰ বাবে গ্ৰহণ কৰা হ'ব। বিদ্যালয় বা বিদ্যালয়-গোটসমূহত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত শিকণৰ প্ৰতি আগ্ৰহ আৰু অনুপ্ৰেৰণা পৰিমাপ কৰিবলৈ এক শ্ৰেণীকোঠাৰ পাঠদান বা সাক্ষাৎকাৰৰ ব্যৱস্থা কৰা হ'ব। এই সাক্ষাৎকাৰত প্ৰাৰ্থীয়ে স্থানীয় ভাষাত সহজভাৱে পাঠদান কৰিব পাৰে নে নাই তাৰো মূল্যায়ন কৰা হ'ব, যাতে অতি কমেও কিছু শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সৈতে তেওঁলোকৰ স্থানীয় বা ঘৰুৱা ভাষাত কথা-বতৰা পাতিব পাৰিব। ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ শিক্ষকসকলো টেট উত্তীৰ্ণ হ'ব লাগিব। ইয়াতো তেওঁলোকে পাঠদান/সাক্ষাৎকাৰ আৰু স্থানীয় ভাষাৰ দক্ষতা দেখুৱাব লাগিব।

5.5. বিভিন্ন বিষয়ত পৰ্যাপ্ত শিক্ষকৰ ব্যৱস্থা নিশ্চিত কৰিবলৈ, বিশেষকৈ কলা, শাৰীৰিক শিক্ষা, বৃত্তিগত শিক্ষা আৰু ভাষা শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়ত শিক্ষকৰ নিযুক্তি আৰু আন্তঃবিদ্যালয় বা বিদ্যালয়-গোটৰ মাজত শিক্ষকৰ আদান-প্ৰদান কাৰ্য ৰাজ্য/কেন্দ্ৰীয় শাসিত ৰাজ্যৰ চৰকাৰে বিদ্যালয়-গোট কেনেধৰণে গঢ়ি তোলে তাৰ ওপৰত নিৰ্ভৰ কৰিব।

5.6. বিদ্যালয় বা বিদ্যালয়-গোটসমূহক ছাত্ৰ-ছাত্ৰীৰ বাবে সহায়ক আৰু স্থানীয় জ্ঞান আৰু বৃত্তি সংৰক্ষণ কৰাত সহায়ক হোৱাৰ বাবে বিভিন্ন বিষয়ৰ বিশেষজ্ঞ, যেনে, পৰম্পৰাগত স্থানীয় লোক-কলা, বৃত্তিগত শিল্পকৰ্ম, উদ্যোক্তা, কৃষিকৰ্ম আৰু আন যিকোনো বিষয়, য'ত স্থানীয় পটু লোক উপলব্ধ হয়, তেনে লোকক আমন্ত্ৰণ কৰাৰ বাবে উৎসাহ প্ৰদান কৰা হ'ব।

5.7. পৰৱৰ্তী দুটা দশকৰ ভিতৰত বিষয় অনুসৰি প্ৰযুক্তিভিত্তিক শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰিব। শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰ ওপৰত উল্লেখ কৰা পদক্ষেপসমূহ সময়ে সময়ে নিৰ্ধাৰিত কৰা হ'ব। সকলোবোৰ খালী পদ যোগ্যতাসম্পন্ন শিক্ষকৰ লগতে স্থানীয় শিক্ষকৰ দ্বাৰা পুৰণৰ ব্যৱস্থা কৰা হ'ব। তাৰ বাবে উপযুক্ত মাননিৰ ব্যৱস্থা কৰি ভৱিষ্যত কৰ্মক্ষেত্ৰ নিৰ্ধাৰণৰ পৰিচালনা আৰু প্ৰগতিৰ ক্ষেত্ৰত তলত উল্লেখ কৰা ধৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। শিক্ষকৰ শিক্ষাৰ পাঠ্যক্ৰমো এই খালী পদৰ সৈতে সংযুক্ত কৰা হ'ব।

## সেৱাৰ পৰিৱেশ আৰু সংস্কৃতি

5.8. আমাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা-লাভ কৰাটো নিশ্চিত কৰাৰ বাবে সেৱাৰ পৰিৱেশ আৰু বিদ্যালয়ৰ সংস্কৃতি ভাল কৰিবলৈ আৰু শিক্ষকসকলে উপযুক্তভাৱে তেওঁলোকৰ দায়িত্ব পালন কৰিবলৈ আৰু তেওঁলোক যে সক্ৰিয়, সহমৰ্মী আৰু শিক্ষক, ছাত্ৰ, অভিভাৱক, অধ্যক্ষ আৰু আন আন সহকৰ্মীৰ দ্বাৰা গঠিত সমাজৰ একো একোটা অংশ আৰু তেওঁলোকে যে একোটা উমৈহতীয়া লক্ষ্যত আগবাঢ়িছে তাক নিশ্চিত কৰা হ'ব।

5.9. বিদ্যালয়ত এটা সুস্থ আৰু অনুকুল বাতাবৰণ সৃষ্টি কৰাই এই নিৰ্দেশনাৰ প্ৰথম উদ্দেশ্য। শাৰীৰিকভাৱে অক্ষম ছাত্ৰ-ছাত্ৰীৰ লগতে লিংগ নিৰ্বিশেষে সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীয়ে সুৰক্ষিত, সু-সংগত শিকণ-শিক্ষণৰ পৰিৱেশ এটা লাভ কৰে তাৰ বাবে কাৰ্যক্ষম প্ৰসাধন কক্ষ, নিৰ্মল খোৱাপানী, স্বচ্ছ আৰু আকৰ্ষণীয় স্থান, বিদ্যুৎযোগান, কম্পিউটাৰ সঁজুলি, ইণ্টাৰনেট, পুথিভঁৰাল, সুবিধাজনক আৰু সুৰক্ষিত পৰিৱেশ নিশ্চিত কৰা হ'ব। সকলো শিক্ষকে যাতে পৰিৱেশ সুস্থ ৰূপত গঢ়ি তুলিব পাৰে তাৰ বাবে সুৰক্ষা, স্বাস্থ্য আৰু পৰিৱেশ সম্পৰ্কে কৰ্মক্ষেত্ৰত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব।

5.10. বিদ্যালয় পৰিচালনা সমল আদান-প্ৰদান আৰু সমাজ গঠনৰ ক্ষেত্ৰত প্ৰৱেশযোগ্যতা হ্ৰাস নকৰাকৈ ৰাজ্য বা কেন্দ্ৰীয় শাসিত ৰাজ্যৰ চৰকাৰে বিদ্যালয় গোট, বিদ্যালয়ৰ অৱস্থিতি আদিৰ ওপৰত নিজস্ব আৰ্হি প্ৰস্তুত কৰিব। সক্ৰিয় শিক্ষক সমাজ গঢ় দিবলৈ বিদ্যালয় গোটৰ এক দীঘলীয়া পৰিক্ৰমা হ'ব। বিদ্যালয়লৈ বিশেষজ্ঞক আমন্ত্ৰণ কৰা কাৰ্যই বিভিন্ন বিদ্যালয়-গোটৰ মাজত স্বয়ংক্ৰিয়ভাৱে সম্পৰ্ক স্থাপন কৰাত সহায় কৰিব, এইটোৱে জ্ঞানৰ ভিত্তিত শিক্ষকসকলক সক্ৰিয় কৰি বিষয় অনুসৰি শিক্ষকসকলক বেলেগে বেলেগে অংশগ্ৰহণ কৰাত সহায় কৰিব। ইয়াৰ ফলত সৰু সৰু বিদ্যালয়সমূহৰ শিক্ষকসকলো অকলশৰীয়া হৈ নাথাকিব, নিজৰ নিজৰ জ্ঞানৰ ভাণ্ডাৰ বিলাই দি সকলো ছাত্ৰ-ছাত্ৰীয়ে পাঠদান গ্ৰহণ কৰাটো নিশ্চিত কৰিবলৈ তেওঁলোক বিদ্যালয়-গোটৰ অংশীদাৰ হৈ পৰাৰ লগতে বিদ্যালয়-গোটৰ সকলো শিক্ষকৰ সৈতে কাম কৰিব পাৰিব। কাৰ্যকৰী শিকণ পদ্ধতিৰ সৃষ্টি কৰাত সহায় কৰিবলৈ বিদ্যালয়-গোটসমূহে পৰামৰ্শদাতা, প্ৰশিক্ষিত কৰ্মী, কাৰিকৰী আৰু মেৰামতকাৰী সহকৰ্মীৰ আদান-প্ৰদান কৰিব পাৰিব।

5.11. অভিভাৱক আৰু অন্যান্য আনুসংগিক ক্ষেত্ৰৰ লোকৰ সৈতে সহযোগিতা কৰি শিক্ষকসকল বিদ্যালয়/বিদ্যালয়-গোটৰ পৰিচালনাৰ কাৰ্যৰ লগতে বিদ্যালয়/বিদ্যালয়-গোটৰ পৰিচালনা সমিতিৰ একোগৰাকী সদস্য হিচাপে সম্পৰ্কিত হ'ব পাৰিব।

5.12. শিক্ষকসকলে বৰ্তমানে বহু শিক্ষা বহিৰ্ভূত ক্ষেত্ৰত সময় খৰচ কৰিবলগীয়া হয়। ইয়াক বাধা দিবৰ বাবে শিক্ষকসকলক শিক্ষাৰ সৈতে সম্পৰ্ক নথকা কোনো ক্ষেত্ৰতে খটুৱাব নালাগিব। বিশেষকৈ ক'বলৈ হ'লে তেওঁলোকে যাতে শিক্ষাৰ সৈতে সম্পূৰ্ণভাৱে জড়িত হ'ব পাৰে, মধ্যাহ্ন ভোজনৰ বাবে সামান্য সময় খৰচ কৰাৰ বাহিৰে কোনো ধৰণৰ প্ৰশাসনিক কাৰ্যত অংশগ্ৰহণ কৰিবলগীয়া নহয় তাৰ ব্যৱস্থা কৰা হ'ব।

5.13. বিদ্যালয়ত সাকাৰাত্মক পৰিৱেশ বাহাল থকাটো নিশ্চিত হ'ব লাগিব। উপযুক্ত শিকণ আৰু ইয়াৰ সৈতে সম্পৰ্ক থকা ক্ষেত্ৰৰ লাভৰ বাবে অধ্যক্ষ আৰু শিক্ষকৰ ভূমিকা বিদ্যালয় সংস্কৃতি আৰু বিকাশৰ বাবে হ'ব লাগিব।

5.14. শিক্ষকসকলে যাতে ছাত্ৰ-ছাত্ৰী আৰু শ্ৰেণীকোঠাৰ বাবে উপযুক্ত পদ্ধতি নিৰ্ণয় কৰি শিক্ষাদান কৰিব পাৰে তাৰ বাবে শিক্ষকসকলক শিক্ষা পদ্ধতি ঠিক কৰি ল'বলৈ অধিক স্বতন্ত্ৰতা দিয়া হ'ব। যিকোনো ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীৰ জটিল সামাজিক আৱেগিক শিকণৰ দিশৰ ওপৰতো আলোকপাত কৰিব পাৰিব। শিক্ষকে শিকণৰ ফলশ্ৰুতিৰ বিকাশৰ বাবে নতুন পদ্ধতি অৱলম্বন কৰিব পাৰিব।

## নিৰবিচ্ছিন্ন পেছাদাৰী বিকাশ (CPD)

5.15. স্ব-উন্নয়ন, নতুন উদ্ভাৱনৰ শিকাৰ লগতে তেওঁলোকৰ পেছাত অগ্ৰগতি লাভৰ বাবে  বাবে শিক্ষকসকলক নিৰবিচ্ছিন্ন সুবিধা প্ৰদান কৰা হ'ব। এইবোৰ স্থানীয়, আঞ্চলিক, ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় কৰ্মশালা তথা অনলাইন শিক্ষক বিকাশ কাৰ্যসূচী আদি বিভিন্ন ধৰণে আগবঢ়োৱা হ'ব। শিক্ষকসকলে যাতে নিজৰ দৃষ্টিভংগী প্ৰকাশ আৰু অনুশীলন কৰিব পাৰে, তাৰ বাবে বিভিন্ন মঞ্চ (বিশেষকৈ অনলাইন মঞ্চ) নিৰ্মাণ কৰা হ'ব। প্ৰতিজন শিক্ষকে তেওঁলোকৰ পেছাদাৰী বিকাশৰ বাবে নিজৰ আগ্ৰহ অনুসৰি প্ৰতিবছৰে কমেও 50 ঘণ্টাৰ নিৰবিচ্ছিন্ন পেছাদাৰী কাৰ্যসূচীত ভাগ ল'ব লাগিব। নিৰবিচ্ছিন্ন পেছাদাৰী বিকাশৰ কাৰ্যসূচীয়ে সু-শৃংখলিতভাৱে সাক্ষৰতা আৰু সংখ্যা, শিকণৰ ফলাফলৰ গঠনমূলক আৰু অভিযোজক মূল্যায়ন, দক্ষতা ভিত্তিক শিক্ষণ তথা অন্যান্য সামঞ্জস্য থকা শিক্ষা পদ্ধতি, যেনে, পৰীক্ষামূলক শিকণ, কলা, ক্ৰীড়া তথা গল্পকথন আদি সম্পৰ্কীয় শেহতীয়া পাঠ্যক্ৰম আৰু শিক্ষানীতিক সামৰি ল'ব।

5.16. বিদ্যালয়ৰ অধ্যক্ষ আৰু বিদ্যালয়ৰ চৌহদৰ নেতৃস্থানীয় ব্যক্তিসকলৰ অবিচ্ছিন্নভাৱে নেতৃত্ব আৰু প্ৰশাসনিক দক্ষতা উন্নত কৰাৰ বাবে একেধৰণৰ নেতৃত্ব বিকাশৰ কৰ্মশালা, অনলাইন বিকাশৰ সুযোগ আৰু মঞ্চ লাভ কৰিব, যাতে তেওঁলোকে নিজৰ মাজত সৰ্বশ্ৰেষ্ঠ কৌশলৰ আদান–প্ৰদান কৰিব পাৰে। এনে নেতৃস্থানীয় ব্যক্তিসকলে প্ৰতি বছৰে কমেও 50 ঘণ্টাৰ নিৰবিচ্ছিন্ন পেছাদাৰী কাৰ্যসূচীত ভাগ ল'ব লাগিব। এই কাৰ্যসূচীয়ে প্ৰতিযোগিতা-ভিত্তিক শিক্ষা আৰু শিক্ষা পৰিকল্পনাৰ ভিত্তিত নিৰ্ধাৰণ কৰা নেতৃত্ব আৰু প্ৰশাসনিক দিশৰ উপৰিও বিষয়সূচী আৰু শিক্ষানীতি সম্পৰ্কীয় দিশবোৰ সামৰি ল'ব।

## জীৱিকা পৰিচালনা আৰু অগ্ৰগতি (CMP)

5.17. যিসকল শিক্ষকে অসাধাৰণ কাম কৰি আছে তেওঁলোকক স্বীকৃতি তথা পদোন্নতি প্ৰদান কৰাৰ লগতে দৰমহা বৃদ্ধি কৰাৰ লগতে আৰু তেওঁলোকক উত্তম কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰিব লাগে। সেয়েহে, নিযুক্তি তথা পদোন্নতিৰ ক্ষেত্ৰত মেধাক অগ্ৰাধিকাৰ দিয়া হ'ব আৰু সমান্তৰালভাৱে একাধিক স্তৰযুক্তকৈ দৰমহাৰ গাঁথনিও উন্নত কৰা হ'ব, যি শ্ৰেষ্ঠ শিক্ষকসকলক স্বীকৃতি প্ৰদান কৰিব। দক্ষতাৰ মূল্যায়নৰ বাবে একাধিক সূচক ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰবোৰে নিৰ্ধাৰণ কৰিব। এইবোৰ পৰ্যালোচনা, উপস্থিতি, প্ৰতিশ্ৰুতি, CPDৰ সময়সীমা, আৰু NPSTৰ 5.20 নং দফাত থকা উল্লেখ অনুসৰি স্কুল আৰু সমাজৰ প্ৰতি সেৱা আদিৰ ভিত্তিত নিৰ্ধাৰিত হ'ব। এই আঁচনিত, জীৱিকাৰ প্ৰসংগত 'সময়সীমা' বা 'ম্যাদ' (tenure)এ প্ৰয়োজনীয় মূল্যায়নৰ পিছত স্থায়ী নিযুক্তি আৰু 'tenure track'এ স্থায়ী নিযুক্তিৰ পূৰ্বৰ পৰীক্ষাৰ সময়সীমাক নিৰ্দেশ কৰিছে।

5.18. তদুপৰি, কৰ্ম-জীৱনৰ অগ্ৰগতি (ম্যাদ, পদোন্নতি, দৰমহা বৃদ্ধি আদি দিশৰ পৰা) একক স্কুলীয়া স্তৰৰ (অৰ্থাৎ প্ৰাথমিক, প্ৰাক-প্ৰাথমিক, মধ্য বা মাধ্যমিক) শিক্ষকৰ প্ৰতি উপলব্ধ হৈ থাকিব। লগতে কৰ্ম-জীৱনৰ উন্নতিৰ লগত সম্পৰ্কিত পদক্ষেপ আৰম্ভণিৰ স্তৰৰ পৰা শেষলৈ নাথাকিব (অৱশ্যে এনে পদক্ষেপক অৰ্হতাৰ ওপৰত ভিত্তি কৰি অনুমোদন জনোৱাও হয়)। বিদ্যালয়ৰ প্ৰতিটো স্তৰতে আটাইতকৈ অৰ্হতাসম্পন্ন শিক্ষকৰ প্ৰয়োজন বাবে এনে পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে বিদ্যালয়ৰ কোনোটো স্তৰকে আন এটা স্তৰতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি বিৱেচনা কৰা নহ'ব।

5.19. মেধাৰ ভিত্তিত শিক্ষকৰ উলম্ব গতিশীলতাও সাৰ্বজনীন হ'ব। নেতৃত্ব আৰু প্ৰশাসনীয় দক্ষতা যুক্ত শিক্ষকক বিদ্যালয়, বিদ্যালয়-গোট, BRC, CRC, BITE, DIET আৰু অন্যান্য চৰকাৰী বিভাগত নেতৃত্ব প্ৰদান কৰিব পৰাকৈ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

## শিক্ষকসকলৰ বাবে পেছাদাৰী মানদণ্ড

5.20. 2022 চনৰ ভিতৰত শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদে (National Council for Teacher Education - NCTE) শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় পেছাদাৰী মানদণ্ড (National Professional Standards for Teachers - NPST) প্ৰস্তুত কৰিব, আৰু এই NPST সাধাৰণ শিক্ষা পৰিষদ (General Education Council - GEC)ৰ অধীনত আৰু NCERT, SCERT আৰু দেশৰ বিভিন্ন অংশৰ আগশাৰীৰ শিক্ষক, শিক্ষক প্ৰশিক্ষণৰ প্ৰতিষ্ঠান আৰু বৃত্তিগত শিক্ষাৰ দক্ষ ব্যক্তিৰ সহযোগত এটা পেছাদাৰী মানদণ্ড নিৰ্ণায়ক নিকায় (Professional Standard Setting Body - PSSB) হিচাপে গঠন কৰা হ'ব। এই মানদণ্ডই শিক্ষাৰ বিভিন্ন স্তৰত শিক্ষকৰ ভূমিকা আৰু এই স্তৰত প্ৰয়োজন হোৱা অৰ্হতা আৰু প্ৰতিযোগিতাক সামৰি ল'ব। প্ৰতিটো স্তৰৰ বাবে দক্ষতাৰ এক মানদণ্ড নিৰ্ধাৰণ কৰিব। NPSTএ নিয়োগৰ পূৰ্বে শিক্ষক প্ৰশিক্ষণ কাৰ্যৰো ৰূপৰেখা প্ৰস্তুত কৰিব। ইয়াৰ পিছত NPSTখন সকলো ৰাজ্যই গ্ৰহণ কৰি শিক্ষকৰ কৰ্মজীৱনৰ লগত জড়িত বিভিন্ন দিশ যেনে, ম্যাদ, পেছাদাৰী বিকাশ, দৰমহা বৃদ্ধি, পদোন্নতি আৰু অন্যান্য স্বীকৃতিৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিব। পদোন্নতি আৰু দৰমহা বৃদ্ধি, জ্যেষ্ঠতা আৰু চাকৰিৰ সময়সীমাৰ সলনি এনে ৰূপৰেখাৰ ভিত্তিতহে প্ৰস্তুত কৰা হ'ব। 2030ত সমগ্ৰ প্ৰক্ৰিয়াটোৰ সফলতাৰ বিশ্লেষণৰ ভিত্তিত পেছাদাৰী মানদণ্ড পুনৰ অৱলোকন আৰু পৰিৱৰ্তন কৰা হ'ব।

## বিশেষ শিক্ষক/শিক্ষাবিদ

5.21. বিদ্যালয় শিক্ষাৰ নিৰ্দিষ্ট কিছুমান দিশৰ বাবে অতিৰিক্ত বিশেষ শিক্ষকৰ প্ৰয়োজন। এনে বিশেষ প্ৰয়োজনৰ এটা উদাহৰণ হ'ল দিব্যাংগসকলৰ বাবে মজলীয়া আৰু মাধ্যমিক স্তৰত বিষয় শিক্ষকৰ প্ৰয়োজনীয়তা। এনে শিক্ষকসকলৰ বিষয়কেন্দ্ৰিক আৰু বিষয়ৰ লগত সম্পৰ্কিত অন্য দিশৰ পৰ্যাপ্ত জ্ঞান থকাৰ লগতে তেওঁলোকে শিক্ষাৰ্থীৰ প্ৰয়োজনসমূহো বুজি পাব লাগে। সেয়েহে বিষয় শিক্ষকৰ চাকৰি কালত বা চাকৰিৰ পূৰ্বে এই দিশবোৰ তেওঁলোকৰ বাবে গৌণ বিশেষ

দক্ষতা ক্ষেত্ৰ হিচাপে বিকাশ সাধন কৰা আৱশ্যক। তেওঁলোকক এই প্ৰশিক্ষণ চাকৰি কালত বা চাকৰিৰ পূৰ্বে চাৰ্টিফিকেট পাঠ্যক্ৰম হিচাপে আগবঢ়োৱা হ'ব। এই প্ৰশিক্ষণ পূৰ্ণকালীন অথবা অংশকালীন বিষয় হিচাপে বিভিন্ন মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত প্ৰদান কৰা হ'ব। NCTE আৰু RCIৰ পাঠ্যক্ৰমৰ মাজত এক ব্যাপক সমন্বয় স্থাপন কৰা হ'ব, যি বিষয় শিক্ষণৰ লগতে ওপৰত উল্লিখিত সম্পৰ্কিত দিশসমূহো চলাই নিব পাৰিব।

**শিক্ষকৰ শিক্ষাৰ প্ৰতি পদক্ষেপ**

5.22. যিহেতু শিক্ষকসকলৰ বাবে উচ্চ স্তৰৰ বিষয় আৰু শিক্ষানীতিত প্ৰশিক্ষণৰ প্ৰয়োজন হ'ব, সেয়ে 2030ৰ ভিতৰত শিক্ষক প্ৰশিক্ষণক বহু বিষয়যুক্ত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ অধীনলৈ লৈ যোৱা হ'ব। যিহেতু কলেজ আৰু বিশ্ববিদ্যালয়বোৰ বহু বিষয় বিশিষ্ট হ'ব, গতিকে তাত উন্নত মানৰ B.Ed., M.Ed. আৰু Ph.D. ডিগ্ৰীও আগবঢ়োৱাৰ ব্যৱস্থা কৰা হ'ব।

5.23. 2030ৰ ভিতৰত শিক্ষকতাৰ বাবে ন্যূনতম অৰ্হতা হ'ব চাৰি বছৰীয়া ইণ্টিগ্ৰেটেড B.Ed. ডিগ্ৰী। ইয়াত ব্যাপক পৰিসৰৰ জ্ঞান আৰু পাঠ্যক্ৰমৰ উপৰিও স্থানীয় বিদ্যালয়বোৰত শিক্ষকতাৰ প্ৰশিক্ষণো প্ৰদান কৰা হ'ব। চাৰি বছৰীয়া ইণ্টিগ্ৰেটেড B.Ed. পাঠ্যক্ৰম আগবঢ়োৱা শৈক্ষিক প্ৰতিষ্ঠানসমূহে দুবছৰীয়া B.Ed. পাঠ্যক্ৰমো আগবঢ়াব। এই দুবছৰীয়া পাঠ্যক্ৰম সেইসকলে গ্ৰহণ কৰিব যি ইতিমধ্যে কোনো বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰিছে। সেইদৰে যিসকলে চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম অথবা দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰি বিষয় শিক্ষক হ'বলৈ বিচাৰে, তেওঁলোকৰ বাবে এবছৰীয়া B.Ed. পাঠ্যক্ৰম আগবঢ়োৱা হ'ব। এই সকলো B.Ed. পাঠ্যক্ৰম চাৰি বছৰীয়া ইণ্টিগ্ৰেটেড B.Ed. পাঠ্যক্ৰম আগবঢ়োৱা স্বীকৃত প্ৰতিষ্ঠানেহে আগবঢ়াব পাৰিব। চাৰি বছৰীয়া B.Ed. পাঠ্যক্ৰম আগবঢ়োৱা আৰু দূৰ শিক্ষাৰ স্বীকৃতি থকা প্ৰতিষ্ঠানে ভিতৰুৱা অঞ্চলৰ শিক্ষাৰ্থীক দূৰ শিক্ষাৰ মাধ্যমেৰে B.Ed. পাঠ্যক্ৰমৰ সুবিধা আগবঢ়াব। লগতে যিসকল শিক্ষকে নিজৰ অৰ্হতা বৃদ্ধি কৰিব বিচাৰে আৰু পৰিচালনা তথা প্ৰশিক্ষণৰ ক্ষেত্ৰত দক্ষতা বৃদ্ধি কৰিব বিচাৰে, তেওঁলোকে দূৰ শিক্ষাৰ জৰিয়তে B.Ed.ৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

5.24. সকলো B.Ed. পাঠ্যক্ৰমতে সময়োপযোগী আৰু শেহতীয়া কৌশলৰ ভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। লগতে মৌলিক শিক্ষাগত অৰ্হতা, সংখ্যাতত্ব, বহু স্তৰৰ শিক্ষণ আৰু মূল্যায়ন, দিব্যাংগসকলক শিক্ষাদান, শৈক্ষিক প্ৰযুক্তিৰ ব্যৱহাৰ আৰু সহযোগমূলক শিকণৰ দিশসমূহো এই পাঠ্যক্ৰমে সামৰি লয়। সকলো B.Ed. পাঠ্যক্ৰমত স্থানীয় বিদ্যালয়ত শ্ৰেণী শিক্ষণৰ প্ৰশিক্ষণৰ ব্যৱস্থা থকিব লাগিব। সকলো B.Ed. পাঠ্যক্ৰমে ভাৰতীয় সংবিধানত উল্লেখ থকা মৌলিক কৰ্তব্যৰ (অনুচ্ছেদ 51A) জ্ঞান প্ৰদান কৰাৰ লগতে শিক্ষাদান আৰু অন্য অনুৰূপ কাৰ্যৰ লগত জড়িত অন্য সংবিধানিক উল্লেখৰ বিষয়ে অৱগত কৰিব। এই পাঠ্যক্ৰমত পাৰিৱেশিক সমস্যা আৰু বহনক্ষম উন্নয়নৰ কথাও সন্নিৱিষ্ট কৰা হ'ব, যাতে পৰিৱেশ শিক্ষা বিদ্যালয়ৰ পাঠ্যক্ৰমৰ এক এৰাব-নোৱৰা অংশ হৈ পৰে।

5.25. স্থানীয় কৰ্মৰাজি, জ্ঞান আৰু কৌশল, যেনে, স্থানীয় চিত্ৰকলা, সংগীত, কৃষি, ব্যৱসায়, ক্ৰীড়া, কাঠৰ কাম আৰু অন্য তেনেধৰণৰ বৃত্তিমুখী কাম-কাজক উদগণি যোগোৱাৰ উদ্দেশ্যে যদি কোনো স্থানীয় লোকৰ প্ৰয়োজন হয়, তেনেতে তেওঁলোকক 'মূখ্য প্ৰশিক্ষক' (master instructors) হিচাপে নিযুক্তি প্ৰদান কৰিব পাৰিব। ইয়াৰ বাবে কম সময়ৰ শিক্ষক প্ৰশিক্ষণৰ পাঠ্যক্ৰম BITE, DIET আদিত উপলব্ধ কৰি তুলিব লাগিব।

5.26. যিসকল শিক্ষকে বিশেষ ক্ষেত্ৰসমূহত প্ৰৱেশ কৰিব বিচাৰে (যেনে, দিব্যাংগসকলক শিক্ষাদান, বিদ্যালয়ৰ প্ৰশাসনিক ক্ষেত্ৰ) বা প্ৰাথমিক, প্ৰাক-প্ৰাথমিক, মজলীয়া অথবা মাধ্যমিক স্তৰৰ মাজত এটাৰ পৰা আন এটালৈ যাব বিচাৰে, তেওঁলোকৰ বাবে B.Ed.ৰ পৰৱৰ্তী স্তৰত এক কম সময়ৰ চাৰ্টিফিকেট পাঠ্যক্ৰম আগবঢ়োৱা হ'ব। এই পাঠ্যক্ৰম বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত উপলব্ধ হ'ব।

5.27. লক্ষণীয়ভাৱে বিভিন্ন বিষয়ৰ শিক্ষাদান কৰাৰ উদ্দেশ্যে আন্তঃৰাষ্ট্ৰীয় স্তৰত বিভিন্ন শৈক্ষিক নীতিৰ প্ৰচলন আছে। এই শৈক্ষিক নীতিসমূহ NCERTএ অধ্যয়ন, গৱেষণা আৰু সংগ্ৰহ কৰিব আৰু এই নীতিসমূহৰ কোনবিলাক ভাৰতে গ্ৰহণ কৰিব আৰু কোনবিলাকৰ পৰা শিকিব পাৰি সেই সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিব।

5.28. 2021ৰ ভিতৰত নতুন শিক্ষা নীতি 2020ৰ ভিত্তিত NCTEএ NCERTৰ সহযোগত শিক্ষক শিক্ষাৰ বাবে ৰাষ্ট্ৰীয় পাঠক্ৰম আৰ্হি (National Curriculum Framework for Teacher Education - NCFTE) গঠন কৰিব। এই কাঠামো ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী/বিভাগ আৰু বিভিন্ন দক্ষ ব্যক্তিৰ সহযোগত প্ৰস্তুত কৰা হ'ব আৰু পৰৱৰ্তী সময়ত ইয়াক ভাষাতো উপলব্ধ কৰি তোলা হ'ব। NCFTE 2021 বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰত শিক্ষক প্ৰশিক্ষণৰ পাঠ্যক্ৰমকো সামৰি ল'ব। প্ৰতি 5-10 বছৰত NCFTE খন সংশোধন কৰা হ'ব। এই সংশোধিত NCFTEখনেও শিক্ষক প্ৰশিক্ষণৰ প্ৰয়োজনীয় দিশবোৰ সামৰি ল'ব।

5.29. শেষত, শিক্ষক প্ৰশিক্ষণৰ ব্যৱস্থাটোত সম্পূৰ্ণ স্বচ্ছতা ৰক্ষাৰ বাবে দেশত চলি থকা নিম্নমানৰ একক শিক্ষক প্ৰশিক্ষণৰ প্ৰতিষ্ঠানবোৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ'ব আৰু প্ৰয়োজন সাপেক্ষে এনে প্ৰতিষ্ঠান বন্ধও কৰি দিয়া হ'ব।

## 6. সমতা আৰু অন্তৰ্ভুক্তিমূলক শিক্ষা: সকলোৰে বাবে শিক্ষা

6.1. সামাজিক ন্যায় আৰু সমতা অৰ্জনৰ বাবে শিক্ষা হৈছে সৰ্বশ্ৰেষ্ঠ উপায়। ন্যায়সংগত আৰু অন্তৰ্ভুক্তিমূলক শিক্ষা-যদিও নিজৰ পৰিসীমাৰ ভিতৰত ই এক গুৰুত্বপূৰ্ণ লক্ষ্য, তথাপিও এখন ন্যায়সংগত আৰু অন্তৰ্ভুক্তিমূলক সমাজৰ লক্ষ্য পূৰণ কৰাটো সহজ নহয়, কিয়নো প্ৰতিজন নাগৰিকৰ সমানে সপোন দেখাৰ, উন্নতি কৰাৰ আৰু দেশৰ প্ৰতি অৱদান আগবঢ়োৱাৰ সুযোগ আছে। শিক্ষা প্ৰক্ৰিয়াটোৱে ভাৰতৰ শিশুসকলৰ উপকাৰ সাধন কৰাৰ লক্ষ্য গ্ৰহণ কৰিব লাগে যাতে কোনো শিশুৱে শিক্ষা লাভৰ সুবিধাৰ পৰা বঞ্চিত নহয় আৰু জন্মস্থান বা জন্ম সম্পৰ্কীয় পটভূমিৰ বাবে বাদ পৰি নাযায়। এই আঁচনিত থকা উল্লেখ অনুসৰি বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাত শিশুসকলক জড়িত কৰোৱাৰ ক্ষেত্ৰত সামাজিক দূৰত্বই যি বাধাৰ সৃষ্টি কৰিছে, সেই বাধাক দূৰ  কৰাও এই শিক্ষানীতিৰ এক লক্ষ্য হিচাপে পৰিগণিত হৈ আহিছে। এই অধ্যায়টো অধ্যায় 14ৰ সৈতে একেলগে অধ্যয়ন কৰিব পৰা যাব, য'ত উচ্চ শিক্ষাৰ সমতা আৰু অন্তৰ্ভুক্তিমূলক শিক্ষাৰ কথা আলোচনা কৰা হৈছে।

6.2. যি সময়ত ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু চৰকাৰী আঁচনিয়ে বিদ্যালয়ৰ শিক্ষাৰ প্ৰতিটো স্তৰত লিংগ আৰু শ্ৰেণীৰ ভিত্তিত সমাজত সৃষ্ট পাৰ্থক্যক দূৰ কৰিবলৈ চেষ্টা কৰিছে, সেই সময়ত বিশেষকৈ মধ্যমিক স্তৰত আৰ্থ-সামাজিক দিশত পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰত এক ব্যাপক বৈষম্য এতিয়াও বিদ্যমান। এই গোটসমূহ ঐতিহাসিকভাৱে শিক্ষাৰ পৰা বঞ্চিত হৈ আহিছে। সামাজিক-আৰ্থিকভাৱে পিছপৰা গোট (SEDG)ক বহলভাৱে লিংগ পৰিচয় (বিশেষকৈ মহিলা আৰু তৃতীয় লিংগৰ লোক), সামাজিক-সাংস্কৃতিক পৰিচয় (যেনে অনুসূচীত জাতি/জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু পিছপৰা শ্ৰেণী), ভৌগোলিক পৰিচয় (যেনে গ্ৰাম্য, সৰু চহৰ আৰু অন্যান্য জিলাক প্ৰতিনিধিত্ব কৰা অঞ্চল), অক্ষমতা (শিকণৰ অক্ষমতাও ইয়াত অন্তৰ্ভুক্ত) আৰু আৰ্থ-সামাজিক অৱস্থা (যেনে প্ৰব্ৰজিত সম্প্ৰদায়, নিম্ন আয়ৰ পৰিয়াল, বিভিন্ন স্পৰ্শকাতৰ অঞ্চলৰ শিশু, শিশু সৰবৰাহৰ বলি হোৱা শিশুসকল, চহৰাঞ্চল বা চহৰৰ পিছপৰা অঞ্চলৰ মাউৰা শিশুসকল) আদিৰ ভিত্তিত ভাগ কৰা হৈছে। বৰ্তমান সময়ত সামগ্ৰিকভাৱে শিক্ষাত অন্তৰ্ভুক্ত লোকৰ সংখ্যা শ্ৰেণী (Grade) 1ৰ পৰা শ্ৰেণী (Grade) 12লৈ নিম্নগামী হৈছে আৰু এই নিম্নগামিতাৰ হাৰ SEDGৰ শিশুসকলৰ মাজত সৰ্বাধিক। তাৰ ভিতৰত ছোৱালীৰ হাৰ অধিক আৰু এই হাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰতো লক্ষ্যণীয়। সামাজিক-সাংস্কৃতিক পৰিচয়ৰ ভিতৰত SEDGৰ এক চমু আলোকপাত তলত প্ৰদান কৰা হ'ল।

6.2.1. U-DISEৰ 2016-17ৰ তথ্য অনুসৰি, প্ৰাথমিক স্তৰৰ প্ৰায় 19.6% শিক্ষাৰ্থী অনুসূচীত জাতিৰ যদিও এই হাৰ উচ্চ মাধ্যমিকত 17.3%লৈ হ্ৰাস পায়। নামভৰ্ত্তিৰ এই ক্ৰমহ্ৰাসমান হাৰ অনুসূচীত জনজাতিৰ ক্ষেত্ৰত অধিক লক্ষ্যণীয় (10.6% ৰপৰা 6.8%লৈ)। বিশেষভাৱে সক্ষম শিশুৰ ক্ষেত্ৰত এই হাৰ 1.1%ৰ পৰা 0.25 শতাংশলৈ হোৱাৰ বিপৰীতে ছোৱালী শিক্ষাৰ্থীৰ ক্ষেত্ৰত এই হাৰ অধিক। উচ্চ শিক্ষাত এই হাৰ অত্যাধিক।

6.2.2. অনুসূচীত জাতিৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰত নামভৰ্তিৰ হাৰ কম হোৱাৰ অন্তৰালত উচ্চ মানদণ্ডৰ বিদ্যালয়ৰ অভাৱ, দৰিদ্ৰতা, সামাজিক নীতি – নিয়ম, ভাষা আদি কাৰকো নিহিত হৈ আছে। এই কাৰকসমূহ দূৰ কৰি অনুসূচীত জাতিৰ

শিক্ষাৰ্থীক শিক্ষা ব্যৱস্থাত জড়িত কৰোৱাটো মুখ্য লক্ষ্য হিচাপে চিহ্নিত হৈ আছে। সেইদৰে, সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা অন্য পিছপৰা শ্ৰেণীৰ (OBC) শিক্ষাৰ্থীসকলকো অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব।

6.2.3. অনুসূচীত জনজাতিৰ অন্তৰ্গত জনজাতীয় সম্প্ৰদায় আৰু শিশুসকলেও বিভিন্ন ঐতিহাসিক আৰু ভৌগোলিক কাৰণত অসুবিধাৰ সন্মুখীন হৈ আহিছে। জনজাতীয় সম্প্ৰদায়ৰ শিশুসকলে প্ৰায়ে বিদ্যালয়ৰ শিক্ষাক জীৱনৰ সৈতে অসম্পৰ্কিত বুলি ভাৱে। বৰ্তমান এনে জনজাতীয় সম্প্ৰদায়ৰ শিক্ষাৰ্থীৰ অৱস্থা ভাল কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে আৰু ভৱিষ্যতেও এনেধৰণৰ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব যাতে জনজাতীয় সম্প্ৰদায়ৰ শিশুসকলে বিভিন্ন সুবিধাৰ লাভ ল'ব পাৰে।

6.2.4. বিদ্যালয় আৰু উচ্চ শিক্ষাত সংখ্যালঘুসকলৰ উপস্থিতি কম। এই শিক্ষানীতিয়ে সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকলৰ মাজত (বিশেষকৈ যিবোৰ সম্প্ৰদায়ে শিক্ষাৰ সুবিধা লাভ কৰা নাই) শিক্ষাক জনপ্ৰিয় কৰাত গুৰুত্ব আৰোপ কৰিছে।

6.2.5. অন্যান্য শিশুসকলৰ দৰে দিব্যাংগ বা বিশেষ সুবিধা প্ৰয়োজন হোৱা শিশুসকলেও (SWSN) যাতে শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

6.2.6. তলত উল্লেখ কৰাৰ দৰে সামাজিক শ্ৰেণীৰ পাৰ্থক্যসমূহ হ্ৰাস কৰাৰ হেতু পৃথক কৌশল অৱলম্বন কৰিব লগিব।

6.3. ECCEৰ সন্দৰ্ভত উল্লেখ কৰা সমস্যা আৰু আগবঢ়োৱা পৰামৰ্শ, 1-3 অধ্যায়ত আলোচনা কৰা শিক্ষাগত আৰু সাংখ্যিক অৰ্হতা, নামভৰ্তি আৰু উপস্থিতি সম্বন্ধীয় দিশবোৰ কম প্ৰতিনিধিত্বৰ আৰু পিছপৰা গোটৰ ক্ষেত্ৰতো প্ৰযোজ্য। সেয়েহে, 1-3 অধ্যায়ৰ পদক্ষেপবোৰ SEDGৰ ক্ষেত্ৰতো গ্ৰহণ কৰা হ'ব।

6.4. ইয়াৰ উপৰিও, বিভিন্ন সফল আঁচনি আৰু পৰিকল্পনা, যেনে, জলপানিৰ ব্যৱস্থা, সন্তানক বিদ্যালয়লৈ পঠোৱাৰ বিনিময়ত অভিভাৱকক চৰ্ত সাপেক্ষ ধন প্ৰদান, যোগাযোগৰ বাবে চাইকেলৰ যোগান আদি আছে, যি বিদ্যালয়ত SEDGৰ উপস্থিতিৰ সংখ্যা লক্ষণীয়ভাৱে বৃদ্ধি কৰিছে। এনে সফল আঁচনি আৰু পৰিকল্পনাবোৰ সমগ্ৰ দেশতে শক্তিশালী কৰি তুলিব লাগে।

6.5. নিৰ্দিষ্ট SEDG কিছুমানৰ উন্নতিৰ বাবে নিৰ্দিষ্ট কিছুমান পদক্ষেপ আৰু গৱেষণাৰ প্ৰয়োজন। উদাহৰণস্বৰূপে, চাইকেলৰ যোগান আৰু বিদ্যালয়লৈ চাইকেল চলাই আৰু খোজ কাঢ়ি যোৱা দলৰ উপস্থিতিয়ে বিদ্যালয়ত এনে শিক্ষাৰ্থীৰ, বিশেষকৈ ছোৱালীৰ উপস্থিতি বৃদ্ধি কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। কিয়নো এই ব্যৱস্থাই সুৰক্ষাৰ দিশটো অধিক শক্তিশালী কৰিছে আৰু কম দূৰত্বৰ ক্ষেত্ৰতো ই এক কাৰ্যকৰী ব্যৱস্থা হিচাপে পৰিগণিত হৈছে। এজনৰ সলনি এজন শিক্ষক আৰু শিকাৰু, মুক্ত বিদ্যালয়ৰ ব্যৱস্থা, সঠিক আন্তঃগাঁথনি আৰু উপযুক্ত কাৰিকৰী ব্যৱস্থাই বিশেষভাৱে সক্ষম শিক্ষাৰ্থীক সহায় কৰিব পাৰে। প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ (ECCE) সঠিক সুবিধা আগবঢ়োৱা বিদ্যালয়সমূহ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিৱেচিত হয়। সেইদৰে, বিদ্যালয়ত উপস্থিতিৰ হাৰ আৰু শিকণৰ মানদণ্ড বৃদ্ধিৰ বাবে শিক্ষাৰ্থী, অভিভাৱক, বিদ্যালয় আৰু শিক্ষকৰ সৈতে একত্ৰিতভাৱে কাম কৰা পৰামৰ্শদাতাৰ ব্যৱস্থাটো পিছপৰা নগৰীয়া অঞ্চলৰ বাবে বিশেষভাৱে ফলপ্ৰসূ হয়।

6.6. প্ৰাপ্ত তথ্য অনুসৰি কিছুমান ভৌগোলিক অঞ্চলত অধিক পৰিমাণে SEDGৰ লোক পোৱা যায়। সেইদৰে, উচ্চাভিলাসী জিলা (Aspirational Districts) হিচাপে চিহ্নিত আন একাংশ ভৌগোলিক অঞ্চল আছে, যিবোৰত শৈক্ষিক উন্নয়নৰ বাবে বিশেষ পদক্ষেপ প্ৰয়োজনীয়। সেয়েহে, দেশৰ যিবোৰ অঞ্চলত শৈক্ষিকভাৱে অনগ্ৰসৰ SEDGৰ সংখ্যা অধিক, সেইবোৰ অঞ্চলক বিশেষ শৈক্ষিক ক্ষেত্ৰ (Special Education Zone - SEZ) হিচাপে ঘোষণা কৰিব লাগে। ইয়াৰ শৈক্ষিক ৰূপটো পৰিৱৰ্তন কৰিবলৈ সকলো আঁচনি আৰু পদক্ষেপ সৰ্বোৎকৃষ্ট ৰূপত ৰূপায়ণ কৰা হ'ব।

6.7. লক্ষণীয় যে, SEDGৰ অৰ্ধেক সংখ্যকেই হ'ল মহিলা। দুৰ্ভাগ্যবশতঃ, SEDGএ যি পৃথকীকৰণ আৰু অসমতাৰ সমস্যাৰ সন্মুখীন হৈ আছে, সেয়া বৃদ্ধি পাই অহাৰ মূলতে হ'ল এই শ্ৰেণীৰ মহিলাই সন্মুখীন হৈ অহা সমস্যাসমূহ। এই আঁচনিয়ে মহিলাই সমাজত গ্ৰহণ কৰা ভূমিকাক স্বীকৃতি প্ৰদান কৰাৰ লগতে বৰ্তমান আৰু ভৱিষ্যতে উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান কৰাৰ লক্ষ্য আগত লৈছে, যাতে SEDGৰ শৈক্ষিক স্তৰ বৃদ্ধি হয়। এইদৰে এই আঁচনি অনুসৰি SEDGৰ শিক্ষাৰ মানদণ্ড বৃদ্ধিৰ বাবে যিবোৰ পদক্ষেপ গ্ৰহণ কৰা হয়, সেই আটাইবোৰে ছোৱালীৰ শিক্ষাক লক্ষ্য হিচাপে গ্ৰহণ কৰিব লাগিব।

6.8. ইয়াৰ উপৰিও, সকলো ছোৱালী আৰু তৃতীয় লিংগৰ শিক্ষাৰ্থীক সম-পৰ্যায়ৰ শিক্ষা প্ৰদান কৰিবলৈ ভাৰত চৰকাৰে এটা 'লিংগ-অন্তৰ্ভুক্তি পুঁজি' (Gender-Inclusion Fund) গঠন কৰিব। ছোৱালী আৰু তৃতীয় লিংগৰ শিক্ষাৰ্থীৰ বাবে শিক্ষা উপলব্ধ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা অগ্ৰাধিকাৰৰ ভিত্তিত (যেনে, প্ৰস্ৰাৱগাৰৰ সুবিধা, চাইকেল, চৰ্তসাপেক্ষ ধন আদায়, আদি) এই ধনৰাশি ৰাজ্য চৰকাৰৰ ওচৰত উপলব্ধ হ'ব। শিক্ষা লাভৰ ক্ষেত্ৰত ছোৱালী আৰু তৃতীয় লিংগৰ শিশুৰ আগত যিবোৰ সাম্প্ৰদায়িক বাধা হেঙাৰ ৰূপে পৰিগণিত হয়, সেইবোৰ দূৰ কৰিবলৈও ৰাজ্য চৰকাৰক ধন আদায় দিয়া হ'ব। একেধৰণৰ 'অন্তৰ্ভুক্তিমূলক ধন'ৰ আঁচনি SEDGৰ অন্য সমস্যাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হ'ব। লগতে, এই আঁচনিয়ে যিকোনো লিংগ বা -আৰ্থ-সামাজিক দলৰ শিক্ষাৰ ক্ষেত্ৰত (বৃত্তিমুখী শিক্ষাকে ধৰি) দেখা দিয়া সমস্যাসমূহ আঁতৰ কৰাৰো লক্ষ্য আগত লৈছে।

6.9. যিবোৰ বিদ্যালয়লৈ শিক্ষাৰ্থীসকল দূৰ-দূৰণিৰ পৰা আহে, বিশেষকৈ সামাজিক–সাংস্কৃতিক দিশৰ পৰা পিছপৰা অঞ্চলসমূহৰ পৰা আহে, সেই বিদ্যালয়বোৰত জৱাহৰ নৱোদয় বিদ্যালয়ৰ মানদণ্ডৰ দৰে সকলো শিক্ষাৰ্থীৰ বাবে বিশেষকৈ ছোৱালীৰ বাবে সুৰক্ষিত আৱাস-নিৱাসৰ সুবিধা আগবঢ়োৱা হ'ব। সামাজিক-সাংস্কৃতিক দিশৰ পৰা পিছপৰা অঞ্চলৰ ছোৱালীক অধিক শিক্ষাৰ সুবিধা আগবঢ়াবলৈ (দ্বাদশ শ্ৰেণীলৈ) কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ সবলীকৰণ কৰা হ'ব। লগতে উচ্চ মানদণ্ডৰ শৈক্ষিক সুবিধা আগবঢ়াবলৈ দেশৰ বিভিন্ন অঞ্চলত (বিশেষকৈ উচ্চভিলাসী জিলা, বিশেষ শৈক্ষিক অঞ্চল আৰু অন্যান্য পিছপৰা অঞ্চলত) জৱাহৰ নৱোদয় বিদ্যালয় আৰু কেন্দ্ৰীয় বিদ্যালয় নিৰ্মাণ কৰা হ'ব। দেশৰ পিছপৰা অঞ্চলৰ কেন্দ্ৰীয় বিদ্যালয় আৰু অন্য প্ৰাথমিক বিদ্যালয়সমূহত প্ৰাক্-শৈশৱৰ উপযোগী শিক্ষাৰ বাবে এটা এবছৰীয়া প্ৰাক্-বিদ্যালয় শাখা সংযোগ কৰা হ'ব।

6.10. প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষা (ECCE) আৰু বিদ্যালয় ব্যৱস্থাটোত সমানভাৱে জড়িত কৰাটো এই আঁচনিৰ আন এটা গুৰুত্বপূৰ্ণ লক্ষ্য। বিশেষভাৱে সক্ষম শিশুৱে প্ৰাথমিক স্তৰৰ পৰা উচ্চ শিক্ষাৰ পৰ্যায়লৈ প্ৰতিটো স্তৰতে জড়িত হ'ব পাৰিব। বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ আইন (RPWD), 2016ত অন্তৰ্ভুক্তিমূলক শিক্ষাৰ বিষয়ে ব্যাখ্যা আগবঢ়াই কৈছে যে অন্তৰ্ভুক্তিমূলক শিক্ষা হৈছে এনে এটা শিক্ষা ব্যৱস্থা য'ত বিশেষভাৱে সক্ষম আৰু অন্যান্য সাধাৰণ শিশুৱে একেলগে শিক্ষা গ্ৰহণ কৰিব পাৰে আৰু শিক্ষণ আৰু শিকণ উভয় প্ৰক্ৰিয়াক বিশেষভাৱে সক্ষম লোকৰ প্ৰয়োজন পূৰণৰ বাবে গ্ৰহণ কৰিব পৰা যায়। এই শিক্ষানীতিয়ে বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ আইন, 2016ৰ সকলো পৰামৰ্শক মানি লৈছে। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ কাঠামো নিৰ্মাণৰ সময়ত NCERTএ National Institutes of DEPwDৰ দৰে দক্ষ সংস্থা বা ব্যক্তিৰ পৰামৰ্শ গ্ৰহণ কৰিব।

6.11. শেষত, বিদ্যালয়/বিদ্যালয়-গোটসমূহে বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলৰ উন্নয়নৰ বাবে বিশেষ সুবিধা আগবঢ়োৱাৰ লগতে সংমিশ্ৰিত-অক্ষমতাৰ প্ৰশিক্ষণযুক্ত বিশেষ প্ৰশিক্ষক নিযুক্তি, প্ৰয়োজন সাপেক্ষে একাধিক বা গুৰুতৰ অক্ষমতা থকা শিক্ষাৰ্থীৰ বাবে সম্পদ কেন্দ্ৰ স্থাপনৰ দৰে পদক্ষেপো গ্ৰহণ কৰা হ'ব। বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ আইন, 2016ৰ ভিত্তিত বিশেষভাৱে সক্ষম শিক্ষাৰ্থীক এটা বাধাহীন পৰিৱেশ আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে বিভিন্ন স্তৰৰ দিব্যাংগ লোকৰ প্ৰয়োজনো পৃথক-পৃথক হয়। বিদ্যালয় আৰু বিদ্যালয়-গোটসমূহে বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলৰ প্ৰয়োজনসমূহ পূৰ কৰি শ্ৰেণীত তেওঁলোকৰ উপস্থিতি নিশ্চিত কৰিবলৈ সম্পূৰ্ণ সুবিধা আৰু সমৰ্থন আগবঢ়াব। লগতে, সহায়ক সঁজুলি আৰু সঠিক প্ৰযুক্তি নিৰ্ভৰ আহিলা তথা পৰ্যাপ্ত ভাষাভিত্তিক শিক্ষণ-শিকণৰ সঁজুলি (যেনে, ডাঙৰ হৰফত বা ব্ৰেইল লিপিত পাঠ্যপুথি ছপা) বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ বাবে উপলব্ধ কৰোৱা হ'ব, যাতে

তেওঁলোকে শিক্ষকৰ সৈতে সহজে সম্পৰ্ক স্থাপন কৰিব পাৰে। এই পৰামৰ্শাৱলী কলা, ক্ৰীড়া আৰু বৃত্তিমুখী শিক্ষাৰ সকলো প্ৰতিষ্ঠানতে প্ৰযোজ্য হ'ব। NIOSএ ভাৰতীয় সাংকেতিক ভাষা শিকাবলৈ আৰু এই ভাষা ব্যৱহাৰ কৰি আনক বিভিন্ন বিষয়ৰ জ্ঞান প্ৰদান কৰিবলৈ এটা উচ্চ ক্ষমতাসম্পন্ন প্ৰযুক্তি নিৰ্মাণ কৰিব। বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হ'ব।

6.12. বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ আইন, 2016 অনুসৰি যিসকল শিক্ষাৰ্থীৰ নিৰ্ধাৰিত অক্ষমতা আছে, তেওঁলোকে দৈনিক অথবা বিশেষ বিদ্যালয়ৰ মাজৰ যিকোনো এটা ব্যৱস্থা নিৰ্বাচন কৰাৰ সুবিধা লাভ কৰিব। বিশেষ শিক্ষক সম্বলিত কেন্দ্ৰসমূহে গুৰুতৰ অথবা একাধিক অক্ষমতা থকা শিক্ষাৰ্থীৰ পুনৰ্বাস তথা শৈক্ষিক প্ৰয়োজনৰ দিশসমূহলৈ সমৰ্থন আগবঢ়োৱাৰ লগতে তেনে শিক্ষাৰ্থীৰ অভিভাৱকক উচ্চ মানৰ গৃহ শিক্ষণৰ দক্ষতা লাভৰ ক্ষেত্ৰত সহায় কৰিব। গুৰুতৰ বা একাধিক অক্ষমতা থকা যিসকল শিশুৱে বিদ্যালয়লৈ যাব নোৱাৰে, তেওঁলোকৰ বাবে গৃহ শিক্ষণ পদ্ধতিটোও এটা শিক্ষা গ্ৰহণৰ পদ্ধতি হৈ থাকিব। গৃহ শিক্ষা লাভ কৰা শিক্ষাৰ্থীসকলক অন্য পদ্ধতিৰ শিক্ষাৰ্থীসকলৰ সমানে অগ্ৰাধিকাৰ দিব লাগিব। সমতা আৰু মানদণ্ডৰ মাপকাঠিৰ ভিত্তিত গৃহ শিক্ষাৰ কাৰ্যকুশলতা সম্পৰ্কে এক সমীক্ষা চলোৱা হ'ব। বিশেষভাৱে সক্ষম লোকৰ অধিকাৰ আইন, 2016 আৰু এই সমীক্ষাৰ ফলাফলৰ ভিত্তিত এখন নিৰ্দেশাৱলী প্ৰস্তুত কৰা হ'ব। এনে বিশেষভাৱে সক্ষম শিশুৰ শিক্ষাৰ দায়িত্ব ৰাজ্যই গ্ৰহণ কৰিব আৰু পিতৃ-মাতৃসকলে যাতে নিজৰ সন্তানৰ অধ্যয়নৰ ক্ষেত্ৰত সমৰ্থন আগবঢ়াব পাৰে, তাৰ বাবে ব্যাপক পৰিসৰত প্ৰযুক্তি নিৰ্মাণ কৰা হ'ব।

6.13. অধিকাংশ শ্ৰেণীতে বিশেষভাৱে সক্ষম শিশু থাকে, যিসকলক অধ্যয়নৰ ক্ষেত্ৰত বিশেষ সমৰ্থনৰ প্ৰয়োজন হয়। গৱেষণাৰ পৰা এইটো বুজা গৈছে যে এনে সমৰ্থন যিমানেই সোনকালে আৰম্ভ হয়, সিমানেই শিশুটোৱে জীৱনত অগ্ৰগতি লাভ কৰাৰ সম্ভাৱনা থাকে। শিক্ষকে প্ৰাৰম্ভিক স্তৰতে শিকণৰ এনে অক্ষমতাক চিনাক্ত কৰি তেনে শিশুৰ বাবে পৃথকভাৱে পৰিকল্পনা কৰিব লাগে। এনে পৰিকল্পনা আৰু কাৰ্যব্যৱস্থাই সঠিক প্ৰযুক্তি তথা নমনীয় পাঠ্যক্ৰমৰ ব্যৱহাৰক অন্তৰ্ভুক্ত কৰে যিয়ে শিক্ষাৰ্থীক নিজৰ ক্ষমতা অনুসৰি আগুৱাই যোৱাত আৰু মূল্যায়ন তথা প্ৰমাণপত্ৰ প্ৰদানৰ এক উপযুক্ত পৰিৱেশ সৃষ্টিত সহায় কৰে। ৰাষ্ট্ৰীয় মূল্যায়ন কেন্দ্ৰ (National Assessment Centre), PARAKH আদি মূল্যায়নৰ সংস্থাবোৰে বিশেষভাৱে সক্ষম শিশুসকলৰ সমতা আৰু সুযোগৰ বাবে প্ৰাথমিক স্তৰৰ পৰা উচ্চ শিক্ষাৰ স্তৰলৈ (প্ৰৱেশ পৰীক্ষাকে ধৰি) এনে মূল্যায়নৰ উপযুক্ত নিৰ্দেশাৱলী প্ৰস্তুত কৰাৰ লগতে মূল্যায়নৰ ব্যৱস্থাটোক সুকলমে পৰিচালনা কৰিবলৈ বিভিন্ন সঁজুলিও নিৰ্মাণ কৰিব।

6.14. বিশেষভাৱে সক্ষম শিশুসকলক (শিকণৰ অক্ষমতা থকা শিশুকে ধৰি) কিদৰে শিকাব লাগিব, সেই সম্পৰ্কে সজাগতা আৰু জ্ঞান শিক্ষক প্ৰশিক্ষণ পাঠ্যক্ৰমৰ এটা গুৰুত্বপূৰ্ণ অংশ হ'ব। পিছপৰা শ্ৰেণীসমূহৰ উন্নতিৰ বাবে লিংগ সমতাৰ দিশত ল'বলগীয়া পদক্ষেপ সম্পৰ্কেও এনে পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব।

6.15. তেওঁলোকৰ পৰম্পৰা আৰু বিকল্প শৈক্ষিক নীতিৰ কাৰ্যকাৰিতাৰ বাবে বিকল্প বিদ্যালয় স্থাপনৰ ব্যৱস্থাক উদগণি যোগোৱা হ'ব। একে সময়তে, উচ্চ শিক্ষাত এনে শিক্ষাৰ অনুপস্থিতিৰ হাৰ হ্ৰাস কৰিবলৈ NCFSEৰ পৰামৰ্শ অনুসৰি তেওঁলোকৰ বিষয় আৰু শিকণৰ দিশবোৰলৈ সমৰ্থন আগবঢ়োৱা হ'ব। অৰ্থাৎ, এনে বিদ্যালয়ত বিজ্ঞান, গণিত, সমাজ বিজ্ঞান, হিন্দী, ইংৰাজী, ৰাজ্যিক ভাষা বা পাঠ্যক্ৰমত উল্লেখ থকা অন্য প্ৰয়োজনীয় বিষয় আৰম্ভ কৰিবলৈ আৰ্থিক সহায় আগবঢ়োৱা হ'ব। এই ব্যৱস্থাই এনে বিদ্যালয়ত 1-12 শ্ৰেণীলৈ অধ্যয়নৰত শিক্ষাৰ্থীৰ শিকণৰ ফলপ্ৰসুতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। ইয়াৰ উপৰিও, এনে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক ৰাজ্য বা অন্য শিক্ষা পৰিষদ বা NTAৰ দ্বাৰা পৰিচালিত পৰীক্ষাত বহিবলৈ অনুপ্ৰাণিত কৰা হ'ব আৰু এইদৰে তেওঁলোকক উচ্চ শিক্ষাতো নামভৰ্তিৰ সুযোগ প্ৰদান কৰা হ'ব। শিক্ষকসকলৰ বিজ্ঞান, গণিত, ভাষা আৰু সমাজ বিজ্ঞান শিক্ষণৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে নতুন শিক্ষা পৰিকল্পনাৰ লগতো পৰিচিত কৰি তোলা হ'ব। প্ৰয়োজনীয় কিতাপ, আলোচনী আৰু শিক্ষণ-শিকণৰ সঁজুলিৰ উপলব্ধি কৰি তুলি বিদ্যালয়ৰ পুথিভঁৰাল আৰু বিজ্ঞানাগাৰসমূহ সমৃদ্ধ কৰা হ'ব।

6.16. SEDGৰ ভিতৰত আৰু ওপৰত উল্লেখ কৰা আটাইকেইটা দিশৰ লগত সংগতি ৰক্ষা কৰি অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ শিশুসকলে সন্মুখীন হৈ অহা শৈক্ষিক উন্নয়নৰ বিভেদসমূহ আঁতৰ কৰা হ'ব। বিদ্যালয়ত

অংশগ্ৰহণকাৰীৰ সংখ্যা বৃদ্ধিৰ এক অংশ হিচাপে বিশেষ অঞ্চলবোৰত হোষ্টেল নিৰ্মাণ, সংযোগীকৰণৰ পাঠ্যক্ৰমৰ লগতে SEDGৰ অন্তৰ্গত মেধাৱী শিক্ষাৰ্থীবোৰক মাধ্যমিক স্তৰৰ পৰৱৰ্তী উচ্চ শিক্ষাৰ স্তৰত প্ৰৱেশৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ ব্যাপক হাৰত ৰেহাই আৰু জলপানিৰ দ্বাৰা আৰ্থিক সহায় আগবঢ়োৱা হ'ব।

6.17. প্ৰতিৰক্ষা মন্ত্ৰালয়, ৰাজ্য চৰকাৰে জনজাতীয় অঞ্চলকে আদি কৰি বিদ্যালয়সমূহত NCC শাখা মুকলি কৰিব পাৰিব। ই শিক্ষাৰ্থীৰ স্বাভাৱিক দক্ষতা আৰু বিশেষ ক্ষমতাৰ মাজত সামঞ্জস্য সৃষ্টি কৰিব, যাৰ ফলত পৰৱৰ্তী সময়ত তেওঁলোকক প্ৰতিৰক্ষা খণ্ডত সফল কৰ্মজীৱনৰ সুযোগ লাভ কৰিব পাৰিব।

6.18. SEDGৰ বাবে ঘোষণা কৰা সকলো সুবিধা, আঁচনি, জলপানিৰ ব্যৱস্থাৰ বিষয়ে এটা প্ৰতিষ্ঠানে, একেটা ৱেবছাইটত উপলব্ধ কৰিব, যাতে সকলো শিক্ষাৰ্থীয়ে এই আঁচনিবোৰৰ বিষয়ে গম পায় আৰু একেটা ব্যৱস্থাৰ জৰিয়তে সহজ পদ্ধতিৰে আবেদন কৰিব পাৰে।

6.19. ওপৰত উল্লেখ কৰা সকলো আঁচনি আৰু পৰিকল্পনাসমূহ SEDGৰ অন্তৰ্গত লোকসকলৰ ক্ষেত্ৰত সমতা অৰ্জনৰ ক্ষেত্ৰত প্ৰয়োজনীয় যদিও কেৱল এইকেইটা ব্যৱস্থাই পৰ্যাপ্ত নহয়। এই ক্ষেত্ৰত বিদ্যালয়ৰ সংস্কৃতিলৈ পৰিৱৰ্তন অনাটোও প্ৰয়োজনীয়। বিদ্যালয়ৰ ব্যৱস্থাটোৰ লগত জড়িত সকলো লোক যেনে শিক্ষক, অধ্যক্ষ, প্ৰশাসনিক বিষয়া, পৰামৰ্শদাতা আৰু শিক্ষাৰ্থী সকলোৱে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনৰ প্ৰতি সচেতন হোৱাৰ লগতে অন্তৰ্ভুক্তিকৰণ আৰু সমতা, সন্মান, মূল্যবোধ আৰু সকলো লোকৰ ব্যক্তিগত জীৱনৰ প্ৰতি এক উচ্চ মনোভাৱ গ্ৰহণ কৰিব লাগে। এনে শৈক্ষিক সংস্কৃতিয়ে সকলো শিক্ষাৰ্থীক একোজন সৱল মানৱ সম্পদ হিচাপে গঢ়ি তুলিব, যি ভৱিষ্যতে সমাজখনক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। অন্তৰ্ভুক্তিকৰণ আৰু সমতা সকলো শিক্ষক প্ৰশিক্ষণ (আৰু নেতৃত্ব, প্ৰশাসনিক কাম–কাজ তথা বিদ্যালয়ৰ অন্য পদত)ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব। শিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে SEDGৰ পৰা অধিক সংখ্যক গুণগত শিক্ষক আৰু দক্ষ প্ৰশাসনীয় বিষয়া নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

6.20. অন্তৰ্ভুক্তিমূলক বিদ্যালয় পাঠ্যক্ৰম গঢ়ি তোলাৰ উদ্দেশ্যে শিক্ষাৰ্থীসকলক শিক্ষক, প্ৰশিক্ষিত সমাজকৰ্মী আৰু পৰামৰ্শদাতাৰ দ্বাৰা প্ৰচলন কৰা নতুন বিদ্যালয়ৰ সংস্কৃতিৰ লগত পৰিচিত কৰোৱা হ'ব। বিদ্যালয় পাঠ্যক্ৰমে প্ৰথমাৱস্থাত সকলো লোককে সন্মান প্ৰদৰ্শন কৰা, সহমৰ্মিতা, সহনশীলতা, মানৱ অধিকাৰ, লিংগ সমতা, অহিংসা, বিশ্বজনীন নাগৰিকতা, অন্তৰ্ভুক্তি আৰু সমতাৰ দৰে মানৱীয় মূল্যবোধসমূহ অন্তৰ্ভুক্ত কৰিব। ইয়াৰ লগতে বিভিন্ন সংস্কৃতি, ধৰ্ম, ভাষা, লিংগ পৰিচয় আদিৰ উন্নয়নৰ জ্ঞান প্ৰদান কৰা হ'ব। যিকোনো পক্ষপাতিত্বমূলক আৰু গোড়ামী জড়িত বিষয় বিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰা আঁতৰ কৰাৰ লগতে সকলো সম্প্ৰদায়ৰ লগত জড়িত প্ৰাসংগিক বিষয়ৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হ'ব।

## 7. বিদ্যালয় চৌহদত ফলপ্ৰসু সম্পদ আৰু প্ৰভাৱী প্ৰশাসনীয় ব্যৱস্থা

7.1. সৰ্ব শিক্ষা অভিযানৰ অধীনত সমগ্ৰ দেশতে প্ৰাথমিক বিদ্যালয় স্থাপনৰ যি প্ৰচেষ্টা, সেয়া সমগ্ৰ শিক্ষা অভিযানৰ অধীনত চলাই নিয়া হ'ব। লগতে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা অন্য ফলপ্ৰসু পদক্ষেপবোৰে প্ৰাথমিক শিক্ষা আৰু প্ৰাথমিক বিদ্যালয়ৰ সাৰ্বজনীনকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে যথেষ্ট সংখ্যক বিদ্যালয় স্থাপনৰ বাট মুকলি হৈছে। 2016-17 চনৰ U-DISEৰ তথ্য অনুসৰি ভাৰতৰ ৰাজহুৱা খণ্ডৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰায় 28 শতাংশ আৰু ৰাজহুৱা উচ্চ প্ৰাথমিক বিদ্যালয়ৰ 14.8 শতাংশত 30 জনতকৈ কম শিক্ষাৰ্থী আছে। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীত (প্ৰথম-অষ্টম) থকা শিক্ষাৰ্থীৰ গড় সংখ্যা প্ৰায় 14 জন। ইয়াৰে অধিকাংশত এই সংখ্যা 6তকৈও কম। মন কৰিবলগীয়া যে 2016-17 চনত মাত্ৰ এজন শিক্ষক থকা বিদ্যালয়ৰ সংখ্যা আছিল 1,08,017 খন। ইয়াৰ অধিকাংশ বিদ্যালয়েই (85743 খন) হ'ল প্ৰথম-পঞ্চম শ্ৰেণীলৈ থকা প্ৰাথমিক বিদ্যালয়।

7.2. শিক্ষকৰ নিযুক্তি আৰু শাৰীৰিক সম্পদৰ বিধানৰ ক্ষেত্ৰত এই সৰু আকাৰৰ বিদ্যালয়বোৰ অৰ্থনৈতিকভাৱে নিম্ন মানদণ্ডৰ আৰু প্ৰশাসনিক পৰিচালনাৰ ক্ষেত্ৰত জটিল হয়। শিক্ষকসকলে প্ৰায়ে একে সময়তে একাধিক শ্ৰেণী আৰু বিষয়ত পাঠদান কৰে। এই ক্ষেত্ৰত তেওঁলোকে এনে কিছুমান বিষয়ত পাঠদান কৰে, যিবোৰত তেওঁলোকৰ বিশেষ জ্ঞান নথাকে। উদাহৰণস্বৰূপে, সংগীত, কলা আৰু ক্ৰীড়াৰ দৰে বিষয়ৰ কথা ক'ব পাৰি। এই বিষয়বোৰৰ বাবে প্ৰয়োজনীয় বিজ্ঞানাগাৰ আৰু গ্ৰন্থাগাৰ এনে বিদ্যালয়ত সততে থকা দেখা নাযায়।

7.3. সৰু বিদ্যালয়ৰ এনে পৃথকীকৰণৰ এক বিয়োগাত্মক প্ৰভাৱ শিক্ষা আৰু শিক্ষণ – শিকণৰ প্ৰক্ৰিয়াৰ ওপৰতো পৰে। শিক্ষক আৰু শিক্ষাৰ্থীয়ে গোট আৰু দলত অধিক কাৰ্যকৰী ৰূপত কাম কৰে। সৰু বিদ্যালয়বোৰে প্ৰশাসনিক আৰু পৰিচালনাৰ ক্ষেত্ৰত এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। ভৌগোলিক বিক্ষিপ্তকৰণ, প্ৰত্যাহ্বানমূলক পৰিস্থিতি আৰু বিদ্যালয়ৰ বৰ্দ্ধিত সংখ্যাই সকলো বিদ্যালয়ৰ লগত সমানে সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত কঠিন কৰি তুলিছে। প্ৰশাসনিক গাঁথনি বৰ্দ্ধিত বিদ্যালয়ৰ সংখ্যা তথা সমগ্ৰ শিক্ষা আঁচনিৰ লগত সম্পৰ্কিত হোৱা নাই।

7.4. যদিও বিদ্যালয়ৰ একত্ৰীকৰণ সততে আলোচনা কৰা দিশবোৰৰ ভিতৰত এটা হিচাপে বিবেচিত, তথাপি এই প্ৰক্ৰিয়াটো ন্যায়সম্পন্নভাৱে সম্পাদন কৰিব লাগে আৰু এয়া নিশ্চিত কৰিব লাগে যে এই কাৰ্যৰ পৰা কোনো বিৰূপ প্ৰভাৱ নপৰে। অৱশ্যে এনে পদক্ষেপ কিছুসংখ্যক একত্ৰীকৰণৰ ক্ষেত্ৰতহে দেখা যায় আৰু ই অসংখ্য সৰু বিদ্যালয়ৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা সামগ্ৰিক গাঁথনিমূলক সমস্যা আৰু প্ৰত্যাহ্বানসমূহ সমাধান কৰিব নোৱাৰে।

7.5. বিদ্যালয়সমূহৰ একত্ৰীকৰণৰ ক্ষেত্ৰত দেখা দিয়া এই সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলবোৰে 2025ৰ ভিতৰত নতুন উদ্ভাৱনীমূলক পদক্ষেপ গ্ৰহণ কৰিব। এনে পদক্ষেপৰ মূল লক্ষ্যসমূহ হ'ল – (ক) চিত্ৰকলা, সংগীত, ক্ৰীড়া, ভাষা, বৃত্তিমুখী শিক্ষা আদিকে ধৰি প্ৰতিটো বিষয় শিকাব পৰা পৰ্যাপ্ত শিক্ষক আৰু সমাজসেৱী নিযুক্তি দিয়া; (খ) গ্ৰন্থাগাৰ, বিজ্ঞানাগাৰ, কম্পিউটাৰ লেব, কৌশল বিকাশৰ লেব, খেলপথাৰ, ক্ৰীড়া সামগ্ৰী আৰু সুবিধা আদি পৰ্যাপ্ত সুবিধা প্ৰদান কৰা; (গ) যৌথ পেছাদাৰী বিকাশৰ জৰিয়তে শিক্ষক, শিক্ষাৰ্থী আৰু বিদ্যালয়ৰ পৃথকীকৰণ দূৰ কৰি সম্প্ৰদায়মূলক মনোভাৱ বৃদ্ধিৰ বাবে চেষ্টা কৰা। এই ক্ষেত্ৰত শিক্ষণ–শিকণৰ বিষয়কেন্দ্ৰিক কাৰ্যাৱলী, কুইজ আৰু তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা, চিত্ৰকলা তথা বিজ্ঞান, প্ৰদৰ্শনী, বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ বাবে বিশেষ প্ৰদৰ্শনীৰ দৰে যৌথ কাৰ্যাৱলী অনুষ্ঠিত কৰা, আদি পদক্ষেপ গ্ৰহণ কৰিব পাৰে; (ঘ) বিদ্যালয়ত বিশেষভাৱে সক্ষম শিক্ষাৰ্থীক সকলো প্ৰকাৰে সমৰ্থন আৰু সহায় কৰা; (ঙ) প্ৰাথমিক তথা মাধ্যমিক স্তৰত বিদ্যালয় ব্যৱস্থাটোৰ লগত জড়িত সকলো লোক, যেনে, অধ্যক্ষ, শিক্ষক আৰু অন্যান্য অংশগ্ৰহণকাৰীসকলক এটা দল হিচাপে গণ্য কৰা হ'ব, যাতে ই স্ব-শাসিত গোট হিচাপে পৰিগণিত হয়।

7.6. ওপৰৰ লক্ষ্যসমূহ প্ৰাপ্তিৰ বাবে এটা উপায় হ'ল এটা অখণ্ড বিদ্যালয়-গোট স্থাপন কৰা। এই ব্যৱস্থাৰ জৰিয়তে এখন মাধ্যমিক বিদ্যালয়ক ইয়াৰ পাঁচৰ পৰা দহ কিলোমিটাৰৰ ভিতৰত চুবুৰীয়া নিম্ন বিদ্যালয় আৰু অংগনৱাড়ীকে ধৰি সকলো বিদ্যালয় একত্ৰিত কৰা হ'ব। এই পৰামৰ্শ 1964-66 চনৰ শিক্ষা আয়োগে আগবঢ়াইছিল যদিও ইয়াক কাৰ্যকৰী কৰা হোৱা নাছিল। এই আয়োগে য'ত সুবিধা হয়, তাত বিদ্যালয়-গোট স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই বিদ্যালয় চৌহদত সকলো প্ৰকাৰ সম্পদ উপলব্ধ কৰি তোলাৰ লগতে পৰিচালনা, সহযোগিতা, নেতৃত্ব, প্ৰশাসনৰ ক্ষেত্ৰত অধিক প্ৰভাৱী হ'ব।

7.7. বিদ্যালয়-গোট স্থাপন আৰু ইয়াৰ চৌহদত উপলব্ধ সম্পদসমূহৰ ভাগ-বটোৱাৰাৰ দ্বাৰা বিভিন্ন লাভালাভ পোৱা যায়। বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলৰ প্ৰতি বিষয়ভিত্তিক কেন্দ্ৰৰ তথা শৈক্ষিক/ক্ৰীড়া/চিত্ৰকলা/হস্তশিল্প আদিত অধিক সমৰ্থন আগবঢ়োৱা, প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে অনলাইন পদ্ধতিৰে বিভিন্ন শিক্ষকৰ অংশগ্ৰহণৰ দ্বাৰা চিত্ৰকলা, সংগীত, ভাষা, বৃত্তিমুখী, শাৰীৰিক শিক্ষা আৰু অন্যান্য বিষয়ৰ জ্ঞান প্ৰদান কৰা, শিক্ষাৰ্থীৰ উন্নতমানৰ সমৰ্থন, নামভৰ্তি, উপস্থিতি আৰু সমাজসেৱী আৰু পৰামৰ্শদাতা তথা বিদ্যালয় চৌহদ তত্ত্বাৱধায়ক সমিতিৰ কাৰ্যকলাপৰ জৰিয়তে বিদ্যালয়ৰ পৰিচালনা, পৰ্যৱেক্ষণ, উদ্ভাৱনক এক নতুন মাত্ৰা প্ৰদান কৰিব পৰা যায়। শিক্ষক, ছাত্ৰ, কৰ্মী, অভিভাৱক আৰু স্থানীয় নাগৰিকে বিদ্যালয়ৰ ব্যৱস্থাটোক শক্তিশালী কৰি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিব।

7.8. বিদ্যালয়ৰ পৰিচালনাৰ ব্যৱস্থাটোকো উন্নত কৰি বিদ্যালয়-গোটক অধিক কাৰ্যকৰী কৰি তোলা হ'ব। প্ৰথমতে, বিদ্যালয়-গোটৰ সকলো দায়িত্ব DSEক প্ৰদান কৰা হ'ব। ই অৰ্ধ-স্বায়ত্বশাসিত এক সংস্থা হিচাপে কাৰ্য সম্পাদন কৰিব। জিলা শৈক্ষিক বিষয়া (DEO) আৰু মণ্ডল শৈক্ষিক বিষয়াই (BEO) ব্যক্তিগতভাৱে এটা গোট হিচাপে সকলো গোটৰ লগত সম্পৰ্ক স্থাপন কৰিব। গোটটোৱে জিলা শৈক্ষিক বিষয়াই ধাৰ্য কৰা বিভিন্ন কাম সম্পাদন কৰাৰ লগতে ইয়াৰ অধীনৰ বিদ্যালয়বোৰৰ লগত সম্পৰ্ক ৰক্ষা কৰিব। শিক্ষানীতি আৰু পাঠ্যক্ৰম, ৰাষ্ট্ৰীয় পাঠ্যক্ৰম সংৰচনা (NCF) আৰু ৰাজ্যিক পাঠ্যক্ৰম সংৰচনা (SCF) লগত সম্পৰ্ক ৰক্ষা কৰি নিৰৱচ্ছিন্ন শিক্ষা প্ৰদানৰ বাবে বাবে ৰাজ্যিক শিক্ষা বিষয়াই বিদ্যালয়-গোটসমূহক স্বায়ত্বশাসন প্ৰদান কৰিব। গোটটো অধিক কাৰ্যক্ষম আৰু উদ্ভাৱনীমূলক কৰিবলৈ এই সংস্থাৰ অধীনত বিদ্যালয়বোৰে সামৰ্থ্য লাভ কৰিব। একেদৰে, DSEএ কাৰ্যকুশলতাৰ সকলো দিশৰ উন্নতিৰ জৰিয়তে সামগ্ৰিক লক্ষ্য প্ৰাপ্তিৰ বাবে চেষ্টা কৰিব।

7.9. হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ মাজেৰে কাম কৰাৰ সংস্কৃতি এই গোটবোৰত গঢ়ি তোলা হ'ব। বিদ্যালয়সমূহে তেওঁলোকৰ SMCৰ সহযোগত তেওঁলোকৰ নিজৰ নিজৰ পৰিকল্পনা গ্ৰহণ কৰিব। এই পৰিকল্পনাবোৰ পৰৱৰ্তী সময়ত বিদ্যালয়-গোট উন্নয়নৰ ভিত্তি হিচাপে পৰিগণিত হ'ব। এই পৰিকল্পনাত বিদ্যালয়-গোটৰ লগত জড়িত অন্য সকলো বিদ্যালয়, যেনে, বৃত্তিমুখী শিক্ষাৰ প্ৰতিষ্ঠান আদিৰ পৰিকল্পনাক সামৰি লয়। এই পৰিকল্পনা SCMCৰ সহযোগত সকলো অধ্যক্ষ আৰু শিক্ষকে প্ৰস্তুত কৰে আৰু পৰৱৰ্তী সময়ত ইয়াক ৰাজহুৱা কৰা হয়। পৰিকল্পনাসমূহে মানৱ সম্পদ, শিকণৰ সম্পদ, দৈহিক সম্পদ আৰু আন্তঃগাঁথনি, উন্নয়নৰ পদক্ষেপ, আৰ্থিক সম্পদ, বিদ্যালয়ৰ সংস্কৃতি, শিক্ষক উন্নয়নৰ পৰিকল্পনা আৰু শৈক্ষিক ফলাফলৰ দৰে দিশবোৰ সামৰি লয়। পৰিকল্পনাসমূহত বিদ্যালয় চৌহদৰ শিক্ষক আৰু ছাত্ৰৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে, যাতে সমাজত একোটা শিক্ষিত সম্প্ৰদায়ৰ সৃষ্টি হয়। DSEকে ধৰি SDP আৰু SCDP বিদ্যালয়ৰ সকলো অংশগ্ৰহণকাৰীৰ মাজত সম্পৰ্ক স্থাপন কৰাৰ এক প্ৰাথমিক আহিলা। বিদ্যালয়ৰ পৰিচালনা, নীতি আৰু পৰিকল্পনাৰ কাৰ্যকৰীকৰণৰ বাবে SMC আৰু SCMCএ SDP আৰু SCDP ব্যৱহাৰ কৰিব। DSEএ ইয়াৰ প্ৰাসংগিক ব্যক্তিৰ দ্বাৰা প্ৰতিখন বিদ্যালয়ৰ SCDP নিৰ্ধাৰণ কৰিব। তাৰ পাছত SCDP কাৰ্যকৰীকৰণৰ বাবে হ্ৰস্বম্যাদী (1 বছৰ) আৰু দীৰ্ঘম্যাদী (3-5 বছৰ) বিভিন্ন সম্পদ (যেনে দৈহিক, মানৱীয়, আৰ্থিক আদি) প্ৰদান কৰিব। ইয়াৰ উপৰিও ই শিক্ষাৰ ফলপ্ৰসুতাৰ বাবে বিদ্যালয়-গোটক অন্য সকলো প্ৰাসংগিক সমৰ্থন আগবঢ়াব। DSE আৰু SCERTএ SDP আৰু SCDP উন্নয়নৰ বাবে বিভিন্ন নীতি (যেনে, আৰ্থিক, প্ৰক্ৰিয়া) আদি বিদ্যালয়ৰ সৈতে ভগাই ল'ব। এই নীতিৰ সময়ানুসৰি পৰিৱৰ্তন সাধন কৰা হ'ব।

7.10. বিভিন্ন বিদ্যালয়, জনসাধাৰণ আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ মাজত যোগাত্মক সহযোগিতা বৃদ্ধিৰ বাবে সমগ্ৰ দেশত এখন ৰাজহুৱা খণ্ডৰ বিদ্যালয়ৰ লগত এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ক সংযোগ কৰা হ'ব, যাতে সংযোগ কৰা বিদ্যালয়বোৰে পৰস্পৰে পৰস্পৰৰ প্ৰতি সহযোগিতা আগবঢ়োৱাৰ লগতে এখনে আনখনৰ পৰা শিকিব আৰু সম্পদ সন্মিলিতভাৱে ব্যৱহাৰ কৰিব পাৰিব। ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শ্ৰেষ্ঠ কাৰ্যসমূহ তথ্যাকাৰে লিপিৱদ্ধ কৰাৰ লগতে সেইবোৰ আনক জনোৱা হ'ব আৰু ৰাজহুৱা খণ্ডৰ বিদ্যালয়ত এইবোৰ কাৰ্যকৰী কৰা হ'ব। সেইদৰে ৰাজহুৱা খণ্ডৰ শ্ৰেষ্ঠত্বখিনিও ব্যক্তিগত খণ্ডৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

7.11. সকলো ৰাজ্যকে 'বাল ভৱন' স্থাপন কৰিবলৈ অথবা ইতিমধ্যে স্থাপিত 'বাল ভৱন'ৰ উন্নতি সাধন কৰিবলৈ উৎসাহিত কৰা হ'ব, যাতে শিশুসকলে সপ্তাহটোত কমেও এবাৰ বা ততোধিক বাৰ গৈ চিত্ৰকলা/কৰ্মজীৱন/ক্ৰীড়া সম্পৰ্কীয় কাৰ্যসমূহ কৰিব পাৰে। এনে বাল ভৱন বিদ্যালয়-গোটৰ এক অংশ হিচাপেও প্ৰতিষ্ঠা কৰিব পাৰিব।

7.12. বিদ্যালয় সমগ্ৰ সম্প্ৰদায়ৰ এক সন্মানৰ বিষয় হিচাপে পৰিগণিত হোৱা উচিত। এটা শৈক্ষিক প্ৰতিষ্ঠান হিচাপে বিদ্যালয়ৰ যি সন্মান সেয়া অক্ষুণ্ণ থাকিব লাগে আৰু প্ৰতিষ্ঠা দিৱসৰ দৰে বিদ্যালয়ৰ গুৰুত্বপূৰ্ণ দিনবোৰ সমাজৰ সৈতে উদ্‌যাপন কৰাৰ লগতে কৃতী প্ৰাক্তন শিক্ষাৰ্থীৰ নাম ৰাজহুৱা কৰি তেওঁলোকক সন্মানিত কৰিব লাগে। তদুপৰি, বিদ্যালয়ত অব্যৱহৃত হৈ ৰোৱা আন্তঃগাঁথনিসমূহ সামাজিক, বৌদ্ধিক আৰু স্বেচ্ছামূলক সেৱাৰ বাবে ব্যৱহাৰ কৰাৰ লগতে বিদ্যালয়ৰ শিক্ষাদানৰ অন্তৰ্ভুক্ত নোহোৱা সময়খিনিত এই আন্তঃগাঁথনি সামাজিক চেতনা কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰিব।

## 8. মানদণ্ড নিৰূপণ আৰু বিদ্যালয় শিক্ষাৰ মূল্যায়ন

8.1. নিৰৱচ্ছিন্নভাৱে শৈক্ষিক ফলাফলসমূহ উন্নত কৰাটো বিদ্যালয় শিক্ষা ব্যৱস্থাৰ এটা লক্ষ্য হিচাপে চিহ্নিত। এই ব্যৱস্থাই কেতিয়াও বিদ্যালয়, উদ্ভাৱনক বাধা দিব নেলাগে; লগতে শিক্ষক, অধ্যক্ষ আৰু শিক্ষাৰ্থীক নিৰাশ কৰিব নেলাগে। গতিকে সাধাৰণভাৱে ক'বলৈ গ'লে এই নীতিয়ে বিদ্যালয় আৰু ইয়াৰ শিক্ষকসকলক শক্তিশালী কৰাৰ লগতে তেওঁলোকক তেওঁলোকৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াবলৈ অনুপ্ৰাণিত কৰে আৰু সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰ স্বচ্ছতা বজাই ৰাখিবলৈ তথা সকলো আৰ্থিক, নৈতিক আৰু শৈক্ষিক দিশ ৰাজহুৱা কৰিবলৈ উৎসাহিত কৰে।

8.2. বৰ্তমান সময়ত, বিদ্যালয় শিক্ষাৰ পৰিচালনাৰ ব্যৱস্থাটোৰ প্ৰায় আটাইবোৰ গুৰুত্বপূৰ্ণ কাম যেনে, ৰাজহুৱা শিক্ষাৰ সকলো ব্যৱস্থা, শিক্ষা প্ৰতিষ্ঠানৰ পৰিচালনা আৰু নীতি নিৰ্ধাৰণ আদি সকলো এটা প্ৰতিষ্ঠানে নিৰ্ধাৰণ কৰি আছে। সেইটো হৈছে – বিদ্যালয় শিক্ষা বিভাগ (Department of School Education) আৰু ইয়াৰ অংগসমূহ। ইয়াৰ পৰিণতিত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মতবিৰোধ আৰু ক্ষমতাৰ অত্যাধিক কেন্দ্ৰীকৰণৰ দৰে সমস্যাৰ সৃষ্টি হৈছে। ইয়াৰ পৰিণতিত বিদ্যালয় ব্যৱস্থাটোৰ প্ৰভাৱহীন পৰিচালনা, অন্য দায়িত্বৰ ওপৰত অধিক গুৰুত্ব আৰোপৰ ফলত উচ্চ মানদণ্ডৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত বাধা আদিৰ দৰে প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে।

8.3. বৰ্তমানৰ নীতি-নিৰ্দেশাৱলীয়ে শিক্ষাৰ বাণিজ্যিকীকৰণ আৰু অভিভাৱকক ব্যক্তিগত বিদ্যালয়ৰ লুণ্ঠনৰ দৰে ঘটনাক বন্ধ কৰিব পৰা নাই। একে সময়তে ৰাজহুৱা দৃষ্টিভংগীৰে উজ্জীৱিত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ক নিৰুৎসাহিত কৰিছে। যদিও ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু ৰাজহুৱা বিদ্যালয় লক্ষ্য একে (গুণগত শিক্ষা প্ৰদান কৰা), তথাপি উভয়ৰে মাজত যথেষ্ট পাৰ্থক্য আছে।

8.4. ৰাজহুৱা শিক্ষা ব্যৱস্থাটো এখন প্ৰতিশ্ৰুতিসম্পন্ন গণতান্ত্ৰিক সমাজৰ আধাৰ আৰু ইয়াৰ পৰিচালন পদ্ধতিৰ ওপৰতে দেশ এখনৰ শিক্ষা ব্যৱস্থাটোৱে শীৰ্ষতম স্তৰ লাভ কৰাৰ দিশটো নিৰ্ভৰ কৰি আছে। একে সময়তে, ব্যক্তিগত/মানৱহিতৈষী বিদ্যালয়সমূহকো শৈক্ষিক ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ ক্ষেত্ৰত উৎসাহিত কৰিব লাগিব।

8.5. ৰাজ্যিক বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাটোৰ সম্পৰ্কত গ্ৰহণ কৰিবলগীয়া গুৰুত্বপূৰ্ণ পৰামৰ্শসমূহ এনেধৰণৰ-

ক) ৰাজ্যিক স্তৰৰ বিদ্যালয় শিক্ষাৰ শীৰ্ষ বিভাগ 'বিদ্যালয় শিক্ষাৰ বিভাগ'এ ৰাজহুৱা শিক্ষা ব্যৱস্থাটোৰ ক্ৰমাগত উন্নতিৰ বাবে পৰিকল্পনা প্ৰস্তুত আৰু পৰ্যৱেক্ষণ কৰিব। ৰাজহুৱা খণ্ডৰ বিদ্যালয়ৰ উন্নতিৰ বাবে আৰু অগ্ৰাধিকাৰ বৈষম্য আঁতৰ কৰাৰ উদ্দেশ্যে ই বিদ্যালয়ৰ পৰিসৰ আৰু কাৰ্যপ্ৰণালীৰ মাজত হস্তক্ষেপ নকৰিব।

খ) সমগ্ৰ ৰাজ্যৰ ৰাজহুৱা বিদ্যালয় ব্যৱস্থাটোৰ দায়িত্ব বিদ্যালয় শিক্ষাৰ সঞ্চালকালয়ে (DEO আৰু BEO অফিচ আদিকে ধৰি) গ্ৰহণ কৰিব। ই শৈক্ষিক কাৰ্যপ্ৰণালী আৰু পৰিসৰকেন্দ্ৰিক পৰিকল্পনাসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত স্বাধীনভাৱে কাম কৰিব।

গ) শিক্ষাৰ উচ্চ মানদণ্ড প্ৰাপ্তিৰ বাবে প্ৰাক্-প্ৰাথমিক বিদ্যালয়কে ধৰি ব্যক্তিগত, ৰাজহুৱা আৰু জন-হিতৈষী আদি সকলো প্ৰকাৰৰ বিদ্যালয়ৰ প্ৰতিটো স্তৰৰ বাবে একোটা স্ব-মূল্যায়নৰ ব্যৱস্থা প্ৰস্তুত কৰা হ'ব। সকলো বিদ্যালয়ে যাতে নিম্নতম মানদণ্ড ৰক্ষা কৰে, তাক সুনিশ্চিত কৰিবলৈ ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰসমূহে 'ৰাজ্যিক বিদ্যালয় মান নিৰূপক সংস্থা' (SSSA) স্থাপন কৰিব। এই সংস্থাটোৱে কিছুমান মৌলিক মূল্যমানৰ (যেনে, সুৰক্ষা, নিৰাপত্তা, প্ৰাথমিক আন্তঃগাঁথনি, বিভিন্ন বিষয়ৰ শিক্ষক, আৰ্থিক দিশ, পৰিচালনাৰ নীতি আদি) ভিত্তিত নিম্নতম মানদণ্ড ধাৰ্য কৰিব আৰু এই মানদণ্ড সকলো বিদ্যালয়ে অনুসৰণ কৰিব লাগিব। এই সমগ্ৰ প্ৰক্ৰিয়াৰ কাঠামো SCERTএ বিভিন্ন বিদ্যালয় আৰু শিক্ষকৰ পৰামৰ্শ অনুসৰি নিৰ্মাণ কৰিব।

SSSAএ ধাৰ্য কৰা অনুসৰি পৰিচালনাৰ সকলো প্ৰাথমিক তথ্য স্বচ্ছতাৰ বাবে ৰাজহুৱাভাৱে তদাৰক আৰু জবাবদিহি কৰা হ'ব। বিদ্যালয়ৰ বাবে মানদণ্ড নিৰ্ধাৰণৰ বিশ্বৰ সৰ্বোত্তম প্ৰয়াসৰ ভিত্তিত SSSA বিভিন্ন পৰিসৰ নিৰ্ধাৰণ কৰিব, যাৰ জৰিয়তে তথ্য প্ৰকাশ কৰাৰ লগতে বিদ্যালয়বোৰৰ মান নিৰ্ধাৰণ কৰা হ'ব। এই তথ্যসমূহত শেহতীয়াখিনি যোগ কৰি SSSAৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু বিদ্যালয়ৰ নিজৰ ৱেবছাইটত ৰাজহুৱা কৰাৰ লগতে সকলো বিদ্যালয়ে তথ্যসমূহ সঠিকভাৱে প্ৰদান কৰিব লাগিব। অংশীদাৰ বা অন্য কোনোৱে ৰাজহুৱা তথ্যৰ ভিত্তিত উত্থাপন কৰা কোনো অভিযোগ SSSAএ নিষ্পত্তি কৰিব লাগিব। যাদৃচ্ছিকভাৱে নিৰ্বাচন কৰা কোনো শিক্ষাৰ্থীৰ পৰা সময়ে সময়ে গ্ৰহণ কৰা মন্তব্য অনলাইনত উপলব্ধ কৰোৱা হ'ব। SSSAৰ সকলো কাৰ্যত স্বচ্ছতা বজাই ৰাখিবলৈ উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰিব। ই বৰ্তমান বিদ্যালয়বোৰে সন্মুখীন হৈ অহা বিভিন্ন দায়িত্বৰ চাপ হ্ৰাস কৰিব।

ঘ) শৈক্ষিক মানদণ্ড আৰু পাঠ্যক্ৰমকে ধৰি ৰাজ্যৰ শৈক্ষিক দিশসমূহ SCERTএ (NCERTৰ পৰামৰ্শ আৰু সহযোগিতাত) চোৱা-চিতা কৰিব। এই ক্ষেত্ৰত SCERTক এটা সংস্থা হিচাপে গঢ়ি তোলা হ'ব। SCERTএ সকলো অংশীদাৰৰ সহযোগিতাত এক বিদ্যালয়ৰ মানদণ্ড নিৰূপণ আৰু মূল্যায়নৰ গাঁথনি (School Quality Assessment and Accreditation Framework, SQAAF) প্ৰস্তুত কৰিব। SCERTএ CRC, BRC আৰু DIET পুনৰ্জ্জীৱনৰ বাবে 'পৰিচালনাৰ প্ৰক্ৰিয়াৰ পৰিৱৰ্তন' শীৰ্ষক এক আঁচনি গ্ৰহণ কৰিব যি অনাগত 3 বছৰৰ ভিতৰত এই প্ৰতিষ্ঠানবোৰৰ ক্ষমতা তথা কৰ্মসংস্কৃতি পৰিৱৰ্তন কৰাৰ লগতে এইসমূহক একোটা সক্ৰিয় প্ৰতিষ্ঠানত পৰিণত কৰিব। সেইদৰে, বিদ্যালয় স্তৰত শিক্ষান্ত স্তৰৰ শিক্ষাৰ্থীসকলৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱ বৃদ্ধিৰ দায়িত্ব প্ৰতিখন ৰাজ্যৰ মূল্যায়ন পৰিষদবোৰক অৰ্পণ কৰা হ'ব।

8.6. সংস্কৃতি, গাঁথনি আৰু প্ৰক্ৰিয়াই বিদ্যালয়, প্ৰতিষ্ঠান, শিক্ষক, কৰ্মচাৰী, সম্প্ৰদায় আৰু অন্যান্য অংশীদাৰসকলক শক্তিশালী আৰু পৰ্যাপ্ত সম্পদ প্ৰদান কৰাৰ উপৰিও সহযোগিতামূলক পৰিৱেশ এটাও গঢ়ি তোলে। শিক্ষা ব্যৱস্থাটোৰ প্ৰতিগৰাকী অংশীদাৰ আৰু অংশগ্ৰহণকাৰীয়ে স্বচ্ছতা, একাত্মতা আৰু আদৰ্শ কৰ্মৰ জৰিয়তে তেওঁলোকৰ কৰ্তব্য পালনৰ ক্ষেত্ৰত দায়িত্বশীল হৈ থাকিব। ব্যৱস্থাটোৱে পালন কৰা প্ৰতিটো ভূমিকাই নিজৰ দায়িত্বসমূহ পালন কৰাৰ লগতে কঠোৰ মূল্যায়নৰ সন্মুখীন হ'ব। মূল্যায়নৰ এই ব্যৱস্থাটো নিৰ্দিষ্ট লক্ষ্যযুক্ত আৰু উন্নয়নমূলক হোৱাৰ উপৰিও ইয়াত দায়বদ্ধতা নিশ্চিত কৰা হ'ব। প্ৰদৰ্শনৰ এক সম্পূৰ্ণ প্ৰতিচ্ছবি লাভ কৰাৰ বাবে প্ৰতিক্ৰিয়া প্ৰদানৰ এক ব্যৱস্থা থাকিব (আৰু শিক্ষাৰ্থীৰ কেৱল প্ৰাপ্ত নম্বৰৰ লগতে ই যুক্ত হৈ নাথাকিব)। শিক্ষা অৰ্জনৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ ওপৰত একাধিক কাৰক আৰু বাহিৰা প্ৰভাৱ আছে নে নাই, সেই কথা এই মূল্যায়নৰ পৰা জানিব পৰা যাব। এই মূল্যায়নৰ পৰা আৰু এটা কথা প্ৰতীয়মান হয় যে বিদ্যালয়ৰ স্তৰত শিক্ষাত একতাৰ প্ৰয়োজন। শিশুৰ অগ্ৰগতি, স্বীকৃতি আৰু গ্ৰহণযোগ্যতা এনে মূল্যায়নৰ ভিত্তিত নিৰ্ধাৰিত হ'ব। এই ক্ষেত্ৰত সকলো জড়িত প্ৰক্ৰিয়াই এটা কথা নিশ্চিত কৰিব লাগিব যে এই উন্নয়নমূলক প্ৰদৰ্শন আৰু দায়বদ্ধতা/গ্ৰহণযোগ্যতাৰ পদ্ধতিসমূহ স্বচ্ছভাৱে আৰু পদ্ধতিগতভাৱে সমাপন হয়।

8.7. ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহ (একত্ৰীকৃত/অনুদানৰ দ্বাৰা পৰিচালিত/কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত বিদ্যালয়সমূহৰ বাহিৰে) একে ব্যৱস্থা, নীতি আৰু পদ্ধতিৰ ভিত্তিত মূল্যায়ন কৰা হ'ব। লগতে অনলাইন আৰু অফলাইন ব্যৱস্থাত ৰাজহুৱাকৰণ আৰু স্বচ্ছতাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে ৰাজহুৱা স্বাৰ্থত প্ৰতিষ্ঠিত ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহক নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰি যাবলৈ উৎসাহিত কৰিব। অভিভাৱকসকলক টিউচনৰ বৰ্ধিত মাচুলৰ পৰা ৰক্ষা কৰি ৰাজহুৱা শিক্ষাৰ শ্ৰেষ্ঠত্ব নিশ্চিত কৰিবলৈ ব্যক্তিগত জনহিতৈষী প্ৰচেষ্টাসমূহক উদগণি যোগোৱা হ'ব। বিদ্যালয় আৰু SSSAৰ ৱেবছাইটত ব্যক্তিগত আৰু ৰাজহুৱা উভয় বিদ্যালয়ৰ শ্ৰেণী, ছাত্ৰ আৰু শিক্ষক, বিষয়ৰ সংখ্যা আৰু মাচুল, সামগ্ৰিক ফলাফল, NAS আৰু SASৰ দৰে প্ৰতিষ্ঠিত মূল্যায়নৰ ফলাফল সম্বন্ধীয় সকলো তথ্য ৰাজহুৱা কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত/নিয়ন্ত্ৰিত/অনুদিত বিদ্যালয়ৰ ক্ষেত্ৰত

CBSEএ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ সহযোগত গাঁথনি প্ৰস্তুত কৰিব। সকলো শিক্ষা প্ৰতিষ্ঠানকে একে পৰ্যায়ৰ হিচাপ পৰীক্ষণৰ আওতালৈ অনা হ'ব আৰু 'লাভ অৰ্জনৰ কাৰণে প্ৰতিষ্ঠা নকৰা প্ৰতিষ্ঠান' হিচাপে গণ্য কৰা হ'ব।

8.8. বিদ্যালয় পৰিচালনা, মূল্যায়ন আৰু নিয়ন্ত্ৰণৰ যি মানদণ্ড নিৰূপক/পৰিচালনাৰ গাঁথনি আৰু ব্যৱস্থা সেয়া অধিক কাৰ্যক্ষম কৰি তুলিবলৈ বিগত দশকত আহৰণ কৰা অভিজ্ঞতাৰ ভিত্তিত পুনৰীক্ষণ কৰা হ'ব। এই পুনৰীক্ষণ প্ৰক্ৰিয়াৰ মুখ্য লক্ষ্য হ'ল প্ৰাৰম্ভিক বয়সৰ সংহত শিশু কল্যাণ আৰু শিক্ষা (তিনি বছৰ)ৰ পৰা উচ্চতৰ মাধ্যমিক স্তৰলৈ (12শ শ্ৰেণীলৈ) সকলো শিক্ষাৰ্থীৰ (বিশেষকৈ পিছপৰা অঞ্চলৰ শিক্ষাৰ্থী)ৰ সাৰ্বজনীন, বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা নিশ্চিত কৰা। দৈহিক আৰু আন্তঃগাঁথনিৰ ওপৰত অধিক গুৰুত্বৰ সলনি বাস্তৱ ক্ষেত্ৰত প্ৰয়োজনীয় বিষয় যেনে, ভূমি আৰু শ্ৰেণীকোঠাৰ পৰিসৰ, নগৰীয়া অঞ্চলত খেলপথাৰৰ ব্যৱস্থা আদি দিশবোৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিব লাগে। নিৰাপত্তা, সুৰক্ষা আৰু এক সুন্দৰ শিকণৰ পৰিৱেশৰ বাবে স্থানীয় চাহিদা আৰু নীতি নিয়মৰ ভিত্তিত এই প্ৰয়োজনবোৰ নিৰূপণ কৰা হ'ব। মূল্যায়নৰ প্ৰক্ৰিয়াত শৈক্ষিক ফলাফল আৰু সকলো আৰ্থিক, শৈক্ষিক আৰু কাৰ্যকৰী বিষয়বোৰৰ স্বচ্ছতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। ই পৰৱৰ্তী সময়ত সকলো শিশুৰ বাবে বিনামূলীয়া, ন্যায্য আৰু মানদণ্ডসম্পন্ন প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সম্বন্ধীয় ভাৰতৰ বহনক্ষম উন্নয়নৰ লক্ষ্য-4 (SDG4) অৰ্জন কৰাত সহায় কৰিব।

8.9. ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাটোৰ লক্ষ্য হ'ল শিক্ষাৰ সৰ্বোচ্চ মানদণ্ড লাভ কৰা, যাতে ই অভিভাৱকসকলৰ বাবে সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ আকৰ্ষণীয় বিকল্পত পৰিণত হয়।

8.10. সামগ্ৰিক ব্যৱস্থাটোত নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ বাবে প্ৰস্তাৱিত ৰাষ্ট্ৰীয় মূল্যায়ন কেন্দ্ৰ, PARAKHএ তথ্য বিশ্লেষণত সহায় কৰিব পৰা অন্যান্য চৰকাৰী অংগ, যেনে, NCERTৰ সৈতে এটা ৰাষ্ট্ৰীয় মূল্যায়নৰ জৰীপ (National Achievement Survey - NAS) সম্পন্ন কৰিব। এই মূল্যায়নে চৰকাৰী আৰু বে-চৰকাৰী বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক সামৰি ল'ব। ৰাজ্যবোৰকো নিজা নিজা ৰাজ্যিক মূল্যায়নৰ জৰীপ (SAS) পৰিচালনা কৰিবলৈ উদগণি যোগোৱা হ'ব। ইয়াৰ ফলাফল শিক্ষাৰ নিৰৱচ্ছিন্ন উন্নয়ন তথা বিদ্যালয়সমূহৰ দ্বাৰা সামগ্ৰিক আৰু যাদৃচ্ছিক ফলাফলৰ ৰাজহুৱা প্ৰকাশৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হ'ব। ৰাষ্ট্ৰীয় মূল্যায়ন কেন্দ্ৰ, PARAKH প্ৰতিষ্ঠা নোহোৱালৈ NCERTএ NASৰ দায়িত্ব পালন কৰিব।

8.11. শেষত, যিসকল শিশু আৰু কিশোৰ বিদ্যালয় ব্যৱস্থাটোত জড়িত হৈছে, তেওঁলোকক আওকাণ কৰিব নেলাগে; কিয়নো সমগ্ৰ বিদ্যালয় ব্যৱস্থাটো তেওঁলোকৰ বাবেই প্ৰস্তুত কৰা হৈছে। তেওঁলোকৰ (বিশেষকৈ ছোৱালীৰ) সুৰক্ষা আৰু অধিকাৰৰ দিশটোৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰিব লাগে আৰু কিশোৰসকলে সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহবান, যেনে, ড্ৰাগছৰ প্ৰতি আসক্তি, নিৰ্যাতন, বৈষম্যৰ দৰে সমস্যাবোৰ স্বছ, সুৰক্ষিত আৰু কুশল কাৰ্যপ্ৰণালীৰে শিশু/কৈশোৰৰ অধিকাৰ আৰু সুৰক্ষাৰ ভিত্তিত আঁতৰ কৰিব লাগে। এনে কাৰ্যকৰী, সময়োপযোগী আৰু সৰ্বজনবিদিত উন্নয়নৰ পদক্ষেপবোৰক সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা হ'ব।

# ভাগ II - উচ্চ শিক্ষা

## 9. উচ্চ মানদণ্ডৰ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় : ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাটোৰ বাবে এক নতুন আৰু অভিলাষী ব্যৱস্থা

9.1. ভাৰতৰ সংবিধানত উল্লেখ থকা বিভিন্ন দিশ যেনে, গণতান্ত্ৰিক, ন্যায়, সামাজিকভাৱে সচেতন, সাংস্কৃতিক আৰু সমতা, ন্যায় আৰু ভ্ৰাতৃত্ববোধৰ আদৰ্শৰ ভিত্তিত মানৱীয় আৰু সামাজিক কল্যাণ নিশ্চিত কৰাৰ ক্ষেত্ৰত উচ্চ শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। উচ্চ শিক্ষাই দেশৰ বহনক্ষম জীৱন আৰু অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগায়। যিহেতু ভাৰতে জ্ঞান ভিত্তিক অৰ্থনীতি আৰু সমাজৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে, গতিকে অধিকাংশ যুৱক-যুৱতী উচ্চ শিক্ষাৰ প্ৰতি আগ্ৰহী হৈছে।

9.1.1. একবিংশ শতিকাৰ প্ৰয়োজন অনুসৰি মানদণ্ডসম্পন্ন উচ্চ শিক্ষাই উন্নত, গভীৰ, সৰ্বাংগীন আৰু উদ্ভাৱনীমূলক মানৱ সম্পদ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই শিক্ষা ব্যৱস্থাই এক বা একাধিক ব্যক্তিক বিশেষীকৃত ক্ষেত্ৰ সম্বন্ধে গভীৰভাৱে অধ্যয়ন কৰাৰ ক্ষেত্ৰত সক্ষম কৰি তোলাৰ লগতে তেওঁলোকৰ চৰিত্ৰ, নৈতিক আৰু সাংবিধানিক প্ৰমূল্য, বৌদ্ধিক কৌতুহল, বিজ্ঞানসুলভ মানসিকতা, সৃষ্টিশীলতা, সেৱাৰ মনোভাৱ আৰু বিজ্ঞান, কলা, সমাজ বিজ্ঞান, কলা, ভাষা তথা পেছাদাৰী, কাৰিকৰী আৰু বৃত্তিমুখী বিষয়ৰ ক্ষেত্ৰত প্ৰচলিত একবিংশ শতিকাৰ বিভিন্ন দিশ গঠন কৰে। এক উন্নত উচ্চ শিক্ষাৰ ব্যৱস্থাই ব্যক্তিগত অভীষ্ট সিদ্ধি আৰু জ্ঞানলাভ, ৰাজহুৱা গঠনমূলক কাৰ্য আৰু সমাজৰ প্ৰতি ফলদায়ক অৰিহণাক বাস্তৱত সম্ভৱ কৰি তোলে। ই শিক্ষাৰ্থীৰ যুক্তিসংগত তথা পৰিতৃপ্তিমূলক জীৱন আৰু কৰ্মৰ ভূমিকা তথা অৰ্থনৈতিক স্বাধীনতা বাস্তৱায়িত কৰি তোলে।

9.1.2. ব্যক্তিৰ সৰ্বাংগীন বিকাশৰ বাবে প্ৰাক-প্ৰাথমিকৰ পৰা উচ্চ শিক্ষালৈ প্ৰতিটো স্তৰতে নিৰ্দিষ্ট কিছুমান কৌশল আৰু মূল্যবোধ প্ৰদান কৰিব লাগে।

9.1.3. সামাজিক স্তৰত উচ্চ শিক্ষাই এখন উজ্জীৱিত, সামাজিকভাৱে সচেতন, জ্ঞানযুক্ত আৰু কৌশলী ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব লাগে, যি নিজৰ সমস্যাবোৰৰ বাবে সমাধান বিচাৰি ল'ব পাৰে। উচ্চ শিক্ষাই জ্ঞানৰ বিস্ফোৰণ ঘটোৱাৰ লগতে উদ্ভাৱনৰ ভেঁটি নিৰ্মাণ কৰিব লাগে, যি ৰাষ্ট্ৰৰ অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। গতিকে উচ্চ শিক্ষাৰ মূল লক্ষ্য হ'ল ব্যক্তিৰ কৰ্মসংস্থাপনৰ বাবে ব্যাপক সুযোগৰ সৃষ্টি কৰা। ই উজ্জীৱিত, সামাজিকভাৱে সক্ৰিয় তথা সহযোগী সম্প্ৰদায় সৃষ্টিৰ লগতে এখন সুখী, সহযোগী, উৎপাদনক্ষম, উদ্ভাৱনীমূলক, উন্নতিকামী আৰু সমৃদ্ধ ৰাষ্ট্ৰৰ নিৰ্মাণত ভূমিকা গ্ৰহণ কৰে।

9.2. ভাৰতৰ উচ্চ শিক্ষাৰ ব্যৱস্থাটোৱে বৰ্তমান সন্মুখীন হৈ থকা কিছুমান সমস্যা হ'ল-

ক) উচ্চ শিক্ষাৰ এক খণ্ডিত আৰু বিক্ষিপ্ত ব্যৱস্থাৰ উপস্থিতি;

খ) বৌদ্ধিক কৌশল আৰু শিকণৰ ফলাফলৰ ওপৰত কম গুৰুত্ব প্ৰদান;

গ) প্ৰাৰম্ভিক স্তৰত বিশেষীকৰণৰ জৰিয়তে শিক্ষাৰ্থীৰ অধ্যয়ন পৰিসৰ সীমিত কৰি বিভিন্ন বিষয়ৰ অনমনীয় পৃথকীকৰণ;

ঘ) কম সংখ্যক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ বাবে সামাজিক-আৰ্থিকভাৱে পিছপৰা অঞ্চলত শিক্ষাৰ সীমিত উপলব্ধতা;

ঙ) সীমিত শিক্ষক আৰু প্ৰতিষ্ঠানৰ স্বায়ত্ব শাসনৰ অভাৱ;

চ) শিক্ষক আৰু প্ৰতিষ্ঠানৰ পৰিচালকসকলৰ যোগ্যতাভিত্তিক কৰ্মজীৱন পৰিচালনা আৰু পদোন্নতিৰ অনুপস্থিতি;

ছ) অধিকাংশ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত গৱেষণাৰ ওপৰত কম গুৰুত্ব আৰোপ আৰু বিভিন্ন বিষয়ত স্বীকৃতিপ্ৰাপ্ত গৱেষণাৰ অভাৱ;

জ) উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত উপযুক্ত নেতৃত্ব আৰু পৰিচালনাৰ অভাৱ;

ঝ) অসংখ্য স্বীকৃতপ্ৰাপ্ত বিশ্ববিদ্যালয়ত নিম্ন মানৰ স্নাতক পৰ্যায়ৰ শিক্ষা;

9.3. উচ্চ শিক্ষাই সন্মুখীন হৈ অহা বিভিন্ন প্ৰত্যাহ্বানসমূহ আঁতৰাই সমগ্ৰ ব্যৱস্থাটোক পুনৰুজ্জীৱিত কৰি উচ্চ মানদণ্ডৰ শিক্ষা আৰু সমতা স্থাপন কৰিবলৈ এই শিক্ষানীতিয়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাটোৰ আসোঁৱাহসমূহ দূৰ কৰিবলৈ এই নীতিয়ে তলত দিয়া পৰামৰ্শসমূহ আগবঢ়াইছে:

ক) এনে এটা উচ্চ শিক্ষাৰ ব্যৱস্থা প্ৰতিষ্ঠা কৰা, য'ত একাধিক বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় থাকে (প্ৰতিখন জিলাত বা জিলাৰ আশে-পাশে কমেও এখন)। লগতে ভাৰতত এনে একাধিক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান থাকে যি স্থানীয় ভাষাত শিক্ষা আগবঢ়ায়;

খ) ভিন্ন বিষয়ৰ স্নাতক পাঠ্যক্ৰম প্ৰচলন কৰা;

গ) প্ৰতিষ্ঠানৰ স্বায়ত্ব শাসন প্ৰতিষ্ঠা কৰা;

ঘ) শিক্ষাৰ্থীৰ অভিজ্ঞতা অধিক ব্যাপক কৰি তুলিবলৈ পাঠ্যক্ৰম, শৈক্ষিক নীতি, মূল্যায়ন আৰু শিক্ষাৰ্থীৰ প্ৰতি সমৰ্থনক এক নতুন ৰূপ প্ৰদান কৰা;

ঙ) শিক্ষক আৰু প্ৰতিষ্ঠানৰ স্বচ্ছতা তথা প্ৰতিষ্ঠানমূলক নেতৃত্বৰ স্থান যোগ্যতাৰ জৰিয়তে আৰু কৰ্মজীৱনৰ বিকাশ শিক্ষণ, গৱেষণা আৰু সেৱাৰ জৰিয়তে নিৰ্ধাৰণ কৰা;

চ) গৱেষণাৰ মানদণ্ড বৃদ্ধি আৰু বিশ্ববিদ্যালয় তথা মহাবিদ্যালয়বোৰত গৱেষণাৰ হাৰ বৃদ্ধি কৰাৰ বাবে ৰাষ্ট্ৰীয় গৱেষণা ন্যাস স্থাপন কৰা;

ছ) উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহক শৈক্ষিক আৰু প্ৰশাসনিক স্বায়ত্ব শাসনযুক্ত উচ্চ অৰ্হতাসম্পন্ন পৰিষদৰ দ্বাৰা পৰিচালনা কৰা;

জ) একক পৰিচালকৰ দ্বাৰা উচ্চ শিক্ষাৰ বাবে সৰল অথচ কঠোৰ পৰিচালনাৰ ব্যৱস্থা কৰা;

ঝ) ৰাজহুৱা শিক্ষাৰ বাবে অধিক সুযোগ সৃষ্টি, পিছপৰা/অনগ্ৰসৰ শিক্ষাৰ্থীৰ বাবে ব্যক্তিগত/জনহিতৈষী বিশ্ববিদ্যালয়ৰ দ্বাৰা জলপানিৰ ব্যৱস্থা, অনলাইন তথা দূৰ শিক্ষা আৰু সকলো বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ বাবে আন্তঃগাঁথনি আৰু সঁজুলি উপলব্ধ কৰাৰ দৰে পদক্ষেপৰ জৰিয়তে উচ্চ শিক্ষা সকলোৰে বাবে উপলব্ধ কৰি তোলা আৰু সমতা সৃষ্টি কৰা।

## 10. প্ৰতিষ্ঠানমূলক পুনৰগঠন আৰু সমন্বয়

10.1. এই শিক্ষানীতিৰ মূল লক্ষ্য হ'ল উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰক বৃহৎ বিভিন্ন বিষয়ৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ সমন্বয়ক/জ্ঞানকেন্দ্ৰলৈ পৰ্যবসিত কৰি (ইয়াৰে প্ৰতিটোতে কমেও 3000 জন শিক্ষাৰ্থী থাকিব) উচ্চ শিক্ষা ব্যৱস্থাটোত বৰ্তমানে চলি থকা খণ্ডিত ব্যৱস্থাটো নোহোৱা কৰা। ই বৌদ্ধিকভাৱে সচেতন আৰু জ্ঞানী লোক থকা এখন জ্ঞানেৰে উজ্জীৱিত সমাজ প্ৰতিষ্ঠা কৰাত সহায় কৰাৰ লগতে বিভিন্ন অপকাৰী কাৰক আঁতৰ কৰাত, শিক্ষাৰ্থীসকলক কলাত্মক, উদ্ভাৱনীমূলক তথা বিশ্লেষণীয় বিষয়বোৰৰ উপৰিও ক্ৰীড়া, আন্তঃ বিষয়গত গৱেষণাৰ প্ৰতি অনুপ্ৰাণিত কৰি আৰু উভয় মানৱীয় আৰু বস্তুগত/কায়িক সম্পদৰ কুশলতা বৃদ্ধি কৰি শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

10.2. উচ্চ শিক্ষাৰ গাঁথনিৰ ক্ষেত্ৰত বিভিন্ন বিষয়ৰ ডাঙৰ বিশ্ববিদ্যালয় আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ শ্ৰেণী স্থাপন এই শিক্ষা নীতিৰ এটা অতি গুৰুত্বপূৰ্ণ লক্ষ্য। প্ৰাচীন ভাৰতৰ আগশাৰীৰ বিশ্ববিদ্যালয়, যেনে, তক্ষশীলা, নালন্দা, বল্লভী আৰু বিক্ৰমশীলাৰ দৰে দেশ-বিদেশৰ অসংখ্য শিক্ষাৰ্থীযুক্ত শিক্ষা প্ৰতিষ্ঠানে বহুমুখী বিশ্ববিদ্যালয়ে গৱেষণা আৰু শিক্ষণৰ ক্ষেত্ৰত আনিব পৰা সফলতাকে নিৰ্দেশ কৰে। ব্যক্তিৰ সামগ্ৰিক আৰু সৃষ্টিশীল দক্ষতা বৃদ্ধিৰ বাবে ভাৰতে তৎকালীনভাৱে এই প্ৰাচীন শিক্ষা পৰম্পৰাসমূহ ঘূৰাই আনিব লাগে। মন কৰিবলগীয়া যে এই শিক্ষা ব্যৱস্থাই অন্য দেশবোৰক শৈক্ষিক আৰু আৰ্থিকভাৱে শক্তিশালী কৰি তুলিছে।

10.3. উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ (এখন বিশ্ববিদ্যালয় বা মহাবিদ্যালয়) স্থাপনৰ বাবে উচ্চ শিক্ষাত এটা নতুন দৃষ্টিভংগীৰ প্ৰয়োজন। এখন বিশ্ববিদ্যালয়ৰ অৰ্থ হ'ল প্ৰাক্-স্নাতক আৰু স্নাতক শিক্ষা প্ৰদান কৰা এখন প্ৰতিষ্ঠান, য'ত উচ্চ মানৰ শিক্ষণ, গৱেষণা আৰু সম্প্ৰদায় জড়িত হৈ থকা পৰিলক্ষিত হয়। গতিকে বিশ্ববিদ্যালয়ৰ সংজ্ঞাই গৱেষণামূলক বিশ্ববিদ্যালয় (যি শিক্ষণ আৰু গৱেষণাৰ ওপৰত গুৰুত্ব আৰোপ কৰে) তথা শিক্ষণমূলক বিশ্ববিদ্যালয়কে (যি শিক্ষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে যদিও ফলপ্ৰসু গৱেষণা সম্পাদন কৰে) আদি কৰি এক ব্যাপক পৰিসৰৰ শৈক্ষিক প্ৰতিষ্ঠানক সামৰি লয়। সেইদৰে, এখন স্বায়ত্বশাসিত ডিগ্ৰী প্ৰদানকাৰী মহাবিদ্যালয়ে (AC) স্নাতক ডিগ্ৰী প্ৰদান কৰা উচ্চ শিক্ষাৰ এক ভিন্ন বিষয়ৰ প্ৰতিষ্ঠানক নিৰ্দেশ কৰে, যাৰ মুখ্য উদ্দেশ্য হৈছে স্নাতক পৰ্যায়ৰ শিক্ষা প্ৰদান কৰা। এনে শিক্ষানুষ্ঠান সাধাৰণ বিশ্ববিদ্যালয়তকৈ সৰু হয় আৰু ইয়াৰ পৰিসৰ কেৱল স্নাতক পৰ্যায়তে সীমাবদ্ধ থাকিব নালাগে।

10.4. মহাবিদ্যালয়সমূহলৈ স্বায়ত্বশাসন স্বচ্ছভাৱে প্ৰদান কৰিবলৈ স্তৰ ভিত্তিক স্বায়ত্বশাসন প্ৰদানৰ ব্যৱস্থা এটা প্ৰতিষ্ঠা কৰা হ'ব। মূল্যায়নৰ প্ৰতিটো স্তৰত ন্যূনতম মাপকাঠি লাভ কৰিবলৈ মহাবিদ্যালয়সমূহক উৎসাহিত,

পৰামৰ্শদান, সমৰ্থন আৰু অৰিহণা যোগোৱা হ'ব। এক নিৰ্দিষ্ট সময়ত মহাবিদ্যালয়সমূহক ডিগ্ৰী প্ৰদান কৰা একোখন স্বায়ত্বশাসিত মহাবিদ্যালয় অথবা কোনো বিশ্ববিদ্যালয়ৰ গঠনকাৰী মহাবিদ্যালয় হিচাপে গঢ়ি তোলা হ'ব। দ্বিতীয়টো ক্ষেত্ৰত মহাবিদ্যালয়খন বিশ্ববিদ্যালয়খনৰ সম্পূৰ্ণ অংশীদাৰ হ'ব। নিৰ্দিষ্ট মূল্যায়নৰ ভিত্তিত স্বায়ত্বশাসিত ডিগ্ৰী প্ৰদানৰ মহাবিদ্যালয়বোৰ গৱেষণা প্ৰৱণ বা শিক্ষণ প্ৰৱণ বিশ্ববিদ্যালয়লৈ পৰ্যবসিত হ'ব পাৰে।

10.5. এইটো স্পষ্টভাৱে উল্লেখ কৰিব লাগে যে এই তিনি প্ৰকাৰৰ পৰিষদমূলক প্ৰতিষ্ঠান কোনো অনমনীয় বিভাগ নহয়; বৰঞ্চ ই হৈছে পূৰ্বৰ প্ৰতিষ্ঠানৰে এক নিৰবিচ্ছিন্ন প্ৰক্ৰিয়া। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰৰ তেওঁলোকৰ পৰিকল্পনা, কাৰ্য আৰু প্ৰভাৱশালীতাৰ ভিত্তিত এটা স্তৰৰ পৰা আন এটা স্তৰলৈ যাব পৰাৰ স্বায়ত্বশাসন আৰু স্বাধীনতা থাকিব। এনে ধৰণৰ প্ৰতিষ্ঠানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল তেওঁলোকৰ লক্ষ্য আৰু কৰ্মৰ ওপৰত মনোযোগ। উচ্চ শিক্ষাৰ সকলো প্ৰতিষ্ঠানৰ মাজত মূল্যায়নৰ ব্যৱস্থাই পৃথক আৰু প্ৰাসংগিক নীতি প্ৰস্তুত কৰিব। অৱশ্যে, শিক্ষাৰ উচ্চ মানদণ্ড আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত শিক্ষণ-শিকণৰ লক্ষ্য একে থাকিব।

10.6. শিক্ষণ আৰু গৱেষণাৰ লগতে, উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰৰ অন্যান্য গুৰুত্বপূৰ্ণ দায়িত্বও আছে যিবোৰ সঠিক সম্পদ, পদক্ষেপ আৰু গাঁথনিৰ জৰিয়তে সম্পাদন কৰিব পাৰি। এই দায়িত্ববোৰৰ ভিতৰত অন্য উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানক উন্নয়নত সহায় কৰা, সমাজৰ লগত যুক্ত হোৱা আৰু সমাজ সেৱা কৰা, অনুশীলনৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা, উচ্চ শিক্ষাৰ বাবে শিক্ষকৰ সবলীকৰণ কৰা আৰু বিদ্যালয় শিক্ষালৈ সমৰ্থন আগবঢ়োৱা আদিয়ে প্ৰধান।

10.7. 2040 চনৰ ভিতৰত, সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বিভিন্ন বিষয়ৰ প্ৰতিষ্ঠানত পৰিগণিত হোৱাৰ লক্ষ্য আগত লোৱাৰ লগতে হাজাৰৰ ঘৰত শিক্ষাৰ্থীৰ নামভৰ্তি, আন্তঃগাঁথনি আৰু সম্পদৰ পূৰ্ণ ব্যৱহাৰ আৰু প্ৰতিশ্ৰুতিসম্পন্ন সমাজ সৃষ্টিৰ বাবে চেষ্টা কৰিব। যিহেতু এই প্ৰক্ৰিয়াবোৰ সময় খৰচী হ'ব, গতিকে সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে 2030 চনৰ ভিতৰত ভিন্ন বিষয়ৰ প্ৰতিষ্ঠান হোৱাৰ লক্ষ্য গ্ৰহণ কৰিব আৰু তাৰপিছত পৰ্যায়ক্ৰমে নিজে বিচৰা অনুসৰি শিক্ষাৰ্থীৰ সংখ্যাও বৃদ্ধি কৰিব।

10.8. পিছপৰা অঞ্চলত উচ্চ শিক্ষাৰ অধিক প্ৰচলন কৰাৰ উপৰিও সমতা আৰু অন্তৰ্ভুক্তি নিশ্চিত কৰিবলৈ অধিক সংখ্যক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান স্থাপন কৰা হ'ব। 2030 চনৰ ভিতৰত জিলাত বা জিলাৰ আশে–পাশে কমেও এখন বৃহৎ ভিন্ন বিষয়ৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান নিৰ্মাণ কৰা হ'ব। স্থানীয়/ভাৰতীয় ভাষা বা দ্বিভাষাত শিক্ষা প্ৰদান কৰা ৰাজহুৱা বা ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই লক্ষ্যই উচ্চ শিক্ষা আৰু বৃত্তিমুখী শিক্ষাত নামভৰ্তিৰ সৰ্বমুঠ হাৰ 2018 চনৰ 26.3%ৰ পৰা 2035 চনৰ ভিতৰত 50%লৈ বৃদ্ধি কৰাত সহায় কৰিব। এই লক্ষ্যসমূহত উপনীত হ'বলৈ নতুন প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰাৰ বিপৰীতে এক বৃহৎ সংখ্যক প্ৰতিষ্ঠানৰ একত্ৰীকৰণ, পৰিসৰ বৃদ্ধি তথা ইতিপূৰ্বে প্ৰতিষ্ঠিত প্ৰতিষ্ঠানৰ মানদণ্ড উন্নতিৰ জৰিয়তে সংখ্যা বৃদ্ধি কৰা হ'ব।

10.9. একাধিক শ্ৰেষ্ঠ শৈক্ষিক প্ৰতিষ্ঠান প্ৰতিষ্ঠাৰ বাবে উভয় ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ উন্নয়ন সাধন কৰাৰ প্ৰচেষ্টা চলোৱা হ'ব। ৰাজহুৱা খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানত ৰাজহুৱা অৰিহণা ধাৰ্য কৰাৰ বাবে এক স্বচ্ছ আৰু ন্যায়সংগত ব্যৱস্থা গঢ়ি তোলা হ'ব। এই ব্যৱস্থাই সকলো ৰাজহুৱা প্ৰতিষ্ঠানক উন্নয়নৰ এক সম-সুবিধা প্ৰদান কৰিব আৰু মূল্যায়নৰ ব্যৱস্থাৰ ভিতৰত ই স্বচ্ছ, পূৰ্বে ঘোষণা কৰা ৰীতিৰ ভিত্তিত গঢ়ি তোলা হ'ব। যিবোৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে উচ্চ মানদণ্ডৰ শিক্ষা প্ৰদান কৰে সেইবোৰক শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰিবলৈ আৰ্থিক সাহাৰ্য আগবঢ়োৱা হ'ব।

10.10. প্ৰতিষ্ঠানবোৰে তেওঁলোকৰ শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি, প্ৰাপ্তিৰ হাৰ বৃদ্ধি, GER বৃদ্ধি আৰু জীৱনজোৰা শিকণৰ সুবিধা আগবঢ়োৱাৰ হেতু দূৰ শিক্ষা আৰু অনলাইন শিক্ষাৰ বিকল্প আগবঢ়াব পাৰিব। সকলো দূৰ শিক্ষা আঁচনি আৰু তাৰ উপাদানৰ পৰা প্ৰাপ্ত ডিগ্ৰী বা ডিপ্লমাবোৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে তেওঁলোকৰ চৌহদত পৰিচালনা কৰা শিক্ষা ব্যৱস্থাৰ সমপৰ্যায়ৰ হ'ব। মুক্ত আৰু দূৰশিক্ষাৰ (ODL) বাবে স্বীকৃত শ্ৰেষ্ঠ প্ৰতিষ্ঠানবোৰক উচ্চ স্তৰৰ অনলাইন শ্ৰেণী অনুষ্ঠিত কৰিবলৈ উদগণি যোগোৱা হ'ব। এনে উচ্চ মানদণ্ডৰ পাঠ্যক্ৰম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ পাঠ্যক্ৰমৰ লগত একেলগ কৰাৰ লগতে এই ক্ষেত্ৰত মিশ্ৰিত ধৰণ (blended mode) অনুসৰণ কৰা হ'ব।

10.11. উচ্চ মানৰ বহুমুখী তথা আন্তঃবিষয়ৰ শিক্ষণ, শিকণ আৰু গৱেষণা নিশ্চিত কৰাৰ হেতু একক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰ পৰ্যায়ক্ৰমে প্ৰতিশ্ৰুতিসম্পন্ন ভিন্ন বিষয়ৰ প্ৰতিষ্ঠান হিচাপে পৰিগণিত হ'ব বা অন্য ভিন্ন বিষয়ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান শ্ৰেণীৰ অংশ হৈ পৰিব। এনে একক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰে পৰ্যায়ক্ৰমে বিভিন্ন বিষয়ৰ বিভাগ স্থাপন কৰিব। এই পদক্ষেপে বৰ্তমান প্ৰচলিত হৈ থকা একক বিশ্ববিদ্যালয়বোৰক শক্তিশালী কৰি তুলিব। উপযুক্ত মূল্যমান প্ৰাপ্তিৰ পাছত, শিক্ষা আৰু প্ৰশাসনৰ ক্ষেত্ৰত উজ্জীৱিত সংস্কৃতি লাভৰ বাবে সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানক শিক্ষা আৰু প্ৰশাসনিক ক্ষেত্ৰত স্বায়ত্বশাসন প্ৰদান কৰা হ'ব। ৰাজহুৱা প্ৰতিষ্ঠানক স্বায়ত্বশাসন প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰে পৰ্যাপ্ত অৰ্থ আৰু সমৰ্থন আগবঢ়াব। ৰাজহুৱা প্ৰতিষ্ঠানৰ অনুৰূপ উচ্চ মানদণ্ডৰ শিক্ষা আগবঢ়োৱা ব্যক্তিগত প্ৰতিষ্ঠানবোৰক পাৰ্যমানে উৎসাহিত কৰা হ'ব।

10.12. শিক্ষানীতিত উল্লেখ কৰা নতুন পৰিচালনাৰ ব্যৱস্থাই উদ্ভাৱনৰ বাবে সবলীকৰণ আৰু স্বায়ত্বশাসনৰ এক সামগ্ৰিক সংস্কৃতি, স্বায়ত্বশাসন প্ৰদানৰ জৰিয়তে স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয়বোৰক এক প্ৰত্যাহবানসুলভ প্ৰক্ৰিয়াৰে পোন্ধৰ বছৰৰ ভিতৰত পৰিৱৰ্তন কৰা আদি দিশক সামৰি লৈছে। প্ৰতিখন বিশ্ববিদ্যালয়ে নিজৰ অধীনত থকা মহাবিদ্যালয়সমূহৰ পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিব যাতে মহাবিদ্যালয়বোৰে নিজৰ সামৰ্থ্যৰ বিকাশ কৰাৰ লগতে শৈক্ষিক আৰু পাঠ্যক্ৰম, শিক্ষণ তথা মূল্যায়ন, চৰকাৰী সংস্কাৰ, আৰ্থিকভাৱে সবলীকৰণ আৰু প্ৰশাসনিক কুশলতাৰ দিশত ন্যুনতম মাপকাঠি লাভ কৰিব পাৰে। কোনো বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত সকলো মহাবিদ্যালয়ে নিৰ্দিষ্ট সময়ৰ ভিতৰত এক শৈক্ষিক ক্ষেত্ৰত নিৰ্ধাৰিত ন্যুনতম মাপকাঠি লাভ কৰি ডিগ্ৰী প্ৰদান কৰা এক স্বায়ত্বশাসিত মহাবিদ্যালয় হিচাপে পৰিগণিত হ'ব। উপযুক্ত পৰিচালনা আৰু চৰকাৰী সমৰ্থনযুক্ত এই ৰাষ্ট্ৰীয় প্ৰচেষ্টাৰ জৰিয়তে এই লক্ষ্যত উপনীত হ'ব পৰা যাব।

10.13. পেছাদাৰী আৰু বৃত্তিগত শিক্ষাকে ধৰি সমগ্ৰ উচ্চ শিক্ষাৰ খণ্ডটো এক সংহত উচ্চ শিক্ষাৰ ব্যৱস্থা হিচাপে গঢ়ি তোলা হ'ব। এই আঁচনি আৰু পদক্ষেপ বৰ্তমানৰ সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব। এই প্ৰতিষ্ঠানসমূহক পৰ্যায়ক্ৰমে একক সু-সংহত উচ্চ শিক্ষাৰ শিক্ষাতন্ত্ৰৰ অন্তৰ্ভুক্ত কৰি তোলা হ'ব।

10.14. সমগ্ৰ বিশ্বতে বিশ্ববিদ্যালয়ক প্ৰাক্-স্নাতক, স্নাতক আৰু Ph.D. ডিগ্ৰী প্ৰদান কৰা আৰু উচ্চ মানদণ্ডৰ শিক্ষণ আৰু গৱেষণাৰ এক ভিন্ন বিষয়ৰ শৈক্ষিক প্ৰতিষ্ঠান হিচাপে গণ্য কৰা হয়। বৰ্তমান সময়ত দেশত প্ৰচলিত থকা বিশ্ববিদ্যালয়ৰ বিভিন্ন জঁটিল ব্যৱস্থা, যেনে, ডীমড বিশ্ববিদ্যালয়, স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়, স্বীকৃতিপ্ৰাপ্ত কাৰিকৰী বিশ্ববিদ্যালয়, একক বিশ্ববিদ্যালয় আদিক কেৱল নিৰ্দিষ্ট নীতি আৰু মানদণ্ডৰ ভিত্তিত 'বিশ্ববিদ্যালয়' হিচাপে স্বীকৃতি প্ৰদান কৰা হ'ব।

## 11. এক সংহত আৰু বহুমুখী শিক্ষাৰ দিশত

11.1. তক্ষশীলা, নালন্দা আদি বিশ্ববিদ্যালয়ৰ পৰা ভিন্ন বিষয়ৰ ব্যাপক সাহিত্যৰ দিশৰ পৰা সংহত আৰু বহুমুখী শিক্ষাৰ ক্ষেত্ৰত ভাৰতৰ এক দীঘলীয়া অভিজ্ঞতা আছে। প্ৰাচীন ভাৰতৰ সাহিত্যিক কৰ্ম, যেনে, বাণভট্টৰ 'কাদম্বৰী'ত সু-শিক্ষাক 64 কলাৰ সামগ্ৰিক জ্ঞান বুলি কৈছে। এই 64 কলাসমূহ কেৱল সংগীত আৰু সুকুমাৰ কলাৰ দৰে বিষয়েই নহয়, ইয়াৰ ভিতৰত বিজ্ঞানসন্মত বিষয় যেনে, ৰসায়ন বিজ্ঞান আৰু গণিত, কাঠৰ কাম আৰু বস্ত্ৰ তৈয়াৰৰ দৰে বৃত্তিমুখী কৰ্ম, চিকিৎসা আৰু আভিযান্ত্ৰিকৰ দৰে পেছাদাৰী ক্ষেত্ৰৰ লগতে কথোপকথন, আলোচনা আৰু তৰ্কৰ দৰে সাধৰণ কৌশলৰ জ্ঞানো অন্তৰ্ভুক্ত কৰা হৈছে। গণিত, বিজ্ঞান, বৃত্তিমুখী বিষয়, পেছাদাৰী বিষয় আৰু সাধাৰণ বিষয় আদি মানুহৰ সৃষ্টিশীল দিশৰ লগত জড়িত প্ৰতিটো বিষয়ক 'কলা'ৰ ভিতৰত অন্তৰ্ভুক্ত কৰাৰ যি দৃষ্টিভংগী সেয়া নিশ্চিতভাৱে ভাৰতীয় পৰম্পৰাৰ পৰা উদ্ভূত। 'বিভিন্ন কলাৰ জ্ঞান' বা 'সৰলীকৃত কলা'ৰ দৃষ্টিভংগীক ভাৰতীয় শিক্ষা ব্যৱস্থালৈ ঘূৰাই আনিব লাগিব, যিহেতু ই একবিংশ শতিকাত প্ৰয়োজন হোৱা শিক্ষা ব্যৱস্থাৰ অনুৰূপ।

11.2. প্ৰাক্-স্নাতক পৰ্যায়ত কলাৰ লগত বিজ্ঞান, প্ৰযুক্তি, আভিযান্ত্ৰিক আৰু গণিত (STEM) বিষয়ৰ সংহত পদক্ষেপে শিক্ষা লাভৰ আনন্দৰ উপৰিও উদ্ভাৱন আৰু আৱিষ্কাৰ, জঁটিল আৰু উচ্চ চিন্তা, সমস্যা সমাধানৰ দক্ষতা

বৃদ্ধি, দলীয় মনোভাৱ, যোগাযোগৰ দক্ষতা, বিভিন্ন বিষয়ৰ শিকণৰ গভীৰতা, সামাজিক আৰু নৈতিক প্ৰমূল্যবোধৰ বিকাশ আদি দিশত নিৰৱিচ্ছিন্নভাৱে যোগাত্মক ফলাফল প্ৰদৰ্শন কৰিছে। এক সংহত আৰু বহুমুখী পদক্ষেপৰ জৰিয়তে গৱেষণাৰ মানদণ্ডও উন্নত হৈছে।

11.3. এক সংহত আৰু বহুমুখী শিক্ষাই বৌদ্ধিক, নান্দনিক, সামাজিক, দৈহিক, আবেগিক আৰু নৈতিক আদিৰ দিশত মানুহৰ সামৰ্থ্য বিকাশৰ লক্ষ্য আগত লৈ আগবাঢ়ে। গতিকে এনে শিক্ষাই একবিংশ শতিকাত প্ৰয়োজন হোৱা কলা, ভাষা, বিজ্ঞান, সমাজ বিজ্ঞান আৰু পেছাদাৰী, প্ৰযুক্তিগত, বৃত্তিমুখী, সামাজিক পৰিচালনা, যোগাযোগ, আলোচনা তথা তৰ্ক আদি সাধাৰণ কৌশল, সংহত দক্ষতা আৰু নিৰ্বাচিত ক্ষেত্ৰত বিশেষ দক্ষতা বিকাশৰ ক্ষেত্ৰত এজন ব্যক্তিক সহায় কৰে। এনে সংহত শিক্ষা পেছাদাৰী, প্ৰযুক্তিগত আৰু বৃত্তিগত আদি প্ৰতিটো প্ৰাক্-স্নাতক স্তৰত দীৰ্ঘম্যাদীভাৱে কাৰ্যকৰী কৰিব লাগে।

11.4. একবিংশ শতিকাত ভাৰতক আগুৱাই নিবলৈ আমাৰ দেশত প্ৰাচীন কালত সুন্দৰভাৱে প্ৰচলিত এক সংহত আৰু বহুমুখী শিক্ষা ভাৰতৰ শিক্ষা ব্যৱস্থাত প্ৰয়োজন। IITৰ দৰে আভিযান্ত্ৰিক প্ৰতিষ্ঠানত অধিক কলা আৰু মানৱীয় বিষয়ৰ অন্তৰ্ভুক্তিৰ জৰিয়তে নতুন ৰূপ প্ৰদান কৰা হ'ব। কলাৰ শিক্ষাৰ্থীসকলে বিজ্ঞানৰ বিষয়বোৰ শিকিবলৈ চেষ্টা কৰাৰ লগতে অধিক বৃত্তিমুখী শিক্ষা আৰু সাধাৰণ শিক্ষা লাভৰ দিশত অগ্ৰসৰ হ'ব।

11.5. বিভিন্ন বিষয়ৰ মাজত সৃষ্টিশীল সংযোগ স্থাপনৰ বাবে কাল্পনিক আৰু নমনীয় পাঠ্যক্ৰমৰ গাঁথনি প্ৰস্তুত কৰাৰ লগতে শিক্ষাত প্ৰৱেশ আৰু প্ৰস্থানৰ একাধিক সুযোগ প্ৰদান কৰা হ'ব, যাতে বৰ্তমান প্ৰচলিত শিক্ষাৰ অনমনীয় ৰূপ আঁতৰ কৰি জীৱনযোৰা শিক্ষাৰ নতুন সুযোগৰ সৃষ্টি হয়। বৃহৎ বহুমুখী বিশ্ববিদ্যালয়ত স্নাতক, স্নাতকোত্তৰ আৰু Ph.D. পাঠ্যক্ৰমে গৱেষণাৰ সুযোগ প্ৰদানৰ উপৰিও শৈক্ষিক, চৰকাৰী আৰু ঔদ্যোগিক আদি বহুমুখী কাৰ্যৰ বাবে সুবিধা প্ৰদান কৰিব।

11.6. বৃহৎ বহুমুখী বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়বোৰে উচ্চমানৰ সংহত আৰু বহুমুখী শিক্ষাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। পাঠ্যক্ৰমত নমনীয়তা আৰু পাঠ্যক্ৰম নিৰ্বাচন কৰাৰ সুবিধা শিক্ষাৰ্থীসকলক অৰ্পণ কৰাৰ লগতে এটা বা অধিক বিষয়ত দক্ষতা লাভৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিব। এই সমগ্ৰ প্ৰক্ৰিয়াটো শিক্ষক আৰু প্ৰতিষ্ঠানক স্বায়ত্বশাসন প্ৰদানৰ জৰিয়তে সম্পন্ন কৰা হ'ব। যোগাযোগ, আলোচনা, তৰ্ক, গৱেষণা আৰু আন্তঃবিষয় তথা অন্তঃবিষয়ৰ অধ্যয়নৰ ওপৰত এই শিক্ষানীতিয়ে অধিক গুৰুত্ব আৰোপ কৰিব।

11.7. উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰিবলৈ ভাষা, সাহিত্য, দৰ্শন, ভাৰত দৰ্শন, চিত্ৰকলা, নৃত্য, অভিনয়, শিক্ষা, গণিত, পৰিসংখ্যা, ব্যৱহাৰিক বিজ্ঞান, সমাজতত্ব, অৰ্থনীতি, ক্ৰীড়া, অনুবাদ আৰু ব্যাখ্যা তথা বহুমুখী আৰু উজ্জীৱিত ভাৰতীয় শিক্ষা ব্যৱস্থা আৰু পৰিৱেশৰ বাবে প্ৰয়োজনীয় অন্য তেনে বিষয়ৰ বিভাগ মুকলি কৰা হ'ব। এনে বিভাগ বা দূৰ শিক্ষাৰ মাধ্যমেৰে এই বিষয়বোৰত সম্পন্ন কৰা স্নাতক ডিগ্ৰীৰ বিপৰীতে 'ক্ৰেডিট' প্ৰদান কৰা হ'ব।

11.8. এনে সংহত আৰু বহুমুখী শিক্ষা ব্যৱস্থা এটা লাভ কৰিবলৈ সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ নমনীয় আৰু উদ্ভাৱনীমূলক পাঠ্যক্ৰমত ক্ৰেডিট ব্যৱস্থা আৰম্ভ কৰাৰ লগতে সম্প্ৰদায়ৰ সৈতে সংযোগ স্থাপন আৰু সেৱা প্ৰদান, পৰিৱেশ শিক্ষা আৰু প্ৰমূল্যবোধক শিক্ষাৰ প্ৰকল্পত অন্তৰ্ভুক্ত কৰিব লাগে। পৰিৱেশ শিক্ষাত জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, আৱৰ্জনা ব্যৱস্থাপনা, স্বাস্থ্যবিধি, জৈৱ বৈচিত্ৰ তথা জৈৱ সম্পদ সংৰক্ষণ আৰু পৰিচালনা, অৰণ্য আৰু বন্য জীৱনৰ সংৰক্ষণ, বহনক্ষম উন্নয়ন আৰু বসবাস আদি দিশবোৰ অন্তৰ্ভুক্ত কৰিব লাগে। সেইদৰে, প্ৰমূল্যবোধৰ শিক্ষাত সত্য, ধৰ্ম, শান্তি, প্ৰেম, অহিংসা আদি মানৱীয়, সাংবিধানিক আৰু বিশ্বজনীন মূল্যবোধ, বৈজ্ঞানিক মানসিকতা, নাগৰিকৰ মূল্যবোধ, জীৱনৰ কৌশল, সেৱা মনোভাৱৰ জ্ঞান আৰু সামাজিক আৰু সাম্প্ৰদায়িক কাম-কাজত অংশগ্ৰহণ আদি গুৰুত্বপূৰ্ণ অংশ হিচাপে বিবেচনা কৰা হ'ব। যিহেতু বৰ্তমান সময়ত গোটেই পৃথিৱী গোলকীয় গাঁৱত পৰিণত হৈছে, গতিকে শিক্ষাৰ্থীসকলে যাতে বিশ্বত প্ৰচলিত বিভিন্ন দিশসমূহ বুজি পায় আৰু এখন শান্ত, সুৰক্ষিত, বহনক্ষম, নমনীয় সমাজ প্ৰতিষ্ঠা কৰিব পাৰে, তাৰ বাবে বিশ্বজনীন নাগৰিকত্বৰ শিক্ষা (Global Citizenship Education -

GCED) শিক্ষাৰ্থীসকলক প্ৰদান কৰা হ'ব। শেষত, সংহত শিক্ষাৰ এক অংশ হিচাপে, সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীসকলক স্থানীয় উদ্যোগ, ব্যৱসায়, চিত্ৰশিল্প, কুটিৰ শিল্পত দক্ষ ব্যক্তি আদিৰ ওচৰত প্ৰশিক্ষণ গ্ৰহণৰ সুযোগ প্ৰদান কৰা হ'ব, যাতে শিক্ষাৰ্থীয়ে শিক্ষাৰ লগতে ব্যৱহাৰিক দিশটোৰ লগতো জড়িত হৈ থাকিব পাৰে আৰু ভৱিষ্যতে তেওঁলোকৰ কৰ্মসংস্থাপনৰ সম্ভাৱনা বৃদ্ধি পায়।

11.9. স্নাতক পাঠ্যক্ৰমৰ গাঁথনি আৰু সময়সীমা পৰ্যায়ক্ৰমে ধাৰ্য কৰা হ'ব। প্ৰাক্-স্নাতকৰ সময়সীমা 3 বা 4 বছৰৰ হ'ব। ইয়াত প্ৰৱেশ আৰু প্ৰস্থানৰ একাধিক বিকল্প থাকিব আৰু প্ৰতিটো বিকল্পৰ ক্ষেত্ৰত ইতিমধ্যে সমাপ্ত কৰা শিক্ষাৰ বাবে প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। যেনে, কোনো বিষয় বা বৃত্তিমুখী আৰু পেছাদাৰী ক্ষেত্ৰত এবছৰ সমাপ্ত কৰিলে প্ৰমাণপত্ৰ, দুবছৰৰ শিক্ষাৰ বাবে ডিপ্লমা অথবা তিনি বছৰৰ পাঠ্যক্ৰম সমাপ্তিৰ বাবে স্নাতক ডিগ্ৰী। চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমক অধিক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব যিহেতু ই শিক্ষাৰ্থীক নিৰ্বাচিত গুৰু আৰু লঘু বিষয়ৰ লগতে পূৰ্ণ পৰ্যায়ৰ সংহত আৰু বহুমুখী শিক্ষাৰ অভিজ্ঞতা প্ৰদান কৰিব। এটা একাডেমিক বেংক অৱ ক্ৰেডিট (Academic Bank of Credit - ABC) স্থাপন কৰা হ'ব যি ডিজিটেল পদ্ধতিৰে সকলো শিক্ষাৰ্থীয়ে বিভিন্ন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ পৰা আহৰণ কৰা ক্ৰেডিটসমূহ সংৰক্ষণ কৰি ৰাখিব, যাতে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ পৰা আহৰণ কৰা ক্ৰেডিটৰ ভিত্তিত পৰৱৰ্তী সময়ত ডিগ্ৰী প্ৰদান কৰিব পৰা যায়। যদিহে এজন শিক্ষাৰ্থীয়ে গুৰু বিষয়ত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে ধাৰ্য কৰা অনুসৰি কোনো গৱেষণাৰ প্ৰকল্প সম্পন্ন কৰে, তেন্তে চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰমত এটা গৱেষণা সহ ডিগ্ৰী লাভ কৰিব।

11.10. উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰে বিভিন্ন আৰ্হিত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰদান কৰিব পাৰিব- (ক) যিসকল শিক্ষাৰ্থীয়ে তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে, তেওঁলোকৰ বাবে দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম আগবঢ়োৱা হ'ব, য'ত দ্বিতীয় বছৰটো গৱেষণা কৰ্মৰ বাবে উৎসৰ্গিত হ'ব। (খ) যিসকল শিক্ষাৰ্থীয়ে গৱেষণাসহ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছে, তেওঁলোকৰ বাবে স্নাতকোত্তৰ পাঠ্যক্ৰম এবছৰীয়া হ'ব। গ) শিক্ষাৰ্থীসকলৰ বাবে 5 বছৰীয়া অবিচ্ছিন্ন স্নাতক/স্নাতকোত্তৰ পাঠ্যক্ৰমো উপলব্ধ হ'ব। Ph.D. ডিগ্ৰীত ভৰ্তি হ'বলৈ স্নাতকোত্তৰ ডিগ্ৰী বা গৱেষণাসহ চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম অৰ্হতা হিচাপে বিবেচিত হ'ব। M.Phil. পাঠ্যক্ৰম বন্ধ কৰা হ'ব।

11.11. IIT, IIMৰ মানদণ্ডৰ অনুৰূপ সংহত আৰু বহুমুখী শিক্ষাৰ বাবে ৰাজহুৱা আদৰ্শ বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। 'বহুমুখী শিক্ষা আৰু গৱেষণা বিশ্ববিদ্যালয়' (Multidisciplinary Education and Research Universities) নামৰ এই আদৰ্শ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ মূল লক্ষ্য হ'ব শিক্ষাৰ ক্ষেত্ৰত বিশ্বজনীন মানদণ্ড নিশ্চিত কৰা। এই প্ৰতিষ্ঠানবোৰে সমগ্ৰ ভাৰতত উচ্চ মানৰ বহুমুখী শিক্ষাৰ ভেঁটি প্ৰতিষ্ঠা কৰাত ভূমিকা গ্ৰহণ কৰিব।

11.12. ব্যৱসায় আৰম্ভণিৰ সহায়ক কেন্দ্ৰ, প্ৰযুক্তি উন্নয়নৰ কেন্দ্ৰ, গৱেষণাৰ কেন্দ্ৰ, ব্যাপক উদ্যোগিক – শৈক্ষিক যোগাযোগ আৰু কলা আৰু সমাজ বিজ্ঞানকে ধৰি আন্তঃবিষয়মূলক গৱেষণা কেন্দ্ৰ স্থাপনৰ জৰিয়তে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰে গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব। মহামাৰীৰ সময়চোৱাত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰে সংক্ৰামক ৰোগৰ ক্ষেত্ৰ, মহামাৰী, ভাইৰাছ, ৰোগ-নিদান, ভেকচিন বা প্ৰতিষেধক প্ৰস্তুত আৰু অন্যান্য প্ৰাসংগিক ক্ষেত্ৰত গৱেষণা পৰিচালনা কৰিব। উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰে শিক্ষাৰ্থীৰ মাজত উদ্ভাৱনকেন্দ্ৰিক মনোভাৱৰ বৃদ্ধিৰ বাবে প্ৰযুক্তি আৰু প্ৰতিযোগিতাৰ প্ৰসাৰ কৰিব। ৰাষ্ট্ৰীয় গৱেষণা ন্যাস (NRF) বিভিন্ন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান, গৱেষণাৰ পৰীক্ষাগাৰ আৰু অন্যান্য গৱেষণাৰ সংস্থাত এনে প্ৰতিশ্ৰুতিসম্পন্ন গৱেষণামূলক কাৰ্য আৰু উদ্ভাৱনক সমৰ্থন আগবঢ়াব।

## 12. শিক্ষাৰ্থীৰ বাবে শিকণৰ অনুকূল পৰিৱেশ আৰু সমৰ্থন

12.1. প্ৰভাৱশালী শিকণৰ বাবে উপযুক্ত পাঠ্যক্ৰম, আকৰ্ষণীয় শিক্ষানীতি, ক্ৰমাগত গঠনমূলক মূল্যায়ন তথা শিক্ষাৰ্থীৰ পৰ্যাপ্ত সমৰ্থনযুক্ত এক বিস্তৃত পাঠ্যক্ৰমৰ প্ৰয়োজন। পাঠ্যক্ৰমটি আকৰ্ষণীয় আৰু প্ৰাসংগিক হোৱাৰ লগতে নিয়মিতভাৱে পৰিৱৰ্তন কৰিব লাগিব, যাতে ই শেহতীয়া জ্ঞানৰ সৈতে সম্পৰ্কিত হৈ থকাৰ লগতে শিকণৰ নিৰ্দিষ্ট লক্ষ্যত উপনীত হয়। গতিকে শৈক্ষিক জ্ঞানখিনি সফলভাৱে শিক্ষাৰ্থীসকলক প্ৰদান কৰিবলৈ এখন উচ্চ মানৰ

শিক্ষানীতিৰ প্ৰয়োজন। শিক্ষানীতিকেন্দ্ৰিক অনুশীলনে নিৰ্ধাৰণ কৰা শিকণৰ অভিজ্ঞতা শিক্ষাৰ্থীক প্ৰদান কৰা হয় আৰু এইদৰে ই পোনপটীয়াকৈ শিকণৰ ফলাফলক প্ৰভাৱিত কৰে। এই ক্ষেত্ৰত শিকণ প্ৰক্ৰিয়াৰ উন্নতি সাধন কৰিবলৈ আৰু জ্ঞানৰ প্ৰয়োগ পৰীক্ষা কৰাৰ উদ্দেশ্যে নিৰ্মাণ কৰা বিজ্ঞানসন্মত মূল্যায়নৰ পদ্ধতিসমূহ ব্যৱহাৰ হ'ব লাগে। সৰ্বোপৰি, সুস্থতা, সুস্বাস্থ্য, মনো-সমাজিক সুস্থতা আৰু সুস্থ নৈতিক ভিত্তি আদি শিক্ষাৰ্থীৰ দক্ষতা বিকাশৰ লগত জড়িত কল্যাণকামী দিশবোৰ উচ্চমানৰ শিক্ষাৰ বাবে গুৰুত্বপূৰ্ণ।

এইদৰে পাঠ্যক্ৰম, শিক্ষানীতি, ক্ৰমাগত মূল্যায়ন আৰু শিক্ষাৰ্থীৰ সমৰ্থন মানসম্পন্ন শিক্ষাৰ মূল ভিত্তি। প্ৰয়োজনীয় সম্পদ আৰু আন্তঃগাঁথনিৰ উপৰিও শিক্ষা গ্ৰহণৰ পৰিৱেশ আকৰ্ষণীয় আৰু সহায়ক তথা সকলো শিক্ষাৰ্থীৰ সফলতা নিশ্চিত কৰিবলৈ মানসম্পন্ন গ্ৰন্থাগাৰ, শ্ৰেণীকোঠা, পৰীক্ষাগাৰ, প্ৰযুক্তি, ক্ৰীড়া/বিনোদনৰ ক্ষেত্ৰ, শিক্ষাৰ্থীৰ আলোচনাৰ ক্ষেত্ৰ আৰু ভোজনৰ ক্ষেত্ৰৰ লগতে আন বিভিন্ন পদক্ষেপ গুৰুত্বপূৰ্ণ হিচাপে বিৱেচিত হ'ব।

12.2. প্ৰথমতে, সৃজনীশীলতাক উৎসাহিত কৰাৰ উদ্দেশ্যে, উচ্চ শিক্ষাৰ এক ব্যাপক পৰিসৰৰ ভিতৰত পাঠ্যক্ৰম, শিক্ষানীতি আৰু ক্ৰমাগত মূল্যায়নৰ ক্ষেত্ৰত প্ৰতিষ্ঠান আৰু শিক্ষকসকলৰ বাবে স্বায়ত্বশাসন থাকিব। ই বিভিন্ন প্ৰতিষ্ঠান আৰু পাঠ্যক্ৰম তথা দূৰ শিক্ষা (ODL), অনলাইন আৰু পৰম্পৰাগত শ্ৰেণী পদ্ধতিৰ ক্ষেত্ৰত ধাৰাবাহিকতাক নিশ্চিত কৰিব। সেই অনুসৰি, সকলো শিক্ষাৰ্থীৰ বাবে আকৰ্ষণীয় আৰু নিৰৱিচ্ছিন্ন শিকণৰ নিশ্চিতিৰ বাবে পাঠ্যক্ৰম আৰু শিক্ষানীতি প্ৰতিষ্ঠান তথা শিক্ষকসকলে ধাৰ্য কৰিব আৰু প্ৰতিখন আঁচনিৰ পৰৱৰ্তী লক্ষ্যত উপনীত হ'বলৈ নিৰবিচ্ছিন্ন মূল্যায়ন পদ্ধতি ব্যৱহাৰ কৰা হ'ব। চূড়ান্ত প্ৰমাণপত্ৰযুক্ত মূল্যায়নকে ধৰি মূল্যায়নৰ সকলো পদ্ধতি HEIএ নিৰ্ধাৰণ কৰিব। উদ্ভাৱনীমূলক দিশ আৰু নমনীয়তাৰ বাবে পচন্দ আধাৰিত ক্ৰেডিট পদ্ধতি (Choice Based Credit System - CBCS) পদ্ধতিক গ্ৰহণ কৰা হ'ব। HEIএ এটি মানদণ্ড ভিত্তিক গ্ৰেডিং ব্যৱস্থা আগবঢ়াব, যি শিক্ষাৰ্থীৰ সফলতাক প্ৰতিটো পাঠ্যক্ৰমৰ শিকণৰ লক্ষ্যৰ ভিত্তিত নিৰ্ধাৰণ কৰাৰ লগতে সমগ্ৰ ব্যৱস্থাটো নিখুঁট আৰু ফলাফল অধিক তুলনামূলক কৰি তোলে। HEIএ উচ্চ স্তৰৰ পৰীক্ষাৰ সলনি নিৰবিচ্ছিন্ন আৰু ব্যাপক মূল্যায়নৰ পদ্ধতিক অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগে।

12.3. দ্বিতীয়তে, প্ৰতিটো প্ৰতিষ্ঠানে পাঠ্যক্ৰমৰ উন্নতিৰ পৰা মানদণ্ডসম্পন্ন শ্ৰেণীকোঠা নিৰ্মাণলৈকে প্ৰতিটো শৈক্ষিক পৰিকল্পনা ব্যাপক প্ৰতিষ্ঠানগত উন্নয়নৰ পৰিকল্পনা (Institutional Development Plan - IDP)ৰ অধীনত সম্পন্ন কৰিব লাগিব। প্ৰতিটো প্ৰতিষ্ঠানে শিক্ষাৰ্থীৰ সৰ্বাংগীন বিকাশৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হৈ থকাৰ লগতে শ্ৰেণীকোঠাৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক এই দুয়োবিধ শিক্ষাৰ লগত জড়িত শিক্ষাৰ্থীৰ উপৰিও শৈক্ষিক আৰু সামাজিক গোটৰ অন্তৰ্গত বিভিন্ন শিক্ষাৰ্থীক সমৰ্থন কৰিবলৈ এক আভ্যন্তৰীণ ব্যৱস্থা গঢ়ি তুলিব লাগে। উদাহৰণস্বৰূপে, সকলো HEIএ শিক্ষক বা অন্য বিশেষজ্ঞৰ সহযোগত শিক্ষাৰ্থীৰ দ্বাৰা স্থাপিত বিভিন্ন বিষয় নিৰ্দিষ্ট প্ৰতিষ্ঠান বা সংঘক বিত্তীয় সহায় আগবঢ়াব পাৰিব। এই প্ৰতিষ্ঠান বা সংঘসমূহ বিজ্ঞান, গণিত, কবিতা, ভাষা, সাহিত্য, তৰ্ক, সংগীত, ক্ৰীড়া আদিৰ প্ৰতি উৎসৰ্গিত হ'ব লাগিব। আকৌ, যেতিয়া এইবোৰ বিষয়ত শিক্ষকৰ দক্ষতাৰ পূৰ্ণ বিকাশৰ লগতে শিক্ষাৰ্থীৰ দাবীসমূহো পূৰ্ণ হয়, তেতিয়া এই কাৰ্যকলাপসমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব পৰা যাব। এই ক্ষেত্ৰত শিক্ষকসকলে কেৱল শিক্ষক হিচাপেই নহয়, উপযুক্ত দক্ষতা আৰু প্ৰশিক্ষণযুক্ত প্ৰশিক্ষক হিচাপেও দায়িত্ব পালন কৰিব লাগিব।

12.4. তৃতীয়তে, উচ্চ শিক্ষাত আৰ্থ-সামাজিকভাৱে পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীৰ শৈক্ষিক সফলতাৰ বাবে উৎসাহ আৰু সমৰ্থন প্ৰয়োজনীয়। গতিকে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহে উচ্চ মানদণ্ডৰ সমৰ্থন কেন্দ্ৰ স্থাপন কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজনীয় ধন আৰু সম্পদ প্ৰতিষ্ঠানসমূহক প্ৰদান কৰা হ'ব। ইয়াৰ লগতে, সকলো শিক্ষাৰ্থীৰ বাবে পেছাদাৰী শৈক্ষিক আৰু বৃত্তিগত পৰামৰ্শৰ সুবিধা থকাৰ লগতে শিক্ষাৰ্থীৰ দৈহিক, মানসিক আৰু আবেগিক পৰিপক্কতাৰ বাবে পৰামৰ্শদাতা থাকিব লাগিব।

12.5. চতুৰ্থতে, দূৰ শিক্ষা আৰু অনলাইন শিক্ষাই মানসম্পন্ন উচ্চ শিক্ষা লাভৰ ক্ষেত্ৰত এক স্বাভাবিক পথ প্ৰদান কৰে। ইয়াৰ সম্ভাৱনীয়তাক সম্পূৰ্ণভাৱে ব্যৱহাৰ কৰিবলৈ তথা মানদণ্ডৰ বিকাশৰ বাবে তথ্যভিত্তিক প্ৰসাৰৰ জৰিয়তে দূৰ শিক্ষাক নতুন ৰূপ প্ৰদান কৰা হ'ব। মানদণ্ডৰ দিশৰ পৰা দূৰ শিক্ষা ব্যৱস্থা আৰু শ্ৰেণীকোঠাৰ শিক্ষা সমান হ'ব। ইয়াৰ

পদ্ধতিগত বিকাশ, নিয়ন্ত্ৰণৰ তথা ODLৰ মূল্যায়নৰ বাবে নীতি, মানদণ্ড তথা নিৰ্দেশাৱলী প্ৰস্তুত কৰা হ'ব। লগতে ইয়াৰ মানদণ্ডৰ বাবে সকলো HEIএ এক গাঁথনি প্ৰস্তুত কৰিব লাগিব।

12.6. শেষত, শ্ৰেণীকোঠাৰ ভিতৰত, অনলাইন, দূৰ শিক্ষাৰ পদ্ধতি তথা শিক্ষাৰ্থীৰ সমৰ্থনকে ধৰি বিভিন্ন বিষয়ৰ সকলো পাঠ্যক্ৰম আৰু শিক্ষানীতি আন্তঃৰাষ্ট্ৰীয় মানদণ্ডৰ হ'ব।

**আন্তৰ্জাতিকীকৰণ**

12.7. ওপৰত উল্লেখ কৰা বিভিন্ন পদক্ষেপবোৰে ভাৰতত অধ্যয়নৰত বিদেশৰ শিক্ষাৰ্থীসমূহক সহায় কৰাৰ লগতে ভাৰতৰ যিসকল শিক্ষাৰ্থীয়ে বিদেশলৈ যাবলৈ বিচাৰে বা বিদেশত অধ্যয়ন কৰিব বিচাৰে, বিদেশত বা ভাৰতত বিভিন্ন গৱেষণা সম্পন্ন কৰিব বিচাৰে, তেওঁলোকক সহায় কৰিব। বিভিন্ন পাঠ্যক্ৰম, যেনে, ভাৰততত্ব (Indology), ভাৰতীয় ভাষা, আয়ুস (AYUSH) ব্যৱস্থা, যোগবিদ্যা, চিত্ৰকলা, সংগীত, ইতিহাস, সংস্কৃতি আৰু আধুনিক ভাৰত, বিজ্ঞান, সমাজ বিজ্ঞান আৰু আন সামাজিক বিষয়ৰ আন্তৰ্জাতিক দিশৰ পৰা প্ৰাসংগিক বিষয়, বসবাসৰ উন্নতমানৰ ব্যৱস্থা তথা চৌহদত উপলব্ধ বিভিন্ন সুবিধা আদিয়ে আন্তৰ্জাতিক মানদণ্ড প্ৰাপ্তিৰ লক্ষ্যত উপনীত হোৱা, অধিক সংখ্যক আন্তৰ্জাতিক শিক্ষাৰ্থীক আকৰ্ষণ কৰা আৰু 'ঘৰতে আন্তৰ্জাতিকীকৰণ'ৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

12.8. কম ব্যয়ৰ বিনিময়ত উচ্চ মানদণ্ডৰ শিক্ষা প্ৰদানৰ জৰিয়তে বিশ্বগুৰুৰ ভুমিকা পালন কৰি ভাৰতবৰ্ষক অধ্যয়নৰ গন্তব্যস্থান হিচাপে গঢ়ি তোলা হ'ব। বিদেশৰ পৰা অহা সকলো শিক্ষাৰ্থীক স্বাগতম আৰু সমৰ্থন জনোৱাৰ লগত সম্পৰ্কিত সকলো দিশ চোৱা-চিতা কৰাৰ উদ্দেশ্যে প্ৰতিটো HEIত একোটা আন্তৰ্জাতিক শিক্ষাৰ্থীৰ কাৰ্যালয় স্থাপন কৰা হ'ব। বিদেশৰ উচ্চ মানদণ্ডৰ শৈক্ষিক প্ৰতিষ্ঠানৰ সৈতে গৱেষণা/শিক্ষাদান তথা শিক্ষক/শিক্ষাৰ্থী বিনিময়ৰ কাৰ্য সম্পন্ন কৰাৰ লগতে ইয়াৰ লগত সম্পৰ্কিত MOU বিদেশী দেশৰ লগত স্বাক্ষৰ কৰা হ'ব। ভাৰতৰ আগশাৰীৰ বিশ্ববিদ্যালয়সমূহক বিদেশত চৌহদ স্থাপন কৰিবলৈ উৎসাহিত কৰা হ'ব আৰু সেইদৰে বিশ্বৰ শীৰ্ষৰ 100 খন বিশ্ববিদ্যালয়ৰ অন্তৰ্ভুক্ত প্ৰতিষ্ঠানক ভাৰতত কেন্দ্ৰ স্থাপন কৰিবলৈ আহ্বান কৰা হ'ব। এনে ব্যৱস্থাৰ বাবে এটা সুকীয়া আইনী পদক্ষেপ গ্ৰহণ কৰা হ'ব আৰু এনে বিশ্ববিদ্যালয়ক নিয়ন্ত্ৰণ, পৰিচালনা আৰু ৰীতি-নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত ভাৰতৰ অন্য স্বায়ত্বশাসিত শৈক্ষিক প্ৰতিষ্ঠানৰ অনুৰূপ অধিকাৰ প্ৰদান কৰা হ'ব। ইয়াৰ উপৰিও, ভাৰতৰ প্ৰতিষ্ঠান আৰু আন্তৰ্জাতিক প্ৰতিষ্ঠানৰ মাজত গৱেষণা সহযোগিতা আৰু শিক্ষাৰ্থীৰ বিনিময় ব্যৱস্থাক এক বিশেষ পদক্ষেপৰ জৰিয়তে উৎসাহিত কৰা হ'ব। ডিগ্ৰী প্ৰদানৰ বেলিকা HEIৰ প্ৰয়োজনীয়তা অনুসৰি বিদেশৰ বিশ্ববিদ্যালয়ত আৰ্জিত ক্ৰেডিটক অনুমোদন জনোৱা হ'ব।

**শিক্ষাৰ্থীৰ কাৰ্যাৱলী আৰু অংশগ্ৰহণ**

12.9. শিক্ষাৰ্থীসকল হ'ল শিক্ষা ব্যৱস্থাটোৰ মূল অংশগ্ৰণকাৰী। উচ্চ মানদণ্ডৰ শিক্ষণ-শিকণৰ প্ৰক্ৰিয়াৰ বাবে এতি উজ্জীৱিত চৌহদ প্ৰয়োজনীয়। এই ক্ষেত্ৰত ক্ৰীড়া, সংস্কৃতি/চিত্ৰকলা, সংঘ, পাৰিৱেশিক সংঘ, কৰ্মমূলক সংঘ, সামাজিক সেৱাৰ সংঘ আদিত অংশগ্ৰহণ কৰিবলৈ শিক্ষাৰ্থীসকলক পৰ্যাপ্ত সুবিধা প্ৰদান কৰিব লাগে। প্ৰতিখন শৈক্ষিক প্ৰতিষ্ঠানতে মানসিক অশান্তি আৰু আৱেগৰ লগত জড়িত সমস্যাবোৰ সমাধান কৰাৰ বাবে একোটা পৰামৰ্শদানৰ ব্যৱস্থা থাকিব লাগে। তদুপৰি, গ্ৰাম্য অঞ্চলৰ পৰা অহা শিক্ষাৰ্থীসকলৰ বাবে ছাত্ৰাবাসৰ পৰ্যাপ্ত সুবিধাকে ধৰি বিভিন্ন পদ্ধতিগত ব্যৱস্থা কৰিব লাগে। প্ৰতিটো HEIএ সকলো শিক্ষাৰ্থীৰ বাবে তেওঁলোকৰ প্ৰতিষ্ঠানত মানদণ্ডসম্পন্ন চিকিৎসাৰ সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে।

**শিক্ষাৰ্থীসকলৰ প্ৰতি আৰ্থিক সহায়**

12.10. শিক্ষাৰ্থীসকলৰ প্ৰতি আৰ্থিক সহায় বিভিন্ন উপায়েৰে আগবঢ়াব লাগে। SC, ST, OBC আৰু SEDGৰ অন্তৰ্গত শিক্ষাৰ্থীসকলৰ যোগ্যতা বৃদ্ধিৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হ'ব। এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় বৃত্তি পৰ্টেলে

(National Scholarship Portal) শিক্ষাৰ্থীয়ে লাভ কৰা জলপানি ব্যৱস্থাটোৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে কামৰ অগ্ৰগতিৰো খতিয়ান ল'ব। ব্যক্তিগত HEIবোৰক তেওঁলোকৰ শিক্ষাৰ্থীক অধিক পৰিমাণে বিনামূলীয়া শিক্ষা আৰু জলপানি আগবঢ়োৱাৰ বাবে অনুপ্ৰেৰণা যোগোৱা হ'ব।

## 13. অনুপ্ৰাণিত, সামৰ্থ্যবান আৰু সক্ষম শিক্ষক

13.1. উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ সফলতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰকটো হ'ল ইয়াৰ শিক্ষকৰ গুণমান আৰু আত্মোৎসৰ্গা। উচ্চ শিক্ষাৰ লক্ষ্যসমূহত উপনীত হ'বলৈ শিক্ষকৰ অৱদানক স্বীকাৰ কৰি বিগত বছৰবোৰত নিয়োগ আৰু কৰ্মজীৱনৰ অগ্ৰগতিৰ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ লগতে সমাজৰ বিভিন্ন দলৰ পৰা সমৰূপত শিক্ষকৰ নিয়োগৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চৰকাৰী প্ৰতিষ্ঠানৰ স্থায়ী শিক্ষকৰ ক্ষতিপূৰণৰ স্তৰো যথেষ্ট পৰিমাণে বৃদ্ধি কৰা হৈছে। শিক্ষকসকলৰ পেছাদাৰীমূলক উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। অৱশ্যে, শৈক্ষিক দিশত এনেবোৰ উন্নতিৰ পিছতো শিক্ষাদান, গৱেষণা আৰু HEIত সেৱাৰ ক্ষেত্ৰত শিক্ষকে লাভ কৰিবলগীয়া অনুপ্ৰেৰণা আশা কৰাতকৈ নিম্ন স্তৰত আছে। শিক্ষকৰ অনুপ্ৰেৰণাহীনতা দূৰ কৰিবলৈ বিভিন্ন কাৰকৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। তাৰ ভিতৰত সকলো শিক্ষক সুখী, উদ্যমী হৈ থকাৰ লগতে তেওঁলোকক প্ৰতিজনে তেওঁলোকৰ ছাত্ৰ, প্ৰতিষ্ঠান আৰু কৰ্মৰ প্ৰতি অনুপ্ৰাণিত কৰিব লাগে। শেষত, HEIত শ্ৰেষ্ঠ, অনুপ্ৰাণিত আৰু সক্ষম শিক্ষক লাভ কৰিবলৈ এই শৈক্ষিক নীতিয়ে তলত উল্লেখ কৰা দিশবোৰৰ পৰামৰ্শ আগবঢ়াইছে।

13.2. মৌলিক পদক্ষেপ হিচাপে, সকলো HEIত মৌলিক আন্তঃগাঁথনি আৰু সুবিধা যেনে, খোৱাপানী, পৰিষ্কাৰ শৌচাগাৰ, ব্লেকবোৰ্ড, অফিচ, শৈক্ষিক আহিলা, গ্ৰন্থাগাৰ, পৰীক্ষাগাৰ আৰু উচ্চমানৰ শ্ৰেণী আৰু চৌহদ আদি প্ৰদান কৰা হ'ব। প্ৰতিটো শ্ৰেণীকোঠাত শেহতীয়া শৈক্ষিক প্ৰযুক্তি থাকিব লাগে যি শিকণৰ উন্নত অভিজ্ঞতা প্ৰদান কৰে।

13.3. শিক্ষণৰ দয়িত্ববোৰ অত্যাধিক হ'ব নালাগে। লগতে শিক্ষাৰ্থী-শিক্ষকৰ অনুপাত উচ্চ হ'ব নালাগে যাতে শিক্ষণৰ কাৰ্য মনোগ্ৰাহী হৈ থকাৰ লগতে শিক্ষাৰ্থীসকলৰ লগত কথোপকথন, গৱেষণা সম্পন্ন আৰু আন বিশ্ববিদ্যালয়ৰ কাম-কাজৰ বাবেও পৰ্যাপ্ত সময় থাকে। শিক্ষকসকল এখন শৈক্ষিক প্ৰতিষ্ঠানত নিযুক্ত হ'ব আৰু তেওঁলোকক প্ৰতিষ্ঠানসমূহৰ মাজত স্থানান্তৰ কৰিব নালাগে যাতে শিক্ষকসকলে কোনো প্ৰতিষ্ঠান আৰু সমাজৰ সৈতে জড়িত আৰু নিয়োজিত হৈ থকা বুলি অনুভৱ কৰিব পাৰে।

13.4. ধাৰ্য কৰা গাঁথনিৰ লগত সংগতি ৰাখি নিজৰ পাঠ্যক্ৰম আৰু শিক্ষানীতি ধাৰ্য কৰিবলৈ শিক্ষসকলক স্বাধীনতা প্ৰদান কৰা হ'ব। লগতে পাঠ্যক্ৰমৰ কিতাপ প্ৰস্তুত আৰু শিক্ষণ সঁজুলি ধাৰ্য কৰা, প্ৰকল্প প্ৰস্তুত আৰু মূল্যায়নৰ কাম–কাজো শিক্ষকে স্বাধীনভাৱে কৰিব পাৰিব। উদ্ভাৱনীমূলক গৱেষণা, শিক্ষণ আৰু সেৱা সম্পন্ন কৰিবলৈ শিক্ষকৰ সৰলীকৰণ কৰিব লাগিব, যিহেতু এই ক্ষেত্ৰত শ্ৰেষ্ঠজনেই হ'ল সৰ্বশ্ৰেষ্ঠ অনুপ্ৰেৰক আৰু তেঁৱেই শিক্ষাৰ্থীক উদ্ভাৱনীমূলক কামত নিয়োজিত কৰিব পাৰিব।

13.5. উপযুক্ত পুৰস্কাৰ, পদোন্নতি, স্বীকৃতি আৰু প্ৰতিষ্ঠানৰ নেতৃত্বৰ দায়িত্ব অৰ্পণৰ জৰিয়তে শ্ৰেষ্ঠত্বক অধিক উদগণি জগাব লাগে। অৱশ্যে, মৌলিক নিয়মাৱলী মানি নচলা শিক্ষকক জবাবদিহি কৰা উচিত।

13.6. স্বায়িত্বশাসিত প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত শ্ৰেষ্ঠত্ব অৰ্জনৰ হেতু HEIএ শিক্ষক নিযুক্তিৰ স্বাধীন আৰু স্বচ্ছ প্ৰক্ৰিয়া আৰু নিয়মাৱলী ধাৰ্য কৰিছে। বৰ্তমানৰ নিযুক্তিৰ প্ৰক্ৰিয়া চলি থাকিব আৰু নিযুক্তিৰ ক্ষেত্ৰত শ্ৰেষ্ঠত্ব নিশ্চিত কৰাৰ বাবে উপযুক্ত পৰীক্ষাৰ সময়সীমা স্থাপন কৰা হ'ব। উচ্চ পৰ্যায়ৰ গৱেষণা আৰু অৱদানক স্বীকৃতি প্ৰদান কৰাৰ বাবে দ্ৰুত পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব। নিৰ্দিষ্ট সময়সীমাৰ উদ্দেশ্যে প্ৰদৰ্শন মূল্যায়নৰ বিভিন্ন স্তৰ ধাৰ্য কৰা হৈছে। তাৰ ভিতৰত নিৰ্দিষ্ট পৰীক্ষাৰ কালৰ পিছত নিশ্চিত নিযুক্তি, পদোন্নতি, দৰমহা বৃদ্ধি, স্বীকৃতি আদিয়ে প্ৰধান। ইয়াৰ উপৰিও শিক্ষাৰ্থীৰ মত, শিক্ষণৰ কাৰ্যত উদ্ভাৱন, শিক্ষানীতিৰ গুণমান আৰু গৱেষণাৰ প্ৰভাৱ, পেছাদাৰী বিকাশৰ কাৰ্যাৱলী আৰু প্ৰতিষ্ঠান

তথা সমাজলৈ অন্য প্ৰকাৰৰ সেৱা আদিও প্ৰতিখন HEIএ ধাৰ্য কৰিব লাগে আৰু পোনপটীয়াকৈ প্ৰতিষ্ঠানৰ উন্নয়নৰ পৰিকল্পনাত (IDP) অন্তৰ্ভুক্ত কৰিব লাগে।

13.7. শ্ৰেষ্ঠত্ব আৰু উদ্ভাৱনীমূলক কাৰ্য সম্পাদনত অৰিহণা যোগোৱা উৎসাহী আৰু দক্ষ নেতৃস্থানীয় ব্যক্তিৰ উপস্থিতি বৰ্তমান সময়ৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ দিশসমূহৰ অন্যতম। দক্ষ আৰু প্ৰভাৱশালী নেতৃত্ব এখন প্ৰতিষ্ঠান আৰু ইয়াৰ কৰ্মৰত ব্যক্তিসকলৰ সফলতাৰ বাবে অতি প্ৰয়োজনীয়। উচ্চ শৈক্ষিক আৰু সেৱাৰ দক্ষতা থকা তথা নেতৃত্ব আৰু প্ৰশাসনীয় গুণ থকা শিক্ষকক চিনাক্ত কৰি নেতৃত্বৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। নেতৃত্বৰ পদবোৰ কেতিয়াও খালী হৈ থাকিব নালাগে। বৰঞ্চ প্ৰতিষ্ঠানৰ সু-পৰিচালনাৰ বাবে নেতৃত্বৰ পৰিৱৰ্তনৰ সময়ত এটা সমপতিত সময়সীমা থকাটো এটা নীতি হিচাপে পৰিগণিত হ'ব লাগে। প্ৰতিষ্ঠানৰ নেতাসকলে শ্ৰেষ্ঠত্বৰ এক বাতাৱৰণ সৃষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে, যি শ্ৰেষ্ঠ আৰু উদ্ভাৱনীমূলক শিক্ষণ, গৱেষণা, প্ৰতিষ্ঠানমূলক সেৱা আৰু সমাজৰ লগত সম্পৰ্কৰ ক্ষেত্ৰত শিক্ষক আৰু সকলো HEI নেতাক অনুপ্ৰাণিত কৰে।

## 14. উচ্চ শিক্ষাৰ সমতা আৰু অন্তৰ্ভুক্তি

14.1. এটা গুণগত উচ্চ শিক্ষাৰ ব্যৱস্থাত প্ৰৱেশ কৰাটোৱে বিভিন্ন সম্ভাৱনাৰ দ্বাৰ মুকলি কৰে, যি ব্যক্তি আৰু সমাজ উভয়কে অনগ্ৰসৰতাৰ পৰা মুক্ত কৰে। এই কাৰণেই প্ৰতিগৰাকী ব্যক্তিৰ বাবে উন্নত মানৰ উচ্চ শিক্ষাৰ ব্যৱস্থা কৰা সৰ্বোত্তম অগ্ৰাধিকাৰবোৰৰ ভিতৰত এটা। এই আঁচনিবোৰে SEDGৰ ওপৰত বিশেষ দৃষ্টি নিক্ষেপ কৰি সকলো শিক্ষাৰ্থীক উচ্চ মানদণ্ডৰ শিক্ষা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

14.2. স্কুল আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানবোৰৰ পৰা SEDGক আঁতৰোৱাৰ কাৰণ সকলোতে একে। সেয়েহে, উচ্চ শিক্ষাৰ সমতা আৰু অন্তৰ্ভুক্তি সকলো স্কুল আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানতে একে। ইয়াৰ উপৰিও, বহনক্ষম সংস্কাৰৰ বাবে সকলো স্তৰৰ মাজত এক নিৰৱচ্ছিন্নতা থকিব লাগে। এইদৰে, এই আঁচনিখনে সমতাৰ লক্ষ্যত উপনীত হ'বলৈ আৰু উচ্চ শিক্ষাৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

14.3. বৰ্জনৰ ক্ষেত্ৰত নিৰ্দিষ্ট কিছুমান দিশ আছে, যিবোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত অধিক প্ৰগাঢ় হয়। এইবোৰ বিশেষভাৱে উল্লেখ কৰিব লাগে। এই দিশবোৰৰ ভিতৰত উচ্চ শিক্ষাৰ সুবিধাৰ ক্ষেত্ৰত জ্ঞানৰ অভাৱ, উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আৰ্থিক সুযোগ, আৰ্থিক সীমাবদ্ধতা, নামভৰ্তিৰ প্ৰক্ৰিয়া, ভৌগোলিক আৰু ভাষিক বাধা, অনেক উচ্চ শিক্ষাৰ কৰ্মসূচীৰ দুৰ্বল কৰ্মক্ষমতাৰ সম্ভাৱনা আৰু উপযুক্ত ছাত্ৰ সমৰ্থন ব্যৱস্থাৰ অভাৱ আদি প্ৰধান।

14.4. সেয়েহে, সকলো চৰকাৰ আৰু HEIএ উচ্চ শিক্ষাৰ বাবে বিশেষ কিছুমান পদক্ষেপ গ্ৰহণ কৰিব লাগে:

14.4.1. চৰকাৰে গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহ

- (ক) SEDGৰ শিক্ষাৰ বাবে পৰ্যাপ্ত চৰকাৰী ধনৰ অনুমোদন
- (খ) SEDGৰ উচ্চ GERৰ বাবে স্পষ্ট লক্ষ্য ধাৰ্য
- (গ) HEIত নামভৰ্তিৰ বাবে লিংগ সমতাৰ নিশ্চিতি
- (ঘ) অধিক সংখ্যক SEDG থকা নিৰ্দিষ্ট জিলা আৰু বিশেষ শৈক্ষিক অঞ্চলবোৰত HEI স্থাপন কৰি শিক্ষা উপলব্ধ কৰি তোলা
- (ঙ) স্থানীয়/ভাৰতীয় ভাষা শিক্ষা প্ৰদানৰ বাবে উচ্চ মানদণ্ডৰ HEI স্থাপন কৰা
- (চ) ব্যক্তিগত আৰু ৰাজহুৱা HEIৰ উভয়তে SEDGসকলক অধিক আৰ্থিক সহায় আৰু জলপানি আগবঢ়োৱা
- (ছ) SEDGৰ মাজত উচ্চ শিক্ষাৰ সুযোগ আৰু জলপানিৰ ক্ষেত্ৰত জনসংযোগ কাৰ্যসূচী পৰিচালনা কৰা
- (জ) অধিক উন্নত অংশগ্ৰহণ আৰু শিকণৰ বাবে প্ৰযুক্তিৰ উন্নয়ন আৰু সমৰ্থন কৰা

14.4.2. HEIএ গ্ৰহণ কৰিবলগীয়া পদক্ষেপসমূহ

(ক) সুযোগ ব্যয় আৰু মাচুলৰ মাজত সামঞ্জস্য স্থাপন কৰা
(খ) আৰ্থ-সামাজিকভাৱে পিছপৰা শিক্ষাৰ্থীক অধিক আৰ্থিক সহায় আৰু জলপানি আগবঢ়োৱা
(গ) উচ্চ শিক্ষাৰ সুযোগ আৰু জলপানিৰ ক্ষেত্ৰত জনসংযোগ কাৰ্য সম্পন্ন কৰা
(ঘ) নামভৰ্তিৰ প্ৰক্ৰিয়াক অধিক অন্তৰ্ভুক্তিমূলক কৰা
(ঙ) পাঠ্যক্ৰমক অধিক অন্তৰ্ভুক্তিমূলক কৰা
(চ) উচ্চ শিক্ষাৰ কাৰ্যসূচীবোৰত নিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰা
(ছ) ভাৰতীয় ভাষা আৰু দ্বিভাষিকতাৰে শিকাব পৰা অধিক স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰম নিৰ্মাণ কৰা
(জ) সকলো অট্টালিকা আৰু গৃহ হুইল-চেয়াৰৰ সুবিধা থকাকৈ আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে অনুকুল হোৱাকৈ নিৰ্মাণ কৰা
(ঝ) সমাজৰ পিছপৰা অঞ্চলৰ পৰা অহা শিক্ষাৰ্থীসকলৰ বাবে সংযোগকৰণৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা।
(ঞ) তেনে শিক্ষাৰ্থীক সামাজিক-আবেগিক আৰু শৈক্ষিক সমৰ্থনৰ লগতে পৰামৰ্শদানৰ ব্যৱস্থা কৰা
(ট) লিংগ পৰিচয়ৰ ক্ষেত্ৰত সকলো শিক্ষক, পৰামৰ্শদাতা আৰু ছাত্ৰ-ছাত্ৰীৰ ছেনিটাইজেশ্যনৰ ব্যৱস্থা কৰা আৰু HEIকে আদি কৰি পাঠ্যক্ৰমৰ প্ৰতিটো দিশতে অন্তৰ্ভুক্ত কৰা
(ঠ) বৈষম্য আৰু অত্যাচাৰ বিৰোধী আইন কঠোৰভাৱে বলবৎ কৰা
(ড) প্ৰতিষ্ঠানৰ উন্নয়ণমূলক আঁচনি নিৰ্মাণ কৰা য'ত SEDGৰ বৰ্ধিত অংশগ্ৰহণ বাবে বিশেষ আঁচনি অন্তৰ্ভুক্ত হৈ থাকে।

## 15. শিক্ষক শিক্ষা

15.1. বিদ্যালয়সমূহৰ শৈক্ষিক ব্যৱস্থাপনা আৰু শিক্ষাদানৰ বাবে উপযুক্ত ভেঁটি নিৰ্মাণত শিক্ষক শিক্ষাৰ ভূমিকা অপৰিহাৰ্য। পৰৱৰ্তী প্ৰজন্মক গঢ় দিবলৈ শিক্ষাদানৰ প্ৰস্তুতি অতি গুৰুত্বপূৰ্ণ ক্ৰিয়া-কলাপ; গতিকে শিক্ষকৰ প্ৰস্তুতিৰ বাবে আৱশ্যক, শ্ৰেষ্ঠতম নিৰ্দেশক অথবা গুৰুৰ নিৰ্দেশনা। বহুবিষয়ক দৃষ্টিভংগী আৰু চেতনাৰ বিকাশ, মূল্যবোধ আৰু অন্তৰ্দৃষ্টিৰে গঠন আৰু অনুশীলনৰ বিকাশ সাধন; ইত্যাদিবোৰৰ সমষ্টিয়েই হৈছে শিক্ষক প্ৰস্তুতিৰ গুৰুত্বপূৰ্ণ দিশ; যিসমুহক নিৰ্দিষ্ট নিৰ্দেশক বা গুৰুৰ তত্বাৱধানত আগবঢ়োৱা হয়। শিক্ষক শিক্ষাই শিক্ষকসকলক লক্ষণীয়ভাৱে ভাৰতীয় নীতি, মূল্যবোধ, ভাষা, জ্ঞান, পৰম্পৰা আৰু জনজাতীয় লোকাচাৰেৰে অনুপ্ৰাণিত কৰাৰ লগতে শিক্ষা আৰু শিক্ষাদান পদ্ধতিৰ নৱতম অগ্ৰগতি সম্পৰ্কে অভিজ্ঞ কৰি তোলাটো অতি প্ৰয়োজনীয়।

15.2. উচ্চতম ন্যায়ালয়ে গঠন কৰি দিয়া ন্যায়াধীশ জে. এছ. বাৰ্মা কমিছনৰ (2012) মতে গৰিষ্ঠ সংখ্যক স্বায়ত্বশাসিত (stand alone) শিক্ষক শিক্ষা প্ৰতিষ্ঠান (Teacher Education Institute, TEI)য়ে – 10,000ৰ অধিক সংখ্যক প্ৰতিষ্ঠানে গুৰুত্বপূৰ্ণ আৰু মননশীল শিক্ষক শিক্ষা আগবঢ়োৱা নাই; বৰং তেওঁলোকে দৰ-দামেৰে ডিগ্ৰী বিক্ৰী কৰাত নিয়োজিত হৈছে। বিভিন্ন ধৰণৰ নিয়ন্ত্ৰণকাৰী ব্যৱস্থাপনা খণ্ডসমূহক কঠোৰ নীতি প্ৰয়োগেৰে পুনৰ্গঠন প্ৰক্ৰিয়াৰ নিতান্তই আৱশ্যকতা আহি পৰিছে; যাতে ভাৰতীয় শিক্ষা ব্যৱস্থাই অখণ্ডতা, বিশ্বাসযোগ্যতা, প্ৰভাৱশালীতা আৰু উচ্চ গুণসম্পন্ন বিশিষ্টতা লাভ কৰিব পাৰে।

15.3. শিক্ষাখণ্ডৰ অখণ্ডতা আৰু বিশ্বাসযোগ্যতাৰ মান উন্নত কৰিবৰ বাবে জনমানসত শিক্ষকতা বৃত্তিৰ প্ৰতি থকা পূৰ্বৰ সন্মান ঘূৰাই অনাৰ প্ৰয়োজন। গতিকে, আসোৱাহপূৰ্ণ শিক্ষক-শিক্ষা অনুষ্ঠানসমূহক নিয়ন্ত্ৰণ কৰিবৰ বাবে নিয়ন্ত্ৰণ ব্যৱস্থা কটকটীয়া কৰা হ'ব। অৱশ্যে নিয়ন্ত্ৰণাধীন কৰাৰ আগতে তেনে শিক্ষানুষ্ঠানসমূহক পূৰ্বৰ আঁসোৱাহসমূহ দূৰ কৰিবলৈ এবছৰৰ সময়সীমা বান্ধি দিয়া হ'ব। 2030 চনৰ পৰা কেৱল শৈক্ষিকভাৱে সৱল, বহু দিশাত্মক আৰু অখণ্ড শিক্ষক শিক্ষা ব্যৱস্থাকহে মান্যতা প্ৰদান কৰা হ'ব।

15.4. যিহেতু শিক্ষক শিক্ষাক উচ্চ গুণসম্পন্ন উপাদান আৰু ব্যৱস্থাপনাৰ প্ৰয়োজন, গতিকে এই সম্পৰ্কীয় সকলো কাৰ্য-কলাপ, বহু বিষয়ক অনুষ্ঠানসমূহৰ যোগেদি প্ৰদান কৰিব লাগিব। সেয়েহে সকলো বহু বিষয়ক বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ে শিক্ষাৰ বিভিন্ন দিশত গৱেষণা কৰাৰ লগতে শিক্ষাতত্ব বিভাগ প্ৰতিষ্ঠাত গুৰুত্ব আৰোপ কৰিব। তাৰোপৰি

B.Ed. পাঠ্যক্ৰমসমূহ আন আন বিভাগসমূহ, যেনে, মনোবিজ্ঞান, দৰ্শন, সমাজতত্ব, ভাৰতীয় ভাষা, কলা, সংগীত, বুৰঞ্জী, সাহিত্য, শাৰীৰিক শিক্ষা, বিজ্ঞান, গণিত ইত্যাদি বিষয়সমূহৰ সহযোগিতাত আগবঢ়াই নিব। ইয়াৰোপৰি সকলো স্বায়ত্ব-শাসিত শিক্ষক-শিক্ষা অনুষ্ঠান 2030 চনৰ ভিতৰত বহু বিষয়ক অনুষ্ঠানলৈ ৰূপান্তৰ কৰাতো বাধ্যতামূলক হ'ব।

15.5. 2030 চনৰ ভিতৰত উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে আগবঢ়োৱা 4 বছৰীয়া B.Ed. পাঠ্যক্ৰম এটা দ্বি-সন্মানীয় বিষয়ক ডিগ্ৰী হ'ব, য'ত শিক্ষাতত্ব বিভাগৰ লগতে আন বিষয় যেনে, ভাষা, বুৰঞ্জী, সংগীত, গণিত, কম্পিউটাৰ বিজ্ঞান, ৰসায়ন বিজ্ঞান, অৰ্থনীতি, কলা, শাৰীৰিক বিজ্ঞান ইত্যাদিবোৰৰ যিকোনো এটা বিষয় সন্মানীয় বিষয় হিচাপে থাকিব। লগতে, আৰু বিভিন্ন বিষয় যেনে, সমাজতত্ব, বুৰঞ্জী, বিজ্ঞান, মনোবিজ্ঞান, প্ৰাৰম্ভিক শিশুকালৰ যত্ন আৰু শিক্ষা, প্ৰাথমিক সাংখ্যিক জ্ঞান ইত্যাদি বিষয়ো অন্তৰ্ভুক্ত কৰা হ'ব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে কোনো সন্মানীয় বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰিছে, তেওঁলোকৰ বাবে B.Ed. পাঠ্যক্ৰম দুবছৰীয়া হ'ব। আনহাতে, যিসকল ছাত্ৰ-ছাত্ৰীয়ে কোনো সন্মানীয় বিষয়ত চাৰি বছৰীয়া পূৰ্ব-স্নাতক ডিগ্ৰী লাভ কৰিছে, তেওঁলোকক এবছৰীয়া B.Ed. ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। এবছৰীয়া, দুবছৰীয়া আৰু চাৰি বছৰীয়া এই কেউটা পাঠ্যক্ৰমতে মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে জলপানিৰ ব্যৱস্থা কৰা হ'ব।

15.6. উচ্চ শিক্ষানুষ্ঠানসমূহে আগবঢ়োৱা শিক্ষক-শিক্ষা অনুষ্ঠানসমূহে শিক্ষাৰ লগত জড়িত বিশেষজ্ঞসকলৰ উপলভ্যতা নিশ্চিত কৰিব। প্ৰতিখন উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ৰ লগত যোগাযোগ থাকিব, যাৰ দ্বাৰা যোগ্য শিক্ষকসকলে সমাজ-সেৱা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু বৃত্তিমূলক শিক্ষাৰ প্ৰচাৰ বাবে কাম কৰিব পাৰিব।

15.7. শিক্ষাখণ্ডৰ মানদণ্ড অটুট ৰাখিবলৈ, শিক্ষকতাৰ প্ৰস্তুতিৰ বাবে পূৰ্ব-সেৱা বা পূৰ্ব-প্ৰস্তুতিৰ বিভিন্ন কাৰ্যকলাপ অন্তৰ্ভুক্ত কৰা হ'ব। লগতে ভাষিক আৰু সাংস্কৃতিক পৃথকতাৰ ওপৰত গুৰুত্ব দি শিক্ষকতাৰ অৰ্হতাৰ বাবে আৱশ্যকীয় সম্পৰীক্ষা ৰাষ্ট্ৰীয় পৰীক্ষণ এজেন্সিয়ে (National Testing Agency) সম্পন্ন কৰিব।

15.8. শিক্ষক-শিক্ষা অনুষ্ঠানৰ নিৰ্দেশক বা শিক্ষকসকলৰ পাঠদান/অধ্যয়ন ক্ষেত্ৰ/গৱেষণা আদি ক্ষেত্ৰৰ বৈচিত্ৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। যিসকল নিৰ্দেশক বা শিক্ষক, সমাজ বিজ্ঞান ক্ষেত্ৰৰ জ্ঞানেৰে প্ৰশিক্ষণপ্ৰাপ্ত; তেওঁলোক পোনপটীয়াভাৱে বিদ্যালয় শিক্ষাৰ বাবে যোগ্য প্ৰমাণিত হ'ব। উদাহৰণস্বৰূপে, মনোবিজ্ঞান, শিশু শিক্ষা, ভাষাবিজ্ঞান, সমাজতত্ব, দৰ্শন আদিৰ লগতে বিজ্ঞান শিক্ষা, গণিত শিক্ষা আদি বিষয়সমূহক প্ৰাধান্য দিয়া হ'ব।

15.9. যিকোনো বিষয়তে Ph.D. পাঠ্যক্ৰমৰ বাবে নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে ডক্টৰেল প্ৰশিক্ষণ সময়কালত তেওঁলোকৰ Ph.D.ৰ বিষয়ৰ সৈতে সম্পৰ্কিত শিক্ষণ/শিক্ষা/শিক্ষাতত্ব/লিখনৰ ওপৰত ক্ৰেডিট-আধাৰিত পাঠ্যক্ৰম সম্পন্ন কৰাৰ প্ৰয়োজন হ'ব। যিহেতু বহু সংখ্যক গৱেষক শিক্ষাৰ্থীয়ে পিছৰ পৰ্যায়ত তেওঁলোকৰ নিজৰ বিষয়ত শিক্ষক, জন প্ৰতিনিধি/যোগাযোগকাৰী হৈ পৰে, সেয়ে তেওঁলোকক শিক্ষাবিজ্ঞানৰ অনুশীলন, পাঠ্যক্ৰম, বিশ্বাসযোগ্য পৰীক্ষা পদ্ধতি ইত্যাদি সম্পৰ্কে প্ৰয়োজনীয় জ্ঞান প্ৰদান কৰাটো নিশ্চিত কৰা হ'ব। তেনে ছাত্ৰ-ছাত্ৰীসকলে এক ন্যূনতম সময়ৰ পাঠদানৰ অভিজ্ঞতা লাভ কৰাটো নিশ্চিত কৰা হ'ব আৰু এই উদ্দেশ্যে দেশৰ সকলো বিশ্ববিদ্যালয়ৰ Ph.D. কাৰ্যসূচী পুনৰ গঠন কৰা হ'ব।

15.10. সেৱাত নিয়োজিত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষকৰ বৃত্তিগত অৰ্হতা বৃদ্ধিৰ বাবে ব্যৱস্থা কৰা হ'ব; মানদণ্ডসম্পন্ন শিক্ষা নিশ্চিত কৰাৰ বাবে শিক্ষণ-শিকণ প্ৰক্ৰিয়াসমূহ সমৃদ্ধ কৰিবলৈ এইসমূহ শক্তিশালী কৰাৰ লগতে বিস্তাৰিত কৰা হ'ব। বিভিন্ন প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰ যেনে, SWAYAM/DIKSHA আদিৰ দৰে প্ৰযুক্তি-আধাৰিত অনলাইন প্ৰশিক্ষণক গুৰুত্ব দিয়া হ'ব, যাতে কম সময়ৰ ভিতৰত অধিক সংখ্যক শিক্ষকক মানসম্পন্ন প্ৰশিক্ষণ প্ৰদান কৰাটো সম্ভৱ হৈ উঠে।

15.11. উৎকৃষ্ট মানৰ বয়স্ক আৰু অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ জৰিয়তে National Mission for Mentioning প্ৰতিষ্ঠা কৰা হ'ব। যিসকলে শিক্ষানুষ্ঠানৰ শিক্ষকসকলক হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী বৃত্তিগত অৰ্হতা বৃদ্ধিৰ শিক্ষা দিব।

## 16. বৃত্তিগত শিক্ষাৰ পুনৰ্ধাৰণা

16.1. দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত (2012-17) এই কথা অনুমান কৰা হৈছিল যে 19 বছৰৰ পৰা 24 বছৰ বয়সৰ ভিতৰত ভাৰতৰ খুব নগণ্য সংখ্যক কৰ্মশক্তিয়েহে (5%তকৈও কম) আনুষ্ঠানিকভাৱে বৃত্তিগত শিক্ষা লাভ কৰিছে। ইয়াৰ তুলনাত আমেৰিকাত এই হাৰ 52%, জাৰ্মানীত 75% আৰু দক্ষিণ কোৰিয়াত 96%। এনেধৰণৰ তথ্যই ভাৰতবৰ্ষত বৃত্তিগত শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথাকেই প্ৰমাণ কৰে।

16.2. বহু কম সংখ্যক ছাত্ৰই বৃত্তিগত শিক্ষা লাভ কৰাৰ মূল কাৰণ হৈছে উচ্চ শিক্ষাৰ স্তৰত ইয়াৰ প্ৰচলনৰ অভাৱ। পূৰ্বতে 11-12 শ্ৰেণীলৈকেহে বৃত্তিগত শিক্ষাৰ প্ৰাধান্যতা আছিল, গতিকে পিছৰ পৰ্যায়ত সেই শিক্ষাৰ্থীসকলে বৃত্তিগত দক্ষতা বৰ্তাই ৰাখিব নোৱাৰিছিল। ই বৃত্তিমূলক শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উলম্ব গতিশীলতা প্ৰদান কৰিব পৰা নাছিল, আৰু 2013 চনত নেশ্যনেল স্কিলছ কোৱালিফিকেশ্যন ফ্ৰেমৱৰ্ক (NSQF) ঘোষণা কৰি পোনপ্ৰথমবাৰৰ বাবে এই সমস্যাটো সমাধান কৰিবলৈ পদক্ষেপ হাতত লোৱা হৈছিল।

16.3. বৃত্তিগত শিক্ষাক মূলসুঁতিৰ শিক্ষা ব্যৱস্থাতকৈ হীন বুলি ভৱা হয় আৰু কোৱা হয় যে বৃত্তিগত শিক্ষা সেইসকলৰ বাবেহে যিসকলে উচ্চ শিক্ষাত প্ৰয়োজনীয় ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম নহয়। গতিকে এই ধাৰণাই ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ পথ নিৰ্বাচনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। সেয়ে, এই মানসিকতা আঁতৰাবৰ বাবে বৃত্তিগত শিক্ষা খণ্ডত পুনঃপৰিকল্পনাৰ প্ৰয়োজন আহি পৰিছে।

16.4. গতিকে এই নতুন নীতিয়ে এনেধৰণৰ মানসিকতা আঁতৰাই বৃত্তিগত শিক্ষাক মূলসুঁতিৰ শিক্ষাৰ লগত সংযোজিত কৰাত গুৰুত্ব দিছে। এনে ব্যৱস্থাই প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে একোটাকৈ বৃত্তিৰ জ্ঞান দিব, যি শ্ৰমৰ প্ৰতি শিক্ষাৰ্থীৰ মূল্যবোধ বৃদ্ধি কৰিব।

16.5. 2025 চনৰ ভিতৰত অতি কমেও 50% ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় বা উচ্চ শিক্ষাৰ জৰিয়তে বৃত্তিগত শিক্ষা লাভ কৰিব। এনে ব্যৱস্থাপনাই বহনক্ষম উন্নয়নৰ লক্ষ্য 4.4ৰ সৈতে সমান্তৰালভাৱে গতি কৰিব আৰু ভাৰতৰ জনসাংখ্যিক বিভাজনৰ সামৰ্থ্য সম্পৰ্কে জ্ঞান দিব। বৃত্তিগত শিক্ষাৰ দক্ষতা আন বিদ্যায়তনিক দিশৰ সৈতে একেলগে আগবাঢ়ি যাব। GER লক্ষ্যত উপনীত হোৱাৰ লগে লগে বৃত্তিগত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰৰ সংখ্যাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। বৃত্তিগত সক্ষমতাৰ বিকাশ 'বিদ্যায়তনিক' বা আন সক্ষমতাসমূহৰ সৈতে পৰিপুৰক হ'ব। পৰৱৰ্তী দশকত বৃত্তিগত শিক্ষা পৰ্যায়ক্ৰমে সকলো মাধ্যমিক বিদ্যালয়ত প্ৰদান কৰা শৈক্ষিক পাঠ্যক্ৰমৰ সৈতে সমন্বিত কৰা হ'ব। এই লক্ষ্যৰে, মাধ্যমিক স্কুলসমূহে ITI, পলিটেকনিক, স্থানীয় উদ্যোগ ইত্যাদিৰ সৈতে সহযোগিতা স্থাপন কৰিব। বিদ্যালয়সমূহ বা বিদ্যালয়ৰ গোটসমূহত কৌশল লেব স্থাপন বা সৃষ্টি কৰা হ'ব আৰু অন্য বিদ্যালয়েও এই সুবিধা ব্যৱহাৰ কৰিব পাৰিব। উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে নিজাকৈ বা যিকোনো উদ্যোগ বা NGOৰ সহায়ত বৃত্তিগত শিক্ষা আগবঢ়াব পাৰিব। 2013 চনত আৰম্ভ কৰা B.Voc. ডিগ্ৰী বাহাল থাকিব, কিন্তু 4-বছৰীয়া বহুবিষয়মূলক স্নাতক কাৰ্যসূচীক সামৰি অন্য সকলো স্নাতক ডিগ্ৰী কাৰ্যসূচীত নামভৰ্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তিগত শিক্ষাৰ পাঠ্যক্ৰম উপলব্ধ হৈ থাকিব। HEIসমূহক 'চফ্ট স্কীল'সমূহক সামৰি বিভিন্ন কৌশলৰ ক্ষেত্ৰত হ্ৰস্ৰম্যাদী চাৰ্টিফিকেট পাঠ্যক্ৰম চলাবলৈ অনুমতি প্ৰদান কৰা হ'ব। 'লোক বিদ্যা' অৰ্থাৎ ভাৰতত বিকশিত গুৰুত্বপূৰ্ণ বৃত্তিগত জ্ঞানসমূহ বৃত্তিগত শিক্ষাৰ পাঠ্যক্ৰমৰ সৈতে সংযুক্ত কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে উপলব্ধ কৰি তোলা হ'ব। ODL মোডৰ যোগেদি বৃত্তিগত শিক্ষা প্ৰদানৰ সম্ভাৱনীয়তাৰ বিষয়েও বিচাৰ কৰা হ'ব।

16.6. পৰৱৰ্তী দশকত বৃত্তিগত শিক্ষা পৰ্যায়ক্ৰমে সকলো বিদ্যালয় আৰু উচ্চ শিক্ষা প্ৰতিষ্ঠানত প্ৰদান কৰা শৈক্ষিক পাঠ্যক্ৰমৰ সৈতে সমন্বিত কৰা হ'ব। কৌশলৰ মাজত থকা ব্যৱধান বিশ্লেষণ আৰু স্থানীয় সুযোগ-সুবিধাসমূহ চিনাক্ত কৰি বৃত্তিগত শিক্ষাৰ বাবে মূল ক্ষেত্ৰসমূহ চিনাক্ত কৰা হ'ব। MHRDএ বৃত্তিগত শিক্ষাৰ বিশেষজ্ঞ আৰু বিভিন্ন মন্ত্ৰালয়ৰ প্ৰতিনিধিক লৈ, উদ্যোগসমূহৰ সহযোগত এই প্ৰচেষ্টা হাতত ল'বৰ বাবে নেচনেল কমিটি ফৰ দি ইনট্ৰিগেশ্বন অৱ ভকেশ্বনেল ইডুকেশ্বন (National Committee for the Integration of Vocational Education - NCIVE) নামেৰে এখন কমিটি গঠন কৰিব।

16.7. এই প্ৰচেষ্টা প্ৰথমে হাতত লোৱা একক প্ৰতিষ্ঠানসমূহে কাৰ্যক্ষম মডেল আৰু ব্যৱহাৰ বিচাৰি উলিয়াবলৈ সৃজনীশীলতাৰ সহায় ল'ব লাগিব আৰু তাৰপিছত এইসমূহ NCIVEৰ দ্বাৰা নিৰ্ধাৰিত প্ৰক্ৰিয়াৰ যোগেদি অন্য প্ৰতিষ্ঠানসমূহৰ সৈতে ভাগ-বতৰা কৰিব লাগিব। ইয়াৰ ফলত বৃত্তিগত শিক্ষাৰ বিস্তাৰ সম্ভৱ হৈ উঠিব। বৃত্তিগত শিক্ষাৰ বিভিন্ন মডেল, আৰু শিক্ষানবীচৰ সুবিধাসমূহৰ ওপৰত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে অধ্যয়ন কৰিব। উদ্যোগসমূহৰ সহযোগিতাত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহত 'ইনকুবেশ্বন কেন্দ্ৰ' স্থাপন কৰা হ'ব।

16.8. বৃত্তিগত শিক্ষাৰ প্ৰতিটো বিষয় আৰু বৃত্তিৰ অধিক বিৱৰণৰ বাবে নেচনেল স্কীল কোৱালিফিকেশ্বন ফ্ৰেমৱৰ্ক (National Skills Qualifications Framework) সৃষ্টি কৰা হ'ব। ইয়াৰোপৰি, ভাৰতীয় মানদণ্ডক আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংঘৰ (ILO) দ্বাৰা পৰিচালিত জীৱিকাৰ আন্তঃৰাষ্ট্ৰীয় মানক বৰ্গীকৰণৰ সৈতে সম্পৰ্কিত কৰি তোলা হ'ব। এই ফ্ৰেমৱৰ্কে পূৰ্ব-শিক্ষাৰ স্বীকৃতিৰ বাবে এক আধাৰ প্ৰদান কৰিব। ইয়াৰ যোগেদি, আনুষ্ঠানিক ব্যৱস্থা ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ব্যৱহাৰিক অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ফ্ৰেমৱৰ্কৰ প্ৰাসংগিক স্তৰত পুনঃসমন্বিত কৰা হ'ব। ক্ৰেডিট-আধাৰিত ফ্ৰেমৱৰ্কে 'সাধাৰণ' আৰু বৃত্তিগত শিক্ষাৰ মাজত অভিগমন সম্ভৱ কৰি তুলিব।

## 17. এটা ৰাষ্ট্ৰীয় গৱেষণা ন্যাসৰ জৰিয়তে সকলো ক্ষেত্ৰতে গুণগত মানৰ বিদ্যায়তনিক গৱেষণাৰ বাবে উৎসাহ বৃদ্ধি

17.1. সামাজিক উন্নতি, বৃহৎ আৰু প্ৰভাৱশালী অৰ্থনীতি বৰ্তাই ৰাখিবৰ বাবে তথা জাতীয় উন্নতি সাধনৰ বাবে জ্ঞানৰ সৃষ্টি আৰু গৱেষণাৰ ভূমিকা আছে। কিছুমান উন্নত সভ্যতা (যেনে, ভাৰত, মেচ'পটেমিয়া, ইজিপ্ত, গ্ৰীচ)ৰ পৰা বৰ্তমান সময়লৈকে (যেনে, আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, ইজৰাইল আৰু জাপান) আদিয়ে শক্তিশালী জ্ঞানৰ জৰিয়তে বৌদ্ধিক আৰু বস্তুগত সম্পদ আহৰণ কৰিছে আৰু বিজ্ঞান, কলা, জ্ঞান, সংস্কৃতি আদি ক্ষেত্ৰত গোলকীয়ভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে।

17.2. বৰ্তমানৰ গোলকীয় পৰিৱৰ্তনসমূহৰ প্ৰেক্ষাপটত, যেনে, জলবায়ুৰ সঘন পৰিৱৰ্তন, জনসাংখ্যিক গাঁথনি আৰু পৰিচালনা, জৈৱ প্ৰযুক্তি, প্ৰসাৰিত ডিজিটেল বজাৰ আৰু যন্ত্ৰচালনাৰ শিক্ষা আৰু কৃত্ৰিম বোধ আদিৰ বাবে এই শক্তিশালী পৰিস্থিতি তন্ত্ৰৰ প্ৰয়োজন আহি পৰিছে। ভাৰতবৰ্ষই অনাগত দিনত এই সকলোবোৰ দিশতে গোলকীয়ভাৱে প্ৰভাৱ বিস্তাৰ কৰিবৰ বাবে আৰু জ্ঞানসম্পন্ন সমাজ হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ, গৱেষণা সক্ষমতা আৰু ফলাফলসমূহৰ প্ৰসাৰ সাধন কৰিব লাগিব। সাম্প্ৰতিক সময়ত, এখন ৰাষ্ট্ৰৰ অৰ্থনৈতিক, বৌদ্ধিক, সামাজিক, পৰিবেশমূলক আৰু প্ৰযুক্তিমূলক স্বাস্থ্য আৰু প্ৰগতিৰ বাবে গৱেষণাৰ প্ৰয়োজনীয়তা সকলোতকৈ অধিক।

17.3. তৎসত্বেও, এই আলোচনাত্মক গৱেষণাৰ বিনিয়োগ ভাৰতবৰ্ষৰ ক্ষেত্ৰত ইয়াৰ মুঠ ঘৰুৱা উৎপাদনৰ 0.69 শতাংশহে। তুলনাত্মকভাৱে, আমেৰিকাত ইয়াৰ হাৰ হ'ল 2.8%, ইজৰাইলত 4.3% আৰু দক্ষিণ কোৰিয়াত 4.2%।

17.4. ভাৰতবৰ্ষই বৰ্তমান সন্মুখীন হোৱা সামাজিক প্ৰত্যাহ্বানসমূহ হৈছে সকলো নাগৰিকৰ বাবে বিশুদ্ধ খোৱাপানী যোগান আৰু পৰিচ্ছন্নতা, গুণগত শিক্ষা আৰু স্বাস্থ্য, উন্নত যাতায়ত, পৰিষ্কাৰ বতাহ, শক্তি, আন্তঃগাঁথনি ইত্যাদি আৰু ইয়াৰ বাবে অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ উপৰিও আমাৰ দেশৰ সামাজিক, সাংস্কৃতিক অৰু পাৰিৱেশিক দিশসমূহক গভীৰ দৃষ্টিৰে বিৱেচনা কৰা আৱশ্যক। এই প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ আমাক প্ৰয়োজন হ'ব সকলো ক্ষেত্ৰতে উচ্চমানৰ বহুবিষয়ক গৱেষণাৰ, আৰু সেয়া বাহিৰৰ পৰা আমদানি কৰাৰ পৰিৱৰ্তে ভাৰততে সম্পন্ন কৰিব লাগিব; নিজৰ দেশত উচ্চমানৰ গৱেষণা কৰিবলৈ সক্ষম হোৱাটোৱে এখন দেশক দেশৰ বাহিৰৰ পৰা প্ৰাসংগিক গৱেষণা আমদানি আৰু ব্যৱহাৰ কৰিবলৈ সক্ষম কৰিব তোলে।

17.5. তাৰোপৰি, সামাজিক সমস্যা দূৰ কৰাৰ উপৰিও, এখন দেশে নিজৰ পৰিচয় নিৰ্মাণ কৰা, দেশক উন্নতিৰ পথত আগবঢ়াই নিয়া, আধ্যাত্মিক/বৈদ্ধিক সন্তুষ্টি আৰু সৃজনীশীলতা আহৰণ কৰাৰ এক মূখ্য পথ হ'ল সেই দেশৰ ইতিহাস, কলা, ভাষা আৰু সংস্কৃতি। সেয়ে, কলা আৰু নৃতত্ব বিজ্ঞানৰ গৱেষণা, লগতে বিজ্ঞান আৰু সমাজ বিজ্ঞান আদিৰ ক্ষেত্ৰত নব্য উদ্ভাৱন এখন দেশৰ বৌদ্ধিক আৰু আধ্যাত্মিক উন্নতিৰ বাবে অতীৱ প্ৰয়োজন।

17.6. ভাৰতৰ শিক্ষা অনুষ্ঠানসমূহ, বিশেষকৈ ভাৰতবৰ্ষৰ উচ্চ শিক্ষানুষ্ঠানসমূহৰ গৱেষণা আৰু সৃজনীশীলতা বিশেষ গুৰুত্বপূৰ্ণ। এটা কথাত কোনো সন্দেহ নাই যে পূৰ্বৰে পৰা পৃথিৱীৰ শ্ৰেষ্ঠতম যিসমূহ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে শিকণ আৰু শিক্ষণ প্ৰক্ৰিয়াত সফলতা লাভ কৰিছে, সেই সকলোবোৰতেই এক শক্তিশালী গৱেষণা সংস্কৃতি আৰু জ্ঞানৰ প্ৰসাৰ বিদ্যমান। ইয়াৰোপৰি, বিশ্বৰ সৰ্বোৎকৃষ্ট গৱেষণাসমূহৰ অধিকাংশই বহুবিষয়ক বিশ্ববিদ্যালয়সমূহত সম্পন্ন হোৱা দেখা যায়।

17.7. ভাৰতবৰ্ষৰ গৱেষণাৰ বুৰঞ্জী অধ্যয়ন কৰিলে কলা, বিজ্ঞান, গণিত, সহিত্য, ভাষিক এই সকলোবোৰতেই ভাৰতীয়সকলৰ দখল লক্ষণীয় হৈ পৰে। এই পৰম্পৰাক অধিক শক্তিশালী ৰূপত গঢ় দিব পাৰিলে একবিংশ শতিকাত ভাৰত এক অন্যতম জ্ঞানসম্পন্ন সমাজ হিচাপে গঢ় লৈ উঠিব। লগতে পৃথিৱীৰ তিনিখন বৃহৎ অৰ্থনৈতিক শক্তিৰ এখন হিচাপে প্ৰতিষ্ঠা লাভ কৰিব।

17.8. গতিকে, এই নীতিয়ে ভাৰতবৰ্ষত সৰ্বাংগীনভাৱে গৱেষণাৰ পৰিমাণগত আৰু গুণগত দিশৰ উন্নতিত দৃষ্টি আৰোপ কৰিছে। তাৰবাবে বিদ্যালয় শিক্ষাক বৈজ্ঞানিক পদ্ধতি আৰু আলোচনাত্মক চিন্তাৰে আৱিষ্কাৰমূলক আৰু উৎপাদনমূলক কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। বিদ্যালয়সমূহত কেৰিয়াৰ কাউঞ্চিলিং, উচ্চ শিক্ষানুষ্ঠানসমূহত গৱেষণাৰ বাবে উৎসাহ প্ৰদান, বহু বিষয়ক উচ্চ শিক্ষানুষ্ঠান আৰু মূল্যবোধৰ শিক্ষাৰ প্ৰচাৰ, পূৰ্ব স্নাতক স্তৰত ইণ্টাৰ্ণশ্বিপ ব্যৱস্থা, গৱেষণাসমূহৰ পৰিচালনা আৰু নিয়ন্ত্ৰণমূলক পৰিৱৰ্তনত এই নীতিয়ে গুৰুত্ব আৰোপ কৰিছে। দেশত এক গৱেষণাৰ মনোভাৱ গঢ়ি তুলিবলৈ এই সকলোবিলাক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰা একান্তই প্ৰয়োজন।

17.9. এই সকলোবোৰ উপাদান সহাৱস্থানেৰে গঢ় দিবৰ বাবে, আৰু দেশৰ মানসম্পন্ন গৱেষণাক বিকাশিত আৰু ত্বৰান্বিত কৰিবৰ বাবে এই নীতিয়ে ৰাষ্ট্ৰীয় গৱেষণা ন্যাস (NRF) প্ৰতিষ্ঠাত গুৰুত্ব আৰোপ কৰিছে। NRFৰ মূল লক্ষ্য হ'ব দেশৰ বিশ্ববিদ্যালয়সমূহত এক গৱেষণাৰ সংস্কৃতি সৃষ্টি কৰা। বিশেষকৈ, এক বিশ্বাসযোগ্য আৰু মেধাসম্পন্ন গৱেষণা সংস্কৃতি সৃষ্টি কৰা, যাৱতীয় সা-সুবিধা প্ৰদান কৰা, শ্ৰেষ্ঠ মানসম্পন্ন গৱেষণাক স্বীকৃতি প্ৰদান কৰা, ৰাজ্যিক বিশ্ববিদ্যালয়সমূহত পৰ্যাপ্ত সুবিধা প্ৰদান কৰি উৎসাহী কৰা, সকলো গৱেষণা ক্ষেত্ৰলৈকে প্ৰয়োজনীয় পুঁজিৰ যোগান ধৰা, চৰকাৰী তথা বেচৰকাৰী উদ্যোগ বা সংস্থাৰ উন্নতিৰ বাবে গৱেষণাসমূহ প্ৰয়োগ কৰা ইত্যাদি লক্ষ্য হিচাপে লৈ NRF গঠন কৰা হ'ব। NRFয়ে সকলো বিষয়তে প্ৰতিযোগিতামূলকভাৱে গৱেষণা অনুদান প্ৰদান কৰিব। সফল গৱেষণাক স্বীকৃতি প্ৰদান কৰা হ'ব আৰু চৰকাৰী প্ৰতিষ্ঠানসমূহ আৰু লগতে উদ্যোগ আৰু ব্যক্তিগত/জনহিতৈষী প্ৰতিষ্ঠানসমূহৰ সৈতে নিকট সম্পৰ্ক স্থাপন কৰি গৱেষণাৰ ফলাফলসমূহক প্ৰাসংগিক ক্ষেত্ৰসমূহত প্ৰয়োগ কৰা হ'ব।

17.10. বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ (DST), আণৱিক শক্তি বিভাগ (DAE), জৈৱ-প্ৰযুক্তি বিভাগ (DBT), ইণ্ডিয়ান কাউন্সিল অৱ এগ্ৰিকালছাৰ ৰিচাৰ্চ (ICAR), ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্চ (ICMR), ইণ্ডিয়ান কাউন্সিল অৱ হিষ্টৰিকেল ৰিচাৰ্চ (ICHR), আৰু বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC), আৰু লগতে বিভিন্ন ব্যক্তিগত আৰু জনহিতৈষী প্ৰতিষ্ঠানৰ দৰে বৰ্তমান যিবোৰ সংস্থাই গৱেষণাৰ বাবে আৰ্থিক অনুদান আগবঢ়ায়, সেই সকলো সংস্থাই তেওঁলোকৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব অনুসৰি আৰ্থিক অনুদান প্ৰদান কৰাটো জাৰী ৰাখিব। অৱশ্যে, NRFএ অন্য ধন প্ৰদান কৰা এজেঞ্চিসমূহৰ লগত সাৱধানেৰে সমন্বয় ৰক্ষা কৰিব আৰু এনে প্ৰচেষ্টাসমূহৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ বিজ্ঞান, অভিযান্ত্ৰিক আৰু অন্য বিদ্যায়তনিক বিষয়ত কাম কৰিব। NRF চৰকাৰী বান্ধোনৰপৰা মুক্ত থাকিব আৰু বিভিন্ন বিষয়ৰ সৰ্বশ্ৰেষ্ঠ গৱেষকসকলৰ দ্বাৰা গঠিত পৰিৱৰ্তনশীল এক বোৰ্ড অৱ গৱৰ্ণৰৰ দ্বাৰা পৰিচালিত হ'ব।

17.11. NRFৰ প্ৰাথমিক কাৰ্য-কলাপসমূহ হ'ল:

(ক) সকলো বিষয়ৰ, সকলো প্ৰকাৰৰ, প্ৰতিযোগিতামূলক, আৰু সহকৰ্মী-সমীক্ষিত গৱেষণা প্ৰস্তাৱৰ বাবে আৰ্থিক অনুদান প্ৰদান;

(খ) যিবোৰ শিক্ষা প্ৰতিষ্ঠান বিশেষকৈ বিশ্ববিদ্যালয়, গৱেষণা ক্ষেত্ৰ তেনেই চালুকীয়া অৱস্থাত আছে, তেনে অনুষ্ঠানত উপযুক্ত নিৰ্দেশনাৰ জৰিয়তে গৱেষণাৰ বীজ ৰোপণ, বৃদ্ধি আৰু বিকাশ সাধন;

(গ) গৱেষক আৰু বিশেষ চৰকাৰী বিভাগ, আৰু লগতে উদ্যোগসমূহৰ মাজত সংযোগ ৰূপে কাম কৰা, যাতে গৱেষকসকল গুৰুত্বপূৰ্ণ জাতীয় বিষয়সমূহৰ গৱেষণাৰ বাবে সজাগ আৰু অনুপ্ৰাণিত হৈ থাকে, আৰু নীতি-নিৰ্দেশকসকলক শেহতীয়া গৱেষণাৰ সফলতাসমূহৰ বিষয়ে নিৰন্তৰ সজাগ কৰি ৰখা হয়, আৰু সফলতাক নীতি আৰু/বা ৰূপায়ণ দিশত প্ৰয়োগ কৰিব পৰা যায়; আৰু

(ঘ) শ্ৰেষ্ঠ গুণসম্পন্ন গৱেষণাক স্বীকৃতি দিয়া আৰু বিকাশ সাধন কৰা

## 18. উচ্চ শিক্ষা পৰিচালনা পদ্ধতিৰ পৰিৱৰ্তন

18.1. উচ্চ শিক্ষাৰ নীতি-নিয়মসমূহ কেইবা দশক ধৰি এক গধুৰ বোজা স্বৰূপ হৈ পৰিছে। ইয়াৰ পৰিৱৰ্তনৰ বাবে বহু প্ৰচেষ্টা হাতত লোৱা হৈছে, কিন্তু ইয়াৰ ফলাফল একেবাৰে সন্তোষজনক নহয়। এই পৰিচালনা পদ্ধতিৰ কাৰিকৰী আৰু অকৰ্তৃত্বশীল প্ৰকৃতিয়ে ব্যাপকভাৱে প্ৰভাৱিত কৰা কিছুমান প্ৰাথমিক সমস্যাৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে, কেইখনমান সমিতিৰ ওপৰত গধুৰ দায়িত্ব প্ৰদান, সমিতিসমূহৰ মাজত থকা সংঘাত আৰু দায়িত্বশীলতাৰ অভাৱ। উচ্চ শিক্ষাক নতুনকৈ সুসংগঠিত ৰূপত পুনৰুজ্জীৱিত কৰিবলৈ আৰু ইয়াৰ বিকাশ সাধনৰ অৰ্থে এই পদ্ধতিক সম্পূৰ্ণৰূপে মেৰামতি কৰা প্ৰয়োজন।

18.2. ওপৰত উল্লেখ কৰা দিশসমূহলৈ দৃষ্টি দিলে দেখা যায় যে, পৰিচালনা পদ্ধতিৰ কাৰ্য, মূল্যায়ন, অনুদান আৰু বিদ্যায়তনিক মান স্পষ্ট হ'ব লাগিব। ইয়াক স্পষ্ট কৰ্তৃত্বশীল সমিতিৰ দ্বাৰা কাৰ্যক্ষম কৰি তুলিব লাগিব। পদ্ধতিৰ ভিতৰত পৰীক্ষণ আৰু সমতুল্য অৱস্থাৰ সৃষ্টি কৰিব লাগিব আৰু মনোবৃত্তিৰ সংঘাত হ্ৰাস আৰু কৰ্তৃত্বৰ কেন্দ্ৰীকৰণ নোহোৱা কৰিব লাগিব। চাৰিটা আনুষ্ঠানিক গঠনে চাৰিটা অতি প্ৰয়োজনীয় দায়িত্ব স্বতন্ত্ৰভাৱে গ্ৰহণ কৰাৰ উপৰিও একে সময়তে সাধাৰণ লক্ষ্যৰ দিশত সহযোগিতাৰ সৃষ্টি কৰিব লাগিব। এই চাৰিটা অনুষ্ঠান চাৰিটা স্বতন্ত্ৰ সমান্তৰাল সংস্থা ৰূপে ভাৰতীয় উচ্চ শিক্ষা কমিচন (Higher Education Commission of India - HECI) নামৰ এটা চত্ৰাকৃতিৰ সংস্থাৰ অধীনস্থ হ'ব।

18.3. ৰাষ্ট্ৰীয় উচ্চ শিক্ষা পৰিচালনা পৰিষদ (National Higher Education Regulatory Council - NHERC) হ'ব প্ৰথমটো সমান্তৰাল ভাৰতীয় উচ্চ শিক্ষা কমিচন। ই উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত একক পৰিচালনা পদ্ধতি হিচাপে কাম কৰিব আৰু ইয়াৰ সৈতে শিক্ষক-শিক্ষাৰ ব্যৱস্থা সংযুক্ত হৈ থাকিব আৰু চিকিৎসা আৰু আইন শিক্ষা ইয়াৰ বাহিৰত থাকিব। সেইদৰে বৰ্তমানে চলি থকা প্ৰতিৰূপসমূহ আৰু সম্পৰ্কহীন পৰিচালনা পদ্ধতিসমূহ পৃথক পৰিচালনা ব্যৱস্থাৰ দ্বাৰা নোহোৱা কৰা হ'ব। একক পৰিচালনা পদ্ধতিৰ বাবে বৰ্তমানে চলি থকা নীতিসমূহ আৰু পৰিচালনা পদ্ধতিসমূহ পুনৰীক্ষণ আৰু পুনৰগঠন কৰাৰ প্ৰয়োজন। লঘু কিন্তু সুদৃঢ় পৰিচালনা পদ্ধতি প্ৰয়োগ কৰিবলৈ NHERC প্ৰতিষ্ঠা কৰা হ'ব আৰু ই সুবিধা প্ৰদান কৰা ধৰণে অৰ্থাৎ কেইটামান অতি প্ৰয়োজনীয় বিষয়, যেনে, বিত্তীয় অনুদান, উৎকৃষ্ট প্ৰশাসন আৰু বিত্ত, গাণনিক ক্ষেত্ৰ, পদ্ধতি, সা-সুবিধা, শিক্ষক, কৰ্মচাৰী, পাঠ্যক্ৰম আৰু শৈক্ষিক ফলাফল আদি বিষয়ত জনসাধাৰণৰ নিজস্ব ধাৰণা সম্পূৰ্ণ ৰূপে অনলাইন আৰু অফলাইন ব্যৱস্থাত উপলব্ধ হ'লে ই প্ৰকৃতাৰ্থত কাৰ্যকৰী ৰূপ ল'ব। এই তথ্যসমূহ NHERCএ পৰিচালনা কৰা ৰাজহুৱা ৱেবছাইটত প্ৰতিখন উচ্চ শিক্ষা প্ৰতিষ্ঠানে উপলব্ধ কৰিব লাগিব। এই অনুষ্ঠানসমূহৰ সৈতে জড়িত কোনো ব্যক্তি বা প্ৰতিষ্ঠানৰ যিকোনো আপত্তি আৰু অন্যান্য দিশ ৰাজহুৱা ডমেইনত প্ৰকাশ কৰিলে NHERCএ সেইসমূহ নিষ্পত্তি কৰিব লাগিব। নিয়মিত বিৰতিৰ মাজে মাজে মূল্যবান পৰামৰ্শৰ বাবে বিক্ষিপ্তভাৱে নিৰ্বাচন কৰা ছাত্ৰ-ছাত্ৰীৰ লগতে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ মতামত প্ৰতিখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে অনলাইনত উপলব্ধ কৰিব লাগিব।

18.4. প্ৰতিটো বিধানৰ প্ৰাথমিক পদ্ধতি সক্ৰিয় কৰাৰ ক্ষেত্ৰত মূল্যাংকন কৰা হ'ব। HECIৰ দ্বিতীয়খন সমান্তৰাল সমিতি ৰাষ্ট্ৰীয় মূল্যাংকন পৰিষদ (National Accreditation Council - NAC) নামেৰে সামগ্ৰিক মূল্যাংকন সমিতি গঠিত হ'ব। অনুষ্ঠানসমূহৰ মূল্যাংকন জনসাধাৰণৰ স্ব-অভিমত, ভাল প্ৰশাসন আৰু ফলাফলৰ আধাৰত কৰা হ'ব আৰু ইয়াক একোখন স্বতন্ত্ৰ মূল্যাংকন সংস্থাৰ দ্বাৰা সম্পন্ন কৰা হ'ব আৰু তাক ৰাষ্ট্ৰীয় মূল্যাংকণ পৰিষদে চোৱাচিতা কৰিব। ৰাষ্ট্ৰীয় মূল্যাংকন পৰিষদে অনুমোদিত মূল্যাংকন অনুষ্ঠানক উপযুক্ত সংখ্যক শিক্ষানুষ্ঠান মূল্যাংকনৰ

দায়িত্ব দিব। চমুকৈ ক'বলৈ হ'লে, এটা সুস্থ মূল্যাংকন পদ্ধতি প্ৰতিষ্ঠা কৰা হ'ব। ই সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠানক পৰ্যায়ক্ৰমে স্ব-প্ৰশাসন, আৰু স্বায়ত্বতা প্ৰদান কৰি এটা বিশেষ স্থানত উপনীত কৰিব। সেইদৰে, অনুষ্ঠানগত বিকাশৰ জৰিয়তে আগন্তুক 15 বছৰৰ ভিতৰত সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠানক উচ্চ মানসম্পন্ন অনুষ্ঠানলৈ উন্নীত কৰাৰ লক্ষ্য গ্ৰহণ কৰা হ'ব আৰু এই অনুষ্ঠানসমূহ ডিগ্ৰী প্ৰদান কৰা অনুষ্ঠান/অনুষ্ঠান-গোট হিচাপে প্ৰতিষ্ঠা কৰা হ'ব। ভৱিষ্যতে, এই মূল্যাংকন কাৰ্য বিশ্বৰ পৰিপ্ৰেক্ষিতত দ্বৈত পদ্ধতি ৰূপে গঢ় দিয়া হ'ব।

18.5. HECIৰ তৃতীয়খন সমান্তৰাল সমিতি হ'ব উচ্চ শিক্ষা অনুদান সমিতি (Higher Education Grants Council – HEGC)। এই সমিতিয়ে স্পষ্ট নীতিৰ লগতে অনুষ্ঠানসমূহে প্ৰস্তুত কৰা IDP আৰু নীতিসমূহৰ প্ৰয়োগৰ আধাৰত উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ বাবে বিত্তীয় অনুদানৰ যোগান ধৰিব। উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহে কাৰ্যকৰী কৰা নতুন গুৰুত্বপূৰ্ণ ক্ষেত্ৰ আৰু মানসম্পন্ন পাঠ্যক্ৰমৰ ওপৰত ভিত্তি কৰি HEGCএ জলপানি আৰু অনুদান প্ৰদান কৰিব।

18.6. HECIৰ চতুৰ্থ সমান্তৰাল সমিতিখন হ'ব সাধাৰণ শিক্ষা পৰিষদ (GEC)। ই উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ পাঠ্যক্ৰমৰ শিকণ পদ্ধতিৰ আশা কৰা ধৰণৰ ফলাফলৰ আধাৰত প্ৰতিষ্ঠিত হ'ব। ইয়াক 'গ্ৰেজুৱেট এট্ৰিবিউটছ' হিচাপেও জনা যাব। GECএ ৰাষ্ট্ৰীয় উচ্চ শিক্ষা অৰ্হতা অধিকৰণ (National Higher Education Qualification Framework - NHEQF) প্ৰস্তুত কৰিব। বৃত্তিগত শিক্ষাক উচ্চ শিক্ষাৰ সৈতে সংযুক্ত কৰিবলৈ ইয়াক ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা অধিকৰণ (National Skills Qualifications Framework - NSQF)ৰ সৈতে সংলগ্ন কৰা হ'ব। শিকণৰ ফলাফলৰ বাবে উচ্চ শিক্ষাৰ অৰ্হতাক নিৰ্ণয় কৰা ডিগ্ৰী/ডিপ্লমা/চাৰ্টিফিকেট NHEQFএ নিৰ্ধাৰিত কৰিব। ইয়াৰ লগতে বিভিন্ন বিষয়ৰ সুবিধা প্ৰদানৰ মান, যেনে, ক্ৰেডিট পৰিৱৰ্তন, সমমান নিৰ্ধাৰণ আদিৰ বাবে সাধাৰণ শিক্ষা পৰিষদ এখন NHEQFৰ জৰিয়তে গঠন কৰা হ'ব। 21 শতিকাৰ দক্ষতা বিকাশৰ বাবে সাধাৰণ শিক্ষা পৰিষদে শৈক্ষিক পাঠ্যক্ৰমৰ ভিতৰত ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰিবলগীয়া নিৰ্দিষ্ট দক্ষতা নিৰ্ধাৰণ কৰিবলৈ নীতি নিৰ্ধাৰণ কৰিব।

18.7. বৃত্তিগত পৰিষদ, যেনে, ভাৰতীয় কৃষি গৱেষণা পৰিষদ (Indian Council for Agricultural Research - ICAR), ভাৰতীয় পশুধন পৰিষদ (Veterinary Council of India - VCI), শিক্ষক-শিক্ষাৰ ৰাষ্ট্ৰীয় পৰিষদ (National Council for Teacher Education - NCTE), স্থাপত্য বিদ্যা পৰিষদ (Council of Architecture - CoA), বৃত্তিগত শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় পৰিষদ (National Council for Vocational Education and Training - NCVET) ইত্যাদি পৰিষদে বৃত্তিগত মান নিৰ্ধাৰণ সমিতিসমূহৰ (Professional Standard Setting Bodies - PSSBs) কাম কৰিব। এইসমূহে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব আৰু সাধাৰণ শিক্ষা পৰিষদৰ সদস্য হিচাপে আমন্ত্ৰিত হ'ব। PSSBৰ পুনৰগঠনৰ পাচত সাধাৰণ শিক্ষা পৰিষদৰ সদস্য হিচাপে এওঁলোকে পাঠ্যক্ৰম প্ৰস্তুত, শৈক্ষিক মান আৰু নিজৰ নিজৰ ক্ষেত্ৰৰ শিক্ষণ, গৱেষণা আৰু বিস্তাৰৰ বাবে সংযোজকৰ কাম কৰিব। সাধাৰণ শিক্ষা পৰিষদৰ সদস্য হিচাপে উচ্চ শিক্ষা প্ৰতিষ্ঠানে নিজস্বভাৱে প্ৰস্তুত কৰি উলিওৱা পাঠ্যক্ৰম সুনিৰ্দিষ্ট কৰি দিয়াত সহায় কৰিব। সেইদৰে PSSBএ যিবোৰ ক্ষেত্ৰত কোনো পৰিচালনা ব্যৱস্থা নাই, তেনে নিৰ্দিষ্ট ক্ষেত্ৰৰ শিক্ষা আৰু অনুশীলনৰ মান নিৰ্ধাৰণ কৰিব। সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানে তেওঁলোকৰ শিক্ষাৰ কাৰ্যক্ৰম এই নিৰ্ধাৰিত মানৰ অন্তৰ্ভুক্ত হৈছেনে নাই তাৰ সিদ্ধান্ত গ্ৰহণ কৰিব আৰু প্ৰয়োজন সাপেক্ষে, মান নিৰ্ধাৰক সমিতি বা PSSBএ সহায় কৰিব।

18.8. এই ধৰণৰ গঠন পদ্ধতিয়ে বিভিন্ন দায়িত্বত থকা সকলৰ মাজৰ সংঘাত আঁতৰাব আৰু তেওঁলোকক প্ৰায়োগিকভাৱে পৃথক কৰি ৰাখিব। কেইটামান বিষয়ত গুৰুত্ব প্ৰদান কৰি উচ্চ শিক্ষা ব্যৱস্থাক কৰ্তৃত্বশীল কৰি তোলাই ইয়াৰ লক্ষ্য। উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ দায়িত্ব আৰু কৰ্তব্য সহযোগিতাৰে হস্তান্তৰ কৰা হ'ব। ৰাজহুৱা আৰু ব্যক্তিগত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত কোনো পাৰ্থক্য নাথাকিব।

18.9. পুনৰ নিৰ্মাণ আৰু বিৱৰ্তনৰ বাবে বৰ্তমানে চলি থকা পদ্ধতি আৰু গঠনৰ পৰিৱৰ্তনৰ প্ৰয়োজন আছে। ভাৰতৰ উচ্চ শিক্ষাৰ কমিচনৰ অন্তৰ্গত প্ৰতিটো সমান্তৰাল অনুষ্ঠানৰ পৃথকীকৰণৰ অৰ্থ হৈছে, নতুন পৰিচালনা পদ্ধতিত উপযুক্ত, অৰ্থপূৰ্ণ আৰু প্ৰয়োজনীয় একক দায়িত্ব প্ৰদান।

18.10. সকলো স্বতন্ত্ৰ সমান্তৰাল অনুষ্ঠানৰ পৰিচালনা পদ্ধতি, যেনে, মূল্যায়ন, বিত্তীয় সাহায্য আৰু শৈক্ষিক মান নিৰূপণ আৰু স্বায়ত্বশাসিত চত্ৰায়িত সমিতিৰ কাৰ্যকলাপত জনসাধাৰণৰ স্পষ্ট ব্যাখ্যা আৰু প্ৰযুক্তিৰ ব্যাপক প্ৰয়োগৰ দ্বাৰা ব্যক্তিৰ হস্তক্ষেপ হ্ৰাস কৰি কামৰ স্পষ্টতা আৰু স্বচ্ছতা নিৰূপণ কৰা হ'ব। প্ৰযুক্তিৰ প্ৰয়োগৰ দ্বাৰা ব্যক্তিৰহিত আৰু স্বচ্ছ পৰিচালনা পদ্ধতি ইয়াৰ অন্তৰ্নিহিত আদৰ্শ হ'ব। উচ্চ শিক্ষাত প্ৰাথমিক মান আৰু মূল্য ধৰি ৰখাৰ বাবে বিধি ব্যৱস্থা গ্ৰহণ আৰু লক্ষ্য পুৰণৰ কঠোৰ নীতি আৰু ইয়াৰ সৈতে নীতিসিদ্ধ তথ্যৰ ভুল ব্যাখ্যাৰ ওপৰতো বিহিত ব্যৱস্থা লোৱা হ'ব। ভাৰতীয় উচ্চ শিক্ষা কমিচনে সমান্তৰাল অনুষ্ঠানসমূহৰ মাজৰ সমস্যাবোৰো সমাধান কৰিব। ভাৰতীয় উচ্চ শিক্ষা কমিচন সংহতি, দায়িত্ববোধ আৰু অসামৰিক সেৱাৰ ভাল গতিবিধি থকা বিভিন্ন আনুসংগিক ক্ষেত্ৰৰ বিশেষজ্ঞৰ দ্বাৰা গঠিত হ'ব। ভাৰতীয় উচ্চ শিক্ষা কমিচন উচ্চ ব্যক্তিত্বসম্পন্ন সমাজ সচেতন আৰু উচ্চ শিক্ষাৰ সৈতে জড়িত ব্যক্তিৰ দ্বাৰা সৰু অথচ স্বতন্ত্ৰ সমিতি হ'ব। ন্যায়সংগত বিধানৰ সৈতে কাৰ্য সম্পাদনৰ বাবে ভাৰতীয় উচ্চ শিক্ষা কমিচনৰ বিধি-ব্যৱস্থা প্ৰস্তুত কৰি উলিওৱা হ'ব।

18.11. উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক নতুনকৈ গঢ় দিবলৈ সহজ পৰিচালনা পদ্ধতিৰ প্ৰয়োজন। দীৰ্ঘকালৰ স্থায়ীত্বৰ বাবে এই অনুষ্ঠানসমূহ সমাজ সেৱাৰ প্ৰতি সচেতনতা সৃষ্টি আৰু ফলদায়ক হিচাপে গঢ়ি তোলা হ'ব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ সহযোগত উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ বিস্তাৰ ঘটোৱাৰ ক্ষেত্ৰত উল্লেখনীয় ভাল ফল দেখুৱাব আৰু বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ লগতে বিভাগ আৰু পাঠ্যক্ৰমৰ বিস্তাৰ ঘটাব পাৰিব। উচ্চ মানসম্পন্ন শিক্ষাৰ বাবে ৰাজহুৱা অনুষ্ঠানৰ আৰ্হিয়েও উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ বিস্তাৰত সহায় কৰিব।

### শিক্ষাক বাণিজ্যিকীকৰণত প্ৰতিবন্ধকতা

18.12. শিক্ষাৰ বাণিজ্যিকীকৰণত বিভিন্ন পদ্ধতিৰ দ্বাৰা পৰীক্ষা আৰু বাধা প্ৰদান কৰা হ'ব। সকলো শিক্ষা প্ৰতিষ্ঠানত সমপৰ্যায়ৰ হিচাপ-নিকাচ হ'ব আৰু মুনাফাৰ বাবে নহয় বুলি প্ৰকাশ কৰিব লাগিব। ৰাহি হোৱা ধন পুনৰ শিক্ষাৰ বিকাশৰ বাবে খৰচ কৰিব লাগিব। সকলো বিত্তীয় লেনদেন ৰাজহুৱা কৰিব লাগিব আৰু সাধাৰণ লোকৰ আপত্তি নিৰসনৰ ব্যৱস্থা থাকিব লাগিব। মূল্যায়ন ব্যৱস্থা প্ৰস্তুত কৰা NACএ বাধ্যতামূলক পৰীক্ষণ কাৰ্য কৰিব লাগিব আৰু NHERCএ ইয়াৰ পৰিচালনা পদ্ধতিৰ এটা প্ৰধান দিশ হিচাপে গণ্য কৰিব লাগিব।

18.13. ৰাজহুৱা আৰু ব্যক্তিগত - সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানক পৰিচালনা পদ্ধতিৰ আওতাৰ ভিতৰত ধৰা হ'ব। ব্যক্তিগত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ উমৈহতীয়া নিৰ্দেশনাযুক্ত আইনৰ জৰিয়তে গঠন কৰা হ'ব। এই উমৈহতীয়া নিৰ্দেশনাযুক্ত সকলো আইনৰ দ্বাৰা ব্যক্তিগত আৰু ৰাজহুৱা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানক একে মানসম্পন্ন কৰি তোলা হ'ব। এই উমৈহতীয়া নিৰ্দেশনাৱলীয়ে ভাল প্ৰশাসন, বিত্তীয় সন্তুলন আৰু নিৰাপদ অৱস্থা, শৈক্ষিক ফলাফল আৰু তথ্যৰ স্বচ্ছতাক সামৰি ল'ব।

18.14. জনহিতকৰ আৰু সমাজ সচেতনতা থকা ব্যক্তিগত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বিনামূলীয়া শিক্ষাৰ জৰিয়তে বিকশিত হ'ব। ব্যক্তিগত প্ৰতিষ্ঠানসমূহ অধিক সংকটাপন্ন নহ'বলৈ বিভিন্ন প্ৰকাৰৰ অনুষ্ঠানৰ মাচুলৰ উচ্চ সীমা নিৰ্ধাৰণৰ বাবে স্বচ্ছ পদ্ধতি গ্ৰহণ কৰা হ'ব। ই নিৰ্দিষ্ট নীতিৰ আধাৰত আৰু বহল প্ৰায়োগিক পৰিচালনা পদ্ধতিৰ ভিত্তিত ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ পাঠ্যক্ৰমৰ বাবে মাচুল নিৰ্ধাৰণৰ কৰ্তৃত্ব প্ৰদান কৰিব। ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবে মাচুল ৰেহাই আৰু জলপানি প্ৰদানৰ বাবে উৎসাহিত কৰা হ'ব। ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ সকলো ধৰণৰ মাচুল আৰু মাননি স্বচ্ছভাৱে আৰু সম্পূৰ্ণৰূপে প্ৰকাশ কৰিব লাগিব আৰু যিকোনো ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবে নিয়ম বহিৰ্ভূতভাৱে মাচুল বৃদ্ধি কৰিব নোৱাৰিব। সামাজিক বাধ্য-বাধকতা অনুসৰি মাচুলসমূহ খৰচৰ বাবদ নিৰ্ধাৰিত হ'ব লাগিব।

## 19. উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ফলপ্ৰসু প্ৰশাসন আৰু নেতৃত্ব

19.1. সাংস্কৃতিক উৎকৃষ্টতা আৰু উচ্চ শিক্ষাৰ উদ্ভাৱনী ক্ষমতাই হ'ল ফলপ্ৰসু প্ৰশাসন আৰু নেতৃত্বৰ বাহক। ভাৰতবৰ্ষৰ লগতে বিশ্বৰ প্ৰতিষ্ঠানসমূহৰ স্থায়ীত্বৰ প্ৰধান কাৰণ হৈছে সু-প্ৰশাসন ব্যৱস্থা আৰু নেতৃত্ববহনকাৰীক মেধাৰ ভিত্তিত নিযুক্তিকৰণ।

19.2. 15 বছৰৰ ভিতৰত উপযুক্ত পৰ্যায়ক্ৰম মূল্যাংকন আৰু পৰ্যায়ক্ৰম স্বায়ত্বতা প্ৰদানৰ দ্বাৰা সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানেই উদ্ভাৱনী আৰু উৎকৃষ্টতা আহৰণ কৰিব পৰা স্বতন্ত্ৰ প্ৰশাসন ব্যৱস্থা গঢ় দিব পৰা হ'ব লাগিব। সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানেই নেতৃত্ব বহন কৰিব পৰা আৰু সাংস্কৃতিকভাৱে উচ্চ মানসম্পন্ন হৈ উঠাটো নিশ্চিত হ'ব লাগিব। উপযুক্ত পৰ্যাক্ৰমিক মূল্যাংকন গ্ৰহণ কৰি গতিশীল হোৱাৰ বাবে অনুষ্ঠানৰ প্ৰতি গভীৰ দায়বদ্ধতা থকা উচ্চ অৰ্হতাসম্পন্ন ব্যক্তিৰ দ্বাৰা বৰ্ড অব গভৰ্ণৰছ (BoG) গঠন কৰা হ'ব। বৰ্ড অব গভৰ্ণৰছ সকলো বাহিৰা হস্তক্ষেপৰ পৰা মুক্ত থাকিব, অনুষ্ঠানৰ মুৰব্বীকে ধৰি সকলোকে নিযুক্তি দিয়াৰ লগতে প্ৰশাসন সম্পৰ্কীয় সকলো সিদ্ধান্ত গ্ৰহণ কৰিব। পূৰ্বৰ অন্যান্য বিধিত থকা পৰিপন্থী বিধি ব্যৱস্থা অতিক্ৰম কৰি সংবিধান, কাৰ্যকৰণৰ বাবে নিযুক্তিৰ আৰ্হি, আৰু বিধান আৰু বৰ্ড অব গভৰ্ণৰছৰ দায়িত্ব আৰু কৰ্তব্য নিৰ্ধাৰণ কৰা হ'ব। বৰ্ডৰ নতুন সদস্যৰ বাবে বৰ্ডে বিশেষজ্ঞ সমিতি গঠন কৰিব আৰু বৰ্ডে নিজেই নতুন সদস্যৰ বাছনি কৰিব। সদস্য বাছনিৰ ক্ষেত্ৰত ন্যায়সংগতমূলতাক গুৰুত্ব প্ৰদান কৰিব। এইটো স্পষ্ট যে, এই প্ৰক্ৰিয়া চলি থকা সময়ত সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠানক উদগনি, সহায় আৰু পৰ্যৱেক্ষণ কৰা হ'ব আৰু 2035 চনৰ ভিতৰত বৰ্ড অৱ গভৰ্ণৰছক কৰ্তৃত্ব প্ৰদান কৰা হ'ব।

19.3. বৰ্ড অৱ গভৰ্ণৰছ সকলো তথ্যৰ স্বচ্ছতাৰ দ্বাৰা ইয়াৰ সৈতে সংলগ্ন লোকৰ ওচৰত দায়িত্বশীল আৰু জবাবদিহি হ'ব লাগিব। ই ৰাষ্ট্ৰীয় উচ্চ শিক্ষা পৰিচালনা সংসদৰ জৰিয়তে ভাৰতীয় উচ্চ শিক্ষা কমিচনৰ দ্বাৰা নিৰ্দিষ্ট কৰা সকলো নিৰ্দেশাৱলী মানি চলিবলৈ বাধ্য হ'ব।

19.4. অনুষ্ঠানৰ সকলো মুৰব্বী আৰু নেতৃত্বত থকা সকলো ব্যক্তি উচ্চ শৈক্ষিক অৰ্হতাসম্পন্ন আৰু প্ৰশাসনীয় অৰ্হতা থকা আৰু নেতৃত্ব ল'ব পৰা গুণ-সম্পন্ন তথা জটিল পৰিস্থিতি চম্ভালিব পৰা গুণৰ অধিকাৰী হ'ব লাগিব। উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ সকলো মুৰব্বীৰ সামাজিক দায়বদ্ধতাৰ প্ৰমূল্য সম্পৰ্কে সৰল মনোভাৱ, সামূহীয়াভাৱে কৰ্ম কৰাৰ প্ৰৱণতা, বিবিধতা, বিভিন্ন প্ৰকাৰৰ লোকৰ সৈতে কাম কৰা আৰু যোগাত্মক দৃষ্টিভংগী থাকিব লাগিব। কঠোৰ, পক্ষপাতশূণ্য, মেধাৰ আধাৰত আৰু যোগ্যতাৰ আধাৰত বৰ্ড অৱ গভৰ্ণৰছৰ দ্বাৰা গঠিত লব্ধপ্ৰতিষ্ঠ বিশেষজ্ঞ সমিতিৰ (Eminent Expert Committee - EEC) দ্বাৰা বৰ্ড অৱ গভৰ্ণৰছৰ বাছনি কৰা হ'ব। এটা সুস্থ বাতাৱৰণ নিশ্চিত কৰাৰ ক্ষেত্ৰত কাৰ্যকাল এটা গুৰুত্বপূৰ্ণ বিষয়। একেদৰে অনুষ্ঠানৰ প্ৰক্ৰিয়া যাতে নেতৃত্বৰ সলনিয়ে সমাপ্ত কৰিব নোৱাৰে, আৰু ভাল কাৰ্যক্ষমতা বৰ্তাই ৰাখিবলৈ নেতৃত্বৰ কাৰ্যব্যৱস্থা পৰিকল্পনা সহকাৰে কৰিব লাগিব। উৎকৃষ্ট নেতৃত্ব বিচাৰি উলিয়াব লাগিব আৰু শীঘ্ৰে তাক বিকশিত কৰি তুলিব লাগিব, তেওঁলোকক কাৰ্যপদ্ধতি আৰু নেতৃত্বৰ স্থান দিব লাগিব।

19.5. বিত্তৰ যোগান ধৰা, বিধিগত কৰ্তৃত্ব প্ৰদান আৰু ক্ৰমানুসাৰে স্বায়ত্বতা দিয়াৰ সময়ত সকলো উচ্চ শিক্ষা প্ৰতিষ্ঠানে তেওঁলোকৰ দায়বদ্ধতা স্থানীয় সমাজৰ সৈতে সম্পৰ্ক আৰু বিত্তীয় লেনদেনৰ প্ৰমাণ আৰু দায়বদ্ধতা নিশ্চিত কৰিব লাগিব। সকলো প্ৰতিষ্ঠানে অনুষ্ঠান বিকাশৰ পৰিকল্পনা কৰিব লাগিব। ইয়াৰ ভিত্তিত অনুষ্ঠানটোৱে উপযুক্ত পদক্ষেপ চিনাক্ত কৰি তেওঁলোকৰ বিকাশ নিশ্চিত কৰিব লাগিব আৰু লক্ষ্যত উপনীত হ'ব লাগিব। ই তেওঁলোকৰ পৰৱৰ্তী বিত্তীয় অনুদানৰ আধাৰ হ'ব। বোৰ্ডৰ সদস্য, অনুষ্ঠানৰ মুৰব্বী, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ যুটীয়া সহযোগত অনুষ্ঠান বিকাশৰ পৰিকল্পনা (IDP) কৰিব লাগিব।

# ভাগ III - অন্যান্য গুৰুত্বপূৰ্ণ ক্ষেত্ৰ

## 20. বৃত্তিমুখী শিক্ষা

20.1. বৃত্তিগত লোকৰ প্ৰস্তুতকৰণ ন্যায়সংগত কাৰণতে শিক্ষাৰ সৈতে সংলগ্ন বিষয়। জনসাধাৰণৰ প্ৰয়োজন অনুসৰি শিক্ষা হ'ল এখন ক্ষেত্ৰ আৰু এই শিক্ষাত প্ৰায়োগিক দিশটোও সংলগ্ন হৈ থাকে। ইয়াৰ সৈতে জটিল আৰু ভিন্ন বিষয়ক চিন্তা, পৰ্যালোচনা, বিতৰ্ক, গৱেষণা আৰু উদ্ভাৱন জড়িত হৈ থাকে। এই লক্ষ্যত উপনীত হ'বৰ বাবে এটা বিশেষ বিষয় হিচাপে বৃত্তিমুখী শিক্ষাক বেলেগে ৰাখিব পৰা নেযায়।

20.2. সেইবাবে বৃত্তিমুখী শিক্ষা সামগ্ৰিকভাৱে উচ্চ শিক্ষাৰ অন্তৰ্গত বিষয় হিচাপে পৰিগণিত হৈছে। অকলশৰীয়াকৈ থকা কৃষি বিশ্ববিদ্যালয়, আইন বিশ্ববিদ্যালয়, স্বাস্থ্যবিজ্ঞান বিশ্ববিদ্যালয়, কাৰিকৰী বিশ্ববিদ্যালয় আৰু অকলশৰীয়াকৈ থকা অন্য ক্ষেত্ৰৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ লক্ষ্য ভিন্ন বিষয়ক অনুষ্ঠান ৰূপে প্ৰতিষ্ঠা হ'ব লাগে। ইয়াত সামগ্ৰিক আৰু ভিন্ন বিষয়ক শিক্ষাদান হ'ব লাগে। বৃত্তিমুখীয়েই হওক বা সাধাৰণ শিক্ষাই হওক, সকলো শিক্ষানুষ্ঠানেই অনুষ্ঠান/অনুষ্ঠান-গোট হিচাপে প্ৰতিষ্ঠা হ'ব। ইয়াত উভয় ক্ষেত্ৰকে সামৰি লোৱা হ'ব আৰু 2030 চনৰ ভিতৰত সমন্বিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

20.3. কৃষি শিক্ষাক ইয়াৰ সম্পৰ্কিত ক্ষেত্ৰৰ সৈতে সংযুক্ত কৰি পুনৰ প্ৰতিষ্ঠা কৰা হ'ব। যদিও দেশৰ বিশ্ববিদ্যালয়সমূহৰ ভিতৰত 9% কৃষি বিশ্ববিদ্যালয়, তথাপি কৃষি আৰু আনুসংগিক ক্ষেত্ৰত নামভৰ্তিৰ পৰিমাণ হ'ল মুঠ বিশ্ববিদ্যালয়ৰ নামভৰ্তিৰ মাত্ৰ 1%। দক্ষতাসম্পন্ন স্নাতক আৰু কাৰিকৰ, উদ্ভাৱনী গৱেষণা আৰু বজাৰকেন্দ্ৰিক বিস্তাৰ প্ৰযুক্তি আৰু প্ৰয়োগৰ সম্পৰ্ক ৰক্ষাৰ বাবে কৃষিৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ কৃষি আৰু আনুসংগিক ক্ষেত্ৰৰ মান আৰু ধাৰণক্ষমতা বৃদ্ধি কৰিব লাগিব। কৃষি আৰু পশুধন বিজ্ঞানত বৃত্তিমুখী লোক প্ৰস্তুত কৰিবলৈ সাধাৰণ শিক্ষা ব্যৱস্থাত সংযুক্ত শিক্ষা ব্যৱস্থাৰ জৰুৰী বিকাশ সাধন কৰা হ'ব। স্থানীয় জ্ঞানৰ প্ৰয়োগ, পৰম্পৰাগত জ্ঞান আৰু বিকশিত প্ৰযুক্তিৰ বিষয়ে বুজিব পৰাকৈ, যেনে, ভূমিৰ উৎপাদনশীলতা হ্ৰাস, জলবায়ু পৰিৱৰ্তন, ক্ৰমবৰ্ধিত জনসংখ্যাৰ বাবে খাদ্য শস্যৰ পৰ্যাপ্তকৰণ আদিৰ বিষয়ে জ্ঞান থকা বৃত্তিমুখী লোক প্ৰস্তুত কৰিব লাগিব। কৃষি শিক্ষা প্ৰদান কৰা অনুষ্ঠানৰ পৰা স্থানীয় লোক উপকৃত হ'ব লাগিব। প্ৰযুক্তিৰ প্ৰয়োগ আৰু প্ৰসাৰ, স্থায়ীত্ব থকা পদ্ধতিৰ বিকাশৰ বাবে কৃষি প্ৰযুক্তি পাৰ্ক প্ৰতিষ্ঠা কৰা হ'ব।

20.4. উৎকৃষ্ট অনুশীলন আৰু প্ৰযুক্তি গ্ৰহণৰ দ্বাৰা বহল ভিত্তিত গ্ৰহণযোগ্য আৰু সময় নিৰ্ধাৰিত ন্যায়ৰ বাবে আইন শিক্ষা বিশ্বৰ পৰিপ্ৰেক্ষিতত প্ৰতিযোগিতামূলক হোৱা প্ৰয়োজন। একে সময়তে ই সাংবিধানিক প্ৰমূল্য, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক আৰু গণতন্ত্ৰৰ কাৰ্যকাৰিতাৰ জৰিয়তে ৰাষ্ট্ৰৰ পুণৰগঠন, আইনী শাসন আৰু মানৱ অধিকাৰক প্ৰতিফলিত কৰা হ'ব লাগে। আইনৰ পাঠ্যক্ৰমত সমাজ-সাংস্কৃতিক বিষয় তথ্যভিত্তিক, আইনৰ ঐতিহাসিক চিন্তা, ন্যায়ৰ দৰ্শন, আইন বিধি শাস্ত্ৰৰ অনুশীলন আৰু অন্যান্য আনুসংগিক বিষয়ৰ প্ৰকৃত আৰু উপযুক্তভাৱে প্ৰতিফলন ঘটিব লাগে। ৰাজ্য চৰকাৰৰ আইন শিক্ষা দ্বিভাষিক হ'ব লাগে যাতে ভৱিষ্যতৰ আইনজ্ঞ আৰু ন্যায়াধীশসকলে ইংৰাজী আৰু ৰাজ্যিক ভাষা ব্যৱহাৰ কৰিব পাৰে।

20.5. স্বাস্থ্য শিক্ষা পুনৰ নিৰ্ধাৰণ কৰিব লাগে যাতে, স্নাতকসকলে চলাই নিব পৰাকৈ শিক্ষাৰ পাঠ্যক্ৰমৰ সময়, গঠন আৰু আৰ্হিৰ সৈতে মিল থাকে, যাতে ছাত্ৰ-ছাত্ৰীসকলে ভালদৰে নিৰ্ধাৰিত কৰা পাঠ্যক্ৰম নিয়মিত বিৰতিত গ্ৰহণ কৰিব পাৰে, আৰু প্ৰাথমিক পৰিচৰ্যা আৰু স্বাস্থ্যকেন্দ্ৰত সেৱা আগবঢ়াব পাৰে। স্বাস্থ্য পৰিচৰ্যাত বহুমুখীতাৰ বাবে এলোপেথিৰ ছাত্ৰ-ছাত্ৰীসকলকো আয়ুৰ্বেদ, যোগ আৰু প্ৰাকৃতিক স্বাস্থ্য বিজ্ঞান, ইউনানী, সিদ্ধ আৰু হেমিঅ'পেথিৰ (AYUSH) প্ৰাথমিক জ্ঞান প্ৰদান কৰা প্ৰয়োজন। বাকীসমূহ বিষয়ৰ শিক্ষাটো এলোপেথি আৰু অন্য বিষয়সমূহৰ শিক্ষা প্ৰদান কৰাৰ প্ৰয়োজনীয়তা আছে। সকলো বিখ্যাত স্বাস্থ্য পৰিচৰ্যা শিক্ষাত প্ৰতিষেধকমূলক স্বাস্থ্য বিজ্ঞান আৰু সামাজিক ঔষধৰ প্ৰয়োগৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়।

20.6. ভাৰতবৰ্ষৰ সামগ্ৰিক বিকাশৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত কাৰিকৰী শিক্ষাৰ অভিযান্ত্ৰিক, প্ৰযুক্তিবিদ্যা, মেনেজমেণ্ট, স্থাপত্য, নগৰ পৰিকল্পনা, ফাৰ্মাচী, হোটেল মেনেজমেণ্ট, পৰিচাৰক প্ৰযুক্তি আদিৰ ডিগ্ৰী আৰু ডিপ্লমা অন্তৰ্ভুক্ত কৰিব লাগে। এইটো কেৱল প্ৰকৃত অৰ্হতাসম্পন্ন লোকৰ প্ৰয়োজনীয়তাৰ বাবেই নহয়, এই ক্ষেত্ৰত উদ্ভাৱন আৰু গৱেষণা নিশ্চিত কৰিবলৈ উদ্যোগ আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ মাজত সহযোগিতাৰো সৃষ্টি কৰিব। ইয়াৰ উপৰিও মানুহৰ পদক্ষেপসমূহত প্ৰযুক্তিৰ প্ৰভাৱে কাৰিকৰী শিক্ষা আৰু অন্য বিষয়সমূহৰ মাজত ব্যৱধান হ্ৰাস কৰিব। সেইবাবে কাৰিকৰী শিক্ষা বহুবিষয়ক শিক্ষা প্ৰদানৰ প্ৰতিষ্ঠান আৰু পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হ'ব আৰু অন্য বিষয়ৰ সৈতে ইয়াক সম্পৰ্কিত কৰি সুবিধাৰ সৃষ্টি কৰা হ'ব। যুৱক-যুৱতীসকলৰ নিযুক্তিৰ সম্ভাৱনীয়তা বৃদ্ধি কৰিবলৈ ভাৰতবৰ্ষই কৃত্ৰিম বোধ, থ্ৰি-ডি প্ৰযুক্তি, বিস্তৃত তথ্য বিশ্লেষণ আৰু যান্ত্ৰিক শিকণৰ লগতে জিন অধ্যয়ন, জৈৱ-প্ৰযুক্তি, নেন'-প্ৰযুক্তি আদি অতি গুৰুত্বপূৰ্ণ ক্ষেত্ৰবোৰত বৃত্তিমুখী লোক তৈয়াৰ কৰি উলিওৱাৰ বাবে আগভাগ ল'ব লাগিব।

## 21. প্ৰাপ্তবয়স্ক শিক্ষা আৰু জীৱনজোৰা শিকণ

21.1. প্ৰায়োগিক সাক্ষৰতাৰ সুবিধা লাভ, শিক্ষা গ্ৰহণ আৰু জীৱন ধাৰণ হ'ল প্ৰতিগৰাকী নাগৰিকৰে প্ৰাথমিক অধিকাৰ। সাক্ষৰতা আৰু প্ৰাথমিক শিক্ষাই ব্যক্তিগত, সমূহীয়া, অৰ্থনৈতিক আৰু জীৱনজোৰা শিকণৰ দুৱাৰ মুকলি কৰি দিয়ে। ই ব্যক্তিৰ ব্যক্তিগত আৰু বৃত্তিগত বিকাশ সম্ভৱ কৰি তোলে। সমাজ আৰু ৰাষ্ট্ৰীয় স্তৰত সাক্ষৰতা আৰু প্ৰাথমিক শিক্ষাৰ এক শক্তিশালী ভূমিকা আছে। ই অন্য সকলো প্ৰকাৰৰ বিকাশৰ প্ৰচেষ্টাক আগবঢ়াই নিয়ে। সমগ্ৰ বিশ্বৰ পৰা লাভ কৰা তথ্যই প্ৰমাণ কৰে যে, সাক্ষৰতাৰ হাৰৰ সৈতে ব্যক্তিগত জিডিপিৰ (Gross Domestic Product - GDP) মাজত বিশেষভাৱে ওতঃপ্ৰোত সম্পৰ্ক আছে।

21.2. একে সময়তে, সমাজৰ নিৰক্ষৰ লোকসকলে বিভিন্ন ক্ষেত্ৰত যথেষ্ট অসুবিধা ভোগ কৰিবলগীয়া হয়, যেনে, ব্যৱসায়ৰ বিত্তীয় লেন-দেন, বস্তুৰ দামৰ সৈতে গুণাগুণ আৰু পৰিমাণৰ তুলনা, চাকৰি, ঋণ, সেৱা আদিৰ বাবে আবেদন পত্ৰ পুৰণ, ৰাজহুৱা জাননী আৰু সংবাদ মাধ্যমৰ প্ৰবন্ধ, ব্যৱসায়ৰ যোগাযোগৰ বাবে সাধাৰণ আৰু বৈদ্যুতিন মেইলৰ ব্যৱহাৰ, জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে ইণ্টাৰনেট আৰু অন্যান্য প্ৰযুক্তিৰ ব্যৱহাৰ, বাট-পথৰ সুৰক্ষাৰ নিয়ম পালনৰ নিৰ্দেশাৱলীৰ জ্ঞান, ঔষধ আদি বিষয়ৰ জ্ঞান, ল'ৰা-ছোৱালীক শিক্ষাৰ ক্ষেত্ৰত সহায় কৰিবলৈ, ভাৰতবৰ্ষৰ নাগৰিক হিচাপে নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে সচেতন হ'বলৈ, সাহিত্য কৰ্মক উদগনি জনাবলৈ, উচ্চ উৎপাদক্ষম ক্ষেত্ৰত নিযুক্তি লাভ কৰিবলৈ, আদিৰ বাবে সাক্ষৰতাৰ প্ৰয়োজন। ইয়াত উল্লেখ কৰা যোগ্যতাৰ তালিকাৰ দিশবোৰত উপনীত হ'বলৈ প্ৰাপ্তবয়স্ক শিক্ষাক উদ্ভাৱনী দৃষ্টিৰে গ্ৰহণ কৰা হৈছে।

21.3. ভাৰতবৰ্ষ আৰু বিশ্বৰ বিভিন্ন স্থানত কৰা ক্ষেত্ৰ অধ্যয়নে এই কথা স্পষ্ট কৰি দিছে যে, স্বেচ্ছাসেৱী মনোভাব আৰু সমাজৰ অংশগ্ৰহণ আৰু সমবেতকৰণ হ'ল প্ৰাপ্তবয়স্ক শিক্ষাৰ সফলতাৰ প্ৰধান কাৰণ। ইয়াৰ সৈতে সংযুক্ত হৈ থাকে ৰাজনৈতিক সদিচ্ছা, আনুষ্ঠানিক গঠন, উপযুক্ত পৰিকল্পনা, পৰ্যাপ্ত বিত্তীয় সাহায্য আৰু উচ্চ মানসম্পন্ন দক্ষতা নিৰ্মাণকাৰী শিক্ষাবিদ আৰু স্বেচ্ছাসেৱীসকল। সফল সাক্ষৰতা কাৰ্যক্ৰমে প্ৰাপ্তবয়স্কৰ মাজত সাক্ষৰতাৰ হাৰ বৃদ্ধি হোৱাটোকে নুবুজায়, ই সমাজৰ সকলো ল'ৰা-ছোৱালীৰ বাবে শিক্ষাৰ ক্ৰমবৰ্ধিত প্ৰয়োজনীয়তাৰ ফলাফলকহে সূচায়, যেনেদৰে, সামাজিক পৰিৱৰ্তনত বৃহৎ সমাজৰ অৱদান থাকে। 1988 চনত প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় সাক্ষৰতা মিচন প্ৰধানকৈ মানুহৰ স্বেচ্ছামূলক অংশগ্ৰহণৰ ওপৰত আধাৰিত আছিল, আৰু ইয়াৰ ফলত 1991-2011 চনলৈ মহিলাকে ধৰি সামগ্ৰিক সাক্ষৰতাৰ হাৰ উল্লেখনীয়ভাৱে বৃদ্ধি হৈছিল আৰু লগতে সমকালীন সামাজিক বিষয়সমূহৰ ওপৰত মতামত আৰু আলোচনা-বিলোচনাৰ সূচনা কৰিছিল।

21.4. 100% সাক্ষৰতাৰ লক্ষ্যত উপনীত হ'বলৈ চৰকাৰীভাৱে প্ৰাপ্তবয়স্ক শিক্ষাৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰা হ'ব, বিশেষকৈ সমাজৰ অংশগ্ৰহণক উৎসাহিত কৰিবলৈ আৰু প্ৰযুক্তিৰ সুসম সংযোগ ঘটাবলৈ পাৰ্যমানে ক্ষীপ্ৰতাৰে আগবঢ়া হ'ব।

21.5. প্ৰথমতে, প্ৰাপ্তবয়স্ক শিক্ষাৰ উন্নত পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ বাবে NCERTৰ এখন সহায়কাৰী সমিতি গঠন কৰা হ'ব। NCERTৰ বৰ্তমানৰ বিশেষজ্ঞৰ দ্বাৰা উন্নত মানৰ অক্ষৰজ্ঞান, সংখ্যাজ্ঞান, প্ৰাথমিক শিক্ষা, বৃত্তিগত দক্ষতা, আৰু অন্যান্য বিষয় অন্তৰ্ভুক্ত হৈ থকা পাঠ্যক্ৰম প্ৰস্তুত কৰা হ'ব। প্ৰাপ্তবয়স্ক শিক্ষাৰ পাঠ্যক্ৰম পাঁচ প্ৰকাৰৰ হ'ব, আৰু প্ৰতিটো প্ৰকাৰৰে স্পষ্ট ফলাফল থাকিব, যেনে, (ক) প্ৰাৰম্ভিক অক্ষৰ আৰু সংখ্যাজ্ঞান (খ) জটিল জীৱন দক্ষতা (বিত্তীয় সাক্ষৰতা, ডিজিটেল সাক্ষৰতা, বাণিজ্য সাক্ষৰতা, স্বাস্থ্য পৰিচৰ্যা আৰু সচেতনতা, শিশু পৰিচৰ্যা আৰু শিক্ষা আৰু পৰিয়াল কল্যাণ ইয়াত অন্তৰ্ভুক্ত হ'ব) (গ) বৃত্তিমুখী দক্ষতা বিকাশ (স্থানীয় নিযুক্তিৰ প্ৰতি দৃষ্টি ৰাখি) (ঘ) প্ৰাৰম্ভিক শিক্ষা (সমান্তৰালভাৱে প্ৰস্তুতি, মাধ্যমিক আৰু উচ্চ মাধ্যমিক স্তৰ অন্তৰ্ভুক্ত কৰা হ'ব) (ঙ) নিৰবিচ্ছিন্ন শিক্ষা (সামগ্ৰিক প্ৰাপ্তবয়স্ক শিক্ষাৰ পাঠ্যক্ৰম, কলা, বিজ্ঞান, প্ৰযুক্তি, সংস্কৃতি, ক্ৰীড়া আৰু বিনোদন লগতে স্থানীয় শিক্ষাৰ্থীৰ আগ্ৰহৰ বিষয়, উদাহৰণস্বৰূপে, জীৱন-শিক্ষাৰ উচ্চমানৰ সমল)। এই আৰ্হি প্ৰস্তুত কৰোতে বিশেষভাৱে মনত ৰখা হ'ব যে, বহুক্ষেত্ৰত শিশুৰ বাবে প্ৰস্তুত কৰা সমলৰ তুলনাত প্ৰাপ্তবয়স্কসকলৰ বাবে প্ৰস্তুত কৰা সমল আৰু পদ্ধতি পৃথক হোৱা প্ৰয়োজন।

21.6. দ্বিতীয়তে, সকলো প্ৰাপ্তবয়স্ক লোকে যাতে প্ৰাপ্তবয়স্ক শিক্ষা আৰু জীৱনজোৰা শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰ বাবে উপযুক্ত সা-সুবিধা উপলব্ধ কৰি তোলা হ'ব। যেতিয়া সম্ভৱ হয়, বিদ্যালয়ৰ পাঠদান সমাপ্ত হোৱাৰ পাছত আৰু বন্ধৰ দিনত বিদ্যালয় বা ৰাজহুৱা পুথিভঁৰালত য'ত তথ্য আৰু প্ৰযুক্তি ব্যৱহাৰ কৰাৰ সুবিধা আছে, তেনে স্থানত আৰু সমাজৰ সহযোগ আৰু কাৰ্যকাৰিতাৰ জৰিয়তে এই পাঠ্যক্ৰম চলোৱাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। বিদ্যালয়, উচ্চ শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু বৃত্তিমুখী শিক্ষাৰ বাবে সা-সুবিধাৰ আদান-প্ৰদান আৰু স্বেচ্ছামূলকভাৱে সমাজৰ লোকৰ লগতে বস্তুগত আৰু মানৱ সমল জড়িত কৰাতো আৰু এই পাঁচখন ক্ষেত্ৰ সংযোগ কৰাটো জটিল কাম। সেইবাবে প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰক (Adult Education Centre - AEC) উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ দৰে ৰাজহুৱা অনুষ্ঠানৰ সৈতে সংযুক্ত কৰিব পাৰি।

21.7. তৃতীয়তে, পাঠ্যক্ৰমৰ আৰ্হিত অন্তৰ্ভুক্ত কৰা প্ৰাপ্তবয়স্ক লোকসকলক এই পাঁচটা বিষয়ত শিক্ষা প্ৰদানৰ বাবে প্ৰশিক্ষক/শিক্ষাপ্ৰদানকাৰীৰ প্ৰয়োজন। এই প্ৰশিক্ষকসকলক ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু জিলা স্তৰত সমল সহায়ক সংস্থা আৰু প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰৰ লগতে স্বেচ্ছাসেৱী প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হ'ব। প্ৰতিখন উচ্চ শিক্ষা প্ৰতিষ্ঠানৰে মিচন অনুসৰি স্থানীয় সমাজৰ সৈতে অংশগ্ৰহণ কৰাৰ, উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ব্যক্তিৰ লগতে সমাজৰ অৰ্হতাসম্পন্ন লোকৰ দ্বাৰা চমু প্ৰশিক্ষণ অনুষ্ঠিত কৰা হ'ব। এই কাৰ্য তেওঁলোকৰ ৰাষ্ট্ৰৰ প্ৰতি উল্লেখযোগ্য সেৱা বুলি গণ্য কৰা হ'ব। প্ৰাপ্তবয়স্ক শিক্ষাৰ সাক্ষৰতা বৃদ্ধিৰ বাবে স্বেচ্ছাসেৱী বেচৰকাৰী অনুষ্ঠানৰ সৈতে ৰাজ্য চৰকাৰে একেলগে কাম কৰিব।

21.8. চতুৰ্থতে, প্ৰাপ্তবয়স্ক শিক্ষাত সমাজৰ লোকক অন্তৰ্ভুক্ত কৰিবলৈ সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব। সমাজকৰ্মীসকলে বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি নামভৰ্তি নোহোৱা আৰু বিদ্যালয় ত্যাগ কৰা লোকৰ শিক্ষাত অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে অনুৰোধ কৰিব, তেওঁলোকৰ ভ্ৰমণকালত প্ৰাপ্তবয়স্ক শিক্ষা ব্যৱস্থাত শিকাৰু বা শিক্ষক হিচাপে অংশগ্ৰহণ কৰাৰ বাবে আগ্ৰহী অভিভাৱক, কিশোৰ আৰু আন আন ব্যক্তিৰ তথ্য সংগ্ৰহ কৰিব। সমাজকৰ্মী/পৰামৰ্শদাতাসকলে তেতিয়া সেইসকল ব্যক্তিক প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰৰ সৈতে সংযোগ কৰিব। প্ৰাপ্তবয়স্ক শিক্ষাৰ সুবিধাৰ বিষয়ে বিজ্ঞাপন, ঘোষণা আৰু স্বেচ্ছাসেৱী সংস্থাৰ বিভিন্ন পদক্ষেপ আৰু অন্যান্য স্থানীয় সংস্থাৰ জৰিয়তে সমাজৰ মাজত বিস্তৃতভাৱে প্ৰচাৰ কৰিব।

21.9. পঞ্চমতে, আমাৰ সমাজ আৰু শিক্ষা প্ৰতিষ্ঠানত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ বাবে কিতাপৰ পৰ্যাপ্ত উপলব্ধতা ব্যৱস্থা উন্নীত কৰা প্ৰয়োজন। অক্ষমতা আৰু বিশেষভাৱে সক্ষম লোকৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে প্ৰয়োজনীয় কিতাপ সময়মতে পাব পাৰে তাৰ বাবে বিদ্যালয়, কলেজ, বিশ্ববিদ্যালয় আৰু ৰাজহুৱা পুথিভঁৰালসমূহ শক্তিশালী আৰু আধুনিক কৰি গঢ়ি তোলা হ'ব। ভাৰতবৰ্ষৰ সকলো অঞ্চলতে, আৰ্থ-সামাজিকভাৱে পিচপৰা, আনকি দুৰ্গম গ্ৰাম্য এলেকাতো কিতাপ যাতে সহজলভ্য আৰু ক্ৰয়ৰ বাবে উপলব্ধ হয় তাৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে উচিত পদক্ষেপ গ্ৰহণ কৰিব। সকলো ভাৰতীয় ভাষাতে প্ৰকাশ হোৱা কিতাপবোৰ যাতে উচ্চ মানসম্পন্ন আৰু আকৰ্ষণীয় হয়, তাৰ বাবে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহে নীতি গ্ৰহণ কৰিব। পুথিভঁৰালৰ কিতাপ অনলাইন উপলব্ধকৰণ আৰু ব্যাপকভাৱে ব্যৱহাৰ হোৱা ডিজিটেল পুথিভঁৰালৰ উন্নীতকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব। পুথিভঁৰালসমূহ সজীৱ আৰু কাৰ্যক্ষম কৰি ৰখাতো নিশ্চিত কৰিবলৈ পুথিভঁৰালসমূহত পৰ্যাপ্ত কৰ্মচাৰীৰ ব্যৱস্থা কৰা হ'ব আৰু তেওঁলোকৰ বাবে উপযুক্ত বৃত্তিগত পথ আৰু নিয়মিত বৃত্তিগত পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব। অন্য পদক্ষেপৰ ভিতৰত প্ৰধান হ'ল - বৰ্তমানে সক্ৰিয় হৈ থকা পুথিভঁৰালসমূহৰ উন্নতি সাধন, গ্ৰাম্য পুথিভঁৰাল স্থাপন আৰু পিচপৰা অঞ্চলত অধ্যয়ন কোঠা নিৰ্মাণ, প্ৰতিটো ভাৰতীয় ভাষাতে বিস্তৃতভাৱে পাব পৰাকৈ অধ্যয়নৰ সমল সৃষ্টি, শিশু পুথিভঁৰাল আৰু ভ্ৰাম্যমান পুথিভঁৰাল স্থাপন, সমগ্ৰ ভাৰততে সকলো বিষয়তে সামাজিক পুথি-সংঘ স্থাপন আৰু শিক্ষা প্ৰতিষ্ঠান আৰু পুথিভঁৰালৰ সৈতে সহযোগিতাৰ সৃষ্টি, ইত্যাদি।

21.10. চৰকাৰী আৰু জনহিতৈষী সংগঠনৰ জৰিয়তে আৰু সমাজৰ প্ৰতিযোগিতামূলক ব্যৱস্থাৰ জৰিয়তে প্ৰাপ্তবয়স্ক শিক্ষাৰ বাবে প্ৰযুক্তি নিৰ্ভৰ বিকল্প, যেনে, এপ, অনলাইন পাঠ্যক্ৰম/মডিউল, উপগ্ৰহ নিৰ্ভৰ টিভি চেনেল, অনলাইন কিতাপ, তথ্য আৰু প্ৰযুক্তি সংযুক্ত পুথিভঁৰাল, আৰু প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰৰ বিকাশ সাধন কৰা হ'ব। বিভিন্ন ক্ষেত্ৰত মানসম্পন্ন প্ৰাপ্তবয়স্ক শিক্ষা অনলাইন বা সংমিশ্ৰিত পদ্ধতিত কৰিব পাৰি।

## 22. ভাষা, কলা আৰু সংস্কৃতিৰ বিকাশমূলক পৰিকল্পনা

22.1. ভাৰতবৰ্ষ হৈছে কেবাহাজাৰ বছৰজোৰা সভ্যতাই সৃষ্টি কৰা কলা, সহিত্য, ৰীতি-নীতি, ভাষা-দোৱান, কলা-কৃতি, ঐতিহ্য ক্ষেত্ৰকে ধৰি বিভিন্ন উপাদানৰ বিশাল খনি। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা নিতৌ কোটি-কোটি লোকে ভাৰতৰ বাৰেৰহণীয়া সংস্কৃতিৰ সোৱাদ ল'বলৈ ভাৰতলৈ আহে আৰু ভাৰতবাসীৰ আতিথ্য উপভোগ কৰাৰ লগতে ভাৰতীয় কলা-কৃতিৰ নমুনা, বস্ত্ৰ সম্ভাৰ সংগ্ৰহ কৰাৰ উপৰিও শাস্ত্ৰীয় সহিত্যে অধ্যয়ন, যোগ অধ্যয়ন, যোগ জ্ঞান, ধ্যান, ভাৰতীয় দৰ্শন অধ্যয়ন কৰে। ভাৰতৰ বাৰেৰহণীয়া উৎসৱ-পাৰ্বনত পৰ্যটকসকলে অংশ লয়, ভাৰতীয় চিনেমাৰ দৰ্শন উপভোগ কৰি ভাৰতীয় সংগীত কলাৰ ভূয়সী প্ৰশংসা কৰা দেখা যায়। ভাৰতৰ পৰ্যটন বিভাগৰ শ্লোগান 'অতুল্য ভাৰত' উপমাক দেশখনৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক সৌন্দৰ্যই সাৰ্থক কৰি তুলিছে। ভাৰতৰ অৰ্থনীতি আৰু স্বকীয় পৰিচয়ৰ বাবে ইয়াৰ সাংস্কৃতিক সম্পদৰাজিক সংৰক্ষণ আৰু সংবৰ্ধন কৰাৰ বাবে বিশেষ পদক্ষেপ লোৱাটো সময়োচিত প্ৰয়োজন।

22.2. ভাৰতীয় কলা-সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধন কেৱল ভাৰতীয় জাতিসত্বাৰ বাবেই প্ৰয়োজনীয় নহয়, বৰং ব্যক্তিসত্বাৰ বাবেও আৱশ্যকীয়। সাংস্কৃতিক সচেতনতা আৰু অভিব্যক্তিয়ে শিশুৰ মনত আত্ম পৰিচয় আৰু নৃগোষ্ঠীয় একাত্মতাবোধৰ সৃষ্টি কৰাৰ লগতে অন্য সংস্কৃতি আৰু নৃগোষ্ঠীয় পৰিচয়ৰ প্ৰতিও সৎভাৱনা আৰু জ্ঞান আহৰণৰ প্ৰতি সজাগতা সৃষ্টি কৰি মানসিক দক্ষতা বিকাশত সহায় কৰে। সাংস্কৃতিক ইতিহাস, কলা, ভাষা আৰু পৰম্পৰাৰ জ্ঞানে শিশুৰ  মনত আত্মসন্মানবোধ আৰু সাংস্কৃতিক আত্মপৰিচয়ৰ সৃষ্টি কৰে। ব্যক্তিসত্বা আৰু সমষ্টিসত্বাৰ সু-স্বাস্থ্যৰ বাবে সেয়েহে সাংস্কৃতিক গণসচেতনতা আৰু অভিব্যক্তি অতিকে প্ৰয়োজনীয় বিষয়ক্ষেত্ৰ।

22.3. কলা, সংস্কৃতি সঞ্চৰণৰ গুৰুত্বপূৰ্ণ মাধ্যম। কলাই সাংস্কৃতিক পৰিচয়েৰে সমাজক সজাগ আৰু সচেতন কৰি তোলাৰ উপৰিও ব্যক্তিৰ বোধশক্তি আৰু সৃজনীমূলক দক্ষতাৰ বিকাশ সাধন কৰাৰ লগতে ব্যক্তিসুখৰ আধাৰ হিচাপে কাম কৰে। সুখ আৰু সৰ্বকল্যাণ, বোধশক্তিৰ বিকাশ আৰু ব্যক্তিৰ আত্মপৰিচয়ৰ আধাৰ হোৱাৰ বাবে সকলো প্ৰকাৰৰ ভাৰতীয় কলা শিশু শিক্ষাৰ পৰা আৰম্ভ কৰি শিক্ষাৰ সকলো স্তৰতে ছাত্ৰ-ছাত্ৰীৰ বাবে আগবঢ়োৱা উচিত।

22.4. ভাষা, কলা আৰু সংস্কৃতিৰ এৰাব নোৱাৰা উপাদান। বিশ্বখনক বেলেগ বেলেগ ভাষাই নিজা–নিজা দৃষ্টিভংগীৰে চায়। নৃগোষ্ঠীয় লোকৰ দৃষ্টিভংগীমূলক উপলব্ধিৰ আধাৰত ভাষা এটাৰ গঠন প্ৰক্ৰিয়া নিৰ্ভৰ কৰে। বিশেষভাৱে ক'বলৈ হ'লে একোটা সংস্কৃতিৰ লোকে পৰিয়াল, সমাজৰ মান্যৱৰ লোক, সমনীয়া বা অপৰিচিত লোকৰ লগত কেনেদৰে বা কি সুৰত বাৰ্তালাপ কৰিব তাৰ ওপৰত ভাষাৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ দেখা যায়। একে ভাষাভাষী লোকৰ মাজত একে ধৰণৰ ভাষিক দৃষ্টিভংগী, ঐকতান আৰু একাত্মতা পৰিলক্ষিত হয় আৰু ই সাংস্কৃতিক সংৰক্ষণৰ আহিলা হিচাপে কাম কৰে। অৰ্থাৎ সংস্কৃতি ভাষাৰ মাজত আৱদ্ধ হৈ থাকে। ভাষাৰ মাধ্যমতে কলা, সাহিত্য, সংগীত, নাটক, চিনেমা, আদিয়ে প্ৰাণ পাই উঠে। সেয়েহে, সংস্কৃতিৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে ভাষিক আৰু সাংস্কৃতিক সংবৰ্ধন নিশ্চিত কৰাৰ প্ৰয়োজন আছে।

22.5. দুৰ্ভাগ্যজনকভাৱে, ভাৰতীয় ভাষাসমূহে যি ধৰণৰ গুৰুত্ব আৰু মনোযোগ পাব লাগিছিল, তেনে গুৰুত্ব নোপোৱাৰ বাবে যোৱা পঞ্চাশটা বছৰত দেশে 220 টা ভাষা হেৰুৱাবলগীয়া হৈছে। ইউনেস্কোৱে (UNESCO) বৰ্তমান 197 টা ভাৰতীয় ভাষা বিলুপ্তিৰ পথত বুলি ঘোষণা কৰিছে। লিপিবিহীন বহুতো ভাষা বিলুপ্তিৰ গৰাহত পৰিছে। একোটা নৃগোষ্ঠীৰ জ্যেষ্ঠ লোকৰ মৃত্যুৰ লগে লগে একোটা ভাষাৰো অৱলুপ্তি ঘটে আৰু তেনে ক্ষেত্ৰত সেই ভাষা আৰু ভাষিক সংস্কৃতিৰ সংৰক্ষণৰ বাবে সামূহিক পৰিকল্পনা লোৱা দেখা নেযায়।

22.6. তদুপৰি ভাৰতৰ কিছুমান ভাষাই চৰকাৰীভাৱে বিপন্ন ভাষাৰ তালিকাভুক্ত হোৱা নাই যদিও, বিভিন্ন দিশত তেনে ভাষাই জটিলতাৰ মুখামুখি হৈছে। উদাহৰণস্বৰূপে, ভাৰতীয় সংবিধানৰ অষ্টম সূচীৰ অন্তৰ্গত 22 টা ভাষাৰ নাম উনুকিয়াব পাৰি। ভাৰতৰ বিদ্যালয় আৰু উচ্চ শিক্ষাৰ সকলো স্তৰতে ভাৰতীয় ভাষাৰ শিকণ-পঠনৰ গুৰুত্ব আছে। এটা ভাষা জীৱন্ত আৰু প্ৰাসংগিক হৈ থাকিবলৈ, সেই ভাষাত নিৰৱচ্ছিন্নভাৱে পাঠ্যপুঠি, কৰ্মপুঠি, ভিডিঅ', নাটক, কবিতা, উপন্যাস, আলোচনী আদিৰ দৰে উচ্চমানৰ শিকন আৰু মুদ্ৰিত সমল উপলব্ধ হ'ব লাগিব। ইয়াৰোপৰি ভাষাৰ শব্দ-

তালিকা আৰু অভিধানসমূহক অবিৰতভাৱে উন্নীত কৰিব লাগিব, যাতে সাম্প্ৰতিক সমস্যা আৰু ধাৰণাসমূহ সেই ভাষাসমূহত প্ৰভাৱশালীভাৱে আলোচনা কৰাটো সম্ভৱ হৈ উঠিছে। পৃথিৱীৰ সকলো প্ৰান্তৰ দেশেই নিজৰ ভাষালৈ বিশ্বৰ গুৰুত্বপূৰ্ণ ভাষাৰ লিখন সমলবোৰৰ নিৰৱিচ্ছিন্ন অনুবাদৰ জৰিয়তে নিজৰ তথ্য ভাণ্ডাৰৰ বৃদ্ধি কৰি আহিছে। এনে শিকণ সামগ্ৰী, মুদ্ৰিত সামগ্ৰী আৰু বিশ্বৰ বিভিন্ন ভাষাৰ পৰা গুৰুত্বপূৰ্ণ সামগ্ৰীসমূহৰ অনুৱাদৰ দ্বাৰা, আৰু অবিৰতভাৱে শব্দ-তালিকা উন্নীত কৰি বিশ্বৰ বিভিন্ন দেশে ইংৰাজী, ফৰাচী, জাৰ্মান, হিব্ৰু, কোৰিয়ান আৰু জাপানী ভাষাৰ উন্নতি নিশ্চিত কৰি তুলিছে। কিন্তু ভাৰতবৰ্ষই নিজৰ নিজৰ ভাষাসমূহক সদা জাগ্ৰত আৰু পৰিপূৰ্ণ ৰূপত প্ৰৱাহমান কৰি ৰখাৰ বাবে শিকণ, ছপা সমল আৰু অভিধান আদিৰ প্ৰস্তুতকৰণৰ দিশত যথেষ্ট পিছ পৰি আছে।

22.7. ইয়াৰ উপৰিও বিভিন্ন পদক্ষেপ লোৱাৰ পিছতো ভাৰতত দক্ষতাসম্পন্ন শিক্ষণৰ যথেষ্ট অভাৱ দেখা যায়। ভাষা শিক্ষণ প্ৰণালীত ব্যায়কৰণিক শব্দ সম্ভাৰ বৃদ্ধি আৰু লিখন দক্ষতাৰ সমান্তৰালভাৱে ব্যৱহাৰিক বাৰ্তালাপৰ শিকণটো সমানেই গুৰুত্ব আৰোপ কৰা প্ৰয়োজন। শিকণ আৰু বাৰ্তালাপত ভাষাৰ ব্যৱহাৰ সম্প্ৰসাৰণৰ অতিকৈ প্ৰয়োজন।

22.8. বিদ্যালয় স্তৰত শিশুৰ ভাষা, কলা আৰু সংস্কৃতিৰ বিকাশ ত্বৰান্বিত কৰিবৰ বাবে লোৱা পদক্ষেপসমূহ চতুৰ্থ ভাগত অন্তৰ্ভুক্ত কৰা হৈছে, য'ত বিদ্যালয়ৰ সকলো স্তৰতে সংগীত, কলা আৰু হস্তকলা আদি শিকণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। বহুভাষিক জ্ঞানৰ বাবে ত্ৰি-ভাষা প্ৰয়োগ, যথাসম্ভৱ স্থানীয় আৰু ঘৰুৱা ভাষাত শিক্ষণৰ ব্যৱস্থা, ব্যৱহাৰিক ভাষা জ্ঞানৰ ওপৰত অধিক গুৰুত্ব প্ৰদান, স্থানীয় দক্ষতাপূৰ্ণ লেখক, শিল্পী, কলা কুশলীক শিক্ষা প্ৰদানৰ বাবে নিযুক্তিৰ ব্যৱস্থা, প্ৰাসংগিকতাপূৰ্ণ স্থানীয় আৰু জনগোষ্ঠীয় ক্ষেত্ৰত কলা, বিজ্ঞান, হস্তকলা, খেলা-ধূলা সকলোবোৰ বাস্তৱসন্মত ৰূপত পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হ'ব আৰু মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীলতাৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি এক নমনীয় পাঠ্যসূচী প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ইচ্ছাৰে নিজৰ বাবে সন্তুলিত বিষয়বস্তু নিৰ্বাচন কৰাৰ সুবিধা লাভ কৰিব।

22.9. উচ্চ শিক্ষাৰ উপৰিও অন্যান্য ক্ষেত্ৰতো আক্ষৰিক লক্ষ্যবোৰত উপনীত হ'বৰ বাবে আন কিছুমান আনুসংগিক পদক্ষেপ গ্ৰহণ কৰা হ'ব। ওপৰত উল্লিখিত বিভিন্ন বিষয়ক্ষেত্ৰবোৰৰ পাঠ্যসূচীৰ বিকাশ আৰু শিক্ষণৰ বাবে সুদক্ষ শিক্ষক আৰু প্ৰশিক্ষক গঢ়ি তোলা হ'ব। তুলনামূলক সাহিত্য অধ্যয়ন, সৃজনীমূলক লিখনি, কলা, সংগীত, দৰ্শন আদি বিভাগসমূহ দেশজুৰি শক্তিশালী ৰূপত গঢ়ি তোলা হ'ব আৰু এই সকলোবোৰ বিষয়ৰে চাৰি বছৰীয়া B.Ed. পাঠ্যক্ৰমৰ দ্বৈত ডিগ্ৰী লাভ কৰিব পৰাকৈ উপযুক্ত বিভাগ গঠন কৰা হ'ব। এই বিভাগ আৰু কাৰ্যসূচীয়ে কলা-সংগীত, দৰ্শন, লিখন আদি বিষয়ৰ উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত এচাম শিক্ষকৰ সৃষ্টি কৰিব, যিসকলে নতুন শিক্ষানীতিক আগবঢ়াই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ৰাষ্ট্ৰীয় গৱেষণা ন্যাসে সকলোবোৰ বিষয়ৰে গুণগত গৱেষণাৰ বাবে পুঁজিৰ যোগান ধৰিব। ছাত্ৰ-ছাত্ৰীবোৰে শিক্ষা লাভ কৰা অঞ্চলৰ স্থানীয় সংগীত, কলা, ভাষা আৰু হস্তশিল্পৰ শিক্ষা লাভৰ বাবে স্থানীয় সুদক্ষ কলা-কুশলী আৰু শিল্পীক স্থানীয় ভিত্তিত প্ৰশিক্ষক হিচাপে মকৰল কৰা হ'ব। সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান আনকি বিদ্যালয়সমূহতো শিল্পীসকলৰ আৱাসিক শিকণস্থল স্থাপনেৰে দেশ আৰু অঞ্চলৰ কলা, সৃজনীশীল অতুল ঐশ্বৰ্যক ছাত্ৰ-ছাত্ৰীৰ কাষলৈ লৈ যোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

22.10. সকলো ভাৰতীয় ভাষাক শক্তিশালী ৰূপত সদা জাগ্ৰত আৰু প্ৰৱাহিত কৰি ৰাখিবৰ বাবে উচ্চ শিক্ষাৰ অধিক সংখ্যক অনুষ্ঠান আৰু পাঠ্যক্ৰমত শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা/স্থানীয় ভাষাৰ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হ'ব। দ্বিভাষিক চাৰি বছৰীয়া দ্বৈত ডিগ্ৰী পাঠ্যক্ৰমে বিজ্ঞান আৰু গণিতৰ দৰে বিষয়ৰ শিক্ষককো সমগ্ৰ দেশতে বিদ্যালয় পৰ্যায়তো দ্বিভাষিক মাধ্যমেৰে শিক্ষাদান কৰিব পৰাকৈ উপযুক্ত কৰি তোলা হ'ব।

22.11. উচ্চ শিক্ষা পৰ্যায়ত অনুবাদ আৰু ভাষান্তৰ, কলা আৰু সংগ্ৰহালয় প্ৰশাসন, কলাকৃতি সংৰক্ষণ, চিত্ৰলৈখিক মুদ্ৰণ কলা আৰু ৱেব ডিজাইন আদি বিষয়ৰ উচ্চ মানদণ্ডৰ ডিগ্ৰী আৰু পাঠ্যসূচী উচ্চ শিক্ষাৰ সকলো পৰ্যায়তে অন্তৰ্ভুক্ত কৰা হ'ব। ভাৰতীয় কলা-সংস্কৃতিৰ সংবৰ্ধন আৰু সংৰক্ষণৰ বাবে ভাৰতীয় ভাষাত উচ্চ মানসম্পন্ন সমলৰ বিকাশ সাধন কৰাৰ লগতে কলাকৃতিসমূহৰ সমুচিত সংৰক্ষণ কৰাৰ লগতে সংগ্ৰহালয়, পৰ্যটন স্থান আদিৰ সু-পৰিচালনা কৰিব পৰাকৈ উচ্চ অৰ্হতাসম্পন্ন লোক গঢ়ি তোলা হ'ব আৰু ই বিস্তাৰিত ৰূপত পৰ্যটন উদ্যোগক শক্তিশালী কৰি তুলিব।

22.12. এই শিক্ষানীতিয়ে উপলব্ধি কৰিছে যে শিক্ষাৰ্থীসকলে ভাৰতৰ বৈচিত্ৰমূলক জ্ঞান অভিজ্ঞতা লাভৰ দ্বাৰা আহৰণ কৰিব লাগিব। এনে জ্ঞান আহৰণত দেশৰ বিভিন্ন অঞ্চললৈ হাতত লোৱা জ্ঞান যাত্ৰা আদিৰ দৰে সৰল পদক্ষেপে সহায় কৰিব। এনে পদক্ষেপে কেৱল মাত্ৰ পৰ্যটন ক্ষেত্ৰকে যে টনকিয়াল কৰিব এনে নহয়, শিক্ষাৰ্থীসকলে ভাৰতৰ বিভিন্ন অঞ্চলৰ সংস্কৃতি, পৰম্পৰা আৰু জ্ঞান উপলব্ধি কৰাৰ সুযোগ লাভ কৰিব। 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' লক্ষ্যৰে সমগ্ৰ ভাৰতজুৰি এনেধৰণৰ 100 টা পৰ্যটন ক্ষেত্ৰ চিনাক্ত কৰা হ'ব, যিবোৰ স্থানলৈ শিক্ষানুষ্ঠানসমূহে তেওঁলোকৰ শিক্ষাৰ্থী প্ৰেৰণ কৰিব আৰু সেই অঞ্চলবোৰৰ ইতিহাস, বৈজ্ঞানিক অৱস্থান, পৰম্পৰা, স্থানীয় সাহিত্য আৰু জ্ঞান আহৰণেৰে শিক্ষাৰ্থীসকলে নিজৰ জ্ঞান ভাণ্ডাৰ বৃদ্ধি কৰিব পাৰিব।

22.13. উচ্চ শিক্ষা পৰ্যায়ত এনেধৰণৰ কাৰ্যসূচী আৰু ডিগ্ৰীয়ে কলা, ভাষা আৰু মানৱ বিজ্ঞানৰ ক্ষেত্ৰলৈও উচ্চ গুণগত মানৰ নিযুক্তিৰ সুযোগ সৃষ্টি কৰিব। ইতিমধ্যেই সংগ্ৰাহালয়, কলাবিথিকা আৰু ঐতিহ্য ক্ষেত্ৰৰ শ শ বিদ্যায়তনিক অনুষ্ঠানৰ সু-পৰিচালনাৰ বাবে অৰ্হতাসম্পন্ন শিক্ষাৰ্থীৰ অতীব প্ৰয়োজন আছে। উপযুক্ত অৰ্হতাসম্পন্ন ব্যক্তি নিযুক্তি হোৱাৰ পিছত অধিক কলাকৃতিৰ  সংৰক্ষণ আৰু উদ্ধাৰ সম্ভৱপৰ হ'ব, লগতে অতিৰিক্তভাৱে দৃশ্যমান/ই-সংগ্ৰাহালয়, কলাবিথীকা, ঐতিহ্য ক্ষেত্ৰ স্থাপনে ভাৰতৰ ঐতিহ্য আৰু পৰ্যটন ক্ষেত্ৰৰ সংৰক্ষণৰ ক্ষেত্ৰত অধিক বৰঙণি যোগাব।

22.14. বিভিন্ন ভাৰতীয় ভাষা আৰু বিদেশী ভাষালৈ উচ্চ মানসম্পন্ন শিক্ষা সমল আৰু আন আন গুৰুত্বপূৰ্ণ লিখিত আৰু মৌখিক সমলৰ ভাঙনি আৰু অনুবাদ প্ৰক্ৰিয়াৰ সম্প্ৰসাৰণ কৰা হ'ব। ইয়াৰ বাবে এক ভাৰতীয় অনুবাদ আৰু দোভাষী প্ৰতিষ্ঠান (Indian Institute of Translation and Interpretation - IITI) স্থাপন কৰা হ'ব। এনে প্ৰতিষ্ঠানে দেশলৈ প্ৰভুত বৰঙণি যোগাব। লগতে বিভিন্ন ভাষিক বিশেষজ্ঞ আৰু বিষয়ভিত্তিক বিশেষজ্ঞৰ নিযুক্তিৰ বাট মুকলি কৰি সকলো ভাৰতীয় ভাষাৰ বিকাশ সাধন কৰিব। ভাৰতীয় অনুবাদ আৰু দোভাষী প্ৰতিষ্ঠানে অনুবাদ কাৰ্যত প্ৰযুক্তিগত কৌশলৰ সহায় ল'ব। বিভিন্ন স্থানৰ উচ্চ শিক্ষাৰ গৱেষণা প্ৰতিষ্ঠানসমূহত IITIয়ে সহযোগী বিভাগ প্ৰতিষ্ঠাৰ জৰিয়তে অৰ্হতাসম্পন্ন প্ৰশিক্ষকৰ সংখ্যা আৰু চাহিদা পূৰণ কৰিব।

22.15. সাহিত্যৰ শাখা আৰু বিষয়বস্তুৰ গুৰুত্বপূৰ্ণ অৱদানলৈ লক্ষ্য কৰি, লগতে বিষয়টোৰ সাংস্কৃতিক প্ৰমূল্য আৰু বিজ্ঞানভিত্তিক গুৰুত্বৰ বাবে সংস্কৃত সাহিত্যক একক শাখাৰ পাঠশালা আৰু বিশ্ববিদ্যালয়ত আৱদ্ধ নেৰাখি মূল সুঁতিৰ বিদ্যায়তনিক পৰ্যায়ত ত্ৰি-ভাষা সূত্ৰৰ জৰিয়তে শক্তিশালী ৰূপত শিক্ষণত বিদ্যালয় আৰু উচ্চ শিক্ষা পৰ্যায়ত গুৰুত্ব সহকাৰে আগবঢ়োৱা হ'ব। পৃথকভাৱে সংস্কৃত সাহিত্যক পঢ়োৱাৰ সলনি বিজ্ঞান, গণিত, জ্যোতিৰ্বিদ্যা, দৰ্শন, ভাষাতত্ব, নাট্য সাহিত্য, যোগবিদ্যা আদি বিষয়ৰ সৈতে সাম্প্ৰতিক আৰু প্ৰাসংগিক ৰূপত মনোগ্ৰাহী আৰু ন-শৈলীৰে শিকোৱাৰ দিহা কৰা হ'ব। শিক্ষানীতিৰ শেহতীয়া ধাৰাৰ লগত সংগতি ৰাখি সংস্কৃত বিশ্ববিদ্যালয়সমূহক উচ্চ শিক্ষাৰ আন্তঃবিষয়কেন্দ্ৰিক অনুষ্ঠান হিচাপে গঢ়ি তোলা হ'ব। ন ন আন্তঃবিষয়কেন্দ্ৰিক উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ সংস্কৃত বিভাগসমূহে সংস্কৃত ভাষা আৰু জ্ঞানক্ষেত্ৰলৈ উল্লেখযোগ্য আন্তঃবিষয়কেন্দ্ৰিক গৱেষণা আৰু প্ৰশিক্ষণ আগবঢ়াব পৰাকৈ শক্তিশালী কৰি প্ৰতিষ্ঠা কৰা হ'ব। ছাত্ৰ-ছাত্ৰীয়ে ইচ্ছা কৰিলে সংস্কৃতত সামগ্ৰিক উচ্চ শিক্ষাৰ আন্তঃবিষয়কেন্দ্ৰিক অধ্যয়নো কৰিব পাৰিব। যথেষ্ট সংখ্যক সংস্কৃত শিক্ষকক শিক্ষা আৰু সংস্কৃত বিষয়ৰ চাৰিবছৰীয়া আন্তঃবিষয়কেন্দ্ৰিক দ্বৈত ডিগ্ৰীৰ পাঠ্যক্ৰমেৰে পেছাদাৰী ৰূপত গঢ়ি তোলা হ'ব।

22.16. এতিয়ালৈকে বিশেষ গুৰুত্ব লাভ নকৰা হেজাৰ হেজাৰ পাণ্ডুলিপিৰ সংগ্ৰহ, সংৰক্ষণ, অনুবাদ আৰু অধ্যয়নৰ বাবে শক্তিশালী উদ্যোগ লোৱাৰ বাবে সকলো শাস্ত্ৰীয় ভাষাৰ বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। সংস্কৃত ভাষা আৰু সৰ্বভাৰতীয় ভাষা প্ৰতিষ্ঠানসমূহক শক্তিশালী কৰি তোলা হ'ব আৰু শিক্ষাৰ্থীৰ নতুন নতুন শ্ৰেণীসমূহক বিশাল পৰিমাণৰ পাণ্ডুলিপি আৰু অন্য বিষয়সমূহৰ সৈতে সেইসমূহৰ সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰিবলৈ পৰ্যাপ্ত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। শাস্ত্ৰীয় ভাষা প্ৰতিষ্ঠানসমূহক স্বায়ত্বশাসিত ৰূপত বিশ্ববিদ্যালয়সমূহৰ সৈতে চামিল কৰা হ'ব, যাতে বিদ্যাৰ্থী আৰু অধ্যাপকসকলে যথাৰ্থ আৰু সম্যক ৰূপত আন্তঃবিষয়ক্ষেত্ৰিক ভাৱে প্ৰশিক্ষণ লাভ কৰিব পাৰে। ভাষা অধ্যয়নত সীমাৱদ্ধ থকা বিশ্ববিদ্যালয়সমূহকো বহুবিষয়কেন্দ্ৰিক অনুষ্ঠানলৈ ৰূপান্তৰ কৰা হ'ব আৰু প্ৰয়োজন সাপেক্ষে শিক্ষা আৰু ভাষাৰ দ্বৈত B.Ed. ডিগ্ৰীৰ প্ৰচলনেৰে নিৰ্দিষ্ট ভাষাৰ একোটাৰ উচ্চ অৰ্হতাসম্পন্ন শিক্ষক

গঢ়ি তোলাৰ বাবে পদক্ষেপ লোৱা হ'ব। ইয়াৰোপৰি ভাষা অধ্যয়নৰ নতুন প্ৰতিষ্ঠান স্থাপনৰো প্ৰস্তাৱ ৰখা হৈছে। একোখন বিশ্ববিদ্যালয়ৰ চৌহদত পালি, প্ৰাকৃত আৰু পাৰ্চী ভাষাৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপন কৰা হ'ব। সেইদৰে, ভাৰতীয় কলা, কলা-ইতিহাস, প্ৰাচ্যতত্ব অধ্যয়নৰ বাবেও একেধৰণৰ প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব। ৰাষ্ট্ৰীয় গৱেষণা ন্যাসে এনেধৰণৰ বিষয়সমূহৰ উচ্চ মানবিশিষ্ট গৱেষণাৰ বাবে পুঁজিৰ যোগান ধৰিব।

22.17. শাস্ত্ৰীয়, জনগোষ্ঠীয় আৰু বিলুপ্তিৰ গৰাহত পৰিব ধৰা ভাষাসমূহৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে নতুন উদ্যমেৰে পদক্ষেপ লোৱা হ'ব। প্ৰযুক্তি আৰু সম্প্ৰদায়-সেৱাৰ (crowdsourcing) লগতে জনসাধাৰণৰ ব্যাপক অংশগ্ৰহণে এই প্ৰয়াসসমূহত এক বিশেষ ভূমিকা পালন কৰিব।

22.18. ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীৰ অন্তৰ্গত ভাষাসমূহৰ বাবে প্ৰখ্যাত বিশেষজ্ঞ অধ্যাপক আৰু স্থানীয় ভাষিক লোকৰ সহযোগত শেহতীয়া তত্বৰ আধাৰত পৰিপূৰ্ণ আৰু সৰল শব্দকোষ তৈয়াৰ কৰাৰ লগতে নৈমিত্তিক ৰূপত শেহতীয়া তথ্যভিত্তিক অভিধান প্ৰস্তুত কৰাৰ বাবে (বিশ্বজুৰি সফলতা লাভ কৰা অনুৰূপ প্ৰচেষ্টাৰ সহায় লৈ) শিক্ষা প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব। শিক্ষা প্ৰতিষ্ঠানসমূহে প্ৰত্যেকৰে লগত আলোচনা মৰ্মে লগতে প্ৰয়োজন সাপেক্ষে ৰাজহুৱা ভাৱে জনগণৰ মতামতেৰে এই ধৰণৰ অভিধানসমূহ প্ৰস্তুত কৰাৰ দিহা কৰা হ'ব, যাতে যিমান দূৰ সম্ভৱ সৰ্বজন ব্যৱহৃত শব্দবোৰ অন্তৰ্ভুক্ত কৰিব পৰা যায়। এনেধৰণৰ অভিধানসমূহে শিক্ষা, সংবাদসেৱা, সাহিত্য, বক্তৃতা আদিৰ উপৰিও বিস্তৃত ক্ষেত্ৰত পুথি আৰু ৱেব উভয় প্ৰকাৰে বহল প্ৰয়োগৰ ব্যৱস্থা কৰা হ'ব। অষ্টম অনুসূচীৰ অন্তৰ্গত ভাষাসমূহৰ বাবে এই একাডেমিসমূহ ৰাজ্যিক চৰকাৰৰ সৈতে সহযোগ আৰু আলোচনাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে গঠন কৰিব। বহুল ৰূপত কথিত অন্যান্য ভাৰতীয় ভাষাৰ বাবেও এনে একাডেমি কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰৰ পৃষ্ঠপোষকতাত গঢ়ি তোলা হ'ব।

22.19. সৰ্বভাৰতীয় বিলুপ্তপ্ৰায় ভাষা আৰু আনুসংগিক স্থানীয় কলা-সংস্কৃতিৰ তথ্য সম্বলিত সংৰক্ষণৰ বাবে ৱেব মঞ্চ/পোৰ্টেল/উইকি আদিৰ ব্যৱস্থা কৰা হ'ব। এনেবোৰ মাধ্যমেৰে দৃশ্যমান তথ্য, অভিধান, শ্ৰাব্য তথ্যৰ উপৰিও জ্যেষ্ঠলোকৰ কথা-বাৰ্তা, কাহিনী বৰ্ণন, কবিতা আবৃত্তি, পৰিৱেশ্য কলা, লোক সংগীত, লোকনৃত্য আদি বহুতো উপাদান সন্নিৱিষ্ট হ'ব। এনেধৰণৰ ই-মঞ্চ/পোৰ্টেল/উইকি আদিত সমগ্ৰ দেশজুৰি সকলো লোককে নিজস্ব প্ৰয়াসেৰে বৰঙণি যোগোৱাৰ বাবে আমন্ত্ৰণ জনোৱা হ'ব। এনে মঞ্চবোৰ সমৃদ্ধিশালী কৰাৰ বাবে বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানসমূহে দেশৰ লোকসমাজৰ লগত সহযোগিতামূলক প্ৰচেষ্টাৰে কাম কৰিব। এনে সংৰক্ষণ প্ৰচেষ্টাৰ লগতে ইতিহাস, পুৰাতত্ব, ভাষা আদিৰ সৈতে সম্পৰ্কিত প্ৰকল্পৰ বাবে আৱশ্যকীয় আৰ্থিক অনুদান ৰাষ্ট্ৰীয় গৱেষণা ন্যাসে আগবঢ়াব।

22.20. উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহৰ জৰিয়তে স্থানীয় অৰ্হতাসম্পন্ন বিশেষজ্ঞৰ সৈতে সকলো বয়সৰ লোকক ভাৰতীয় ভাষা, কলা–সংস্কৃতি অধ্যয়নৰ বাবে জলপানিৰ ব্যৱস্থা কৰা হ'ব। ভাৰতীয় ভাষাসমূহ শিক্ষণ আৰু পঠন কাৰ্যত নৈমিত্তিক ৰূপত ব্যৱহাৰ হ'লেহে সেইবোৰৰ শ্ৰীবৃদ্ধি সম্ভৱ হৈ উঠিব। সকলো ভাষাৰ কবিতা, উপন্যাস, তাত্বিক গ্ৰন্থ, পাঠ্যপুথি, সাংবাদিকতা ইত্যাদিৰ উৎকৃষ্ট অৱদানক পুৰষ্কৃত কৰাৰ ব্যৱস্থা কৰা হ'ব। নিয়োগৰ ক্ষেত্ৰত ভাৰতীয় ভাষাৰ জ্ঞানক অৰ্হতা হিচাপে প্ৰাধান্য দিয়া হ'ব।

## 23. প্ৰযুক্তিৰ ব্যৱহাৰ আৰু একত্ৰীকৰণ

23.1. সাম্প্ৰতিক কালৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ মহাকাশ বিজ্ঞান আৰু যোগাযোগ আৰু প্ৰযুক্তি ক্ষেত্ৰত ভাৰতে গুৰুৰ ভূমিকা পালন কৰি আছে। ডিজিটেল ভাৰত মিচনে সমগ্ৰ দেশতে ডিজিটেল ক্ষেত্ৰত শক্তিশালী সমাজ আৰু জ্ঞানপুঁজি গঢ়ি তোলাত সহায় কৰিছে। এই পৰিৱৰ্তনত শিক্ষাৰ এক গুৰুত্বপূৰ্ণ বৰঙণি থাকিব আৰু প্ৰযুক্তিয়ে শৈক্ষিক বিকাশ আৰু তাৰ ওপৰত প্ৰভাৱক ত্বৰান্বিত কৰিব। এনেদৰে সকলো স্তৰতে শিক্ষা আৰু প্ৰযুক্তিৰ সম্পৰ্ক পৰস্পৰৰ সৈতে পৰিপূৰক হ'ব।

23.2. প্ৰযুক্তিগত বিকাশৰ বিস্ফোৰণ পৰিপূৰ্ণ ৰূপত দক্ষ শিক্ষক আৰু উদ্যোগীৰ লগতে ছাত্ৰ উদ্যোগী গঢ়ি তোলাত সহায়ক হ'ব। এইটো নিশ্চিত যে বৰ্তমান কিছু কিছু ক্ষেত্ৰত পৰিলক্ষিত হোৱাৰ দৰে শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তিয়ে বহুমুখী প্ৰভাৱ পেলাব। কৃত্ৰিম বুদ্ধিমত্তা, ই-শিক্ষা, ব্লক-চেইন, স্মাৰ্ট বোৰ্ড, প্ৰযুক্তিগত হস্তকৌশল, বিদ্যাৰ্থীৰ বিকাশৰ লগত খাপ খোৱা বিভিন্ন কম্পিউটাৰ সঁজুলি, অন্যান্য বিদ্যাৰ্থী অনুকূল ছফটৱেৰ আৰু হাৰ্ডৱেৰ, যিবোৰে কেৱল মাত্ৰ শিকণ প্ৰক্ৰিয়াৰে পৰিৱৰ্তন সাধন নকৰিব, বৰং বিস্তাৰিত ৰূপত প্ৰযুক্তিগত আৰু শিক্ষা জগতত বিস্তাৰিত ৰূপত গৱেষণাৰ বাবেও ব্যৱহৃত হ'ব।

23.3. শিক্ষাৰ বহুমুখী দিশৰ বিকাশৰ বাবে প্ৰযুক্তিৰ সুসংবদ্ধকৰণ আৰু ব্যৱহাৰ কাৰ্যৰ প্ৰতি পৃষ্ঠপোষকতা আৰু পদক্ষেপ গ্ৰহণ কৰা হ'ব আৰু ব্যৱহাৰৰ মাপকাঠি তৈয়াৰ কৰাৰ আগতে প্ৰাসংগিকতাৰ প্ৰতি লক্ষ্য ৰাখি কঠোৰ আৰু স্বচ্ছতাৰে মূল্যায়ন কৰা হ'ব। উচ্চ আৰু মাধ্যমিক উভয় স্তৰতে শিকণ প্ৰক্ৰিয়াক ত্বৰান্বিত কৰাৰ উপৰিও মূল্যায়ন, পৰিকল্পনা আৰু প্ৰশাসন ইত্যাদিত ব্যৱহাৰ কৰিব পৰাকৈ চিন্তাধাৰাৰ মুক্ত আদান–প্ৰদানৰ বাবে ৰাষ্ট্ৰীয় শিক্ষা প্ৰযুক্তি মঞ্চ (National Education Technology Forum - NETF) নামৰ স্বায়ত্বশাসিত প্ৰতিষ্ঠান গঠন কৰা হ'ব। NETFৰ প্ৰধান লক্ষ্য হ'ব ৰাজ্যিক আৰু কেন্দ্ৰীয় শিক্ষানুষ্ঠান, অন্যান্য অংশীদাৰসকলক শিক্ষা ক্ষেত্ৰত নিযুক্তি আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে নেতৃত্ব প্ৰদান কৰি জ্ঞান, গৱেষণাৰ লগতে সুযোগৰ শেহতীয়া জ্ঞানৰ বিষয়ে আলোচনা আৰু অভ্যাসনৰ আদান–প্ৰদান কৰা। এই সংস্থাৰ প্ৰধান কাৰ্যাৱলীসমূহ হ'ল –

(ক) প্ৰযুক্তি নিৰ্ভৰ হস্তক্ষেপৰ বাবে তথ্যগত স্বাধীন উপদেশ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আনুসংগিক প্ৰতিষ্ঠানসমূহক প্ৰদান কৰা

খ) শিক্ষা প্ৰযুক্তিত বিচক্ষণ আৰু প্ৰতিষ্ঠানকেন্দ্ৰিক সুবিধা গঢ়ি তোলা

গ) এই ক্ষেত্ৰখনৰ ৰণকৌশলগত প্ৰগতিশীল ক্ষেত্ৰসমূহৰ ৰূপৰেখা তৈয়াৰ কৰা আৰু

ঘ) গৱেষণা আৰু ন-উদ্ভাৱনৰ নতুন দিশ উন্মোচন কৰা

23.4. সদা পৰিৱৰ্তনীয় শিক্ষা প্ৰযুক্তি ক্ষেত্ৰখনত প্ৰাসংগিক হৈ থকাৰ বাবে NETFএ শিক্ষা প্ৰযুক্তি ক্ষেত্ৰৰ ন-ন আৱিষ্কাৰক আৰু বৃত্তিধাৰী লোকৰ সহায়ত সঠিক তথ্যৰ নিৰৱচ্ছিন্ন প্ৰৱাহ অব্যাহত ৰাখিব আৰু ডাটা বা তথ্যৰ গৱেষণামূলক পৰ্যালোচনাৰ বাবে বিভিন্ন গৱেষকৰ সংহতি স্থাপন কৰিব। এক জীৱন্ত জ্ঞান প্ৰবাহ আৰু অভ্যাসন প্ৰক্ৰিয়াক ত্বৰান্বিত কৰাৰ বাবে এই সংস্থাই ৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু সন্মিলনৰ আয়োজন কৰিব, যিবোৰে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় শিক্ষা প্ৰযুক্তিৰ গৱেষক, উদ্যোগী আৰু বৃত্তিধাৰী লোকৰ দ্বাৰা তথ্য-সমলৰ নিৱেশ সুনিশ্চিত কৰিব।

23.5. শিক্ষণ–শিকণ আৰু মূল্যায়ন ব্যৱস্থাৰ বিকাশ, শিক্ষকক পেছাদাৰী ৰূপে গঢ়ি তোলাৰ বাবে শিক্ষাৰ সুযোগ বৃদ্ধি আৰু শিক্ষাৰ ক্ষেত্ৰখনৰ পৰিকল্পনা, নিয়ন্ত্ৰণ, প্ৰশাসনৰ লগত সংলগ্ন বিষয়, নামভৰ্তি, উপস্থিতি আৰু মূল্যায়ন প্ৰক্ৰিয়াৰ বিকাশৰ বাবে প্ৰযুক্তিৰ ব্যৱহাৰ সম্প্ৰসাৰিত কৰা হ'ব।

23.6. শিক্ষাৰ সকলো স্তৰতে শিক্ষক আৰু ছাত্ৰই হাততে পাব পৰাকৈ, সকলো ক্ষেত্ৰতে ব্যৱহাৰ কৰিব পৰাকৈ, ভিন ভিন প্ৰকাৰৰ শিক্ষা সম্পৰ্কীয় ছফটৱেৰ উপলব্ধ কৰা হ'ব। সকলো ভাষাৰে একেবাৰে পিছপৰা অঞ্চলতো ছাত্ৰসমাজে পাব পৰাকৈ আৰু দিব্যাংগসকলৰ সহায়ক হোৱাকৈ ভাৰতৰ সকলো ভাষাতে এই ছফটৱেৰবোৰ উপলব্ধ কৰা হ'ব। শিকণ-শিক্ষণৰ ই-বিষয়বস্তু সকলো ৰাজ্য আৰু লগতে NCERT, CIET, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড (CBSC), NIOS আৰু অন্যান্য অনুষ্ঠানে আঞ্চলিক ভাষাত প্ৰস্তুত কৰিব আৰু এইসমূহক দীক্ষা ই-মঞ্চত আপলোড কৰা হ'ব। ইলেক্ট্ৰনিক বিষয়বস্তুসমূহে শিক্ষকসকলৰ পেছাদাৰী বিকাশত এই মঞ্চই সহায় কৰিব। দীক্ষা আৰু অন্যান্য ই-প্ৰযুক্তিসমূহক শক্তিশালী কৰাৰ বাবে CIETক অধিক শক্তিশালী কৰি তোলা হ'ব। বিদ্যালয় পৰ্যায়ত শিক্ষণ-শিকণ ই-আহিলাসমূহ ব্যৱহাৰ কৰিব পৰাকৈ সেইসমূহ সকলো শিক্ষকৰ বাবে উপলব্ধ কৰা হ'ব। উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষাখণ্ডৰ সৈতে প্ৰযুক্তি নিৰ্ভৰ শিক্ষা মঞ্চ দীক্ষা/স্বয়ম আদি মঞ্চক সুন্দৰভাৱে সংযোগ কৰা হ'ব, আৰু ব্যৱহাৰকাৰীসকলৰ দ্বাৰা মূল্যাংকন/সমীক্ষা অন্তৰ্ভুক্ত হৈ থাকিব। এনে পদ্ধতিয়ে ব্যৱহাৰকাৰীৰ বাবে উপযুক্ত আৰু মানসম্পন্ন সমল প্ৰস্তুত কৰাত সক্ষম কৰি তুলিব।

23.7. শিক্ষা ব্যৱস্থাৰ আৱশ্যকীয় পৰিৱৰ্তনত সহায়ক হ'ব পৰাকৈ ভাঙোনমুখী প্ৰযুক্তিসমূহৰ প্ৰতি বিশেষ নজৰ দিয়া হ'ব। যেতিয়া 1986/1992 চনত ৰাষ্ট্ৰীয় শিক্ষানীতি তৈয়াৰ কৰা হৈছিল, তেতিয়া ইন্টাৰনেটৰ বিৰূপ প্ৰভাৱ সম্পৰ্কে পূৰ্বানুমান কৰাটো যথেষ্ট কঠিন আছিল। আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাই ত্বৰিৎ গতিৰ আৰু বিভাজনমুখী পৰিৱৰ্তনৰ লগত খাপ খাব নোৱৰাৰ ফলত প্ৰগতিশীল প্ৰতিযোগিতামূলক বিশ্বৰ লগত ব্যক্তিগত আৰু ৰাষ্ট্ৰীয় ক্ষেত্ৰত বিপদজনকভাৱে অসুবিধাজনক স্থিতিত ৰাখিছে। উদাহৰণস্বৰূপে, তথ্যগত আৰু কাৰ্যকৰী জ্ঞানৰ ক্ষেত্ৰত কম্পিউটাৰে মানৱ ক্ষমতাক অতিক্ৰম কৰিছে। আনহাতে, আমাৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চস্তৰীয় বুদ্ধিমত্তাৰ বিকাশৰ বাবে শিক্ষাৰ সকলো স্তৰতে তেওঁলোকক তেনে জ্ঞানৰ অত্যাধিক বোজা কঢ়িয়াবলৈ দিয়া হৈছে।

23.8. এই নীতি এনে সময়ত তৈয়াৰ কৰা হৈছে, যিসময়ত বিবিধ প্ৰযুক্তি, যেনে, কৃত্ৰিম বুদ্ধিমত্তা, ত্ৰিমাত্ৰিক/সপ্তমাত্ৰিক ভাৰ্চুৱেল বাস্তৱতাৰ বিকাশ ঘটিছে। কৃত্ৰিম বুদ্ধিমত্তাৰ খৰচৰ মান কমি গ'লে ই মানুহৰ লগত ফেৰ মাৰিব পাৰিব বা ইয়াৰ সক্ষমতা মানুহতকৈও অধিক হ'ব, আৰু ফলস্বৰূপে, পূৰ্বানুমানমূলক কাৰ্যৰ ক্ষেত্ৰত চিকিৎসকৰ দৰে কৌশলী পেছাদাৰীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ সহায়ক হৈ পৰিব। কৰ্মক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ বহুমুখী প্ৰয়োগৰ সম্ভাৱনা স্পষ্ট আৰু তাৰবাবে শিক্ষা ব্যৱস্থাই ইয়াৰ প্ৰতি তাৎক্ষণিক ইতিবাচক সঁহাৰি জনোৱা যুগুত হ'ব। এইক্ষেত্ৰত NEFTএ সম্ভাৱনাপূৰ্ণ ন ন প্ৰযুক্তিসমূহক বিবিধতাৰ আধাৰত প্ৰণালীৱদ্ধ কৰি এই বিশ্লেষণক মানৱ সম্পদ মন্ত্ৰালয়ৰ ওচৰত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত উপস্থাপন কৰিব লাগে। এই পৰামৰ্শৰ আধাৰত মন্ত্ৰালয়ে তথ্যসমূহৰ আধাৰত শিক্ষা ব্যৱস্থাৰ চাহিদা পূৰণ কৰিব পৰা প্ৰযুক্তিসমূহক আনুষ্ঠানিকভাৱে চিনাক্ত কৰিব লাগে।

23.9. মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ আনুষ্ঠানিক স্বীকৃতিৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰীয় গৱেষণা ন্যাসে প্ৰযুক্তিৰ গৱেষণাৰ সূচনা আৰু সম্প্ৰসাৰণৰ বাবে উদ্যোগ হাতত ল'ব। কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত NRFএ ত্ৰি-মুখী দৃষ্টি আৰোপ কৰিছে: (ক) কৃত্ৰিম বুদ্ধিমত্তাৰ মূল গৱেষণাৰ বিকাশ, (খ) প্ৰায়োগিক গৱেষণাৰ বিকাশ আৰু নিয়োগ, আৰু, (গ) স্বাস্থ্য, কৃষি আৰু জলবায়ুৰ পৰিবৰ্তনৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগেৰে আন্তঃৰাষ্ট্ৰীয় প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পৰাকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণাৰ প্ৰতি উদ্যোগ গ্ৰহণ কৰা।

23.10. শিক্ষানুষ্ঠানসমূহে প্ৰযুক্তিৰ বিবিধ ক্ষেত্ৰৰ গৱেষণাৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ উপৰিও কিছুমান বিশেষ ক্ষেত্ৰ, যেনে, পেছাদাৰী শিক্ষাৰ ন ন বিষয়ক্ষেত্ৰৰ অনলাইন পাঠ্যসূচী আৰু প্ৰাৰম্ভিক পৰ্যায়ৰ শিকণ সমল তৈয়াৰ কৰাৰ ওপৰতো গুৰুত্ব দিব। প্ৰযুক্তিয়ে পৰিপক্কতা লাভ কৰাৰ পিছত উচ্চ শিক্ষা অনুষ্ঠানৰ হেজাৰ হেজাৰ বিদ্যাৰ্থীক শিক্ষণ আৰু কৌশল বিকাশৰ কাৰ্যত নিয়োজিত কৰা হ'ব, যিবোৰে নিয়োগমুখী লোকক প্ৰশিক্ষণৰ লক্ষ্য কৰি ল'ব। বিবিধ ক্ষেত্ৰৰ প্ৰযুক্তিয়ে কিছুমান পদলুপ্তি ঘটাব আৰু সেয়েহে নিয়োগৰ সুযোগ বৃদ্ধি আৰু নিযুক্তিৰ সমতুল্যতা ৰক্ষাৰ বাবে কৌশলৰ বিকাশ আৰু বিলুপ্তিৰ প্ৰতি গুৰুত্ব দিয়া হ'ব। প্ৰতিষ্ঠানসমূহক স্বায়ত্বশাসনৰ অধিকাৰ প্ৰদান কৰি আনুষ্ঠানিক সহযোগী অনুষ্ঠানক প্ৰশিক্ষণ দিয়াৰ দায়িত্ব দিয়া হ'ব, যাৰ ফলত প্ৰযুক্তি কৌশলৰ সতে উচ্চ শিক্ষাৰ পৰিকাঠামোৰ সংযোজন ঘটিব।

23.11. কিছুমান কেন্দ্ৰীয় বিষয়ক্ষেত্ৰ, যেনে, মেচিন শিক্ষাৰ লগতে আন্তঃবিষয়কেন্দ্ৰিক 'AI+X' আৰু স্বাস্থ্য, কৃষি আৰু আইনৰ দৰে পেছাদাৰী ক্ষেত্ৰসমূহৰ মূল বিষয়ৰ আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰস্তুতিৰ লক্ষ্য বিশ্ববিদ্যালয়সমূহে হাতত ল'ব। স্বয়মৰ দৰে মঞ্চৰ জৰিয়তে তেওঁলোকে এনে বিষয়সমূহৰ পাঠ্যক্ৰম প্ৰস্তুত আৰু প্ৰসাৰিত কৰিব। উচ্চ শিক্ষানুষ্ঠানসমূহে পৰম্পৰাগত স্নাতক আৰু বৃত্তিমুখী শিক্ষাৰ সৈতে অনলাইন পাঠ্যক্ৰমৰ সংযোগ কৰি প্ৰক্ৰিয়াটো খৰতকীয়া কৰি তুলিব। কৃত্ৰিম বোধৰ ক্ষেত্ৰখনৰ গুণগত যোগসূত্ৰ আগবঢ়াই নিবলৈ কম কৰ্মদক্ষতাৰ বিষয়, যেনে, তথ্যৰ টোকা লিখন, ছবি শ্ৰেণীভুক্তকৰণ, আৰু পাঠ লিপ্যন্তৰকৰণ আদিৰো প্ৰশিক্ষণ আগবঢ়াব। ভাৰতবৰ্ষৰ বিভিন্ন ভাষাৰ স্বাভাৱিক প্ৰৱাহক ত্বৰান্বিত কৰাৰ বাবে বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীক সংযোগ কৰাৰ বাবে উদ্যোগ লোৱা হ'ব।

23.12. বিবিধ প্ৰযুক্তিৰ বিকাশৰ ফলত বিদ্যায়তনিক আৰু প্ৰচলিত শিক্ষাই সাধাৰণ লোকক বিভিন্ন দিশৰ পৰা সজাগ কৰি তুলিব আৰু বিভিন্ন বিষয়ৰ ওপৰত মতামত আগবঢ়াবলৈ সকলো লোককে সক্ষম কৰি তুলিব। প্ৰযুক্তিৰ সৈতে সংযোজিত বিষয়সমূহৰ প্ৰতি থকা জনসমৰ্থনৰ বাবে এনে সজাগতাৰ সৃষ্টি কৰা একান্ত প্ৰয়োজন। ৰাষ্ট্ৰীয় শিক্ষা নিধি

আৰু মানৱ সম্পদ উন্নয়ন মন্ত্রালয়ৰ দ্বাৰা চিহ্নিত বিবিধ প্রযুক্তিৰ আলোচনাত নৈতিক আৰু সাম্প্রতিক বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হ'ব। প্ৰচলিত শিক্ষাৰ বাবে নিৰ্দেশাত্মক আৰু আলোচ্য বিষয়ৰ বাস্তৱসন্মত সমল প্ৰস্তুত কৰা হ'ব।

23.13. কৃত্রিম বোধৰ প্ৰধান চাবি-কাঠি হৈছে তথ্য আৰু তথ্যৰ উপযুক্ত ব্যৱহাৰ, সুৰক্ষাৰ মানদণ্ড, আৰু ইয়াৰ ক্ষেত্ৰত আইনগত দিশ আৰু গোপনীয়তা ৰক্ষাৰ বাবে সুক্ষ্ম নিৰীক্ষণৰ প্ৰয়োজন। কৃত্রিম বোধ আধাৰিত প্রযুক্তিৰ বিকাশ আৰু প্ৰয়োগ আদি সকলো দিশত নৈতিক বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা অতিকৈ প্ৰয়োজন। সজাগতা সৃষ্টিৰ বাবে শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। আমাৰ জীৱনধাৰাৰ পৰিৱৰ্তন আনিব পৰা অন্যান্য প্রযুক্তিয়ে শিক্ষাদান পদ্ধতিৰ অন্তৰ্গত শক্তিৰ পুনৰনবীকৰণ আৰু পৰিষ্কৰণ, জল সংৰক্ষণ, কাৰ্যক্ষম কৃষিপাম, জলবায়ু সংৰক্ষণ আৰু পৰিৱেশৰ অন্যান্য ক্ষেত্ৰত সূচক হিচাপে কাম কৰিব। শিক্ষাৰ ক্ষেত্ৰত এনে বিষয়সমূহেই অগ্ৰাধিকাৰ লাভ কৰিব।

## 24. অনলাইন আৰু ডিজিটেল শিক্ষা: প্রযুক্তিৰ কাৰ্যকৰী প্ৰয়োগৰ নিশ্চিতি

24.1. নতুন পৰিস্থিতি আৰু বাস্তৱ প্ৰয়োজনীয়তাৰ বাবে নতুন প্ৰচেষ্টাৰ প্ৰয়োজন। সাম্প্রতিক সময়ৰ মহামাৰী আৰু অতিমাৰক পৰিস্থিতিয়ে দেখুৱাই দিছে যে, প্ৰয়োজন সাপেক্ষে পৰম্পৰাগত আৰু সংবদ্ধ শিক্ষা সম্ভৱ নহ'লে গুণগত বিকল্প শিক্ষা ব্যৱস্থাৰ বাবে আমি সাজু থাকিব লাগিব। সাম্ভাব্য জটিলতা আৰু বিপদসংকুলতাক স্বীকাৰ কৰি লৈও সেয়েহে শিক্ষানীতি 2020এ প্রযুক্তিৰ সুবিধাসমূহক কাৰ্যকৰী ব্যৱস্থা হিচাপে চিহ্নিত কৰিছে। অনলাইন আৰু ডিজিটেল শিক্ষাৰ প্ৰয়োগৰ ক্ষেত্ৰত লাভ কৰিব পৰা সুবিধাসমূহ চিহ্নিত কৰা আৰু নেতিবাচক দিশসমূহ বিচাৰ উলিয়াই সুপৰিকল্পিত আৰু যথোপযুক্ত পৰীক্ষামূলক অধ্যয়নৰ জৰিয়তে তাক সমাধান কৰাটোৱেই হ'ল সময়ৰ আহ্বান। ডিজিটেল মঞ্চ আৰু প্রযুক্তিগত আহিলাসমূহ সময়ত নিশ্চিতভাৱে ফলপ্ৰসু হৈ উঠিব আৰু শিক্ষাৰ সাম্প্রতিক আৰু ভৱিষ্যত প্ৰত্যাহ্বানসমূহ গ্ৰহণ কৰিব পৰাকৈ সম্প্ৰসাৰিত কৰি সকলোৰে বাবে গুণগত শিক্ষাৰ ব্যৱস্থা কৰা হ'ব।

24.2. সামূহিক প্রচেষ্টাৰে ডিজিটেল অসামঞ্জস্যতা প্রতিৰোধ কৰিব নোৱাৰিলে অনলাইন/ডিজিটেল শিক্ষাৰ সুবিধাসমূহ কাৰ্যকৰী কৰিব পৰা নাযাব। ডিজিটেল ভাৰত মিচন আৰু কম্পিউটাৰৰ সহজলভ্যতা আদিৰ দৰে সামুহিক উদ্যোগৰ জৰিয়তেহে সেয়া সম্ভৱ হৈ উঠিব। অনলাইন/ডিজিটেল শিক্ষাৰ বাবে প্রযুক্তিৰ ব্যৱহাৰত সমতা স্থাপন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব।

24.3. উপযুক্ত শিক্ষক গঢ়ি তোলাৰ বাবে শিক্ষকসকলৰ উপযুক্ত প্ৰশিক্ষণ আৰু বিকাশ অতি প্ৰয়োজন। এগৰাকী পৰম্পৰাগত ভাল শিক্ষক স্বতঃস্ফুৰ্তভাৱে অনলাইন শ্ৰেণীকোঠাৰো ভাল শিক্ষকৰূপে পৰিগণিত হ'ব বুলি ধৰি ল'ব নোৱাৰি। শিকণ পদ্ধতিৰ পৰিৱৰ্তনৰ লগে লগে অনলাইন মূল্যায়ন ব্যৱস্থাৰ ওপৰতো ভিন্ন দৃষ্টিকোণৰ আৱশ্যক। অনলাইন পদ্ধতিত আগবঢ়াব পৰা প্ৰশ্নৰ প্ৰকাৰৰ সীমাবদ্ধতা, নেটৱৰ্ক নিয়ন্ত্ৰণ, বিজুলী শক্তি ব্যাহত হোৱা, আৰু অনৈতিক উপায় অৱলম্বন, আদি অসুবিধাৰ মাজত অনলাইন পৰীক্ষা ব্যৱস্থা অতি প্ৰত্যাহ্বানমূলক। ডিজিটেল পদ্ধতিৰ পাঠ্যক্ৰমত কিছুমান বিশেষ পাঠ্যক্ৰম, যেনে, পৰিৱেশ্য কলা, বিজ্ঞানৰ ব্যৱহাৰিক পাঠ্যক্ৰম, আদিৰ ক্ষেত্ৰত যথেষ্ট সীমাবদ্ধতা আছে। এই সীমাবদ্ধতা আংশিকভাৱে হ'লেও নতুন ধৰণৰ উদ্ভাৱনী শক্তিৰে সমাধান কৰিব পৰা যাব। অনলাইন শিক্ষা ব্যৱস্থাৰ সৈতে, ব্যৱহাৰিক আৰু হাতে-কামে লাগিব পৰা শিকণ পদ্ধতি সংযুক্ত ৰূপত প্ৰয়োগ নকৰিলে ব্যৱস্থাটো শিকণ কাৰ্যৰ মনোবৈজ্ঞানিক, সামাজিক আৰু প্ৰভাৱশালী দিশটোৰ প্ৰতি সীমাবদ্ধ হৈ পৰিব আৰু শিক্ষাক এক দৃশ্যমান ব্যৱস্থাতে আৱদ্ধ কৰি ৰাখিব।

24.4. বিদ্যালয় আৰু উচ্চ শিক্ষাৰ সকলো স্তৰতে ডিজিটেল আৰু নব্য প্রযুক্তিৰ উন্মোষণৰ প্ৰতি লক্ষ্য ৰাখি এই নীতিয়ে কিছুমান প্ৰাথমিক উপায় আগবঢ়াইছে:

**(ক) অনলাইন শিক্ষা ব্যৱস্থাৰ পৰীক্ষামূলক অধ্যয়ন:** NETF, CIET, NIOS, IGNOU, IIT, NIT আদিৰ দৰে বিশেষ প্ৰতিষ্ঠানসমূহক পৰীক্ষামূলক অধ্যয়নৰ সমান্তৰালভাৱে অনলাইন শিক্ষাৰ সুবিধাজনক দিশসমূহৰ মূল্যায়নৰ লগতে নেতিবাচক দিশসমূহো, যেনে, ছাত্ৰ-ছাত্ৰীৰ ডিজিটেল জগতৰ প্ৰতি অত্যাধিক

আসক্তি, বৈদ্যুতিন বিষয়বস্তুক অধিক গুৰুত্ব প্ৰদান আদি দিশৰ ওপৰত অধ্যয়ন কৰিব। এনে পৰীক্ষামূলক অধ্যয়নৰ ফলাফলসমূহ ৰাজহুৱা কৰি সময়ে সময়ে ব্যৱস্থাটোৰ উত্তৰণ ঘটোৱা হ'ব।

**(খ) ডিজিটেল বুনিয়াদ:** শিক্ষাখণ্ডত মুকলি, আন্তঃকাৰ্যক্ষমসম্পন্ন, প্ৰগতিশীল, সামাজিক ডিজিটেল বুনিয়াদ নিৰ্মাণত বিনিয়োগ কৰাৰ প্ৰয়োজন আছে। ডিজিটেল ক্ষেত্ৰৰ এনে বুনিয়াদী ব্যৱস্থাই ভাৰতবৰ্ষৰ বিশালতা, বিচিত্ৰতা, জটিল আৰু দূৰদৃষ্টি সম্পন্ন সমস্যা সমাধানৰ দিশ নিৰ্ণয় কৰিব আৰু এখন মঞ্চ হিচাপে কাম কৰিব। সদা পৰিৱৰ্তনশীল প্ৰযুক্তিৰ ক্ষেত্ৰত প্ৰযুক্তিনিৰ্ভৰ কাৰ্যব্যৱস্থা অপ্ৰচলিত হৈ পৰাৰ আশংকা এই ডিজিটেল বুনিয়াদী ক্ষেত্ৰই দূৰ কৰিব।

**(গ) অনলাইন শিক্ষা মঞ্চ আৰু আহিলা:** শিক্ষাৰ্থীৰ উপযুক্ত তত্বাৱধানৰ বাবে SWAYAM (স্বয়ম), DIKSHA (দীক্ষা) আদিৰ দৰে যথোপযুক্ত মঞ্চই ব্যৱহাৰিক সা-সুবিধাযুক্ত উচ্চ মানৰ ডিজিটেল আহিলা শিক্ষক সমাজে লাভ কৰিব পৰাকৈ সম্প্ৰসাৰিত কৰিব। বৰ্তমানৰ অতিমৰকৰ সময়তে পাৰস্পাৰিক আদান প্ৰদানৰ দ্বৈত সুবিধাযুক্ত দৃশ্য-শ্ৰাব্য আহিলাৰ অতি প্ৰয়োজন হৈছে।

**(ঘ) ডিজিটেল অসমতাৰ সৈতে মোকামিলা:** এইটো সৰ্বজনস্বীকৃত যে, বৰ্তমানেও জনসংখ্যাৰ এক বুজন অংশই দূৰদৰ্শন, ৰেডিঅ', আঞ্চলিক ৰেডিঅ' আদিৰ দৰে প্ৰচলিত গণ-মাধ্যমসমূহকে ধৰি ডিজিটেল মাধ্যমসমূহৰ পৰা বঞ্চিত হৈ আছে। ছাত্ৰ সমাজৰ বিভিন্ন প্ৰয়োজনীয়তা পুৰণ কৰিব পৰাকৈ চৌব্বিছ ঘণ্টাই উপলব্ধ হোৱাকৈ এই মাধ্যম প্ৰস্তুত কৰা হ'ব। এই ক্ষেত্ৰত সকলো ভাৰতীয় ভাষাৰ পাঠ্যক্ৰমৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব। যিমান দূৰ সম্ভৱ শিক্ষা পদ্ধতিৰ মাধ্যম হিচাপে ডিজিটেল সমলে শিক্ষক-শিক্ষাৰ্থীক ঢুকি পোৱাৰ ব্যৱস্থা কৰা প্ৰয়োজন।

**(ঙ) পাঠ্যক্ৰম প্ৰস্তুতকৰণ, ডিজিটেল সংগ্ৰহালয় আৰু বিতৰণ:** ব্যৱহাৰকাৰীয়ে গুণগত আৰু উপযুক্ততাৰ মান নিৰূপণৰ ব্যৱস্থা থকা পাঠ্যক্ৰম, শিক্ষামূলক ক্ৰীড়া, কৃত্ৰিম উপাদান, সংবৰ্ধিত বাস্তৱিকতা (Augmented Reality) আৰু পৰিদৃশ্যমান (Virtual) বাস্তৱিকতা আদি পাঠ্যক্ৰমৰ এটা ডিজিটেল সংগ্ৰহালয় প্ৰতিষ্ঠা কৰিব। স্পষ্ট ব্যৱহাৰিক নিৰ্দেশনাযুক্ত ভাৰতীয় কলা-সংস্কৃতিক প্ৰতিফলিত কৰিব পৰা ডিজিটেল খেল-ধেমালি, এপ আদি বিদ্যাৰ্থীৰ উপযোগীকৈ প্ৰস্তুত কৰা হ'ব। বিদ্যাৰ্থীসকলৰ বাবে সহজলভ্য হোৱাকৈ ইয়াক শিক্ষাদান কাৰ্যৰ বিশ্বাসযোগ্য সহায়ক হিচাপে প্ৰস্তুত কৰা হ'ব।

**(চ) শ্ৰাব্য গৱেষণাগাৰ:** সকলো শিক্ষাৰ্থীয়ে গুণগত ব্যৱহাৰিক আৰু কাৰ্যকৰী শিক্ষা গ্ৰহণৰ অভিজ্ঞতা সমভাৱে লাভ কৰিবলৈ প্ৰচলিত ই-শিক্ষণ মঞ্চ, স্বয়ম, দীক্ষা আৰু স্বয়মপ্ৰভা আদি অনুষ্ঠানক শ্ৰাব্য গৱেষণাগাৰ প্ৰতিষ্ঠাৰ বাবে কৰ্তৃত্ব প্ৰদান কৰা হ'ব। আৰ্থ-সামাজিকভাৱে পিছপৰা শিক্ষাৰ্থীৰ বাবে পূৰ্বতে প্ৰস্তুত কৰি উলিওৱা পাঠ্যক্ৰম সংযুক্ত কৰা টেবলেট আদিৰ দৰে উপযুক্ত ডিজিটেল আহিলা যোগান ধৰাৰ বিষয়টো বিৱেচনা আৰু বিকশিত কৰি তোলা হ'ব।

**(ছ) শিক্ষকৰ প্ৰশিক্ষণ আৰু উদগনিমূলক বঁটাঃ** অনলাইন শিক্ষণ মঞ্চ আৰু আহিলা ব্যৱহাৰ কৰি শিক্ষকে উন্নত মানৰ পাঠ্যক্ৰম প্ৰস্তুত কৰিবলৈ শিক্ষণ পদ্ধতি সম্পৰ্কে কঠোৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগিব। পাঠ্যক্ৰম আৰু শিক্ষকৰ পাৰস্পাৰিক সক্ৰিয় সম্পৰ্ক বৰ্তাই ৰাখিব পৰাকৈ শিক্ষকৰ ভূমিকাক সুচল কৰি তোলাত গুৰুত্ব প্ৰদান কৰা হ'ব।

**(জ) অনলাইন পৰীক্ষা ব্যৱস্থা আৰু মূল্যায়ন:** মূল্যায়নৰ মাপকাঠী, পৰ্যালোচনা, পৰিকাঠামো, উপযোগিতা, বিভাগ, স্বীকৃত নীতি আদিৰ আৰ্হিৰে মূল্যায়নৰ ভেটি গঠনৰ বাবে 'পৰশ (PARAKH)' বা ৰাষ্ট্ৰীয় মান নিৰূপণ কেন্দ্ৰ, বিদ্যালয় বোৰ্ড, ৰাষ্ট্ৰীয় মূল্যাংকন এজেঞ্চি (NTA), আৰু অন্যান্য বিভাগৰ দৰে উপযুক্ত বিভাগক ইয়াৰ গঠন প্ৰস্তুত কৰিবলৈ দায়িত্ব অৰ্পণ কৰা হ'ব। একবিংশ শতিকাৰ শিক্ষা-প্ৰযুক্তিৰ প্ৰতি লক্ষ্য ৰাখি মূল্যায়নৰ নতুন পথ মুকলি কৰাৰ বাবে অধ্যয়ন চলোৱা হ'ব।

**(ঝ) সংমিশ্রিত শিকণ আৰ্হি:** ডিজিটেল শিক্ষা আৰু শিকণ পদ্ধতিৰ বিকাশক গুৰুত্ব প্ৰদান কৰিলেও, কায়িকভৱে প্ৰদান কৰা শিক্ষা-পদ্ধতিকো একে ধৰণেৰে বাহাল ৰখা হ'ব। ভিন ভিন বিষয়ৰ পাঠ্যক্ৰমৰ লগত খাপ খাব পৰাকৈ সংমিশ্রিত শিকণ পদ্ধতিৰ আৰ্হি প্ৰয়োগৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**(ঞ) মান নিৰূপণ:** অনলাইন আৰু ডিজিটেল ক্ষেত্ৰৰ গৱেষণাৰ সমান্তৰালভাৱে NETF আৰু অন্যান্য অনুষ্ঠানে ডিজিটেল/অনলাইন শিকণ তথা শিক্ষণৰ পাঠ্যক্ৰম, প্ৰযুক্তি আৰু শিক্ষণ পদ্ধতিৰ মান নিৰূপক স্থাপন কৰিব। এনে মান নিৰূপকে উচ্চ শিক্ষানুষ্ঠান, বিদ্যালয়, বিদ্যালয়-গোট, বোৰ্ড, ৰাজ্যৰ ই-শিক্ষণ ব্যৱস্থাৰ নিৰ্দেশনাও প্ৰস্তুত কৰি উলিয়াব।

### 24.5. বিশ্বমানৰ দায়িত্বশীল গোট গঠন, ডিজিটেল বুনিয়াদ, ডিজিটেল শিক্ষাৰ পাঠ্যক্ৰম আৰু সক্ষমতা

প্ৰযুক্তি শিক্ষাৰ লক্ষ্য নহয়, প্ৰযুক্তি এক আহিলাহে আৰু শিক্ষাৰ ক্ষেত্ৰত স্থিৰ কৰা লক্ষ্যত উপনীত হ'বলৈ শিক্ষা ক্ষেত্ৰৰ সৈতে জড়িত কৰ্মীসকলৰ মাজত সক্ষমতা বিকাশ ঘটোৱাৰ প্ৰয়োজন আছে। উচ্চ শিক্ষা আৰু বিদ্যালয় পৰ্যায়ৰ ই-শিক্ষাৰ ডিজিটেল ভেটি, পাঠ্যক্ৰম আৰু দক্ষতা বিকাশৰ বাবে মন্ত্ৰালয় পৰ্যায় পৰ্যন্ত সংযোগ স্থাপন কৰিবৰ বাবে এটা দায়িত্বশীল আৰু নিষ্ঠাবান গোটৰ প্ৰয়োজন। প্ৰযুক্তি ক্ষীপ্ৰ পৰিৱৰ্তনশীল হোৱাৰ বাবে উচ্চ মানৰ ই-শিক্ষণ, সক্ৰিয় পৰিস্থিতিৰ সৃষ্টি কৰিবলৈ বিশেষজ্ঞৰ প্ৰয়োজন, আৰু এই কাৰ্যব্যৱস্থাক ভাৰতীয় মানদণ্ড, বৈচিত্ৰ, সমতা আদিৰ ক্ষেত্ৰত সাম্ভাব্য প্ৰত্যাহ্বানসমূহৰ সৈতে মোকামিলা কৰিবলৈ উৎসাহ যোগোৱাৰ উপৰিও প্ৰযুক্তিৰ পৰিৱৰ্তন অতি আৱশ্যকীয়। প্ৰতিটো বৰ্ষতে প্ৰযুক্তিগত আহিলাসমূহৰ অৰ্ধ-জীৱন সমাপ্ত হৈ পৰে, আৰু সেইবাবে আমি দ্ৰুত পৰিৱৰ্তনৰ পৰিস্থিতিৰ সৈতে খোজ মিলাই বিকশিত হ'ব লাগিব। এই কেন্দ্ৰই সেয়েহে প্ৰশাসন, শিক্ষা, শিক্ষা-প্ৰযুক্তি, ডিজিটেল শিকণ পদ্ধতি, মূল্যায়ন, ই-প্ৰশাসন আদি ক্ষেত্ৰৰ বিশেষজ্ঞৰ দ্বাৰা গঠিত হ'ব লাগিব।

# ভাগ IV – ইয়াৰ ৰূপায়ণ

## 25. কেন্দ্ৰীয় উপদেষ্টা পৰিষদৰ সৱলীকৰণ

25.1. নীতিৰ সফল ৰূপায়ণৰ বাবে ৰাষ্ট্ৰীয়, ৰাজ্যিক, আনুষ্ঠানিক আৰু ব্যক্তিগত পৰ্যায়ৰ সন্তুলিত আৰু সামূহিক কাৰ্যক্ষমতা, সহজলভ্য দক্ষতা আৰু দূৰদৃষ্টিসম্পন্ন মানসিকতাৰ আৱশ্যক। এই ক্ষেত্ৰত নীতিখনে কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদক (CABE) শক্তিশালী আৰু সক্ষম কৰি তুলিব আৰু শিক্ষা আৰু সাংস্কৃতিক বিকাশৰ বিশদ পৰ্যালোচনা আৰু পৰীক্ষণৰ বাবে পৰিষদীয় কাৰ্যব্যৱস্থা লোৱা হ'ব। মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি আৰু ৰাজ্যৰ শীৰ্ষ সমিতিসমূহৰ সহযোগী শাখা হিচাপে CABEএ দেশৰ শিক্ষানীতিৰ ভৱিষ্যত পৰিকল্পনা, বিকাশৰ ধাৰা, কাৰ্যকৰীকৰণ, মূল্যায়ন আদিৰ দায়িত্ব গ্ৰহণ কৰিব। ইপ্সিত লক্ষ্যত উপনীত হ'ব পৰাকৈ ই নিৰবিচ্ছিন্ন পুনৰীক্ষণৰ আনুষ্ঠানিক ভেটি স্থাপন কৰিব।

25.2. শিক্ষা আৰু শিক্ষণ পদ্ধতিক প্ৰধান লক্ষ্য হিচাপে ল'ব পৰাকৈ মানৱ সম্পদ মন্ত্ৰালয়ক শিক্ষা মন্ত্ৰালয় (Ministry of Education - MoE) হিচাপে পুনৰ নামকৰণ কৰা হ'ব।

## 26. পুঁজিৰ বিনিয়োগ: সকলোৰে বাবে গুণগত আৰু সহজলভ্য শিক্ষা

26.1. উচ্চ মেধাসম্পন্ন নৱ প্ৰজন্মৰ ভৱিষ্যতৰ শিক্ষাৰ বাবে এই নীতিয়ে বিনিয়োগৰ নিশ্চয়তা প্ৰদান কৰিব। দুৰ্ভাগ্যজনকভাৱে, 1968 চনৰ নীতিৰ নিৰ্দেশনা, 1986 চনৰ নীতিয়ে পুনৰোল্লেখ কৰা আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত 1992 চনত পুনৰীক্ষণ কৰি ধাৰ্য কৰা ঘৰুৱা উৎপাদনৰ 6% ধন শিক্ষা খণ্ডত খৰচ কৰাৰ নিৰ্দেশনা থকা স্বত্বেও, বৰ্তমানে ভাৰতৰ ৰাজহুৱা খণ্ডৰ শিক্ষা ব্যৱস্থাত খৰচ কৰা ধনৰ পৰিমাণ এই পৰিমাণৰ কাষ চাপিবলৈ সক্ষম হোৱা

নাই। বৰ্তমান ভাৰতবৰ্ষই (কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ) ৰাজহুৱা শিক্ষা খণ্ডত কৰা ব্যয়ৰ পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ 4.43%ৰ ভিতৰত আছে (2017-18 চনৰ বাজেটত ধাৰ্য কৰা ব্যয়ৰ উল্লেখ অনুসৰি)। প্ৰতিখন চৰকাৰে এই পৰিমাণৰ কেৱল 10%হে শিক্ষা খণ্ডত ব্যয় কৰিছে (Economic Survey, 2017-18)। অন্যান্য উন্নত আৰু উন্নয়নশীল দেশৰ তুলনাত এই পৰিমাণ যথেষ্ট কম।

26.2. শিক্ষাৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি আৰু ৰাষ্ট্ৰ আৰু অৰ্থনীতিৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি এই নীতিয়ে স্পষ্ট ৰূপৰেখাৰে ৰাজহুৱা শিক্ষা খণ্ডত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহক পুঁজি বিনিয়োগৰ অনুমোদন দিব। অনতিপলমে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুটীয়া প্ৰচেষ্টাৰে ৰাজহুৱা শিক্ষা খণ্ডত ঘৰুৱা উংপাদনৰ 6% পুঁজি বিনিয়োগৰ ব্যৱস্থা কৰিব লাগে। ভাৰতবৰ্ষৰ অৰ্থনীতি, সমাজ, সংস্কৃতি, মেধা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত ভৱিষ্যতৰ বিকাশ আৰু প্ৰগতিৰ বাবে উচ্চ মানবিশিষ্ট ৰাজহুৱা, নিৰপেক্ষ শিক্ষা ব্যৱস্থাত উপনীত হোৱাটো অতি প্ৰয়োজন।

26.3. বিশেষকৈ শিক্ষাৰ কিছুমান অতি জটিল আৰু গুৰুত্বপূৰ্ণ উপাদান, যেনে, সাৰ্বজনীন প্ৰৱেশাধিকাৰৰ সুবিধা, শিকণ সমল, পৰিপুষ্টিৰ পৃষ্ঠপোষকতা, শিক্ষাৰ্থীৰ সুৰক্ষা আৰু সামূহিক কল্যাণ, শিক্ষাক আৰু কৰ্মচাৰীৰ পৰ্যাপ্ততা, শিক্ষকৰ বিকাশ আৰু পিছপৰা আৰু দুৰ্বল সকলো শ্ৰেণীৰ লোকৰ বাবে উচ্চ মানৰ সাৰ্বজনীন শিক্ষা ব্যৱস্থা আদিৰ বাবে পৰ্যাপ্ত পুঁজিৰ যোগান ধৰা হ'ব।

26.4. শিক্ষা ব্যৱস্থাৰ উৎকৰ্ষ সাধনৰ বাবে তৎকালীন ব্যয়ৰ উপৰিও প্ৰাথমিক ভেটি আৰু সমল সম্পৰ্কীয় বিষয়ৰ বাবে এই নীতিয়ে কিছুমান দীৰ্ঘম্যাদী আৰু সম্প্ৰসাৰণ কৰিব পৰা ক্ষেত্ৰ নিৰ্দিষ্ট কৰিছে: (ক) সাৰ্বজনীন প্ৰাক্-বিদ্যালয় শিক্ষা আৰু শিশু পৰিচৰ্যা (খ) প্ৰাথমিক সাক্ষৰতা আৰু সংখ্যাজ্ঞানৰ শিক্ষা সুনিশ্চিতকৰণ (গ) বিদ্যালয় বা বিদ্যালয়-গোটত প্ৰয়োজনীয় সমলৰ যোগান (ঘ) পৰিপুষ্টিৰ বাবে উপযুক্ত খাদ্যৰ যোগান (প্ৰাতঃ আৰু মধ্যাহ্ন আহাৰৰ ব্যৱস্থা) (ঙ) শিক্ষকৰ প্ৰশিক্ষণ আৰু শিক্ষকৰ নিৰবিচ্ছিন্ন পেছাদাৰী উন্নতিৰ বাবে পুঁজি বিনিয়োগ (চ) বিশ্ববিদ্যালয়সমূহৰ কাৰ্যদক্ষতা বৃদ্ধি (ছ) গৱেষণা কাৰ্যৰ উৎকৰ্ষ সাধন আৰু (জ) পৰ্যাপ্ত পৰিমাণে অনলাইন আৰু প্ৰযুক্তিগত শিক্ষাপ্ৰণালীৰ প্ৰয়োগ।

26.5. শিক্ষাত ধাৰ্য কৰা ধনতকৈ কম পুঁজি বিনিয়োগ কৰাৰ উপৰিও জিলা অথবা অনুষ্ঠানবোৰে সময়মতে পুঁজি ব্যয় কৰিব নোৱাৰাৰ বাবে আশা কৰা লক্ষ্যত উপনীত হোৱাত বাধাৰ সৃষ্টি হৈছে। সেয়েহে, নীতিৰ পৰিৱৰ্তনৰ জৰিয়তে লাভ কৰা বাজেটৰ সৎব্যৱহাৰ কৰিব লাগিব। অৰ্থনৈতিক প্ৰশাসন আৰু নিয়ন্ত্ৰণ বিভাগে পুঁজিৰ সুসম, সময়োচিত, পুঁজি মুকলিকৰণ আৰু যথোপযুক্ত ব্যৱহাৰৰ প্ৰতি চোকা দৃষ্টি ৰাখিব লাগিব। পুঁজিৰ পৰিমাণ যাতে বাঢ়ি নেযায়, তাৰ বাবে, পুঁজি আৱন্টনৰ সৈতে সম্পৰ্কিত প্ৰশাসনীয় ব্যৱস্থাৰ প্ৰয়োজনীয় সংস্কাৰ আৰু বাধাহীন প্ৰৱাহৰ ব্যৱস্থা নিশ্চিত কৰা প্ৰয়োজন। চৰকাৰী ধনৰ উচিত ব্যৱহাৰ আৰু নিধিৰ বান্ধোন প্ৰতিৰোধ কৰাৰ বাবে GFR, PFMS আৰু সময়মতে পুঁজি আৱণ্টন আদি ব্যৱস্থাৰ জৰিয়তে নীতি ৰূপায়ণ গোটসমূহক পুঁজি মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰ্যকৰীকৰণ দক্ষতাৰ ওপৰত ভিত্তি কৰি উচ্চ শিক্ষা অনুষ্ঠান আৰু ৰাজ্যসমূহক ধন আৱণ্টন দিয়াৰ ব্যৱস্থা কৰা হ'ব। SEDGসমূহৰ বাবে নিৰ্ধাৰণ কৰি দিয়া পুঁজিৰ পৰিপূৰ্ণ ব্যৱহাৰ আৰু সৰ্বোচ্চ ব্যয়ৰ বাবে প্ৰয়োজন হোৱা ব্যৱস্থাৰ সৃষ্টি কৰা হ'ব। প্ৰতিষ্ঠানসমূহে নিজস্বভাৱে প্ৰস্তুত কৰি উলিওৱা ব্যয়ৰ স্বচ্ছ খতিয়ান আৰু ভূমিকাক পৃথক কৰি ৰখা হ'ব আৰু স্বায়ত্বশাসন আৰু কৰ্তৃত্বৰ জৰিয়তে নতুন ধৰণৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰস্তাৱ ৰখা হৈছে। লগতে, প্ৰতিষ্ঠানসমূহৰ নেতৃত্বত বিশিষ্ট আৰু বিচক্ষণ ব্যক্তিৰ নিযুক্তিৰে মসৃণ আৰু স্বচ্ছভাৱে, খৰতকীয়া পুঁজিৰ প্ৰৱাহ নিশ্চিত কৰা হ'ব।

26.6. শিক্ষা খণ্ডত ব্যক্তিগত আৰু জনকল্যাণমুখী কামকাজক সক্ৰিয় আৰু কাৰ্যকৰী কৰাৰ পোষকতা কৰা হয়। শিক্ষা খণ্ডত অভিজ্ঞতালব্ধ কাৰ্যক উৎসাহিত কৰাৰ বাবে, বিশেষকৈ জনকল্যাণমুখী শিক্ষামূলক কাম-কাজৰ সৈতে জড়িত অনুষ্ঠানসমূহক ৰাজহুৱা বাজেটৰ দ্বাৰা পৃষ্ঠপোষকতা কৰা হ'ব।

26.7. শিক্ষাৰ বাণিজ্যিকীকৰণৰ ক্ষেত্ৰত কেইবাটাও দিশত এই নীতিয়ে 'লঘু অথচ কঠোৰ' নিয়ন্ত্ৰণৰ দৃষ্টিকোণেৰে শিক্ষানুষ্ঠানসমূহৰ বিত্তীয় হিচাপ-নিকাচ, শিক্ষা পদ্ধতি, পাঠ্যক্ৰম আৰু শিক্ষাৰ ফলাফলৰ স্বচ্ছতাৰে ৰাজহুৱা কৰাৰ ব্যৱস্থা কৰিব। ৰাজহুৱা আৰু ব্যক্তিগত সকলো প্ৰতিষ্ঠানৰে সুশাসনৰ ব্যৱস্থা সৃষ্টি কৰা হ'ব। একেদৰে উপযুক্ত আৰু

অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণীসমূহৰ অসুবিধা নোহোৱাকৈ শিক্ষাৰ উচ্চ পৰিমাণৰ ব্যয় কেনেদৰে নোহোৱা কৰিব পাৰি তেনে ব্যৱস্থাও বিচাৰি উলিওৱা হ'ব।

## 27. ৰূপায়ণ

27.1. যিকোনো নীতিৰ কাৰ্যকাৰিতা ইয়াৰ ৰূপায়ণ প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰে। নীতিৰ সফল ৰূপায়ণ বহুধাবিভক্ত পদক্ষেপ আৰু সুসংগত বিধি ব্যৱস্থাৰে পৰিচালিত সন্মিলিত প্ৰচেষ্টাৰ দ্বাৰাহে সম্ভৱ। সেয়েহে এই শিক্ষানীতিৰ ৰূপায়ণৰ দায়িত্ব MHRD, CABE, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহ, শিক্ষা মন্ত্ৰালয়সমূহ, ৰাজ্যিক শিক্ষা বিভাগ, বোৰ্ড, ৰাষ্ট্ৰীয় মূল্যাংকন এজেঞ্চি, বিদ্যালয় আৰু উচ্চ শিক্ষা নিয়ন্ত্ৰক গোট, NCERT, SCERT, বিদ্যালয় আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ পৰিকল্পিত পুনৰীক্ষণ আৰু সময়োচিত পদক্ষেপ গ্ৰহণৰ দ্বাৰা, সকলো গোটৰ সুসংঘবদ্ধ প্ৰচেষ্টাৰে ইয়াক মনৰ গভীৰত ধাৰণ কৰি লক্ষ্যত আগবাঢ়িব লাগিব।

27.2. তলত উল্লেখ কৰা নিৰ্দেশনাসমূহৰ দ্বাৰা এই নীতি ৰূপায়ণ প্ৰক্ৰিয়া পৰিচালিত হ'ব। প্ৰথমে, নীতিৰ গুঢ়াৰ্থ উপলব্ধি কৰি লক্ষ্য ৰূপায়ণ এক জটিল বিষয়। দ্বিতীয়তে, নীতি ৰূপায়ণত পৰ্যায়ভিত্তিক পদক্ষেপৰ প্ৰয়োজন, কাৰণ নীতিখনত কেইবাটাও স্তৰ আছে আৰু এই স্তৰসমূহ প্ৰতিটো পূৰ্বৱৰ্তী স্তৰৰ ৰূপায়ণৰ পাছতহে পৰৱৰ্তী স্তৰৰ ৰূপায়ণ সম্ভৱ হ'ব। তৃতীয়তে, নীতিখনৰ সকলো দিশৰে ক্ৰমবদ্ধ পৰিপূৰ্ণ ৰূপায়ণৰ বাবে অগ্ৰাধিকাৰৰ ভিত্তিত গুৰুত্ব প্ৰদান কৰিব লাগিব আৰু আটাইতকৈ প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ ক্ষেত্ৰক প্ৰথমে গ্ৰহণ কৰিব লাগিব, যাতে ইয়াৰ এক শক্তিশালী ভেটি প্ৰতিষ্ঠাত সফল হ'ব পৰা যায়। চতুৰ্থতে, সাৰ্বজনীনতা সকলো নীতিৰে প্ৰধান চাবি-কাঠী। নীতিখন যিহেতু সামগ্ৰিক, সেয়েহে, একোটা খণ্ডৰ ৰূপায়ণৰ সলনি সামগ্ৰিক ৰূপায়ণৰ ফলতহে আশা কৰা লক্ষ্যত উপনীত হ'ব পৰা যাব। পঞ্চমতে, শিক্ষা যিহেতু এটা সাৰ্বজনীন বিষয়, সেয়েহে, কেন্দ্ৰ আৰু ৰাজ্যৰ সুপৰিকল্পনা, উমৈহতীয়া নিৰীক্ষণ আৰু যৌথ ৰূপায়ণতহে ই সফল হ'ব। ষষ্ঠতে, নীতিখনৰ সন্তোষজনক কাৰ্যকৰীকৰণৰ বাবে সময়ানুৱৰ্তী লোক, ভেটি আৰু অৰ্থনৈতিক সম্পদৰ অতি প্ৰয়োজন। শেষত, সকলো প্ৰাৰম্ভিক পদক্ষেপকে যথোপযুক্তভাৱে আগবঢ়াই লৈ যাব পৰাকৈ বহুমুখী আৰু সমান্তৰাল ৰূপায়ণ প্ৰক্ৰিয়াৰ সতৰ্ক পৰ্যালোচনা আৰু পুনৰীক্ষণৰ প্ৰয়োজন। ইয়াৰ ভিতৰত কিছুমান বিশেষ ক্ষেত্ৰ, যেনে, প্ৰাৰম্ভিক শিশু পৰিচৰ্যা আৰু শিক্ষাৰ পৰিকাঠামো আদিত আগতীয়া পুঁজি বিনিয়োগৰ প্ৰয়োজন। ই পৰৱৰ্তী সকলো পৰ্যায় আৰু কাৰ্যসূচী ৰূপায়ণৰ শক্তিশালী ভেটি স্থাপন কৰিব।

27.3. নীতিখনৰ পৰ্যায় বিভক্ত আৰু সম্পূৰ্ণ ৰূপায়ণৰ লক্ষ্যত উপনীত হ'বলৈ আৰু ওপৰত উল্লেখ কৰা নীতিৰ আধাৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত প্ৰাসংগিক মন্ত্ৰালয়ৰ সৈতে সহযোগিতা আৰু পৰ্যালোচনাৰ জৰিয়তে বিষয়ভিত্তিক বিশেষজ্ঞ সমিতি গঠন কৰিব। MHRD আৰু ৰাজ্য চৰকাৰসমূহে গঠন কৰি দিয়া সমিতিসমূহে নীতিখনৰ ৰূপায়ণ সম্পৰ্কে লক্ষ্য আধাৰিত কাৰ্যপন্থাৰ অগ্ৰগতিৰ সমীক্ষা কৰিব আৰু CABEক এই বিষয়ে প্ৰতিৱেদন দাখিল কৰিব। 2030-40 চনৰ ভিতৰত সমগ্ৰ নীতিখন কাৰ্যকৰী ৰূপত চলি থাকিব আৰু পৰৱৰ্তী পৰ্যায়ত আন এক সামগ্ৰিক সমীক্ষা চলোৱা হ'ব।

# প্ৰয়োগ হোৱা সংক্ষিপ্ত শব্দৰূপৰ তালিকা

| | |
|---|---|
| ABC | Academic Bank of Credit |
| AI | Artificial Intelligence |
| AC | Autonomous degree-granting College |
| AEC | Adult Education Centre |
| API | Application Programming Interface |
| AYUSH | Ayurveda, Yoga and Naturopathy, Unani, Siddha and Homeopathy |
| B.Ed. | Bachelor of Education |
| BEO | Block Education Officer |
| BITE | Block Institute of Teacher Education |
| BoA | Board of Assessment |
| BoG | Board of Governors |
| BRC | Block Resource Centre |
| B.Voc | Bachelor of Vocational Education |
| CABE | Central Advisory Board of Education |
| CBCS | Choice Based Credit System |
| CBSE | Central Board of Secondary Education |
| CIET | Central Institute of Educational Technology |
| CMP | Career Management and Progression |
| CoA | Council of Architecture |
| CPD | Continuous Professional Development |
| CRC | Cluster Resource Centre |
| CWSN | Children With Special Needs |
| DAE | Department of Atomic Energy |
| DBT | Department of Biotechnology |
| DEO | District Education Officer |
| DIET | District Institute of Education and Training |
| DIKSHA | Digital Infrastructure for Knowledge Sharing |
| DSE | Directorate of School Education |
| DST | Department of Science and Technology |
| ECCE | Early Childhood Care and Education |
| EEC | Eminent Expert Committee |
| GCED | Global Citizenship Education |
| GDP | Gross Domestic Product |
| GEC | General Education Council |
| GER | Gross Enrolment Ratio |
| GFR | General Financial Rule |
| HECI | Higher Education Commission of India |
| HEGC | Higher Education Grants Council |
| HEI | Higher Education Institutions |
| ICAR | Indian Council of Agricultural Research |
| ICHR | Indian Council of Historical Research |
| ICMR | Indian Council of Medical Research |

| | |
|---|---|
| ICT | Information and Communication Technology |
| IDP | Institutional Development Plan |
| IGNOU | Indira Gandhi National Open University |
| IIM | Indian Institute of Management |
| IIT | Indian Institute of Technology |
| IITI | Indian Institute of Translation and Interpretation |
| ISL | Indian Sign Language |
| ITI | Industrial Training Institute |
| M.Ed. | Master of Education |
| MBBS | Bachelor of Medicine and Bachelor of Surgery |
| MERU | Multidisciplinary Education and Research Universities |
| MHFW | Ministry of Health and Family Welfare |
| MHRD | Ministry of Human Resource Development |
| MoE | Ministry of Education |
| MOOC | Massive Open Online Course |
| MOU | Memorandum of Understanding |
| M. Phil | Master of Philosophy |
| MWCD | Ministry of Women and Child Development |
| NAC | National Accreditation Council |
| NAS | National Achievement Survey |
| NCC | National Cadet Corps |
| NCERT | National Council of Educational Research and Training |
| NCF | National Curriculum Framework |
| NCFSE | National Curriculum Framework for School Education |
| NCFTE | National Curriculum Framework for Teacher Education |
| NCIVE | National Committee for the Integration of Vocational Education |
| NCPFECCE | National Curricular and Pedagogical Framework for Early Childhood Care and Education |
| NCTE | National Council for Teacher Education |
| NCVET | National Council for Vocational Education and Training |
| NETF | National Educational Technology Forum |
| NGO | Non-Governmental Organization |
| NHEQF | National Higher Education Qualifications Framework |
| NHERC | National Higher Education Regulatory Council |
| NIOS | National Institute of Open Schooling |
| NIT | National Institute of Technology |
| NITI | National Institution for Transforming India |
| NPE | National Policy on Education |
| NPST | National Professional Standards for Teachers |
| NRF | National Research Foundation |
| NSQF | National Skills Qualifications Framework |
| NSSO | National Sample Survey Office |
| NTA | National Testing Agency |
| OBC | Other Backward Classes |
| ODL | Open and Distance Learning |

| | |
|---|---|
| PARAKH | Performance Assessment, Review and Analysis of Knowledge for Holistic development |
| PCI | Pharmacy Council of India |
| PFMS | Public Financial Management System |
| Ph.D | Doctor of Philosophy |
| PSSB | Professional Standard Setting Body |
| PTR | Pupil Teacher Ratio |
| R&I | Research and Innovation |
| RCI | Rehabilitation Council of India |
| RPWD | Rights of Persons with Disabilities |
| SAS | State Achievement Survey |
| SC | Scheduled Caste(s) |
| SCDP | School Complex/Cluster Development Plans |
| SCERT | State Council of Educational Research and Training |
| SCF | State Curricular Framework |
| SCMC | School Complex Management Committee |
| SDG | Sustainable Development Goal |
| SDP | School Development Plan |
| SEDG | Socio-Economically Disadvantaged Group |
| SEZ | Special Education Zone |
| SIOS | State Institutes of Open Schooling |
| SMC | School Management Committee |
| SQAAF | School Quality Assessment and Accreditation Framework |
| SSA | Sarva Shiksha Abhiyan |
| SSS | Simple Standard Sanskrit |
| SSSA | State School Standards Authority |
| ST | Scheduled Tribe(s) |
| STEM | Science, Technology, Engineering, and Mathematics |
| STS | Sanskrit Through Sanskrit |
| SWAYAM | Study Webs of Active Learning for Young Aspiring Minds |
| TEI | Teacher Education Institution |
| TET | Teacher Eligibility Test |
| U-DISE | Unified District Information System for Education |
| UGC | University Grants Commission |
| UNESCO | United Nations Educational, Scientific and Cultural Organization |
| UT | Union Territory |
| VCI | Veterinary Council of India |

*****